# মুকলি বিহুৰ পৰিৱেশন শৈলী

(ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত পঠিত আৰু নিৰ্বাচিত প্ৰবন্ধ সংকলন)

*নৃগোষ্ঠীয় কথা (দ্বিতীয় খণ্ড)*

*সম্পাদনা*

ড° দীপেন দাস

নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসম

CENTRE FOR ETHNIC STUDIES & RESEARCH, ASSAM

**MUKOLI BIHUR PARIBESHON SHOILOYEE**, *a collection of various articles relating to Deka-Gabhorur Mukoli Bihu edited by Dr Deepan Das, Astt. Prof. R.G. Baruah College, Guwahati & Secretary (Hon), Centre for Ethnic Studies & Research (CESR) & Published by Publication Cell, Maridhol College, Dhemaji on behalf of Centre for Ethnic Studies & Research, Assam, 2017*

# মুকলি বিহুৰ পৰিৱেশন শৈলী

**(ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত পঠিত আৰু নিৰ্বাচিত প্ৰৱন্ধ সংকলন)**

*নৃগোষ্ঠীয় কথা (দ্বিতীয় খণ্ড)*

**সম্পাদনা**

**ড° দীপেন দাস**

**প্ৰকাশক**

নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ হৈ
প্ৰকাশন কোষ, মৰিধল মহাবিদ্যালয়, ধেমাজি, অসম
প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১৮

© নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

ডিটিপি ঃ দীপা শইকীয়া আৰু কৰবী চৌধুৰী

বেটুপাত অলংকৰণ ঃ উজ্জ্বল দিহিঙীয়া

বেটুপাত পৰিকল্পনা ঃ ড° দিপেন শইকীয়া

মুদ্ৰক ঃ আই কম, বামুনীমৈদাম, গুৱাহাটী-২১

ISBN ঃ ৯৭৮-৯৩-৮৪০৪৮-০৪-৪

অৰিহণা ঃ ২৫০.০০ টকা মাত্ৰ

# অভিমত

বিহুৰে বিৰিণা    পাতে সমনীয়া
বিহুৰে বিৰিণা পাত;
বিহু থাকে মানে    বিহুকে বিনাবা
বিহু গলে বিনাবা কাক।

বিহু থাকে মানেহে বিহু। বিহু গ'লে কাক বিনাবা? বিহু বিনাবলৈ বিহু থাকিব লাগিব। কোনোবাই বিহুক ৰাখিব লাগিব, তেহে বিহু থাকিব। সেয়েহে বিহুক লৈ নানা চিন্তা-চৰ্চা, মত-অভিমত নানা ভাৱে নানান জনৰ। সকলোৰে ভাৱে বিহু সদায় বিহু হৈয়ে থাকক আমাৰ সকলোৰে মনত আৰু প্ৰাণত।

গোলোকীকৰণৰ উদাৰ নীতিয়ে জনমানসত আলোড়নৰ সৃষ্টি কৰিছে। আধুনিকতাৰ ধামখুমীয়াত জীৱন যাপনৰ কায়দাই সলনি হ'বলৈ ধৰিছে। কৃষ্টি-সংস্কৃতিতো ইয়াৰ প্ৰভাৱ পৰিছে। অসমীয়া সংস্কৃতিৰ বাহক বাপতিসাহোন বিহুটিও ইয়াৰ কৰলত নপৰাকৈ থকা নাই। পৰিবৰ্ত্তনৰ বতাহে বিহুটিকো কপাইছে।

বিহু বুলিলে বিহু উৎসৱকে বুজায়। বিহু উৎসৱৰ ভাগ তিনিটা ঃ বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। যথাক্ৰমে ৰঙালী বিহু, কঙালী বিহু আৰু ভোগালী বিহু নামেৰেও পৰিচিত। ৰঙালী বিহুৰ আৰম্ভ হয় চ'তৰ সংক্ৰান্তিত আৰু বহাগৰ ছয় দিনলৈকে থাকে, কাতি বিহু আহিনৰ সংক্ৰান্তিত পালন কৰা হয়। মাঘ বিহু পুহৰ সংক্ৰান্তিত পালন কৰা হয়।

বিহু উৎসৱৰ ভিতৰত ৰঙালী বিহুৱে অধিক সমাদৰ লাভ কৰি আহিছে। ৰঙৰ উৎসৱ হেতুকে ৰঙালী বিহু বুলি কোৱা হয়। ৰঙালী বিহু উৎসৱত অন্যান্য বংশ পৰম্পৰা অনুযায়ী বিভিন্ন আচাৰ-অনুষ্ঠান পূৰ্ব্বৰে পৰা চলি আহিছে।

ৰঙালী বিহুত গাভৰুৱে জেং-বিহু মৰা, পুৰুষে হুঁচৰি গোৱা, আৰু ডেকা-গাভৰুৱে মুকলি বিহু মৰা দেখা যায়। অতীজতে বিহু মাৰিছিল গছৰ তলত নামবোৰ মুকলিমুৰীয়াকৈ গাব পাৰিছিল। যৌৱনৰ ভৰত পৰি দুই-এটা যৌনগন্ধী গীত-মাতৰো পৰিৱেশন হৈছিল। সময়ৰ গতিত সমাজে স্বীকৃতি দিয়াৰ পাছত বিহুৱে পৰিমাৰ্জিত, পৰিশীলিত ৰূপ পৰিগ্ৰহ কৰিলে। বিহু এতিয়া গছ তলৰ বা আঁৰৰ বিহু হৈ থকা নাই।

বিহুৱে সামাজিক আৰু সাংস্কৃতিক সাজ পিন্ধি পৰিৱেশ্য কলাৰ ৰূপ ধাৰণ কৰিলে। বিহু এতিয়া নান্দনিক ৰূপে-ৰসে সমৃদ্ধ হৈ মঞ্চমূখী হ'ল।

এয়া সময়ৰ আহ্বান। পৰিৱেশ, পৰিস্থিতিৰ লগত খাপ খোৱাকৈ বিহুৱে ন-ৰূপ ধাৰণ কৰিলে। ডেকা-গাভৰুৰ মুকলি বিহুৱে যি নান্দনিক ৰূপ ধাৰণ কৰিলে সেয়ে আজি সৰ্ব্বজন সমাদৃত। আনকি বিদেশতো মুকলি বিহুৰ সমাদৰ অপৰিসীম।

মুকলি বিহুৰ পৰিৱেশন শৈলী ঠাই বিশেষে প্ৰভেদ দেখা যায়। কিছু মিলিব পৰা আৰু মিলাব পৰা থল নিশ্চয় আছে আৰু তাকে কৰিব পাৰিলে বিহু সৰ্ব্বাঙ্গ সুন্দৰ হ'ব বুলি নিৰ্ব্বিবাদে ক'ব পাৰি। সেয়েহে এই মহৎ উদ্দেশ্য আগত ৰাখি বিহু অনুৰাগী সকলৰ মাজত ৰাজ্যিক ভিত্তিত এখনি কৰ্মশালা কৰাৰ কথা নৃ-গোষ্ঠীয় সমাজে চিন্তা কৰিলে আৰু তাৰ ফলশ্ৰুতিতে ১৫/১০/২০১৭ তাৰিখে গুৱাহাটীৰ দিশপুৰ প্ৰেছ ক্লাৱত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। প্ৰায় ১৫ গৰাকী বিহু সাধক তথা বিহু বিশেষজ্ঞই উক্ত আলোচনা চক্ৰত মত বিনিময় কৰে। এক আশাপ্ৰদ আলোচনাই দিক-নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰে। এক দীঘলীয়া আলোচনাৰ অন্তত সৰ্ব্বসন্মতিক্ৰমে নিম্নলিখিত প্ৰস্তাৱ সমূহ গ্ৰহণ কৰা হয়—

**প্ৰস্তাৱ নং ১ঃ** ডেকা গাভৰুৰ মুকলি বিহুৰ সম্পৰ্কত বিভিন্ন অঞ্চলত বিভিন্ন আঞ্চলিক ৰূপ প্ৰত্যক্ষ কৰা যায়। এনে পৰিপ্ৰেক্ষিতত আজিৰ আলোচনা চক্ৰত মুকলি বিহুৰ আঞ্চলিক বৈশিষ্ট্যসমূহক সকলোতে সন্মান জনোৱা উচিত বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

**প্ৰস্তাৱ নং ২ঃ** ডেকা গাভৰুৰ মুকলি বিহুত গাভৰু অথবা ডেকাৰ আগতীয়া প্ৰৱেশৰ বিষয়টো (উপস্থাপন) আঞ্চলিক ভিত্তিত সুকীয়া সুকীয়া। সেয়েহে এইক্ষেত্ৰত আঞ্চলিক বৈশিষ্ট্যৰাজিক সকলোৱে সন্মান জনোৱা উচিত। অৱশ্যে বিহুৰ ব্যৱহাৰিক দিশৰ নান্দনিক ৰূপটো যাতে কোনো কাৰণতে ব্যাহত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত বুলি আজিৰ আলোচনা চক্ৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

**প্ৰস্তাৱ নং ৩ঃ** বিহুৰ অনান্য ব্যৱহাৰিক দিশৰ বিভিন্ন বিষয় (যেনে- হুঁচৰি, গাভৰু বিহু ইত্যাদি)ৰ সন্দৰ্ভত ভৱিষ্যতে আলোচনা চক্ৰ অনুষ্ঠিত কৰি একোটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে মুকলি বিহু প্ৰতিযোগিতাত গাভৰু বা ডেকাৰ আগতীয়া প্ৰৱেশৰ প্ৰসংগতো যাতে কোনো মঞ্চতেই

উত্থাপন কৰি কোনো প্ৰকাৰৰ বিতৰ্কৰ সূচনা কৰা নহয় তাৰ প্ৰতিও সকলোকে আহ্বান জনোৱা হয়।

বিহু অনুৰাগীসকলে বিহুৰ স্বকীয় মৰ্যাদা ৰক্ষা কৰাত ফলপ্ৰসু চিন্তা আৰু কাৰ্যপন্থা গ্ৰহণ কৰা নিতান্তই উত্তৰদায়িত্বৰ ভিতৰত পৰে। বিতৰ্কৰ জেদ ধৰি বিহু অতীজৰ গছ তললৈ ঘূৰি যাব লাগে ক'লেও সি সম্ভৱ হৈ নুঠে। কাৰণ ৰূপান্তৰে সমাজৰ গতি নিৰ্ণয় কৰে। অন্যান্য নীতি-পৰকাঠাৰো ৰূপান্তৰ ঘটিছে। সময়ৰ লগত খোজ মিলাব পৰাটোহে প্ৰগতি। অতীতক খামুচি ধৰি থাকিলে সমাজ স্থবিৰ হৈ পৰিব, যিটো কোনোমতে মানিব নোৱাৰি। বিহুৰো নিজৰ এটা শৈলী আছে, পৰম্পৰা আছে। বিহুৰ ব্যাকৰণ নাই যদিও শৃংখলা নোহোৱা কেতিয়াও হোৱা নাই। মহাভাৰতৰ দিনতো যুদ্ধ বিগ্ৰহৰ ক্ষেত্ৰত নিয়ম বান্ধি দিয়া হৈছিল। গতিকে বিহুৰ পৰিৱেশনৰ ক্ষেত্ৰতো এনে নীতি নিয়ম উলাই কৰা উচিত নহয়।

নৃগোষ্ঠীয় অধ্যয়ণ আৰু গৱেষণা কেন্দ্ৰৰ সচিব (অবৈতনিক) ভ্ৰাতৃপ্ৰতীম ডঃ দীপেন দাসে এটা সুচিন্তিত পৰিকল্পনাৰে মুকলি বিহুৰ পৰিৱেশন শৈলীৰ বিষয়ত আলোকপাত কৰাৰ মানসেৰে উক্ত আলোচনা চক্ৰ ভাগিৰ গুৰি ধৰে। আলোচনা চক্ৰ ভাগিত অসমৰ আগশাৰীৰ বিহু মনিষী, বিহু চিন্তাবিদ, বিহু বিশেষজ্ঞই অংশ গ্ৰহণ কৰি এক দিক নিৰ্ণায়ক ভূমিকা পালন কৰে। উক্ত আলোচনা চক্ৰখনিত বিহু ঐতিহ্য পৰম্পৰাৰ মৰ্যাদা ৰক্ষা কৰি বিহু পৰিৱেশন কৰাৰ পৰামৰ্শ তাৎপৰ্যপূৰ্ণ। বিতৰ্কৰ নামত বিতৰ্কৰ অৱতাৰণা এৰি বিহুৰ সুন্দৰ ৰূপটোক কেনেকৈ সৰ্ব্বাঙ্গসুন্দৰ কৰি তুলিব পাৰি তালৈহে চিন্তাশীল বুদ্ধিজীৱি, বিহু বিশেষজ্ঞ তথা বিহু সাধকসকলে সুচিন্তাৰ প্ৰয়োগ কৰা উচিত।

বিহু পৰিৱেশনৰ ক্ষেত্ৰত যিসকলে আগভাগ লৈ আহিছে তেখেতসকল নমস্য। আহ্বান থাকিল তেখেতসকলে যদি বিহুৰ চাৰিত্ৰিক বৈশিষ্ট্য (পৰম্পৰাগত গীত-মাত, সাজপাৰ, নাচ-বাদ্য আদি)ৰ প্ৰতি লক্ষ্য ৰাখি বিহু পৰিৱেশন কৰাত মনোনিৱেশ কৰে যেন। তাৰবাবে তলৰ চাৰিটা দিশলৈ মন কৰা উচিত ঃ ১। উচিত অধ্যয়ন, ২। উচিত প্ৰশিক্ষণ, ৩। উচিত অনুশীলন আৰু ৪। উচিত পৰিৱেশন। ইয়াৰ দ্বাৰাএইটো নহয় যে সকলো বিহুৱা-বিহুৱতীয়ে ডিগ্ৰী-ডিপ্লমা লৈহে বিহু মাৰিব। প্ৰয়োজনীয় জ্ঞানখিনি আহৰণ কৰি লোৱা উচিত। অধ্যয়ন বিহীন প্ৰশিক্ষণ, প্ৰশিক্ষণ নোলোৱাকৈ অনুশীলন আৰু অনুশীলন নকৰাকৈ পৰিৱেশন কৰাটো বাঞ্চনীয় নহয়। প্ৰত্যেকটো

শিল্পৰে গুৰুত্ব আৰু মহত্ব আছে। সেই বিষয়ে জানি বুজি লোৱা উচিত। অন্যথাই বিকৃত হোৱাটো স্বাভাৱিক। গতিকে বিহুকো অধ্যয়ন, প্ৰশিক্ষণ, অনুশীলন, পৰিৱেশনৰ আওঁতালৈ আনিব লাগে। বিহু এক শিল্প বা কলা। কলাৰ সাধনা নহ'লে সিদ্ধি লাভ নহয়। বিহুত সঙ্গীত (গীত, নৃত্য, বাদ্য)ৰ সমাহাৰ ঘটিছে, গতিকে সঙ্গীত হিচাপে বিহুৰ সাঙ্গীতিক উপাদান সমূহেও মৰ্যাদা ৰক্ষা কৰিব পাৰিব লাগিব। তেতিয়াহে বিহুৱে এক লোক-কলা হিচাপে আন্তৰ্জাতিক সন্মান বুটলিববলৈ সক্ষম হ'ব।

বিহুৱে নব্যৰূপে আন্তৰ্জাতিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিববলৈ সক্ষম হৈছে। গতিকে বিহুক অনাখৰীলোকৰ সৃষ্টি বুলিয়ে লঘু দৃষ্টিৰে চাব নালাগে। বৰঞ্চ বিহুৱে জন-জীৱনৰ ৰূপ-ৰেখা হিচাপেহে বেছি পৰিচয় দি আহিছে।

বিহুৰ ভৱিষ্যত নৱ-প্ৰজন্মৰ ওপৰতে নিৰ্ভৰশীল আৰু নৱ-প্ৰজন্মক পোনাই পজৰাই দিয়াটো অগ্ৰজসকলৰে দায়িত্ব। আশা কৰিম যাতে বিহুৰ তাৎপৰ্য উপলব্ধি কৰি ঐক্য, সম্প্ৰীতি, সমন্বয়ৰ প্ৰতীক 'বিহু' অনুষ্ঠানটিয়ে অধিক জনপ্ৰিয়তা লাভ কৰিববলৈ সক্ষম হয়। তাৰ বাবে যেন সকলোৱে মুকলি মনেৰে বিহুৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহক গুৰুত্ব প্ৰদান কৰে, তাকে আন্তৰিকতাৰে কামনা কৰিলোঁ।

শুভমস্তু!

সেৱাৰে,
ভৱেন দুৱৰী
গুৱাহাটী
(৯৪৩৫৪-০৩০১১)

# সম্পাদকীয় কলম

নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ" শীৰ্ষক অনা-চৰকাৰী স্বেচ্ছাসেৱী গোষ্ঠীটোৱে অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ নৃগোষ্ঠী সমূহৰ ভাষা, সাহিত্য, সংস্কৃতি তথা ইতিহাসৰ সন্দৰ্ভত বিভিন্ন দিশৰ অধ্যয়ণ, গৱেষণা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি আহিছে। অনুষ্ঠানটোৰ অন্যতম উদ্দেশ্য হৈছে অসম তথা ভাৰতৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ সকলোবোৰ নৃগোষ্ঠীৰ বিভিন্ন ভাষা-সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনৰ বিজ্ঞান সন্মত অধ্যয়নৰ দ্বাৰা এই গোষ্ঠীসমূহৰ বিশিষ্টতাৰ সাদৃশ্য বিচাৰৰ মাজেৰে গোষ্ঠীসমূহক একতাৰ নিগড়েৰে সংঘবদ্ধ কৰি তোলা।

এইটো দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই যে বিভিন্ন জাতি জনগোষ্ঠীৰ সাহিত্য কৃষ্টি সংস্কৃতিৰে পৰিপূৰ্ণ অসমৰ জাতীয় উৎসৱ 'বিহু'। আমাৰ বাপতি সাহোন এই বিহুটিক লৈ চিন্তা-চৰ্চা, পৰীক্ষা-নিৰীক্ষা অধ্যয়ণ তথা গৱেষণা আদি যিমানেই বাঢ়িছে বিতৰ্কৰ মাত্ৰাও সিমানেই বৃদ্ধি পাইছে। এই বিতৰ্ক সমূহৰ ভিতৰত "*মুকলি বিহু*" পৰিৱেশনত হোৱা বিৰ্তকই পাৰ হৈ যোৱা ৰঙালী বিহুটিক এটি জোকাৰণি দি থৈ যায়। এই জোকাৰণিৰ প্ৰতি লক্ষ্য ৰাখি *নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰই* বিষয়টিৰ ওপৰত এক তত্বগধুৰ আলোচনা সম্পন্ন কৰি সৰ্বজন গৃহীত এক সিদ্ধান্তত উপনীত হোৱাৰ মানসেৰে "**মুকলি বিহুৰ পৰিবেশন শৈলী; এক আলোকপাত**" শীৰ্ষক এখনি ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ গুৱাহাটীৰ দিশপুৰ প্ৰেছ ক্লাৱত অনুষ্ঠিত কৰা হয়। অসমৰ বিভিন্ন জিলাৰ পৰা অহা বিহু বিশেষজ্ঞ, বিহুৱা-বিহুৱতী, সাহিত্যিক, বিহু কৰ্মীসকলৰ উপস্থিতিত আয়োজিত উক্ত আলোচনা চক্ৰখনি অনুষ্ঠিত হয়। প্ৰথমলানি আলোচনাচক্ৰৰ সঞ্চালনা কৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰাক্তন পৰিচালন সঞ্চালক তথা বিশিষ্ট লোক সংস্কৃতিৰ সাধক ভৱেন দুৱৰীয়ে আৰু দ্বিতীয় লানি আলোচনা চক্ৰ সঞ্চালনা কৰে লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক অধ্যক্ষ তথা অসম সাহিত্য সভাৰ বৰ্তমানৰ উপ-সভাপতি ডঃ হেমন্ত কুমাৰ বৰুৱাই। দুটা পৰ্যায়ত অনুষ্ঠিত কৰা আলোচনাচক্ৰ খনিত মুঠ ১৫ জন বিহু বিশেষজ্ঞ তথা গৱেষকে '*ডেকা-গাভৰুৰ মুকলি বিহু*'ৰ বিভিন্ন দিশৰ ওপৰত তেওঁলোকৰ অভিমত

লিখিত ৰূপত দাঙি ধৰে—

লোকশ্ৰী জয়কান্ত গন্ধীয়াদেৱে তেখেতৰ **“ডেকা-গাভৰুৰ মুকলি বিহুঃ অসময়ৰ অযথা বিতৰ্ক”** শীৰ্ষক নিৱন্ধটিত কিম্বদন্তিত বিহুৰ আৰম্ভ সুত্ৰ বিচাৰি পোৱা যায় বুলি মতামত ব্যক্ত কৰিছে। ব'হাগৰ ছয়দিনলৈহে বিহু উদ্‌যাপিত হৈছিল। ডেকা-গাভৰু উভয়ে বিহু নাচিছিল। ৰংঘৰৰ বাকৰিত প্ৰথমে ‘গাভৰু বিহু’ তাৰ পিছত ‘ডেকাসকলৰ বিহু’ উদ্‌যাপিত হৈছিল। অতীতৰ বিহু দুটা— ‘মুকলি’ আৰু ‘সমজুৱা’। সত্তৰৰ দশকত হুঁচৰিৰ প্ৰচলন বৃদ্ধি হ'ল আৰু হুচৰিত গাভৰুৰ নৃত্য অন্তৰ্ভূক্ত হ'ল। সাম্প্ৰতিক বিহু হুঁচৰি প্ৰতিযোগিতাত প্ৰাচীন মুকলি বিহুৰ আংশিক ছবি দেখা পোৱা যায়। বিহুৰ ক্ৰমবিকাশৰ দিশটোক বিহুৰূপে প্ৰতিযোগিতাত উপস্থাপন কৰিব পৰা যায় বুলি গৱেষক জয়কান্ত গন্ধীয়াদেৱে উল্লেখ কৰিছে।

**“মুকলি বিহুৰ পৰিৱেশন শৈলী ঃ এক সামগ্ৰিক আলোকপাত”** শীৰ্ষক প্ৰৱন্ধটিত বিহু গৱেষক ডা° অমৰেন্দ্ৰ গগৈদেৱে পৰম্পৰা, মৌখিক গীত-মাত তথা লিখিত বুৰঞ্জীৰ আলমত বিহু প্ৰাচীন ৰূপ যে অংকন কৰিব পাৰি সেই বিষয়ে বাখ্যা আগবঢ়াইছে। তেওঁৰ মতে, ৰাতি বিহু আৰু মুকলি বিহু দুয়োটাৰে ৰূপ সম্পূৰ্ণ সুকীয়া। অঞ্চলভেদে বিহুৰ সুকীয়া স্বৰূপ আছে। মুকলি বিহু গাভৰুৱে উপস্থাপন কৰিব নে ডেকাই কৰিব এই অযথা বিতৰ্ক পৰিহাৰ কৰি এক সৰ্ব্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে বুলি ডা° গগৈৰ পত্ৰখনিত প্ৰকাশ পাইছে।

**“হুঁচৰিত বুঢ়া চেও প্ৰধান//ডেকা-গাভৰুৰ মুকলি বিহুত যোৱানাম প্ৰধান//”** শীৰ্ষক নিবন্ধটিত নিবন্ধকাৰ, লোকশ্ৰী চাও দেবেন্দ্ৰ চৰণ বৰবৰুৱাই হুঁচৰি আৰু ডেকা-গাভৰুৰ মুকলি বিহুৰ মাজৰ প্ৰভেদসমূহ স্পষ্টকৈ আঙুলিয়াই দেখুৱাইছে। তাৰোপৰি হুঁচৰি আৰু মুকলি বিহুৰ পৰিৱেশন শৈলীৰ ওপৰতো নিবন্ধকাৰ গৰাকীয়ে এক সুন্দৰ বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস পৰিলক্ষিত হৈছে।

**‘নাৰী আৰু লোক-কৃষ্টি’** শীৰ্ষক লেখাটিত লোকশিল্পী হেম গগৈয়ে উল্লেখ কৰিছে যে লোক কৃষ্টিৰ ইতিহাস বিচাৰ কৰি কৃষ্টিৰ সৃষ্টিত নাৰীৰ ভূমিকা বিশ্লেষণ কৰিলে বিহুত নাৰীৰ অগ্ৰাধিকাৰ সন্দৰ্ভত মতামত গ্ৰহণ কৰিব পাৰি। পৃথিৱীৰ প্ৰায়ভাগ লোক-উৎসৱেই নাৰীকেন্দ্ৰিক। গতিকে ‘বিহু’ৰ নাৰীকেন্দ্ৰিকতাক নুই কৰিব নোৱাৰি।

আজিৰ ‘বিহু’ৰ স্বৰূপটো ক্ৰম বিকাশৰ ফল বুলি ধাৰণা কৰিব পাৰি।

ড° দীনেশ গগৈয়ে তেওঁৰ **‘মুকলি বিহুৰ প্ৰসংগত’** শীৰ্ষক নিবন্ধটিত এনেদৰে উল্লেখ কৰিছে যে বৰষুণ ভিত্তিক আৰু কৃষি সম্বন্ধীয় উৎসৱ ব’হাগৰ বিহু মৰা হৈছিল মুকলি আকাশৰ তলত। মেলা বিহুৰ প্ৰসংগ উত্থাপন কৰি মুকলি আকাশৰ তলত সমজুৱাকৈ প্ৰথম মুকলি বিহু আয়োজন কৰাৰ ক্ষেত্ৰত জামুগুৰিহাটেই যে স্ৰষ্টা সেয়া নিৱন্ধকাৰ গৰাকীয়ে সুন্দৰভাৱে বৰ্ণনা কৰিছে। চুতীয়া জনগোষ্ঠী আৰু জামুগুৰিহাটৰ মুকলি বিহুৰ সাদৃশ্যৰ প্ৰসংগ উল্লেখ কৰাৰ লগতে হুঁচৰি আৰু মুকলি বিহুৰ মাজৰ প্ৰভেদসমূহো সুন্দৰভাৱে বৰ্ণনা কৰিছে ড° গগৈৰ নিৱন্ধটিত।

**‘মুকলি বিহুত পেঁপা বাদন’** শীৰ্ষক বিহু প্ৰৱন্ধটিত প্ৰৱন্ধকাৰ মুক্তিনাথ বৰগোঁহাইয়ে মুকলি বিহুৰ স্বৰূপ সমন্ধে আলোকপাত কৰাৰ লগতে হুঁচৰি আৰু ডেকা-গাভৰুৰ মুকলি বিহুত পেঁপাৰ বাদনশৈলী সম্পৰ্কেও এক নিৰ্মোহ বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰিছে।

বিমলা গগৈ গোহাঁইৰ “**বৰ্তমান সময়ত মুকলি বিহুৰ প্ৰাসংগিকতা**” শীৰ্ষক নিবন্ধত “ডেকা গাভৰুৰ মুকলি বিহু”ৰ এক তাত্বিক বাখ্যা আগবঢ়োৱাৰ লগতে মুকলি বিহুত ডেকা-গাভৰুৱে গাব পৰা যোৰা নাম, জাতনামৰ কেতবোৰ নমুনা দাঙি ধৰাৰ প্ৰয়াস কৰিছে। তাৰোপৰি সাম্প্ৰতিক সময়ত হুঁচৰি আৰু মুকলি বিহুক একাকাৰ কৰি পৰিৱেশন কৰা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে মুকলি বিহুৰ শুদ্ধ ৰূপটো বাৰ্তাই ৰাখিবলৈ নিৱন্ধকাৰ গৰাকীয়ে নিবন্ধটিৰ জৰিয়তেই অসমবাসী ৰাইজলৈ নিবেদন জনাইছে।

ড° প্ৰদীপ নেওগে **‘মুকলি বিহুৰ সন্দৰ্ভত দুটিমান ভাবলেখ”** শীৰ্ষক নিৱন্ধৰ জৰিয়তে মুকলি বিহু সন্দৰ্ভত বিহু সুৰক্ষা সমিতিৰ যি ধাৰণা, তথা প্ৰতিযোগিতাৰ নিয়মাৱলী সেয়া বিহুৱা-বিহুৱতী তথা উদ্যোক্তা সকলোকে গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ মঞ্চত ভাওনা বা থিয়েটাৰত সাধাৰণতে ব্যৱহাৰ কৰা ‘মাইক্ৰফনৰ ব্যৱস্থাপনা’ অৰ্থাৎ ওলমাই ৰখা মাইক্ৰফনৰ ব্যৱস্থা কৰাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বিহু গৱেষক গৰাকীয়ে।

জীৱন ঘৰফলীয়াৰ **‘মুকলি বিহু সন্দৰ্ভত’** শীৰ্ষক নিৱন্ধত ‘মুকলি বিহু“

অভিধাটো বাখ্যা কৰাৰ লগতে মঞ্চত মুকলি বিহুৰ নমুনাৰ এক বৰ্ণনাও দাঙি ধৰা হৈছে য'ত নেকি ডেকা বিহুৱাৰ দ্বাৰা মুকলি বিহু উপস্থাপনৰ বিষয়টো অধিক প্ৰকট হৈ পৰা পৰিলক্ষিত হয়।

**'চ'তৰ ডেকা-গাভৰুৰ মুকলি বিহু'** শীৰ্ষক প্ৰবন্ধটিত বিহু গৱেষক পবিত্ৰ মহন ফুকনে বৰ্তমানৰ 'ডেকা-গাভৰুৰ মুকলি বিহু পূৰ্ব্বৰ চ'তৰ ৰাতি বিহুৰ পৰিৱৰ্তিত ৰূপ' বুলি অভিহিত কৰিছে। তেওঁ পত্ৰখনিত মুকলি বিহুৰ বৈশিষ্টসমূহ সাৱলীলভাৱে বৰ্ণনা কৰাৰ লগতে হুঁচৰি আৰু মুকলি বিহুৰ মাজৰ প্ৰভেদসমূহ স্পষ্টকৈ দেখুৱাইছে। উল্লেখ্য যে গৱেষক ফুকনে মুকলি বিহুৰ উপস্থাপনত গাভৰুসকলকহে অগ্ৰাধিকাৰ দিব লাগে বুলি গৱেষণা পত্ৰখনৰ জৰিয়তে যুক্তি দৰ্শাইছে।

নৰহৰি চুতীয়াৰ **'মুকলি বিহুৰ ঐতিহ্য আৰু পৰম্পৰা'** শীৰ্ষক নিবন্ধটিত ডেকা-গাভৰুৰ মুকলি বিহুৰ ৰূপ আৰু ৰূপান্তৰৰ বিষয়ে এক সুন্দৰ বাখ্যা দাঙি ধৰাৰ প্ৰয়াস কৰাৰ পৰিলক্ষিত হৈছে। প্ৰসংগক্ৰমে বিহু গৱেষক চুতীয়াই ৰাতি বিহু আৰু মুকলি বিহুৰ মাজৰ কেতবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য আঙুলিয়াই দেখুৱাইছে।

উপেন নেওঁগৰ **'মুকলি বিহু ঃ এক আলোচনা'** শীৰ্ষক পত্ৰখনত *'মুকলি বিহু'* আৰু *'মুকলি বিহু মেলা'* এই দুয়োটা অনুস্থানৰ সুকীয়া অস্তিত্বৰ কথা উল্লেখ কৰা হৈছে। তাহানিৰ ডেকা-গাভৰুৰ চ'তৰ বিহুৰ পৰিবৰ্তিত ৰূপটোকে 'মুকলি বিহু হিচাপে অভিহিত কৰি নেওঁগদেৱে মুকলি বিহুৰ বৈশিষ্ট সমূহৰ বিষয়ে এক সাৱলীল বৰ্ণনা সুন্দৰ বৰ্ণনা সুন্দৰভাৱে দাঙি ধৰিছে। অৱশ্যে তেওঁৰ পত্ৰখনত সৃষ্টিৰ মূলতঃ নাৰী প্ৰসংগৰে ডেকা-গাভৰুৰ মুকলি বিহুত উপস্থাপনৰ বেলিকা গাভৰু সকলেহে প্ৰথম গছতলৰ বিহুখোলা আৰম্ভ কৰা আৰু ডেকাসকলৰ পিছতহে বিহুখোলাত আগমন হোৱা বুলি উল্লেখ কৰিছে।

ধৈৰ্য্য দাসৰ **'মুকলি বিহুৰ পৰিবেশন শৈলী'** শিৰোনামৰ বিহু বিষয়ক প্ৰৱন্ধটিত 'মুকলি বিহু' সম্পৰ্কত তিনিচুকীয়া ডিব্ৰুগড় জিলাৰ ফালে প্ৰচলিত যি ৰূপ সেই ৰূপৰ এক বিশেষ উল্লিখন পোৱা যায়। গছতলৰ গাভৰু বিহুৱেই পৰৱৰ্তী সময়ত মুকলি বিহুৰ ৰূপ পৰিগ্ৰহ কৰা বুলি পত্ৰখনিত প্ৰকাশ পাইছে। তাৰোপৰি নিবন্ধটিত বিহুৰ প্ৰতিযোগিতাসমূহত প্ৰতিযোগীসকলৰ সাজপোচাক কৃষকৰ সাজ পোচাকৰ লগত

বিশেষভাৱে সংগতি পূৰ্ণ হ'ব লাগে যুক্তি দৰ্শোৱা হৈছে।

**'বিহুনাচৰ ভংগিমা'** শীৰ্ষক প্ৰৱন্ধটিত বিহু গৱেষক ড° অনিল শইকীয়াদেৱে ডেকা-গাভৰুৰ বিহুনাচৰ ভংগিমা সম্পৰ্কে এক তথ্যভিত্তিক বৰ্ণনা সাৱলীল ৰূপত ডাঙি ধৰিছে। বিহুনাচৰ ভংগিমা সমূহৰ ভিতৰত পদচালনা সমূহ, হাতৰ ভংগিমা সমূহৰ লগতে বিহুনাচৰ পাক সমূহ, বিহুনাচত শৰীৰৰ ভংগিমা সমূহৰ ওপৰত ড° শইকীয়াদেৱে প্ৰৱন্ধটিত বিস্তাৰিতভাৱে আলোকপাত কৰিছে।

জ্ঞানেন্দ্ৰ বল্লভ গগৈৰ **'মুকলি বিহুৰ এক চমু অৱলোকন'** শিৰোনামৰ প্ৰৱন্ধটিত ডেকা গাভৰুৰ মুকলি বিহুৰ স্বৰূপ সম্পৰ্কে এক নিৰ্মোহ বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা পৰিলক্ষিত হয়। প্ৰসংগক্ৰমে, গগৈৰ প্ৰৱন্ধটিত মুকলি বিহুৰ পৰিৱেশন শৈলীৰ বেলিকা উপস্থাপন, যোঁজনা, যোৱানাম, খৰনাম, জাতনাম আদি লগতে উজনি অসমৰ তিতাবৰ অঞ্চলত প্ৰচলিত কেইটিমান নাচনী চেওঁৰ ওপৰতো বৰ্ণনা দাঙি ধৰা পৰিলক্ষিত হয়।

গৱেষক বুদ্ধেশ্বৰ কোঁৱৰৰ **"প্ৰসংগ ঃ মুকলি বিহু (ধেমাজি জিলাৰ বিশেষ উল্লিখন)"** শীৰ্ষক নিৱন্ধটিত ধেমাজি জিলাৰ প্ৰসংগত ডেকা-গাভৰুৰ মুকলি বিহুৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰিছে। হুঁচৰি আৰু মুকলি বিহুৰ মাজৰ প্ৰভেদসমূহৰ বিষয়ে উনুকিওৱাৰ লগতে মুকলি বিহুৰ পৰিৱেশনৰ বেলিকা ঢোলৰ চাপৰ, পেপাৰ লহৰ আদিৰ বিষয়ে আলোকপাত কৰাৰ প্ৰয়াস কৰিছে নিৱন্ধকাৰ গৰাকীয়ে। তেওঁৰ মতে, ১৯৭৩ চনৰ পৰাহে ধেমাজি জিলাত 'মুকলি বিহু' মৰাৰ পৰম্পৰা আৰম্ভ হৈছে। অৰ্থাৎ 'মুকলি বিহু' অভিযোজনাটো কিছু পৰিমাণে নতুন।

**'ডেকা-গাভৰুৰ মুকলি বিহু'** শীৰ্ষক নিৱন্ধটোত নিৱন্ধকাৰ মুনিন্দ্ৰ শইকীয়াই সাম্প্ৰতিক সময়ত *ডেকা-গাভৰুৰ মুকলি বিহুৰ স্বৰূপ* সম্পৰ্কে এক বিশদ বাখ্যা আগবঢ়াইছে। মুকলি বিহুত ডেকা বিহুৱাসকলক উপস্থাপনৰ ক্ষেত্ৰত প্ৰথমে প্ৰৱেশ কৰোৱাৰ পোষকতা কৰাৰ লগতে ডেকা-গাভৰুৰ মুকলি বিহুত গাব পৰা যোৰা নামৰ কেতবোৰ উপমা নিৱন্ধকাৰ গৰাকীয়ে প্ৰবন্ধটিৰ জৰিয়তে সুন্দৰভাৱে উপস্থাপন কৰিছে। ঢোলৰ চাপৰ, পেপাৰ, গীত মাত আদিৰ ওপৰত এক তথ্যভিত্তিক বাখ্যা আগবঢ়াইছে।

**'ৰঙালীৰ কথাৰে'** শীৰ্ষক প্ৰৱন্ধটোৰ জৰিয়তে প্ৰৱন্ধকাৰ পদুম প্ৰসাদ শইকীয়াই

অতীতৰ বিহুৰ ৰূপ আৰু বৈশিষ্ট্যসমূহৰ ওপৰত আলোকপাত কৰি সাম্প্ৰতিক সময়ত সাতামপুৰুষীয়া বিহুলৈ যি এক অবাঞ্চিত পৰিৱৰ্তন আহিছে তাক সম্যকভাৱে ডাঙি ধৰাৰ প্ৰয়াস কৰিছে।

**"মুকলি বিহুৰ পৰিৱেশন শৈলী ঃ এটি চমু অৱলোকন"** শীৰ্ষক শিৰোনামেৰে লেখাটিত লেখক লাচিত ফুকনে ডেকা-গাভৰুৰ মুকলি বিহুক চ'তৰ বিহুৰ এটি অংশ হিচাপে অভিহিত কৰি এই বিহুত গাভৰু সকলহে বিহুখোলালৈ আগতে প্ৰৱেশ কৰাৰ পৰম্পৰা আছে বুলি প্ৰসংগক্ৰমে উল্লেখ কৰিছে আৰু ইয়াৰ সপক্ষে তেওঁ কেইফাকিমান বিহুনামৰো উদাহৰণ দাঙি ধৰিছে। অৱশ্যে পত্ৰখনিৰ শেষ দফাৰ ফালে তেওঁ মুকলি বিহুৰ উপস্থাপনৰ বেলিকা ডেকা বা গাভৰুৰ কোনে আগতীয়াকৈ বিহু খোলাত প্ৰৱেশ কৰিব সেয়া বিতৰ্কৰ বিষয় হোৱা অনুচিত বুলি তাৎপৰ্যপূৰ্ণ ভাৱে মন্তব্য দাঙি ধৰিছে।

**'মুকলি বিহুঃ এক অনুভৱ'** শীৰ্ষক নিৱন্ধটিত নিৱন্ধকাৰ ৰোহিণী বৰগোঁহাইদেৱে 'ডেকা-গাভৰুৰ মুকলি বিহু'ৰ এক থূলমূল আভাষ দিয়াৰ লগতে ডেকা-গাভৰুৰ মুকলি বিহু আৰু হুঁচৰি গোৱা বিহুনাম সমূহৰ মাজৰ প্ৰভেদ ইত্যাদি বিষয়ত এক সম্যক ধাৰণা আগবঢ়োৰ প্ৰয়াস কৰিছে।

**"মুকলি বিহুৰ পৰিৱেশন শৈলী"** শীৰ্ষক নিৱন্ধত নিৱন্ধকাৰ বিহুৰাম কলিতাই মুকলি বিহুৰ প্ৰতিযোগিতাত ডেকা গাভৰুৰ সাজপাৰ সম্পৰ্কে এক বিশ্লেষণ আগবঢ়োৱাৰ লগতে মুকলি বিহুত ব্যৱহৃত বাদ্য বিলাকৰো এক আভাষ দাঙি ধৰাৰ প্ৰয়াস কৰিছে।

ড° কনকলতা কোঁৱৰৰ **'অসমীয়া লোককৃষ্টিত মুকলি বিহু'** শীৰ্ষক প্ৰৱন্ধটিত অসমৰ জাতীয় উৎসৱ বিহু মূলতঃ ব'হাগৰ বিহুৰ এক সামগ্ৰিক ৰূপৰেখা দাঙি ধৰাৰ প্ৰয়াস কৰিছে। প্ৰসংগক্ৰমে মুকলি বিহুত পৰিৱেশন কৰা বিহুনাম বিলাকৰ ওপৰতো কিছু আলোকপাত কৰা পৰিলক্ষিত হয় ড° কোঁৱৰৰ প্ৰৱন্ধটিত।

ব্ৰজেন দাসৰ **'হুঁচৰি আৰু মুকলি বিহুত বিহুনামৰ ধাৰা'** শীৰ্ষক নিবন্ধটিত ডেকা গাভৰুৰ মুকলি বিহুত গাব পৰা বিহুনাম সমূহ আৰু হুচৰিত গোৱা নামসমূহৰ ওপৰত এক তুলনামূলক আলোকপাত কৰা পৰিলক্ষিত হয়।

**'মুকলি বিহুৰ বাদ্য গগণা'** শীৰ্ষক নিৱন্ধটিত নিৱন্ধকাৰ ডঃ দীপেন দাসে 'মুকলি বিহু' অভিধাটোৰ এক সংক্ষিপ্ত আভাস দিয়াৰ লগতে মুকলি বিহুত ব্যৱহৃত অসমৰ অন্যতম লোকবাদ্য গগণা সম্বন্ধে কিছু আভাস দিয়াৰ লগতে ডেকা-গাভৰুৰ মুকলি বিহুত গগণাৰ বাদন শৈলীৰ সম্পৰ্কে কিছু আলোক পাত কৰা পৰিলক্ষিত হয়।

বিহু গৱেষক দুৰ্ল্লভ বুঢ়াগোহাঞিদেৱে **'তাহানিৰ চ'তৰ ৰাতি বিহু, মুকলি বিহুৰ ব্যৱহাৰিক দিশ'** শীৰ্ষক নিৱন্ধটিত অতীজৰ ডেকা-গাভৰুৰ মুকলি বিহুৰ ব্যৱহাৰিক দিশসমূহৰ ওপৰত এক সুন্দৰ বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰিছে।

প্ৰসংগক্ৰমে উনুকিয়াব বিচাৰিছো যে আলোচনাচক্ৰ খনিত যদিওবা মুঠ পোন্ধৰটি নিৱন্ধহে আলোচিত হৈছিল তথাপি সংকলনটোৰ কলেৱৰৰ স্বাৰ্থতেই নৃগোষ্ঠীয় সমাজৰ অনুমতি সাপেক্ষে অতিৰিক্ত নিৱন্ধকেইটি সংযোজন কৰা হ'ল। উল্লেখ্য যে সংকলনটিত সন্নিৱিষ্ট নিৱন্ধসমূহত প্ৰকাশিত মতামত তথা তথ্যসমূহ নিৱন্ধকাৰৰ নিজা।

যি কি নহওঁক, নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ দ্বাৰা আয়োজিত ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰখন সাফল্যমণ্ডিত কৰি তোলাত আমাক বিভিন্ন ধৰণে সহায় সহযোগিতা তথা দিহা পৰামৰ্শ আগবঢ়োৱা সকলো গুণী জ্ঞানী বিজ্ঞজনলৈ আমাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। গ্ৰন্থখনিত ৰৈ যোৱা ত্ৰুটি-বিচ্যুতিখিনি গঠনমূলক দিহা-পৰামৰ্শৰে আঙুলিয়াই দিলে আমি কৃতাৰ্থ হ'ম আৰু আগলৈ এনে কিবা কৰাৰ বাবে প্ৰেৰণা লাভ কৰিম। প্ৰৱন্ধসমূহৰ সংকলটি ৰূপটি প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা I Com ৰ স্বত্বাধিকাৰী বসন্ত শইকীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ধন্যবাদেৰে—

দীপেন দাস

(ডঃ দীপেন দাস)

গুৱাহাটী

৯৭০৭৫-৯১৫৭০

# CENTRE FOR ETHNIC STUDIES & RESEARCH
## নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

নিজৰা পথ, হেঙেৰাবাৰী, ঘৰৰ নং- ৩
দিছপুৰ, গুৱাহাটী-৩৬
Email:deepand600@gmail.com

ড° প্ৰবোধ শৰ্মা
সভাপতি
৯৪৩৫০-৮৭৭০৫

ড° দীপেন দাস
সচিব (অবৈতনিক)
৯৭০৭৫-৯১৫৭০


Ref. No. ................... Date : ..............................

প্ৰতি,

মাননীয়

.............................................................................

**বিষয়ঃ মুকলি বিহুৰ পৰিৱেশন শৈলীঃ এক সামগ্ৰিক আলোকপাত শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰৰ গৃহীত প্ৰস্তাৱ সম্পৰ্কীয় পত্ৰ।**

যোৱা ১৫।১০।২০১৭ তাৰিখে দিশপুৰ প্ৰেছ ক্লাবত নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত 'মুকলি বিহু পৰিৱেশন শৈলীঃ এক আলোকপাত' শীৰ্ষক এক ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখনৰ সঞ্চালনা কৰে ভবেন দুৱৰী আৰু ড° হেমন্ত কুমাৰ বৰুৱাদেৱে। আলোচনা চক্ৰ খনত অসমৰ বিভিন্ন জিলাৰ পৰা অহা সৰ্বমুঠ ১৫ জন বিশেষজ্ঞই মুকলি বিহুৰ পৰিৱেশন শৈলী প্ৰসংগত নিজ নিজ অঞ্চলৰ বৈশিষ্ট্যৰে তথ্য সম্বলিত গৱেষণা পত্ৰ পাঠ কৰে। আলোচনা চক্ৰখনৰ অন্তত সৰ্বসম্মতক্ৰমে গৃহীত হোৱা প্ৰস্তাৱ কেইটি আপোনাৰ/আপোনালোকৰ অনুষ্ঠানৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

**প্ৰস্তাৱ সমূহঃ**

প্ৰস্তাৱ নং ১ঃ ডেকা গাভৰুৰ মুকলি বিহুৰ সম্পৰ্কত বিভিন্ন অঞ্চলত বিভিন্ন আঞ্চলিক ৰূপ প্ৰত্যক্ষ কৰা যায়। এনে পৰিপ্ৰেক্ষিতত আজিৰ আলোচনা চক্ৰত মুকলি বিহুৰ আঞ্চলিক বৈশিষ্ট্যসমূহক সকলোতে সন্মান জনোৱা উচিত বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

প্ৰস্তাৱ নং ২ঃ ডেকা গাভৰুৰ মুকলি বিহুত গাভৰু অথবা ডেকাৰ অগতীয়া প্ৰৱেশৰ বিষয়টো (উপস্থাপন) আঞ্চলিক ভিত্তিত সুকীয়া সুকীয়া। সেয়েহে এইক্ষেত্ৰত আঞ্চলিক বৈশিষ্ট্যৰাজিক সন্মান জনাই মুকলি বিহুৰ প্ৰতিযোগিতাৰ বাকৰিলৈ গাভৰুৰ প্ৰৱেশেই আগতেই হওক বা ডেকাৰ প্ৰৱেশেই আগতেই হওক কোনোটো ৰূপকেই সম্পূৰ্ণৰূপে ভুল বুলি বিবেচনা কৰিব নালাগে। অৱশ্যে এই ক্ষেত্ৰত বিহুৰ ব্যৱহাৰিক দিশৰ নান্দনিক ৰূপটো যাতে কোনো কাৰণতে ব্যাহত নহয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত বুলি আজিৰ আলোচনা চক্ৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

প্ৰস্তাৱ নং ৩ঃ বিহুৰ অন্যান্য ব্যৱহাৰিক দিশৰ বিভিন্ন বিষয়ৰ ওপৰত ভৱিষ্যতে আলোচনা চক্ৰ অনুষ্ঠিত কৰি একোটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আজিৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে মুকলি বিহু প্ৰতিযোগিতাত গাভৰু বা ডেকাৰ আগতীয়া প্ৰৱেশৰ প্ৰসংগতো যাতে কোনো মঞ্চতেই উত্থাপন কৰি কোনো প্ৰকাৰৰ বিতৰ্কৰ সূচনা কৰা নহয় তাৰ প্ৰতিও সকলোকে আহ্বান জনোৱা হয়।

প্ৰস্তাৱ নং ৪ঃ উপৰোক্ত প্ৰস্তাৱ সমূহ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ, বিহু বিচাৰক, বিহু প্ৰেমী, বিহু সুৰক্ষা সমিতি, অসমকে আদি কৰি বিহুৰ লগত জড়িত সংশ্লিষ্ট অনুষ্ঠানসমূহ আৰু অসমৰ সকলো বিহুতলীৰ উদ্যোক্তালৈ প্ৰেৰণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

কেন্দ্ৰৰ হৈ সন্মান সহকাৰে—

| | | | |
|---|---|---|---|
| ড° প্ৰবোধ শৰ্মা | ড° দীপেন দাস | ভবেন দুৱৰী | পদুম প্ৰসাদ শইকীয়া |
| সভাপতি | সচিব (অবৈতনিক) | সঞ্চালক | আহ্বায়ক |
| | | আলোচনা চক্ৰ | আলোচনা চক্ৰ |

বিঃ দ্ৰঃ ইয়াৰ প্ৰতিলিপি অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ, বিহু সুৰক্ষা সমিতি অসম, আৰু মুকলি বিহু উদ্‌যাপন সমিতি বিলাকৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

# সূচীপত্ৰ


পৃষ্ঠা নং

১। ডেকা-গাভৰুৰ মুকলি বিহুঃ অসময়ৰ অযথা বিতৰ্ক ১৭
—জয়কান্ত গন্ধীয়া

২। মুকলি বিহুৰ পৰিৱেশন শৈলী ঃ এক সামগ্ৰিক আলোকপাত ২৬
—ডাº অমৰেন্দ্ৰ গগৈ

৩। হুঁচৰিত বুঢ়া চেও প্ৰধান//ডেকা-গাভৰুৰ মুকলি বিহুত যোৱানাম প্ৰধান// ৩২
—চাও দেবেন্দ্ৰ চৰণ বৰবৰুৱা

৪। নাৰী আৰু লোক-কৃষ্টি ৩৫
—হেম গগৈ

৫। মুকলি বিহুৰ প্ৰসংগত ... ৩৯
—ডº দীনেশ গগৈ

৬। মুকলি বিহুত পেঁপা বাদন ৪২
—মুক্তিনাথ বৰগোঁহাই

৭। বৰ্তমান সময়ত মুকলি বিহুৰ প্ৰাসংগিকতা ৪৭
—বিমলা গগৈ গোঁহাঁই

৮। মুকলি বিহুৰ সন্দৰ্ভত দুটিমান ভাবলেখ ৫২
—ডº প্ৰদীপ নেওঁগ

৯। মুকলি বিহু সন্দৰ্ভত ৫৫
—জীৱন ঘৰফলীয়া

১০। চ'তৰ ডেকা-গাভৰুৰ মুকলি বিহু ৬১
—পবিত্ৰ মহন ফুকন

১১। মুকলি বিহুৰ ঐতিহ্য আৰু পৰম্পৰা ৬৬
—নৰহৰি চুতীয়া

১২। মুকলি বিহু ঃ এক আলোচনা ৭৮
—উপেন নেওঁগ

১৩। মুকলি বিহুৰ পৰিৱেশন শৈলী ৮১
—ধৈৰ্য দাস

১৪। বিহুনাচৰ ভংগিমা ৮৪
—ড° অনিল শইকীয়া

১৫। মুকলি বিহুৰ এক চমু অৱলোকন ৯৭
—জ্ঞানেন্দ্ৰ বল্লভ গগৈ

১৬। প্ৰসংগ ঃ মুকলি বিহু (ধেমাজি জিলাৰ বিশেষ উল্লিখন) ১০৭
— বুদ্ধেশ্বৰ কোঁৱৰ

১৭। ডেকা-গাভৰুৰ মুকলি বিহু ১১৩
—মুনিন্দ্ৰ শইকীয়া

১৮। ৰঙালীৰ কথাৰে ১১৮
—পদুম প্ৰসাদ শইকীয়া

১৯। মুকলি বিহুৰ পৰিৱেশন শৈলী ঃ এটি চমু অৱলোকন ১২৫
—লাচিত ফুকন

২০। মুকলি বিহুঃ এক অনুভৱ ১২৮
—ৰোহিণী বৰগোঁহাই

২১। মুকলি বিহুৰ পৰিৱেশন শৈলী ১৩০
—বিহুৰাম কলিতা

২২। অসমীয়া লোক কৃষ্টিত মুকলি বিহু ১৩৫
—ড° কনকলতা কোঁৱৰ

২৩। হুঁচৰি আৰু মুকলি বিহুত বিহুনামৰ ধাৰা ১৩৮
— ব্ৰজেন দাস

২৪। মুকলি বিহুৰ বাদ্য ‘গগণা’ ১৪২
— ড° দীপেন দাস

২৫। তাহানিৰ চ’তৰ ৰাতি বিহু, মুকলি বিহুৰ ব্যৱহাৰিক দিশ ১৫১
— দুৰ্ল্লভ বুঢ়াগোঁহাঞি

# ডেকা-গাভৰুৰ মুকলি বিহুঃ অসময়ৰ অযথা বিতৰ্ক

**জয়কান্ত গন্ধীয়া***

"চৈত্ৰৰ বিহুত সংক্ৰান্তিৰ পৰা সাদিন কোনো ঠাইৰ ইতৰ লোকসকলে, স্ত্ৰী-পুৰুষে কোনো প্ৰকাশ্য স্থানলৈ গৈ নৃত্য-গীত কৰে। যি সময়ত অবাচ্য আৰু অশ্লীল গীত গোৱা আৰু নিৰ্লজ ভাৱ-ভংগী দেখুওৱা হয়। এইটি নিয়ম শীঘ্ৰে দেশৰ পৰা গুচিলে বড় উপকাৰ আৰু সুনীতি স্থাপন কৰা হয়।" ঊনবিংশ শতিকাতে প্ৰকাশ পোৱা গুণাভিৰাম বৰুৱাৰ এই কথাখিনিৰ পৰা আমি জানিব লগা দুটা কথা স্পষ্ট হয় যে— ১। চ'তৰ সংক্ৰান্তিৰ পৰা সাত দিনলৈ অৰ্থাৎ ব'হাগৰ ছদিনলৈহে ব'হাগৰ বিহু বা ৰঙালী বিহু উদযাপিত হৈছিল; আজিকালি মুখ বাগৰাৰ দৰে ব'হাগৰ সাত দিনলৈ 'সাত বিহু' উদযাপিত নহৈছিল। ২। ঊনবিংশ শতিকাতো 'স্ত্ৰী-পুৰুষে' অৰ্থাৎ 'গাভৰু' আৰু 'ডেকা'সকলে গাঁৱৰ কাষৰ মুকলি ঠাইত বিহু মাৰিছিল।

গুণাভিৰাম বৰুৱাই ১৮৮৪ চনত প্ৰকাশ কৰা ওপৰৰ কথাখিনিৰ পিচত বিংশ শতিকাৰ প্ৰথম ছোৱাত ৰজনীকান্ত বৰদলৈদেৱে ১৯২৫ চনত প্ৰকাশ কৰা 'ৰঙ্গিলী' নামৰ বুৰঞ্জীমূলক উপন্যাসখনৰ পৰা আহোম ৰজাৰ দিনৰ বিহুৰ এটা তথ্য পোৱা যায়; ৰংঘৰত উঠি সমুখৰ বাকৰিত 'ৰজা দিনীয়া' বিহু উপভোগ কৰা তথ্য, —ডেকা গাভৰুৰ বিহু প্ৰচলন হৈ থকা তথ্যঃ প্ৰথমতে, গাভৰুৰ বিহু, পিচত ডেকাৰ বিহু আৰু মিৰিৰ (মিচিংসকলৰ) বিহু। উপন্যাসত হ'লেও ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই দিয়া এই তথ্য কেইবা শতিকাৰ আগৰ। ঊনবিংশ শতিকাত বিহুৰ ওপৰত তুচ্ছ-তাচ্চিল্যৰ শিল-বৰষুণ পৰিলেও আহোম ৰজাৰ দিনত উজনিত গাভৰু আৰু ডেকাৰ বিহুৱে খলকনি লগাই আছিল, যাক সেই সময়ত 'চ'তৰ বিহু' বুলিছিল, 'নিশা বিহু' বুলিছিল, 'ডেকা-গাভৰুৰ গছতলৰ বিহু' বুলিছিল। দুই এঠাইত অতি গ্ৰাম্য ভাষাত 'মতা-মাইকী বিহু'ও বুলিছিল। আজি আমি তাকে গছতলৰ 'ডেকা-গাভৰুৰ মুকলি বিহু' বুলিছোঁহঁক।

১৮৮৪-১৯২৫ৰ পিছত বিংশ শতিকাৰ মাজ ছোৱা, ১৯৬৯ চন। সেই চনতে তেতিয়াৰ অধ্যাপক লীলা গগৈদেৱৰ 'বিহু-এটি সমীক্ষা' নামৰ গ্ৰন্থখন প্ৰকাশ হয়।

---

**লোকশ্ৰী বিহু বিশেষজ্ঞ, লোক-কৃষ্টিৰ সাধক, যশস্বী নিৱন্ধকাৰ, সাহিত্যিক ও শিল্পী পেঞ্চনাৰ* ঠিকনা— জ্যোতিনগৰ, ডিগবৈ। যোগাযোগ নং- ৯৪৩৫৫-০২১৬৮

গ্ৰন্থখনৰ ৫৭ নং পৃষ্ঠাত '*গছতলৰ মুকলি বিহু*' শীৰ্ষক নিৰন্ধত নিৰন্ধকাৰে লিখিছিল— "*এশ বছৰৰ আগৰ কথা। চ'ত মাহৰে পৰা ৰঙালী বিহুৰে স্মৃতি জাগে তেতিয়া পথাৰৰ মাজত নতুবা বৰগছৰ তলত ডেকা-গাভৰুৱে ৰঙালী বিহুৰ ৰঙতে আপোন পাঁহৰা হৈ বিহুগীত গায়, গীতৰ উচ্ছাসত নিজকে এৰি দি নাঁচে। হিয়াতলি উবুৰিয়াই বনগীত গাই অন্তৰত খুন্দা খাই থকা কথাবোৰৰ সঁহাৰি দিবলৈ প্ৰয়াস কৰে।*" ডেকা-গাভৰুৰ বিহুৰ প্ৰচলন হৈ থকাৰ ইংগিত দিয়াৰ পিছতে লীলা গগৈদেৱে সেই একেটা নিৰন্ধতে লিখিছে— "অতীতৰ বিহুক দুভাগে ভাগ কৰিব পাৰোঃ (১) মুকলি বিহু, (২) সমজুৱা বিহু। মানুহৰ চোতাল গৰকি ন বছৰৰ নতুন আশীৰ্বাদ দি হুচৰি গায়। আমি ইয়াকে সমজুৱা বিহু বুলিছো। আনহাতে, ডেকা-গাভৰুৱে মুকলি ঠাইত বনগীত-বিহুগীত গাই যি বিহু কৰে তাকে মুকলি বিহু বুলিছো। ইয়াত আমি সেই মুকলি বিহুৰে এটি চিত্ৰ অংকন কৰিবলৈ প্ৰয়াস কৰিছোঁ। "... ফাগুন গ'ল। চ'তৰ দিন সোমালেই বিহুৱাৰ গা সাতখন আঠখন কৰে। চুবুৰীয়ে চুবুৰীয়ে গাঁৱে গাঁৱে বিহুৰ আখৰা পাতে। বাটে পোৱালি মেলে, বুঢ়া গৰুৰ ছালে বেবায়। ঢোলৰ মাত শুনি বিহুৰ স্মৃতি জাগে। ... গধূলি মাৰল-ঘৰত মহুৰা ফুৰাবলৈ বহা চেনেহীহঁতে য'ৰে যতৰ ত'তে এৰি হাতত টকা লৈ বিহুতলী পালেগৈ। ইপিনে ৰঙতে আপোনভোলা ৰঙাইহঁতেও ঢোল-পেঁপা-গগনা-সুতুলি লৈ বিহুতলী উপচি পৰিল। এফালে ডেকা, এফালে গাভৰু। চাৰিওপিনে হাততে মলঙি যোৱা বহাগৰ বিহুটোৰ চঞ্চল পৰিৱেশ।" লীলা গগৈদেৱৰ বৰ্ণনাৰ পৰা তেখেতে উল্লেখ কৰা এশ বছৰৰ আগৰ ডেকা-গাভৰুৰ মুকলি বিহুৰ ৰূপ এটা পাব পাৰি। উল্লেখযোগ্য যে যি সময়ত বৰবিহুৱা লীলা গগৈয়ে '*গছতলৰ মুকলি বিহু*' নিৰন্ধটো যুগুত কৰিছিল সেই সময়লৈ উজনি অসমত অসমীয়া সংস্কৃতিৰ অতি আৰ্কষণীয় সম্পদ গছতলৰ মুকলি বিহুৰ খোলাকেইখন নিজম পৰিছিল। এই লেখকে অৱশ্যে সেই সময়তো পৰ গাঁৱৰ গাভৰুৰ লগত '*ডেকা-গাভৰুৰ মুকলি বিহু*' মাৰিছিলোহঁক; তাকে পিছে গছতলত নহয় মঞ্চত। ইফালে দিলীপ গগৈয়ে (এতিয়া স্বৰ্গীয়) গুৱাহাটীত তেনেকুৱা বিহু এযোঁৰা উলিয়াইছিল; আমাৰ দুই যোৰা বিহুৰ মাজত অঘোষিত প্ৰতিযোগিতাও হৈছিল। এই লেখকৰ বিহুযোৰাৰ লগত সেই সময়ৰ জনপ্ৰিয় বিধায়ক দুলাল বৰুৱা, সাংস্কৃতিক সঞ্চালকালয়ৰ মাননীয় সঞ্চালক (তেতিয়াৰ) ৰুদ্ৰ বৰুৱাদেউ জড়িত আছিল। সেয়া ১৯৬৮-৬৯-৭০ চনৰ কথা।

এই লেখকে ১৯৮২-৮৩-৮৪ চনত ৰঙালী বিহুৰ ব্যৱহাৰিক দিশটো চালি জাৰি

চাই ৰাইজক এটা সম্যক ধাৰণা দিবৰ বাবে কলম হাতত তুলি লওঁ। এই সময়লৈ ‘ডেকা-গাভৰুৰ মুকলি বিহু’ অপ্ৰচলিত হোৱাই নহয়, অসমৰ সমাজ-মানসৰ পৰাই হেৰাই যোৱা নিচিনা হৈছিল। ইয়াৰ ঠাই ললেহি গাভৰু নচুওৱা হুঁচৰিয়ে। সি লাগে গৃহস্থক আশীৰ্বাদ দিবলৈ যোৱা চোতালৰ হুঁচৰিতেই হওক বা মঞ্চৰ হুঁচৰি প্ৰতিযোগিতাতেই হওঁক। ইয়াত ল’ৰা-বুঢ়া-ডেকাই নাচিবলৈ এৰি দিলে, নাচৰ দায়িত্ব হুঁচৰি যোৱাত যোৱা এগৰাকী বা তিনি গৰাকী গাভৰুৰ ওপৰতে ন্যস্ত কৰা হ’ল। এই যোৱা হুঁচৰিত দিন যোৱাৰ লগে লগে ল’ৰা, বুঢ়াৰ অংশ গ্ৰহণ কমি আহিল; ডেকাসকলে কেৱল গাভৰুসকলকে নচুৱাই (হুঁচৰি নাম গোৱা আৰু আশীৰ্বাদ দিয়া অংশ বাদ দি) কাম সামৰিবলৈ ধৰিলে। এই হুঁচৰি যোৱাকে গুৱাহাটীত নাম দিয়া হ’ল ‘হুঁচৰি বিহু’ বা ‘বিহু হুঁচৰি’ বুলি। ১৯৮২ চনৰ পিচত কলম হাতত তুলি লৈয়ে আমি হুঁচৰিৰ পৰা গাভৰুকেইগৰাকীক আঁতৰ কৰিবলৈ (যিহেতু আমাৰ পৰম্পৰাত পূৰ্বে তেনে ৰূপ হুঁচৰিত কাহানিও নাছিল), লগে লগে ‘ডেকা-গাভৰুৰ মুকলি বিহু’ক প্ৰদৰ্শনৰ মঞ্চলৈ, প্ৰতিযোগিতাৰ মঞ্চলৈ আনিবৰ বাবে তীব্ৰ যুঁজ আৰম্ভ কৰিলোঁ। কিছু ব্যক্তিগত অভিজ্ঞতা আৰু অগ্ৰজ লেখকসকলৰ লিখিত বিৱৰণ; নৃত্যতাত্বিক প্ৰদীপ চলিহা, বৰবিহুৱা ক্ষেত্ৰধৰ বৰগোঁহাই আদি বিভিন্ন জনৰ লগত হোৱা ব্যক্তিগত কথোপকথনৰ পৰা ‘ডেকা-গাভৰুৰ মুকলি বিহু’ সম্পৰ্কে এটা ধাৰণা লৈয়ে অনেকটা প্ৰবন্ধ-নিৱন্ধ যুগুত কৰো আৰু সেইখিনি কাকত আলোচনীত প্ৰকাশ কৰো। আমাৰ আলোচনাৰ ভাষা বেচ চোকা আছিল। যুঁজখন গঢ়ি তোলাত প্ৰান্তিক, অগ্ৰদূত আদি কাকতে বেচ সহায় কৰিছিল। আমি সূচনা কৰা যুঁজখনক অধিক তীব্ৰতৰ কৰিবলৈ ওলাই আহিল ড° দোলন কোঁৱৰ, ড° প্ৰদীপ নেওগ, প্ৰবীৰ দত্ত, আনন্দমোহন ভাগৱতী, অশোক বৰদলৈ, আনন্দচন্দ্ৰ দত্ত, ড° নোমল গগৈ, ডিম্বেশ্বৰ গগৈ আদি লেখকসকল। সেই সময়ত ‘ডেকা-গাভৰুৰ মুকলি বিহু’নো কি? মঞ্চতনো তাহানিৰ গছতলৰ ৰূপ-পৰম্পৰা কেনেকৈ ৰক্ষা কৰিব পৰা যাব! —এনেবোৰ কথা উজনি অসমৰে বিহুৱা-বিহুৱতীসকলক যথেষ্ট বুজাব লগা হৈছিল। এতিয়াৰ অপঁইতা পণ্ডিতে ‘ডেকা-গাভৰুৰ মুকলি বিহু’ সম্পৰ্কে টেলিভিছনৰ টক শ্ব’ত অযথা টক-টকাবলৈ নেপালেহেতেনেই যদিহে আমিবোৰে তাহানিৰ ‘চ’তৰ বিহু’ বা ‘ডেকা-গাভৰুৰ নিশা বিহু’ বা ‘ডেকা-গাভৰুৰ গছতলৰ বিহু’কৈ সাম্প্ৰতিক কালত ‘ডেকা-গাভৰুৰ মুকলি বিহু’ নাম দি (লীলা গগৈদেৱৰ সূত্ৰৰ আঁত ধৰি) পুনৰ প্ৰচলনৰ বাবে ৰাইজক অনুৰোধ নকৰিলোঁহেঁতেন।

এই প্ৰসঙ্গৰ অৱতাৰণা কৰি আমাৰ ‘হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ’ গ্ৰন্থত (পিছলৈ ‘বিহুঃ বিধি আৰু ব্যাধি’ গ্ৰন্থত) ১৯৮৬ চনতে লিখিছিলোঁ— “তৰামাই ছবিখন চাইছিলনে? সেই ছবিত মুকলি বিহুৰ (পূৰ্বৰ ডেকা-গাভৰুৰ নিশা বিহুৰ, ইয়াত অবিভক্ত দৰং জিলাৰ মুকলি বিহুৰ মেলাৰ কথা কোৱা নাই) ক্ষীণ পোহৰ এছাটি দেখিবলৈ পোৱা যেন লাগে। ... আজিকালি বিহু সন্মিলনৰ হুঁচৰি প্ৰতিযোগিতাবিলাকত (লগত গাভৰু নাচনী অহা হুঁচৰিত) যি বিহু দেখা যায় তাতো মুকলি বিহুৰ ক্ষীণ ৰেঙনি এছাটি দেখিবলৈ পোৱা যায়। তাৰ হুঁচৰি নাম, আশীৰ্বাদ আৰু এই অংশৰ লগত হোৱা অভিনয় (গৃহস্থ ওলোৱা, আদৰণি জনোৱা, শৰাই দিয়া, আশীৰ্বাদৰ পিছত তৈয়াৰী গৃহস্থই এপাক নচা ইত্যাদি। যি বিহুৰ আয়োজন কৰে— অৰ্থাৎ উদ্যোক্তাসকলহে ইয়াত গৃহস্থ, হুঁচৰি যোৰাই মঞ্চলৈ লৈ যোৱা লোকজন অভিনেতাহে।) ভাগটো বাদ দি বাকীখিনি ‘মুকলি বিহু’ৰেই বুলিব পাৰি। ... বিহু সন্মিলনৰ মঞ্চত ‘ডেকা-গাভৰুৰ মুকলি বিহু’ প্ৰতিযোগিতা কেনেদৰে হ’ব পাৰে? প্ৰথমতে বিহু ঐতিহ্য বহন কৰিব পৰা অসমীয়া সাজ-পাৰ পিন্ধি (ঐতিহ্যনো কি বুলি ঘুৰাই প্ৰশ্ন কৰা লোকো সৌভাগ্যক্ৰমে পোৱা গৈছে!) ঢোল পেঁপা-গগনা-সুতুলি লৈ এদল ডেকা মঞ্চলৈ আহিব তেওঁলোকে ডেকা গাভৰুৰে গোৱা চুটি সুৰত যোজনা দি নাচ-বাগ আৰম্ভ কৰিব। ডেকাই ঢোলৰ (বা পেঁপাৰ) প্ৰথম ছেঁওটো সামৰাৰ লগে লগে ডেকাৰ সমান সংখ্যক পাহোৱাল গাভৰু যোজনা গাই গাই মঞ্চলৈ আহিব। ... ডেকাই ঢোল পেঁপা বজাব আৰু গাভৰু সকল নাচিব। আমাৰ এই বিৱৰণৰ পিছতে অৰ্থাৎ গ্ৰন্থখন প্ৰকাশ হোৱাৰ পিছতে বৰনৈৰ দক্ষিণ পাৰে আৰু নামনি অসমত অনেক যোৰা ‘ডেকা-গাভৰু মুকলি বিহু’ সংগঠিত হ’ল আৰু আধুনিক মঞ্চত প্ৰতিযোগিতা আৰু প্ৰদৰ্শনত অংশ গ্ৰহণ কৰিবলৈ ধৰিলে। এইছোৱা সময়তে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়েও দুদিনীয়াকৈ ‘ডেকা-গাভৰুৰ মুকলি বিহু’ প্ৰতিযোগিতাৰ আযোজন কৰি হেৰোৱা সম্পদ উদ্ধাৰৰ ক্ষেত্ৰত ইন্ধন যোগালে। দৰং, শোণিতপুৰ জিলাত মুকলি বিহুৰ মেলা আৰু দক্ষিণ পাৰে উজনিত গুটিয়াকৈ মঞ্চত ‘ডেকা-গাভৰুৰ মুকলি বিহু’ প্ৰতিযোগিতা চলি থাকিবলৈ ধৰিলে।

২০০৯-২০১০ চনত ‘*বিহুৰে বিৰিণা পাত*’ নামৰ তথ্যচিত্ৰখন নিৰ্মাণ কৰা হয়। এই লেখকে তথ্যত্ৰিখনৰ বিহুনামসমূহ, জাতসমূহ পিতাহঁতৰ দিনৰ পৰা প্ৰচলিত (অৰ্থাৎ পিতাহঁতে ককাহঁতৰ পৰা পোৱা) বিহুনামৰ কিছু সুৰ সংগ্ৰহ কৰাৰ উপৰিও ধাৰা বিৱৰণিও লিখিছিলো আৰু পৰিচালনাতো জড়িত হৈ পৰিছিলো। ইতিমধ্যে আমাৰ বিহু বিষয়ক

অধ্যয়নৰ ক্ষেত্ৰখন বহল হৈছিল। আমি কিছু গভীৰলৈ প্ৰৱেশ কৰিছিলোঁ। আমাৰ অভিজ্ঞতাৰে তথ্যচিত্ৰখনৰ ধাৰা বিৱৰণি এনেদৰে যুগুত কৰা হৈছিল— (১) ..“*পূৰ্বে অসমৰ কৃষিভিত্তিক সমাজখনত পৃথিৱীক উৰ্ব্বৰা কৰাৰ লোক বিশ্বাসেৰে খেতিপথাৰৰ ওচৰৰ গছৰ তলত বিহু মাৰিছিল। সোমাল চ'তৰ পৰা হাতৰ চাপৰি আৰু বাঁহৰ টকা বজাই জয়জয়তে বিহু মাৰিবলৈ আৰম্ভ কৰিছিল পাট-গাভৰুসকলে। (২) পূৰ্বে সমাজ ৰক্ষণশীল আছিল বাবে উঠন গাভৰুক গছৰ তলত বিহু মাৰিবলৈ নিদিছিল। পিছলৈ সমাজৰ শাসন শিথিল হৈ অহাত উঠন গাভৰুৱেও গছৰ তলত বিহু মাৰিব পৰা হ'ল। দুগৰাকীমান অলপ বয়সীয়াল তিৰোতাৰ সহযোগত কৃষকৰ ঘৰৰ উঠন গাভৰুসকলে চ'তমহীয়া গছৰ তলত নিশা বিহু পাতিবলৈ ধৰিলে। (৩) ...এইছোৱা সময়তে ডেকা-পুৰুষে লুকাই-চুৰকৈ গাভৰুৰ বিহু চাবলৈ ধৰাত বিহুতলীত যৌৱনৰ ছিটিকনি পৰিবলৈ ধৰে। (৪) পথাৰৰ ওচৰৰ, গাঁৱৰ কাষৰ গছৰ তলত সোমাল, চ'তৰ পৰা গাভৰুহঁতৰ বিহু আৰম্ভ হয়। আঁৰত বৈ বিহু চাই থকা ডেকাহঁতে মনৰ উলাহতে পেঁপাৰ লহৰ এটা, ঢোলৰ চেঁও এটা বজাই দিবলৈ ধৰে। গাভৰুহঁতৰ পৰা অলপ দূৰৈত ডেকাসকলোৰো 'বিহুখোলা' এখন সৃষ্টি হয়। ক্ৰমে বিহুনামেৰে মনৰ ভাৱৰ কটা-কটি হ'বলৈ ধৰে। (৫) সমাজৰ শাসন শিথিল হৈ অহাত দূৰত বৈ গাভৰু বিহু চোৱা, দূৰৈতে ঢোল পেঁপা বজাই থকা ডেকাসকল আহি আহি এদিন গাভৰুসকলৰ ওচৰ পালেহি। 'ডেকা-বৰা' আৰু 'গাভৰু-বৰা'ৰ তদাৰকতা এইছোৱা সময়ৰ পৰাই আৰম্ভ হ'ল। তেওঁলোকৰ তত্বাৱধানত ডেকা-গাভৰুসকলে একোজোপা গছৰ তলত ওচৰা-উচৰিকৈ দুটা গোট হৈ বিহু মাৰিব পৰা হ'ল। ...*”

ওপৰত উল্লেখ কৰা ধাৰাবিৱৰণসহ '*বিহুৰে বিৰিণা পাত*' নামৰ তথ্যচিত্ৰখন আৰু একে নামৰ গৱেষণামূলক সম্পাদিত গ্ৰন্থখন প্ৰচাৰ হোৱাৰ পিছত (গ্ৰন্থখনত চিত্ৰনাট্যখনো মুদ্ৰিত হৈছে) নৱগঠিত *বিহু সুৰক্ষা সমিতি, অসম* এ পৰম্পৰাৰ যিমান পৰা যায় ওচৰ চাপিবলৈ বুলি কেইবালানিও আখৰাৰ পিছত 'ডেকা-গাভৰু মুকলি বিহু' এযোৰা সংগঠিত কৰে। মঞ্চত পৰিৱেশন কৰিবৰ সময়ত এই বিহু যোৰাৰ গাভৰুসকল প্ৰদৰ্শন থলিলৈ আগতে আহে আৰু 'গাভৰু বিহু' আৰম্ভ কৰে। ডেকা-বিহুৱাসকলৰ প্ৰৱেশ পিছতহে হয়। এই যোৰাই ডেকা-গাভৰুৰ গছতলৰ বিহুৰ ক্ৰমবিকাশৰ পৰম্পৰাগত ৰূপটো নতুন প্ৰজন্মৰ মনলৈ ঘূৰাই আনিব বুলি ভাবি বিভিন্ন ঠাইত প্ৰদৰ্শনৰ ব্যৱস্থা কৰে আৰু বিহু সুৰক্ষা সমিতিৰ নিয়মাৱলীৰ চতুৰ্থ ছেদৰ সপ্তম

দফাত “*মুকলি বিহু উপস্থাপনৰ ক্ষেত্ৰত গাভৰু সকলক অগ্ৰাধিকাৰ দিয়া ভাল*” — মাত্ৰ এই বাক্যটো সংযোগ কৰে। তাকে লৈ কোনো কোনোৱে ‘ডেকা-গাভৰুৰ মুকলি বিহু’ প্ৰতিযোগিতাত মঞ্চলৈ বিহুৱতীসকল প্ৰথমতে ‘আহিবই লাগিব’ বুলি খামোচ মাৰি ধৰেঃ অথচ বিহু সুৰক্ষা সমিতি, অসম-এ এই কথাটো বাধ্যতামূলক কৰাই নাছিল। বিহু সুৰক্ষা সমিতি, অসম-এ কোনো সিদ্ধান্ত লোৱা নাছিল, মাথোঁ পৰম্পৰাৰ ওচৰ চাপিবলৈ পৰামৰ্শ এটা আগবঢ়াইছিল। সিদ্ধান্ত ল’লেও ৰঙালী বিহুৰ ব্যৱহাৰিক দিশৰ ক্ৰমবিকাশৰ ঐতিহাসিক পথটো নিৰীক্ষণ কৰিলে সি ভুল হিচাবে প্ৰতীয়মান নহয়। একাংশ ‘বিহু পণ্ডিত’ৰ ঐতিহাসিক ধাৰাটোৰ অধ্যয়নৰ সীমাবদ্ধতাৰ বাবেই বিতৰ্ক সৃষ্টি কৰি বিহুৱা-বিহুৱতীসকলক বিভ্ৰান্তিত পেলালে। এই প্ৰসংগটো আমি ১-১৫ এপ্ৰিল, ২০১৭ সংখ্যা ‘প্ৰান্তিক’ আলোচনীত উত্থাপন কৰি এটা সমাধান আগবঢ়াইছিলো। মঞ্চলৈ ডেকাসকল প্ৰথমতে প্ৰবেশ কৰা ৰূপটো একেকোবে বন্ধ কৰিবলৈ নকৈ আমি লিখিছিলো— “*মঞ্চত পৰিবেশন কৰোতে অৱশ্যেই ক্ৰমবিকাশৰ ঐতিহাসিক ৰূপটো ধৰি ৰাখিবলৈযত্ন কৰাসকলক অধিক পৃষ্ঠপোষকতা কৰা ভাল, প্ৰতিযোগিতাৰ বিচাৰক সকলো সহানুভূতিশীল হোৱা ভাল।*”

অধ্যয়নৰ প্ৰতি আগ্ৰহ নথকাৰ বাবেই হওঁক বা নিজৰ ব্যৱসায়ৰ বাবে মঞ্চতে মজি থকাৰ বাবেই হওঁক এইবোৰ কথালৈ কোনেও কাণ নিদি টিভিৰ টক শ্ব’ত টক-টকাই বিভ্ৰান্তি বিয়পায়ে আছে, বিতৰ্ক চলায়েই আছে। আনকি এই বিষয়টো লৈ একাংশই ইণ্টাৰনেট যোগেও অকথ্য ভাষাৰে ব্যক্তিগত আক্ৰমণৰ কথা, ঈৰ্ষা পূৰণৰ কথা নকলোৱেই বা। আজি কেইবাবছৰৰ পৰা ‘ৰং’ নামৰ টিভি চেনেলটোৱে ‘*নিশা বিহু*’ প্ৰতিযোগিতা পাতি সকলোকে পৰম্পৰাৰ এটা ধাৰণা দিবলৈ যত্ন কৰিছে। ‘ৰঙ’ৰ প্ৰতিযোগিতাৰ মঞ্চলৈ গাভৰুসকল আগতে আহে, বিহুৱা ডেকাৰ প্ৰৱেশ পিছতহে হয়। দুটা গোট হৈ সুন্দৰভাৱে বিহুমাৰি গুচি য়ায়। এইখিনিৰ প্ৰতি চকু দিলেও অপঁইতা বিহু পণ্ডিতসকলে ‘ডেকা-গাভৰুৰ মুকলি বিহু’ৰ এটা ধাৰণা ল’ব পাৰিলেহেঁতেন ‘ৰঙ’ৰ ‘*নিশা বিহু*’কে যে আমি ‘*ডেকা-গাভৰুৰ মুকলি বিহু*’ বুলিছো সেই কথা পুনৰ উল্লেখ কৰি থলো।

নামনি অসমত একাংশ বিহুৱা আৰু একাংশ বিহু-বিচাৰকৰ মাজত ‘ডেকা-গাভৰুৰ মুকলি বিহু’ সম্পৰ্কে দ্বন্দ্ব যুদ্ধ চলি আছে বুলি জানিব পাৰিছো। বিহুৱাসকলক

কওঁ— কোনোবা কেইজনমানে বিহুনাচ মঞ্চলৈ অহাৰ পিচত গঢ় লোৱা ৰূপটোকে আকোঁৰগোজ হৈ ধৰি থাকি ক্ৰমবিকাশৰ ঐতিহাসিক ৰূপটো উলাই কৰিবলৈ ক'লে বুলিয়েই তাকে কৰি পেলাব লাগিব— তেনে কোনো কথা নাই। সকলোৱেই যিমান পৰা যায় পৰম্পৰা ৰক্ষা কৰিবলৈ, পৰম্পৰাৰ ওচৰ চাপিবলৈ যত্ন কৰা ভাল। বিহু সুৰক্ষা সমিতি, অসম-এ তাকে কৰিবলৈহে যত্ন কৰি আছে। ই কোনো অপৰাধৰ কাম নহয় '*আমাৰ দলৰ বিহুৱাসকল মঞ্চলৈ আগতে আহিবই*' বুলি আকোঁৰগোজ হোৱাতো যেনেকৈ সঠিক নহয়, '*আমাৰ বিহু যোৱাৰ গাভৰুসকল মঞ্চলৈ আগতে আহিছে, গতিকে আমিহে প্ৰতিযোগিতাত বঁটা পাব লাগিব*' বুলি আকোঁৰগোজ হোৱাতোও তেনেকৈ সঠিক কথা নহয়। কাৰণ তোমালোকৰ বিহুযোৱাৰ অন্যান্য দিশবোৰ ইবিলাকতকৈ নিম্ন মানৰ হ'ব পাৰে। প্ৰতিযোগিতাত বঁটা নাপাই হাই-কাজিয়া কৰাতো আচলতে উৎকৃষ্ট মানসিকতাৰ পৰিচায়ক বুলি ক'ব নোৱাৰি।

এই ক্ষেত্ৰত বিচাৰকসকলৰ ভূমিকাৰো অৱশ্যে কথা আছে। আজিকালি অৱশ্যে শতকৰা আশীজনমান বিহু বিচাৰকে '*বুজা-বুজি*'ৰ কবলত পৰে বুলি বা নিজেও আগবাঢ়ি গৈ '*বুজা-বুজি*' কৰে বুলি বদনাম ওলাই আছে। বিচাৰক সদায় নিৰপেক্ষ হ'ব লাগিব আৰু অধ্যয়নশীল হ'ব লাগিব। বিহু-বিচাৰকে নিজস্ব ধাৰণাকে সদায় সঠিক বুলি ভবাটোও সঠিক কথা নহয়। আমি ব্যক্তিগতভাৱে লগ পোৱা বিহু-বিচাৰক আৰু তথা-কথিত বিহু-পণ্ডিতৰে অধ্যয়নৰ প্ৰতি সমূলি আগ্ৰহ নাই বুলি জানো। ঢোলটো ভালদৰে বজাব জানিলে বুলিয়েই তেওঁ নিজকে অসমৰ লোক-সংস্কৃতিৰ বিশেষজ্ঞ বুলি জাহিৰ কৰি ফুৰাতো, বিহু এযোৰা লৈ মঞ্চত মঞ্চই ঘূৰি পুঁজি সংগ্ৰহ কৰি ফুৰিয়েই অসমীয়া সংস্কৃতিৰ বাবে ময়েই সকলো কৰিছো বুলি জঁহাই ফুৰাতো কোনোমতে উৎকৃষ্ট মানসিকতাৰ পৰিচায়ক নহয়। বহুবোৰ লোকে এনে মানসিকতাৰ কবলত পৰি জাতীয় সংস্কৃতিৰ প্ৰচুৰ অনিষ্ট সাধন কৰিছে।

ৰঙালী বিহুৰ বিভিন্ন প্ৰতিযোগিতাত বিচাৰকৰ আসন গ্ৰহণ কৰা লোকসকলৰ প্ৰতিও আমাৰ আষাৰচেৰেক ক'ব লগা আছে। দুই এষাৰ কথা আমি ওপৰত উল্লেখ কৰি আহিছোৱেই। নিজস্ব বিহু এযোৰা থকা, কোনোবা যোৱাৰ পৰিচালকৰ পদত থকা, কোনো বিহুৱতীৰ পৰামৰ্শদাতা হোৱা লোকসকলে বিহুতলীৰ বিচাৰকৰ আসন গ্ৰহণ নকৰাই ভাল। বিহুতলীৰ বিচাৰক হোৱাতো আজিকালি একাংশ মানুহে ব্যৱসায়

হিচাবে লৈছে। একাংশ লোক চ'ত-ব'হাগ-জেঠ মাহত এই কামতো কৰিবলৈকে ঘূৰি ফুৰা যেন লাগে, বিভিন্ন কৌশলো অৱলম্বন কৰে; বহুতে যি কোনো প্ৰকাৰে উদ্যোক্তাৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ যত্ন কৰে। উদ্যোক্তাসকলৰো একাংশ 'বুজা-বুজি'ৰ ধান্দাতে থাকে। এই ধৰণৰ মানুহ এই ক্ষেত্ৰখনত বাঢ়ি যোৱাৰ বাবেই দিনক দিনে গোটেই পৰিবেশটো দূষিত হৈ পৰিছে। বহুতো গ্লেমাৰ থকা বিহু-বিচাৰক আছে, সিবিলাকে ছমাহমান 'বিহু কৰ্মশালা' কৰি ঘূৰি ফুৰে, যাৰ ফলত বিহুনাচে লোক-নাচৰ ভেঁটিৰ পৰা ক্ৰমে আঁতৰি গৈ আছে, ই বৃত্তাকাৰ লোকনাচৰ পৰা গৈ গৈ কৃত্ৰিম হৈ পৰিছে, শাৰী পতা নাচত পৰিণত হৈছে। তথাকথিত 'কৰ্মশালা'বোৰত ৬-৭-৮ বছৰীয়া পেন্দুকণা 'গাভৰু'ৱে অংশ গ্ৰহণ কৰাৰ পিছত বিহুনাচৰ মূল তত্বটোৱেই হেঁৰাই গৈছে। আজিকালি বিহুনাচৰ 'কৰ্মশালা'ৰ আয়োজন কৰাটোও এটা ভাল ব্যৱসায়। সমল ব্যক্তি হোৱা জনৰটো কথাই ক'ব নালাগে। এবাৰ এজন 'বিখ্যাত বিশেষজ্ঞ'ই ২৫ হাজাৰ ঢুলীয়া, ২৫ হাজাৰ নাচনী নচুৱাই গ্ৰীনিজ ৱৰ্ল্ড ৰেৰ্কড বুকলৈ নিম বুলি অসমৰ বিভিন্ন ঠাইত বিভিন্ন ঠাইত 'কৰ্মশালা' পাতি হাজাৰ হাজাৰ টকা ছাত্ৰ-ছাত্ৰীৰ পৰা মাননি হিচাপে সংগ্ৰহ কৰাৰ পিছত আঁচনি চাঙত তুলি থলে। এনে কাৰ্য আচলতে জাতীয় অপৰাধ। এতিয়া এনেবোৰ স্বভাৱৰ মানুহেই বিহুৰ 'ওপৰ স্তৰৰ বিচাৰক', টিভিৰ টক শ্ব'ত বিশেষভাৱে টক টকোৱা মানুহ। আজি দুবছৰমানৰ পৰা একাংশ বিহু-বিচাৰকে বিহু সুৰক্ষা সমিতি, অসমৰ 'ডেকা-গাভৰুৰ মুকলি বিহু' প্ৰসংগৰ পৰামৰ্শটোকে নিৰ্দেশ বুলি প্ৰচাৰ কৰি গাভৰুসকলে বিহুতলীলৈ অথবা প্ৰতিযোগিতাৰ মঞ্চলৈ প্ৰথমতে প্ৰৱেশ কৰিব লাগিব বুলি বাধ্যতামূলক কৰিবলৈ লৈছে। ইতিমধ্যে প্ৰচলিত ৰূপ এটা হেঁচা মাৰি সলাই পেলাবলৈ গ'লে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব আৰু প্ৰতিক্ৰিয়াশীল গোটটোৱে তাৰে সুযোগ ল'ব বা ইতিমধ্যে লৈছেই। এতেকে কামটো হেঁচাৰে নকৰি বিহুৱা-বিহুৱতীসকলক ক্ৰমবিকাশৰ মূল তথ্যটোৰ লগতে (যিটো তথ্য ওপৰত উল্লেখ কৰি অহা হৈছে) প্ৰাণী-কূলৰ জীৱন তত্বটোৰ বা চক্ৰটোৰ কথাও বুজাই দি সময় লৈ কৰিব লাগিব। প্ৰকৃতি কৰ্ষণ কৰিবলৈ পুৰুষ যায়, চকৰীজনীৰ ওচৰলৈ ক'ৰ পৰা যে চকৰাটো আহে! —কথাবোৰ চিন্তা কৰি চোৱাৰ অৱকাশ নতুন প্ৰজন্মকো দিব লাগিব। এনে ধৰণৰ কথাবোৰ যে আমাৰ জীৱন তত্ব বা জীৱন-চক্ৰটোৰ প্ৰতিয়ে যে ঈংগিত কৰিছে সেইবোৰ কথাও নতুন প্ৰজন্মক বুজাব লাগিব, বুজিবলৈ তেওঁলোকক সময় দিব লাগিব। নিজক জহাবলৈ গৈ '*ওপৰ লেভেলৰ ব্যক্তিয়ে*' অযথা বিতৰ্ক আৰম্ভ

কৰিলে আমি '*তলৰ লেভেল*'ত থকাবোৰ বৰ বিভ্ৰান্তিত পৰো; সৰ্বসাধাৰণৰো বৰ অসুবিধা হয়। ৰাজনৈতিকক্ষেত্ৰৰ দৰে সাংস্কৃতিক ক্ষেত্ৰত বোকা ছটিওঁৱা-ছটি খেল খেলিবলৈ আৰম্ভ কৰা মানে জাতীয় সংস্কৃতিৰ প্ৰচুৰ অনিষ্ট সাধন কৰা। সাপে মোট সলালেও তাৰ ৰূপৰ, তাৰ ধৰ্মৰ সলনি নহয়; সংস্কৃতিৰ ক্ষেত্ৰত, বিশেষকৈ লোক-সংস্কৃতিৰ ক্ষেত্ৰত একে কথাই বুলিব লাগে। সাপৰ ৰূপৰ, ধৰ্মৰ সলনি হ'লে সি বেলেগ প্ৰাণী হ'বগৈ। সাংস্কৃতিক ক্ষেত্ৰত বিচৰণ কৰি থকাসকলে কথাখিনি ভাবিলে ভাল।

'আই সৰস্বতী/ দেৱী পাৰ্ৱতী/ তোমালৈ মানি যাওঁ সেৱা; পূবে-পশ্চিমে/উত্তৰে দক্ষিণে/আমাক কৰি যাবা দয়া।' বুলি যোজনা দি ডেকা-গাভৰুৰ মুকলি বিহু মাৰিবলৈ বিহুতলীলৈ গাভৰুসকল আগতে আহিব পাৰে। পিছত তেওঁলোকে 'নাচনী-আইনো সৰস্বতী, নাচনী-দেৱীনো পাৰ্ৱতী, নাচনী-তোমালৈ ঐ মানি যাওঁ চাউল; নাচনী-পাহৰা ঐ নামকে, নাচনী-সোঁৱৰাই ঐ দি যাবা, নাচনী-নামৰ নো ভাঙি যাবা আউল।' গুটীয়া শব্দৰ জাত লগোৱা এই বিহুনামযাৰ গাই নাচ আৰম্ভ কৰিব পাৰে আৰু এযাৰমান বিহুনাম গোৱাৰ পিছতে পেঁপাৰ ছেও বা পেঁপাত বিহুনামৰ লহৰ বজাই ডেকা-বিহুৱাসকল বিহুতলীলৈ আহি পেঁপা সামৰি ঢোলৰ ছেও এটা মাৰি যোজনা এযাৰ গাই উপস্থিতিটো গজগজীয়া কৰি ল'ব পাৰে। তাৰ পিছতে ডেকা-গাভৰুৰ মনৰ ভাৱৰ কটা-কাটি কৰা 'সংযত যোৱা নাম'। মঞ্চত এইখন বিহু আৰম্ভ কৰাৰ সময়ত প্ৰতিযোগী, বিচাৰক, দৰ্শক, উদ্যোক্তা এই সকলোৰেই গছতলৰ বিহুৰ কথা মনলৈ অনা ভাল। যেনে—বৃত্তাকাৰ ৰূপৰ বিহুনাচ, পুৰণি দিনৰ বিহুনাম-বিহুগীত, ছেঁও চিঙি বিহুমৰা, কম সংখ্যক ঢোল বজোৱা আৰু মধ্য লয়ত ঢোল বজোৱা, ঘাই ঢুলীয়া-ঘাই নামতি, ঘাই বিহুৱা, হাতৰ চাপৰি আৰু টকা বজোৱা, পুৰণি দিনৰ বিহুচোলা পিন্ধা, মেখেলা-ৰিহা পিন্ধা, পুৰণি অলংকাৰ (এপদ) পিন্ধা ইত্যাদি।

★★★

বিঃ দ্ৰঃ- প্ৰবন্ধটিৰ এক তৃতীয়াংশ আলোচনা চক্ৰত পঠিত হৈছিল।

# মুকলি বিহুৰ পৰিৱেশন শৈলীঃ এক সামগ্ৰিক আলোকপাত

**ডাঃ অমৰেন্দ্ৰ গগৈ***

মুকলি বিহুৱেই হওঁক, জেং বিহু, টকা বিহু, ৰাতি বিহু বা হুঁচৰি বিহুৱেই হওঁক, তাহানিৰ সেই বিহুৰ স্বৰূপ জানিবলৈ আৰু সংৰক্ষণ কৰি থ'বলৈ তেতিয়াৰে দিনত একো সমলেই নাছিল। কেমেৰা, ৰেকৰ্ডাৰ, ডিস্ক, ৰেডিঅ', টেলিভিছন বাতৰি কাকতো আমাৰ বাবে অগোচৰ আছিল। সেই বিলাকৰ বিষয়ে জানিবলৈ তেতিয়াৰ ভিতৰত থকা উপায়ৰ ভিতৰত আছিল (১) যুগে যুগে চলি অহা পৰম্পৰা, (২) বিৱৰ্ত্তিত ৰূপত হ'লেও বছৰৰ পাছত বছৰ মুখে মুখে এজনৰ পৰা আনজনলৈ চলি অহা গীত-মাত আৰু (৩) লিখিত ৰূপত থকা বুৰঞ্জী। ইয়াৰ বাহিৰে কোনো কথা সত্য বুলি বুকুত হাত দি ক'ব পৰাকৈ আমাৰ হাতত কোনো সমল নাছিল।

এতিয়া কথা হ'ল— মুকলি বিহুৰ পৰিৱেশন শৈলীৰ বিষয়ে সঠিকভাৱে জানিবলৈ আমাৰ হাতত উপায় কি আছে? যদি পৰম্পৰালৈ চাওঁ তেন্তে এই কথা অনস্বীকাৰ্য যে পৰম্পৰাও সময়ৰ গতিত সামান্যকৈ হ'লেও সলনি হয়। মুকলি বিহুৰ পৰম্পৰাৰ বিষয়ে টাই আহোমসকলৰ বুৰঞ্জী নিমাত। চুতীয়াসকলৰ বুৰঞ্জীত হুঁচৰি বিহুৰ বিষয়েহে সামান্য উল্লেখ পোৱা যায়। লক্ষ্মীসিংহ স্বৰ্গদেউৰ দিনত প্ৰজাসকলে হুঁচৰি গোৱাৰ, আশীৰ্বাদ দিয়াৰ প্ৰথাৰ প্ৰচলন আছিল বুলিহে জনা যায়। কিন্তু মুকলি বিহুৰ বিষয়ে একো কথা জনা নাযায়।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজ সভাৰ কবি ৰাজনাৰায়ণ চক্ৰৱৰ্তীয়ে ৰচনা কৰা 'আলিগান' নামৰ বিহুনামৰ প্ৰথম পুথিখনতো মুকলি বিহুৰ পৰিৱেশনৰ বিষয়ে বিশেষ জনা নাযায়। উপন্যাস সম্ৰাট ৰজনাকান্ত বৰদলৈদেৱৰ উপন্যাসতো মুকলি বিহুৰ পৰিৱেশন শৈলীৰ বিষয়ে বিশেষ কথা জনা নাযায়। উপন্যাসৰ কথোপকথনৰ পৰাও সঠিকভাৱে একো অনুমান কৰিব নোৱাৰি। যুগ যুগ ধৰি এজনৰ পৰা আন এজনলৈ মুখে মুখে বাগৰি অহা বিহুনাম বিলাকৰ মাজতহে বিহুৰ বিষয়ে বহুখিনি কথা জানিব

---

**বিহু বিশেষজ্ঞ, বৰবিহুৱা, অসম সাহিত্য সভাৰ পৰা বিহু বিষয়ক বিশেষ বটা প্ৰাপক*
ঠিকনা— নকাড়ী, লখিমপুৰ। যোগাযোগ নং- ৯৪৩৫০-৮৬০৪৫

পৰা যায় আৰু নজনাখিনিও অনুমান কৰি ল'বলৈ সহজ হয় ।

মুকলি বিহুৰ পৰিৱেশন শৈলী বুলি ক'লৈই প্ৰথমতেই উপস্থাপনৰ কথা আহি পৰে । অপ্ৰিয় হ'লেও এটা কথা সত্য যে প্ৰতিযোগিতাৰ আওঁতাত পৰা কাৰণেহে এনে প্ৰসঙ্গ উত্থাপিত হ'ল ।

এতিয়া মুকলি বিহুৰ পৰিৱেশনশৈলীৰ প্ৰসঙ্গ অৱতাৰণা কৰোতে আমি জানি ল'ব লাগিব যে মুকলি বিহু মানে কি ? মুকলি বিহু কেনেদৰে সৃষ্টি হ'ল ? মুকলি বিহুৰ উপস্থানকে ধৰি অন্য পৰিৱেশন শৈলী কি কি ? মুকলি বিহুৰ পৰিৱেশন শৈলী আঞ্চলিক বৈশিষ্ট্যত পৰিবনে নপৰে? - ইত্যাদি ।

সহজভাৱে ক'বলৈ গলে— ডেকা-গাভৰুৱে মুকলি মনেৰে, মুকলি ভাৱেৰে একেলগে মৰা বিহুৱেই মুকলি বিহু। এই বিহু ৰাতি বিহুতকৈ বেলেগ। ৰাতি বিহুত ডেকা-গাভৰুৱে ওচৰা-ওচৰিকৈ বিহু মাৰিছিল। কিন্তু মুকলি বিহু ডেকা-গাভৰুৱে একেলগে মৰা বিহু। ৰাতি বিহুৰ সৃষ্টি মুকলি বিহুতকৈ বহু আগৰ । মুকলি বিহুৰ আৰম্ভণি কেতিয়াৰ পৰা হ'ল সেই কথা সঠিককৈ জনা নাযায়। কোনোৱে কয় ১৯৩৫ চনতে জামুগুৰি বিহু সন্মিলনে 'মুকলি বিহু' পাতিছিল। সেয়েহে কোৱা হয় যে ৬০ ৰ দশকৰ প্ৰথম ভাগতে জামুগুৰি হাটত মুকলি বিহু উদযাপিত হৈছিল। খেনোৱে কয় ৰাতি বিহু মাৰিবলৈ এৰাৰ পাছতে (বৃটিছৰ দিনত) ডেকা-গাভৰুৱে মুকলি বিহু মাৰিবলৈ আৰম্ভ কৰিছিল আৰু কোনো কোনোৱে ইয়াতকৈও আগৰ পৰাই মুকলি বিহু প্ৰচলিত আছিল বুলি দাবী কৰে।

এতিয়া পাক লাগিল সেইখিনিতেই— মুকলি বিহু আৰম্ভ কোনে কৰিব ? ডেকাই নে গাভৰুৱে? গাভৰুৱে নে ডেকাই? কোনো কোনোৱে কয় গাভৰুৱেহে প্ৰথমে মুকলি বিহু আৰম্ভ কৰিব। কথাটি প্ৰতিপন্ন কৰিবলৈ কোৱা হয় যে নাৰীয়েহে বোলে প্ৰথমে বিহু মাৰিছিল। উদহাৰণস্বৰূপে, এটি ৰূপ-কথা ডাঙি ধৰা হয়। কলীমতীয়েহে আৰু ধনকলীয়াৰ কথা কোৱা হয়। কোৱা হয় যে ব্ৰহ্মাৰ কন্যা কলীমতীয়েহে প্ৰথমে বিহু আৰম্ভ কৰিছিল। সেই বিহু দেখিহে ধনকলীয়াহঁতে নিজে নিজে গৈ কলীমতীহঁতৰ লগ হৈ বিহুত যোগদান কৰিছেগৈ। এই ৰূপকথা কাহিনী অলৌকিক কাহিনী বুলিহে

বহুজনে বিশ্বাস কৰে। কাৰণ কলীমতীয়ে নৰমাংস ভোজন কৰিবলৈ ইচ্ছা কৰি স্বয়ং মহাদেৱৰ পৰা অনুমতি বিচাৰিছিল। বিহু আৰু নৰমাংস ভোজনৰ বাবে মহাদেৱৰ অনুমতিৰ প্ৰাৰ্থনা— তাৰ পাছত উলঙ্গ হৈ বিহু মাৰি থকা কলীমতীহঁতৰ লগত ধনকলীয়াহঁত গৈ বিহুত যোগদান কৰাৰ কথা সৰ্বসাধাৰণে সহজে মানি ল'বলৈ টান পায়।

এতিয়া বিহুনামক (পুৰণি বিহুনাম) যদি সমল হিচাবে লৈ চাও তেন্তে বহুখিনি কথা স্পষ্ট হৈ পৰে। প্ৰথমতেই বহু জনপ্ৰিয় নাম এষাৰলৈকে মন কৰা যাওঁক—

"চকলা টেঙাটি/অকলৈ নেখাবা/আমাকো এচকল দিবা;
বিহু মাৰিবলৈ/অকলৈ নেযাবা/আমাকো লগতে নিবা।"

এতিয়া কথা হ'ল এই খণ্ডছিগা বা খঁৰা নামষাৰ লৰাই গাইছিল নে ছোৱালীয়ে গাইছিল? কোনো কোনোৱে নামষাৰ ল'ৰাই গোৱা বুলি কয়। যুক্তি দেখুওৱা হয় যে ছোৱালীয়েহে টেঙা খাই ভাল পায়। কিন্তু টেঙা খাই ভালপোৱা ল'ৰাৰ সংখ্যাও কম নহয়। ডেকা কালত আমিও ধাননি পথাৰৰ পৰা ডাঙৰি আনিবলৈ যাওঁতে বৰ তৃপ্তিৰে টেঙা কাটি খাইছিলো। ডাঙৰ যুক্তি হ'ল—এই নামষাৰৰ যোগেদি ডেকাই মনৰ ভাৱ 'যোৰানাম'ৰ মাজেৰে এনেদৰে প্ৰকাশ কৰিছিল—

"তেলৰে বাটিতে/তেল মলঙিলে/গাতে মতঙিলে ঘাম;
সুহুৰি মাৰিলে/ওলাই তই আহিবি/একেলগে বিহুলৈ যাম।"

আঁহতৰ তলত ডেকাই মৰা ঢোলৰ চাপৰত বকুল বৰাধানৰ তেতেলীপতীয়া চিৰা খুন্দিম বুলি লোৱা গাভৰুৱে ঢেঁকী দিবলৈ পাহৰি গৈছিল। সান্দহ অনা খোলাতেই ডেই গৈছিল, পলকত বৰেমূৰ মৰা শিপিনীৰ হাতৰ মাকো সৰি পৰিছিল—তেতিয়া —যেতিয়া ঢোলত চাপৰ মাৰি ডেকা বিহুলৈ যাবলৈ সাজু হৈছিল—

"ঢোলত চাপৰ মাৰি/ঢুলীয়া ওলালে/বহি বৈ আছিলো তাঁত;
টোপোলাৰে সেন্দুৰ/টোপোলাতে থাকিলে/গোন্ধ তেলো নললো গাত।"

"আজি বিহু বিহু/কালি বিহু বিহু/নাহৰ ফুল ফুলিবৰ বতৰ;
ফুলপানী ছিগাতে/ঢোলৰ মাত শুনিলো/গচকত ভাঙি যাও যঁতৰ।"

আহোম ৰজাৰ দিনত খিতাপধাৰী বৰুৱাই বৰুৱানীক লগত লৈ বিহু চাবলৈ গৈছিল—

“ইয়ে বোলে বৰুৱা/সিয়ে বোলে বৰুৱা/বৰুৱা কেনেহৈ গ'ল?
তেল চাকি হাতত লৈ/বৰুৱানীক লগত লৈ/ৰাতি বিহু চাবলৈ গ'ল।”

ডেকাই গাভৰুক বিহু মাৰিবলৈ নিমন্ত্ৰণ জনায়—

“উজায়ে চৰিবৰ/মাছে কি মগৰে/ভটিয়াই চৰিবৰ শিহু;
মুগাৰ সাজ পিন্ধি লৈ/আহিবা বিহুলৈ/চাপৰিত পাতি যাম বিহু।”

গাভৰুৱে উত্তৰ দিয়ে—

“ৰংপুৰলৈ যোৱাগৈ/লংগুটি আনাগৈ/দুয়ো একেলগে খাম;
ম'হৰ শিঙৰ পেঁপাটি/বনকিয়াই আনাগৈ/ তোমাৰ শপত বিহুলৈ যাম।”

গাভৰুৱে আকৌ মনত পেলাই দিয়ে ডেকাক—

“বতৰ চাই কঠিয়া/পেলাবা মইনা/চল চাই চাপৰি বাবা;
বিহু মাৰিবলৈ/অকলে নেযাবা/আমাকো লগতে নিবা।”

এনেবোৰ কাৰণতে এষাৰ কথা ক'ব বিচাৰো যে মুকলি বিহুত ডেকাইহে আগভাগ লৈ বিহুলৈ গাভৰুক নিমন্ত্ৰণ জনাইছিল। ‘বিহুৰে বিৰিণা পাত’ নামৰ অপূৰ্ব সুন্দৰ তথ্য চিত্ৰখনিত ইয়াৰ উদাহৰণ স্পষ্টকৈ দেখুওৱা হৈছে।

এইখিনিতে আৰু এটি কথা আঙুলিয়াব খুজিছো— কথাটো হ'ল লোক-সংস্কৃতিৰ সকলো অনুষ্ঠান সকলো ঠাইতে একে ধৰণেৰে পালন কৰা নহ'বও পাৰে। ই লোক-সংস্কৃতিৰ আঞ্চলিক বৈশিষ্ট্য। এই আঞ্চলিক বৈশিষ্ট্যক একে আষাৰতে নুই কৰিব নোৱাৰি। এটা কথা বিনম্ৰভাৱে জনাব খুজিছো যে এতিয়াৰ পৰা প্ৰায় তিনিকুৰি বছৰমানৰ আগৰ পৰাই বিহু মৰাৰ অভিজ্ঞতা আমাৰ আছে। এই সুদীৰ্ঘ সময়খিনিৰ ভিতৰত জামুগুৰিহাটৰ পৰা জোনাইলৈকে ক'তো, কোনো ঠাইতে গাভৰুৱে মুকলি বিহু আৰম্ভ কৰি ডেকাক আমন্ত্ৰণ জনোৱা বা ডেকাই পাছত গৈ লগ হোৱাৰ নজিৰ আমি দেখা নাই। ডেকাইহে মুকলি বিহু প্ৰথমে আৰম্ভ কৰি গাভৰুক বিহুত যোগদান কৰিবলৈ আহ্বান জনোৱা দেখিছো।

অতি বিনম্ৰতাৰে আৰু এষাৰ কথা উনুকিয়াব বিচাৰিছো যে পৃথিৱীখন সাংস্কৃতিক ক্ষেত্ৰতো বহুখিনি আগবাঢ়ি গ'ল। আমি কিন্তু এতিয়াও মুকলি বিহুত ছোৱালী আগতে ওলাব নে ল'ৰা আগতে ওলাব তাতেই লাগি আছো। যদি এনেদৰেই থাকো তেন্তে কিছুদিনৰ পাছত বিতৰ্ক হ'ব যে—যোজনা নাম প্ৰথমে ছোৱালীয়ে গাব নে ল'ৰাই গাব? 'যোৰানাম' প্ৰথমে ল'ৰাই আৰম্ভ কৰিব নে ছোৱালীয়ে কৰিব?— নাচোতে সোঁহাতখন আগতে ডাঙিব নে বাওঁহাতখন ডাঙিব ইত্যাদি ইত্যাদি।

এনেদৰে খকাখুন্দা লাগি থাকোতে বিহুৱে বাট এৰি অবাটে যাবলৈ লৈছে— যেনে দীঘলীয়া জাতবোৰ হেৰাই গ'ল, গুটিয়া পেঁপা ডেকাসকলে নবজোৱাই হ'ল, পেঁপা আৰু নামৰ যুগল বন্দীও নোহোৱা হ'ল, হুঁচৰিত ছোৱালীয়েও নাচিবলৈ ল'লে ইত্যাদি। এনেবোৰ বিৰ্তকিত বিষয় অতি সহজতে সমাধান কৰিব পৰা যায় যদিও পৰম্পৰাৰ দোঁহাই দি আমি গোড়া মনোভাৱ ল'বলৈহে যোৱা যেন লাগিছে। সময়ৰ দাবীত অলপ উদাৰো হ'ব লগা হয়। ৰূপান্তৰ হ'বই, কিন্তু ৰূপান্তৰে মূল ভেঁটিটোক নিশ্চিহ্ন কৰিবলৈ দিব নেলাগিব, আঞ্চলিক বৈশিষ্ট্যকো অৱজ্ঞা কৰিবলৈ দিব নেলাগিব।

পৰম্পৰাৰ বিষয়ে লোক-কৃষ্টিৰ স্বৰূপ আৰু অধ্যয়ন গ্ৰন্থত ড° বীৰেন্দ্ৰ নাথ দত্ত দেৱে এষাৰ বৰ সুন্দৰ আৰু সময় উপযোগী কথা লিখিছে— "*অতীত সৰ্বস্ব বা অতীত মুখিতাই পৰম্পৰাৰ মূল কথা নহয়। পৰম্পৰাৰ নামত সংগ্ৰহ কৰা অতীত উন্মোখ আকোঁৰগোজ মনোভাৱ ভ্ৰান্তিমূলক, আনকি কেতিয়াবা বিপদজনকো হ'ব পাৰে। পৰম্পৰাই অকল যে পুৰণিকে খামোচ মাৰি ধৰি থাকে এনে নহয়— নতুনক সামৰি লৈ ক্ৰমাৎ নতুন নতুনকৈ সৃষ্টি হৈ আগবাঢ়ি গৈ থাকে।*"

সকলোবোৰ কথা বিবেচনা কৰি চাই মুকলি বিহু প্ৰথমে গাভৰুৱে নে ডেকাই আৰম্ভ কৰিব সেইটো বিচাৰ্য বিষয় নকৰি এৰা-ধৰাৰ মনোভাৱেৰে এটা সৰ্বজন গৃহীত সিদ্ধান্তত উপনীত হোৱাটোহে অতি প্ৰয়োজনীয় আৰু বিহুৰ বাবে মঙ্গলজনক কথা বুলি ভাবিবৰ থল আছে।

'মুকলি বিহুৰ পৰিৱেশন শৈলী' বুলি ক'লে আৰু কেইটামান কথা উল্লেখ কৰা উচিত বুলি ভাবো। মুকলি বিহু যিহেতু নামপ্ৰধান (যোৰানাম আৰু জাত নাম), গতিকে পৰিৱেশনৰ সময়ত তেনে নামেহে প্ৰাধান্য পোৱা উচিত। আধুনিক স্ব-ৰচিত আৰু

বিহুসুৰীয়া নাম ব্যৱহাৰৰ পৰা আঁতৰি থাকিব লাগে। মুকলি বিহুৰ ঢোলৰ চাপৰ বিলাক বেচিভাগেই চুটি চাপৰ। যোজনা আৰু জোঙালা নামৰ পাছতহে দীঘলীয়া চাপৰ বজোৱা হয়। অৱশ্যে এনেবোৰ ক্ষেত্ৰত আঞ্চলিক বৈশিষ্ট্যকো প্ৰাধান্য দিয়া উচিত বুলি ভবাটো বাঞ্চনীয়।

★★★

# ‘হুঁচৰি বুঢ়া চেও প্ৰধান।। মুকলি বিহু ডেকা-গাভৰুৰ যোৰানাম প্ৰধান।’

**চাও দেবেন্দ্ৰ চৰণ বৰবৰুৱা***

বিহু চহা অসমীয়া গ্ৰাম্য সমাজ-সভ্যতাৰ আপোন চহা সম্পদ। এই সম্পদ খাটি খোৱা মাটিৰ মানুহ চামৰ শ্ৰম-শক্তিৰ প্ৰেৰণা আৰু কৰ্ম (শ্ৰম) সংস্কৃতিৰ লোক-চেতনা।। চহা চেতনা।। এই প্ৰেৰণা আৰু চেতনা শক্তিত নিহিত হৈ আছে বিহুৰ কৰ্ম-কৰ্ষণ মূলক আনন্দৰ বাসনা।। পথাৰ আৰু বিহুৰ মাজত যুগজয়ী সম্পৰ্কৰ কথা সাহিত্যিক বৰ বিহুৱা ড° লীলা গগৈয়ে অনুভৱ কৰিছিল।। পথাৰ আৰু বিহুৰ মাজত থকা কৰ্ম-কৰ্ষণৰ লোক চেতনাৰ অনুভৱ চোতালে-চোতালে ঘৰে-ঘৰে বিহু মাৰি নোপোৱা পথাৰৰ কৰ্ম-কৰ্ষণৰ সুবাস নোপোৱাজন বিহুৱা হ’ব নোৱাৰে।। বিহুৰ অনুভৱ লোক চেতনাৰে কৰিব নোৱাৰে।। বিহু কৃষ্টি পাচি-খৰাহি-খালৈ-ঠোহা-পল্-গালফলা-জাকৈ-নাঙল-যুৱলী-এচাৰি-জাপি-বিৰিয়া-টোম-ৰাঁচ-মাকো-যঁতৰ-টোলোঠা-দোৰপতি আদি বিবিধ গ্ৰাম্য-গণ সম্পদৰ ৰস-ৰহস্যত গঢ়ি উঠা নাইনে? ক’বলৈ গ’লে এই গণ সম্পদৰ গৰাকী সকলেই বিহুৰ বিহুৱা।। বিশ্বখ্যাতিসম্পন্ন সঙ্গীতজ্ঞ ড° ভূপেন হাজৰিকাই ব’হাগ গনজীৱনৰ সাহ বুলি কোৱাৰ অৰ্থত সেয়েই নহয় বুলি কোনে ক’ব।। ব’হাগ বিহুত হুঁচৰি গোৱা হয়।। হুঁচৰি গোৱাকে বিহু মৰা, বিহু মৰাকে হুঁচৰি গোৱা বুলি কোৱা হয়।। পদ-ঘোষা গোৱা অংশক হুঁচৰি বুলি কৈ (আখ্যা দি) তাৰপিচত বিহুনাম গাই নাচি বাগি কৰা অনুষ্ঠানক বিহু অংশ বুলি বৰ্তমান কালত এচাম তথাকথিত পণ্ডিত বুজোৱা বিহুৱাই ক’বলৈ লৈছে আৰু সেয়ে তাত ‘হুঁচৰি বিহু’ এই অভিধা বাহিৰ হৈছে।। হুঁচৰি হুঁচৰিয়েই।। হুঁচৰি পুৰুষৰ।। পুৰুষ বিহুৱাই হুঁচৰি গায়, বিহুমাৰে।। তাত ২৪ পালচৰ বুঢ়াচেও থাকে।। থাকিবৰ নিয়ম।। বুঢ়া চেওতে পুৰুষ বিহুৱাই কাঁহী লৈ নাচে।। তাত টোকাৰীৰ জন্মও কোনো-কোনোৱে গায়।। তিতাবৰ, যোৰহাট, সৰুচৰাই,

---

**লোকশ্ৰী প্ৰাপক, বাগ্মীবৰ ক’কা নীলমণি ফুকনৰ ভূতপূৰ্ব ব্যক্তিগত সচিব।। অসম ঢুলীয়া শিল্পী সন্মিলনৰ জন্মদাতা, প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক।।*
ঠিকনা— তিতাবৰ, যোৰহাট। যোগাযোগ—৭৮৯৬৭৮৬৫২৬।

ভাতেমৰা গাঁৱৰ বা গোলাঘাটৰ পিনৰ গাঁওবোৰৰ বুঢ়াচেৰৰ বিহু নেদেখাই বুঢ়াচেৰৰ নাম হুঁচৰিৰ ৰহস্য কেতিয়াও অনুভৱ কৰিব নোৱাৰে নোৱাৰে।। সেই বুঢ়াচেৰৰ হুঁচৰি যোৰাবোৰত আশী-নব্বৈজন পৰ্যন্ত পুৰুষ বিহুৱা আছিল।। মুকলি বিহুত ডেকা-গাভৰুৰহে স্থান আছে।। এই বিহুত বয়োবৃদ্ধ বা সৰু সৰু চেমনীয়া ল'ৰা-ছোৱালীৰো স্থান নেথাকে।। থাকিবৰ নিয়ম নহয়।। মুকলি বিহুত যোৰা নামৰ ওৰা পাতে।। যোৰানাম বিলাক প্ৰেম-প্ৰণয়মূলক যাক 'পীৰিতিৰ নাম' বুলি কোৱা হয়।। হুঁচৰি গৃহস্থৰ চোতালত গোৱা হয়।। মুকলি বিহু গৃহস্থৰ চোতালত নহয়।। প্ৰতিযোগিতা বা আধুনিক বিহুৰ মঞ্চতহে মুকলি বিহু গাব পাৰে।। মুকলি বিহুত পদ-ঘোষা নেথাকে।। আশীৰ্বাদ নেথাকে।। এতিয়া 'হুঁচৰি বিহু' বুলি সন্মিলনবোৰে প্ৰতিযোগিতা পাতি প্ৰতিযোগী সকলেও পোনতে হুঁচৰি বুলি পদ-ঘোষা গাই 'লহৰি' খেলাৰ ওৰা পাতি পিচত ঠাৰে-ছিয়াঁৰে 'আকাৰে-ঈঙ্গিতে' বিহু খোলালৈ গাভৰু নাচনী মাতি ডেকা-গাভৰুৰ বিহু কৰি গৃহস্থই শৰাই দিয়াৰ পৰত গাভৰু নাচনীহঁত এক নাটকীয় ভঙ্গীৰে আঁতৰি যায়।। এয়ে হ'ল 'হুঁচৰি বিহু'ৰ ৰূপ।। ই তেনেই বিকৃত আৰু কৃত্ৰিম।। বিহু উদ্‌যাপন সমিতিবোৰে হয় কেৱল হুঁচৰি প্ৰতিযোগিতা পাতক, নহয় মুকলি বিহু প্ৰতিযোগিতা পাতক।। হুঁচৰিৰ মৰ্যাদাৰ লগত মুকলি বিহুৰ আৰ্হি প্ৰৱৰ্তাই হুঁচৰিৰ ঐতিহ্যমূলক বৈশিষ্ট্যক ধ্বংস নকৰিব।। বুঢ়াচেৰৰ বৈশিষ্ট্যক বিহুৰ নাম-নাচৰ পৰা আঁতৰাই থোৱাৰ বাবে বিহুৰ পৰিৱেশ টুলুঙা আৰু খৰা হৈ নপৰিছেনে? তাতোকৈ বিহুৰ বিকৃতকৰণ হৈছে 'হুঁচৰি বিহু' শব্দৰ অপ প্ৰয়োগেৰে।। আমি তাহানিতে আজিৰ পৰা ৫০-৬০ বছৰৰ আগেয়ে বিহু মাৰোতে গৃহস্থৰ মুখতে "জয় ৰাম বোলা জয় হৰি বোলা" বুলি জয়ধ্বনি দি চোতালত 'গৃহস্থৰ কুশলৰ্থে হৰি বোলা' ('বোলা জয় হৰি' এইশব্দ নতুন সংযোজন) বুলি পদ-ঘোষা গাই অতাই যোজনাদাৰীয়ে যোজনা দি বিহুৰ নাম-নাচ গোৱা হৈছিল। পদ-ঘোষা গাই অতাই গৃহস্থক বিহুখন কৰোনে বুলি সোধাৰ নিয়ম সেই দিনত নাছিল।। অৱশ্যে, গৃহস্থৰ ঘৰখনত অসুখ-বিসুখ হৈ থাকিলে গৃহস্থই নিজেই বিহুখন কৰা-নকৰালৈ বিহু যোৰাটোক জাননী দিছিল।। এতিয়া ঘোষা গাই গৃহস্থক আমি ডেকাহঁতে বিহুখন কৰিব খুজিছো বুলি বিহু কৰে; আৰু তাত গাভৰু নাচনীৰ প্ৰৱেশ ঘটোৱাই বিহুখন কৰা দৃশ্যৰ অৱতাৰণা কৰা হ'ল।। ই বিকৃত ৰূপ।। এনেয়েনো 'সৰস্বতী' ড° নিৰ্মল প্ৰভা বৰদলৈয়ে নকৈছিল নে যে "*এতিয়া মানুহৰ ঘৰৰ চোতালতো গাভৰু ছোৱালী নাচিবলৈ যায়*

*ডেকা বুঢ়াসকলৰ সৈতে।। বাঃ আধুনিকতা! বিহু যেনিবা পাৰমিটিভ চচাইটিচ নাইট ক্লাবৰহে বস্তু।।"* এতিয়া আমাৰ বিহুত নাইট ক্লাবৰ আৰ্হি সোমাল।। তাহানিতে গাভৰু জীয়ৰীহঁতেও বিহু মাৰিছিল। কিন্তু, মানুহৰ (গৃহস্থৰ) চোতালত নহয়, নিজানত; পথাৰৰ মাজত, গছৰ তলত তেওঁলোক সকলে।। ডেকাৰ লগত নহয়।। বিহু বুলিলেই ডেকা-গাভৰুৰ বৰ্তমানৰ টিভিৰ চিনেমা চিৰিয়েল আদিৰ প্ৰেম প্ৰণয়মূলক নৃত্য ৰূপ নহয়, বিহুৰ নামত প্ৰেম-প্ৰণয়ৰ গীতমাতৰ সুৰ বৰ্তিলেও, বৰ্তমানৰ আধুনিক চিনেমা-চিৰিয়েলৰ যোৰা পতা (ডেকা-গাভৰুৰ) নৃত্য ৰূপ হ'ব নোৱাৰে।। বৰ্তমানৰ বিহু নাম-নাচত আধুনিক ডেকা-গাভৰুসকলে বিহুৰ নাম-নাচক তেনে পৰ্যায়লৈ লৈ যোৱাত বিহু নাম-নাচৰ গ্ৰামীনতান্ত্ৰিক লোক বৈশিষ্ট্য হেৰাই যোৱা নাইনে? এই বাবে আমি বিহুৰ নাম-নাচৰ মাজলৈ আধুনিক ফিল্ম জগতৰ কৰিঅ'গ্ৰাফৰ প্ৰৱেশ ঘটোৱাৰ কাৰণে বিহুত নাম-নাচৰ গ্ৰামীনত্ব মষিমূৰ হৈছে।। বিহুক আধুনিকীকৰণৰ আৱশ্যক বুলি সাহিত্যিক ড° মহেশ্বৰ নেওগ, চন্দ্ৰপ্ৰসাদ শইকীয়াই নকৈছিল নে? বিহুৰাণী, বিহু সম্ৰাজ্ঞী আদি উপাধিবোৰত তাহানিৰ বিহুৱতীৰ বিহু নাচনীৰ সুষমা হেৰাই যোৱাৰ কথা ড° মহেশ্বৰ নেওগ ছাৰে বাৰে বাৰে কৈছিল।। মানিছেনে সেই কথা এতিয়াৰ তথাকথিত বিহু পণ্ডিত কোনোবা কৃত্ৰিম বিহুৱাই।। বা মানিছেনে বিহু সন্মিলনৰ কোনো কোনো বিহু উদ্যোক্তাই? ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেৱে কোৱাৰ দৰে যাৰ যি মন যায় তাকেই কৰিছে, আৰু সেয়ে সংস্কৃতি হৈছে।। ড° ভূপেন হাজৰিকাই সেই বাবেই নকৈছিল নে যে ৰাইজ আৰু প্ৰচাৰ মাধ্যম সজাগতা নহ'লে বিহু আৰু অবাটে যাব বুলি।। সত্যাৰ্থত, আমি এতিয়া সজাগ হ'ব লাগিব।। নহ'লে বিহু অবাটে বাট নুবুলিব বুলি কোনে কব! 'বিহু সুৰক্ষা সমিতি, অসম' অনুস্থানে অবাটত পৰা বিহুক বাটলৈ ঘূৰাই আনিবৰ এক বিপ্লৱ গঢ়ি তুলিছে।।

★★★

# নাৰী আৰু লোক-কৃষ্টি

## হেম গগৈ*

পৃথিৱী যিমান পুৰণি মানুহৰ সৃষ্টিকাল সিমান পুৰণি, লোক কৃষ্টিও সিমান পুৰণি। এই সম্পৰ্কে সমাজ বিজ্ঞানী, লোককৃষ্টিৰ গৱেষক পণ্ডিত অৱনীন্দ্ৰ নাথে পশ্চিম বংগৰ লোককৃষ্টি 'ব্ৰত'ৰ (Vrata)ৰ বিষয়ে উল্লেখ কৰোতে এনেদৰে কৈছে— *These are old (Folk Culture) very old in fact-certainly older than the puranas-and even may be older than vedas. (Lokayata by Devi Prasad Chattopadhyaya, p. 116)*

বেদ আৰু পুৰাণতকৈও পুৰণি লোক কৃষ্টি কৃষি কৰ্ম আৱিস্কাৰৰ লগে লগেই যে সৃষ্টি এই বিষয়ত পৃথিৱীৰ সকলো পণ্ডিত একমত। আনহাতে, কৃষি নাৰীৰ আৱিস্কাৰ আৰু নাৰীসদৃশ কল্পনা কৰা পৃথিৱীৰ উৰ্বৰতা আৰু শস্যৰ উৎপাদন বঢ়াবৰ কাৰণে নাৰীয়ে পৃথিৱীক সন্তুষ্ট কৰিবলৈ কৰা বিভিন্ন কাৰ্য-কলাপৰ পৰাই লোককৃষ্টিৰ সৃষ্টি। বিশ্ব বিখ্যাত লোক কৃষ্টিৰ গৱেষক হেৰল্ড থমছন *(Herold Thomson)*ৰ উক্তি *'Agriculture discovered by women and folk culture on it.'* অৰ্থাৎ 'কৃষি নাৰীৰ আৱিস্কাৰ আৰু কৃষিয়েই লোককৃষ্টিৰ ভেঁটি'। এই বিষয়ে অসমৰ সাংবাদিক, সাহিত্যিক, গৱেষক যতীন্দ্ৰ কুমাৰ বৰগোঁহাইয়ে তেখেতৰ '*লোকায়ত*' গ্ৰন্থত এটা সুন্দৰ বৰ্ণনা দাঙি ধৰিছে— "*যিহেতু কৃষি বিদ্যা নাৰীৰ আৱিস্কাৰ, গতিকে কৃষি উপলক্ষে যাদু বিশ্বাসো স্বাভাৱিকতে নাৰী কেন্দ্ৰিক আৰু সেইয়া নাৰীসকলৰ জীৱনৰ মূল লক্ষণবিলাকৰ ওপৰত নিৰ্ভৰশীল। এই কাৰণেই সন্তান উৎপাদনৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা আৰু শস্যৰ গুটি ধৰাৰ ক্ষেত্ৰত প্ৰকৃতিৰ ভূমিকা এই দুটাৰ মাজত গভীৰ যোগাযোগ কল্পিত হোৱাই স্বাভাৱিক। যাদুবিশ্বাসৰ মূল কথাটোৱেই হৈছে কামনাসফল কৰাৰ এটা নকল প্ৰদৰ্শনীৰ আয়োজন। শত্ৰুৰ কুশ পুত্তলিকা দাহ কৰি আচল শত্ৰুক ধ্বংস কৰাৰ বিশ্বাস।*" সমাজ বিজ্ঞানী দেৱী প্ৰসাদ চট্টোপাধ্যায়েও এই সম্পৰ্কে তেখেতৰ

---

* *লোককৃষ্টিৰ সাধক, বিহু গৱেষক, নিৰন্ধকাৰ।*
ঠিকনা— শদিয়া, তিনিচুকীয়া। যোগাযোগ নং- ৯৯৫৪৩-৭৪৩৮১

‘*লোকায়ত*’ গ্ৰন্থত এটা সুন্দৰ বৰ্ণনা এনে দৰে দিছে— *‘The Cultures of these pre-aryans are basically characterised by the Agricultural Elements which were whe affairs of the women’. (Lokayata by Devi Prasad Chattopadhyaya, p. 116)*

আৰ্যপূৰ্ব মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত সেৰা পুজাতকৈ মানুহে নাচ-গানেহে বসুমতীক সোনকালে সন্তুষ্ট কৰিব পাৰে বুলি বিশ্বাস কৰিছিল; যিহেতু নাৰী আৰু পৃথিৱীক সমগোত্ৰীয় বুলি বিবেচনা কৰিছিল। কাৰণ মানুহৰ পৰাই যে মানুহ সৃষ্টি হয় এই কথা মানুহে ভাবিব পৰা নাছিল। বসুমতীয়ে গছ, লতা, তৰু-তৃণ জন্ম দিয়ে আৰু নাৰীয়ে সন্তান জন্ম দিয়ে। যৌন কামনা-বাসনা কেৱল আমোদ-প্ৰমোদ বুলি ধৰি লৈছিল। সেই কাৰণেই নাৰীয়ে নাৰীক অৰ্থাৎ বসুমতীক সন্তুষ্ট কৰি বসুমতী উৰ্বৰা আৰু শস্য বৃদ্ধি হ'বলৈ নাচ-গানৰ ওপৰত গুৰুত্ব দিছিল। এই বিষয়ে হেৰল্ড থমছনৰ উক্তি এনেধৰণৰ— *'The Matriachal society belived that it is very easy to satisfy spirits by dance and song than apry'*। এনেদৰে নাচ-গান কৰি বসুমতীক সন্তুষ্ট কৰিব বিচৰাটো আদিম কালৰ ভাৰতৰ বিভিন্ন জনগোষ্ঠীসমূহৰ উপৰিও পৃথিৱীৰ অন্যান্য দেশৰ জনগোষ্ঠীৰ মাজতো অতীতৰে পৰা প্ৰচলন হৈ আহিছে। দক্ষিণ আফ্ৰিকাৰ এটা বিখ্যাত জনগোষ্ঠী চুম্বাসকলৰ কৃষি উৎসৱৰ বিষয়ে এনেদৰে পোৱা যায়— *'The Sumba women has not hoe their lands if their dances has not been held, as they say it that if they do not respect their spirits there will be no crops.'*

অষ্ট্ৰেলিয়াৰ ‘এংগোৰাৰা’ (ডেকা-গাভৰুৰ অগ্নিপুজাৰ নাচ-গান), বেলজিয়াম, উত্তৰ-ফ্ৰান্স, জাৰ্মেনীৰ ইষ্টাৰ-ইভ, গ্ৰীচত ‘থেচমখুৰীয়া’, ইটালীৰ ‘ডিমেটাৰ’, বেবিলনৰ ‘মাৰভোক’ আদি কৃষিমূলক উৎসৱ। ভাৰতৰ পশ্চিমবংগৰ ‘ব্ৰত’ আৰু গাজন, ওৰাং মুণ্ডাৰ কৰম, কেৰেলাৰ ওনাম, তামিলনাডুৰ পুংগল, পঞ্জাৱ-হাৰিয়ানাৰ লোহৰিয়া, মহাৰাষ্ট্ৰৰ ‘অথতিজ’ আৰু দহিকলা আদি এই সকলোবিলাকেই নাৰী কেন্দ্ৰিক কৃষি উৎসৱ। অসমত বড়োৰ বৈছাগু, ৰাভাৰ কটাই বিসু, মিছিঙৰ আলি-আয়ে-লৃগাং, তিৱাৰ ছাগ্ৰা মিছাবা, কাৰ্বিসকলৰ হাচা কেকান, চিংফৌসকলৰ স্বপংইয়ংমানাও আদি এই সকলোবিলাকতে নাৰীৰ ভূমিকা প্ৰধান আৰু পৃথিৱীৰ অন্যান্য জনগোষ্ঠীসমূহৰ

লোককৃষ্টি যেনেকৈ নাৰীৰ সৃষ্টি ঠিক তেনেকৈ এইবিলাক উৎসৱো কৃষিভিত্তিক নাৰীৰ সৃষ্টি। অসমীয়া জাতিৰ লোক কৃষ্টি বিহুক কেন্দ্ৰ কৰি লোক বিশ্বাসৰ ওপৰত সৃষ্টি হোৱা নাচ-বাগৰ উৎসৱ।

অসমৰ অধিকাংশ লোকেই কিংবদন্তিমূলক কলিমতী আৰু ধনকলিয়াক বিহু সৃষ্টিকৰ্তা দেৱী আৰু দেৱতা বুলি স্বীকাৰ কৰে। এই কলিমতীক শদিয়াৰ ৰাইজে কেঁচাইখাটী গোঁসানীৰ আন এটা ৰূপ বুলিও বিশ্বাস কৰে। এই কাহিনীমতে, কলিমতীয়ে মানুহৰ তেজ খাবলৈ নেপাই শিৱৰ শাপত শদিয়াৰ পৰা নাৱেৰে ভটিয়াই উলংগ হৈ নাচি-বাগি গৈ আছিল। এইদৰে গৈ থাকোতে বাটতে আৰু একৈশ গৰাকী (ন-ভনী আৰু বাৰ ভনী) তেওঁৰ লগ হয়। পাছত দেৱতাৰ স্থান দেৱৰ গাঁৱত (বৰ্তমান দেৰগাঁও) দেৱতা ধনকলিয়াই তেওঁলোকক দেখি আকৰ্ষিত হয় আৰু ঢোল-তালসহ তেওঁলোকৰ লগ লাগে। এইদৰে তেওঁলোক সকলোৱে নাচি-বাগি গৈ কলিয়াবৰতে বিহু শেষ কৰে।

উপৰুক্ত কিংবদন্তিমূলক কাহিনী অনুযায়ী বিহু নাৰীৰূপী দেৱী কলিমতীৰ সৃষ্টি। আনহাতে সমাজবিজ্ঞানী আৰু লোককৃষ্টিৰ গৱেষক পণ্ডিতসকলৰ মত অনুযায়ী বিচাৰ বিশ্লেষণ কৰি আমি ক'ব পাৰো যে অতীততে অসমৰ মাতৃপ্ৰধান সমাজতো কৃষিভূমি উৰ্বৰা আৰু শস্যৰ উৎপাদন বঢ়াবলৈ নাৰীসকলে নাৰীসদৃশ বসুমতীক সন্তুষ্ট কৰিবলৈ নাচ-গান কৰিছিল। নাৰীসকলে নাৰী সমগোত্ৰীয় বসুমতীক নাচ-গানৰ জৰিয়তে সন্তুষ্ট কৰিব পাৰে বোলা বিশ্বাসৰ বশৱৰ্তী হৈয়ে আদিমকালৰ অসমীয়া গাভৰুসকলে খেতি পথাৰত নমাৰ আগতে হাবিৰ মাজত গছৰ তলত গৈ নাম গাই নাচ-বাগ কৰিছিল, যাক পৰৱৰ্তী কালত 'বিহু' নামকৰণ কৰা হয়।

গাভৰুসকলে এইদৰে গছৰ তলত বিহু মৰা, ডেকা-গাভৰুৰ ৰাতি বিহু, ডেকাসকলে ৰাতি বিহুৰ পৰা আঁতৰি গৈ গৃহস্থৰ চোতালত হুঁচৰি গোৱালৈকে এই সমগ্ৰ প্ৰক্ৰিয়াটো তাৎক্ষণিকভাৱে হোৱা নাছিল। ইটো প্ৰক্ৰিয়াৰ পৰা সিটো প্ৰক্ৰিয়ালৈ বিকাশ ঘটিবৰ বাবে যুগ যুগ সময়ৰ প্ৰয়োজন হৈছিল। যেইকি নহওঁক লাগে, আমি এতিয়া বিশ্লেষণ কৰি পাইছো যে লোককৃষ্টিৰ অৰ্ন্তনিহিত কাৰণ কৃষি কৰ্ম আৰু ইয়াৰ চালিকা শক্তি হৈছে 'নাৰী'। নাৰীয়েই লোককৃষ্টিৰ সৃষ্টিকৰ্তা বুলি সমগ্ৰ পৃথিৱীৰ লোকে

একেমুখে স্বীকাৰ কৰি লৈছে। গতিকে অসমীয়া লোক কৃষ্টি বিহুও যে নাৰীৰ সৃষ্টি সেইটো ধ্ৰুৰূপ।

লোক কৃষ্টিৰ এই সমগ্ৰ প্ৰক্ৰিয়াৰ দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই '*বিহু সুৰক্ষা সমিতি অসমে*' বিহু পৰিৱেশনৰ নিয়মাৱলীৰ চতুৰ্থ ছেদ ৭ম দফাৰ শেষত— "*মুকলি বিহু উপস্থাপনৰ ক্ষেত্ৰত গাভৰুসকলক অগ্ৰাধিকাৰ দিয়া ভাল*" বুলি উল্লেখ কৰিছে। ইয়াত গাভৰুসকলক মঞ্চত আগতে প্ৰৱেশ কৰোৱাবই লাগিব বুলি কোনো নিৰ্দেশ দিয়া হোৱা নাই। এটা পৰামৰ্শ মূলক কথাহে। গতিকে বিহু মঞ্চত কোনোবাই ডেকা সকলকো প্ৰথমে প্ৰৱেশ কৰোৱাব পাৰে আৰু আন কোনোবাই গাভৰুকো প্ৰথমে প্ৰৱেশ কৰোৱাব পাৰে। এই ক্ষেত্ৰত বিৰ্তকৰো কোনো কথা থাকিব নোৱাৰে।

সদৌ শেষত ক'ব বিচাৰো যে— বৰ্তমান আমাৰ সমাজৰ অধিকাংশ লোকেই 'গছ তলৰ গাভৰু বিহু' অসমৰ ক'তো নাই আৰু ই কিংবদন্তি হ'ল বুলি ভাৱে। সেইসকললৈ আমি আহ্বান জনাওঁ যে বহাগ বিহুৰ সময়ত তেখেতসকল তিনিচুকীয়া জিলাৰ মাকুম অঞ্চলৰ বাৰেকুৰিলৈ আহক। বাৰেকুৰিও তেইশখন গাঁৱৰ সমষ্টিৰে এটা বৃহৎ অঞ্চল। ব'হাগ বিহুত এই সকলোবিলাক গাঁৱৰ গছ-তল, হাবি-বননি ডেকা-গাভৰুৰ বিহুনাম আৰু টকাৰ টক্ টক্ মাতেৰে গম গমাই থাকে। যিকোনো এখন গাঁৱৰে বাটপথ এমূৰৰ পৰা আনটো মূৰলৈ ডেকা-গাভৰু আৰু মানুহৰ জুম। এই অঞ্চলৰ প্ৰতিখন গাঁৱৰে ডেকা-গাভৰুসকলে অতীতৰ পৰাই পৰম্পৰাগতভাৱে গছ তলৰ বিহু পাতি অসমীয়া জাতিৰ হেৰাই যাব ধৰা এই লোক কৃষ্টিভাগিক জীৱন্ত ৰূপত ধৰি ৰাখিছে।

★★★

# মুকলি বিহুৰ প্ৰসঙ্গত ...

**ড° দীনেশ গগৈ ***

যীচুখৃষ্টৰ জন্মৰ প্ৰায় তিনি হেজাৰ বছৰৰ পুৰ্বে চীন দেশৰ য়ুাংজু নদীৰ দক্ষিণ অৱবাহিকাত পানী খেতিৰ (বাওধানৰ খেতি) আৰম্ভ হয় এপ্ৰিল-মে’ মাহত। বিশ্বত তেতিয়ালৈকে কৃত্ৰিম জলসিঞ্চন ব্যৱস্থাৰ সুচনাই হোৱা নাছিল। সেয়েহে পানীৰ বাবে কৃষিজীৱি য়ুনানবাসীয়ে সম্পুৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। মুকলিপথাৰত বা নদীৰ পাৰত অথবা গছৰ তলত ডেকা-গাভৰুৱে মুকলিমুৰীয়াকৈ যদি ঢোল, তাল, টকা, পেঁপা, গগনা, ধ্ৰুতং আদি বজাই চিঞৰি চিঞৰি যৌনগন্ধী গীত গাই ফুৰুলি মাৰি, কিৰিলি পাৰি নাচি-বাগি ৰং-তামাচা কৰে তেন্তে বৰষুণ হয় বুলি বিশ্বাস কৰিছিল। এই বিশ্বাসো আছিল বিজ্ঞানসন্মত। কাৰণ, সেই বাদ্যবোৰৰ লগতে ডেকা-গাভৰুৰ পৃথিৱী কপোৱা নাচ, চিঞৰি চিঞৰি গোৱা গীত আৰু কিৰিলি-ফুৰুলিত পৰিৱেশত থকা পাতল শুষ্ক বায়ু দুৰলৈ উৰি যায়। ফলস্বৰূপে, বায়ুশূন্য স্থান পূৰ্ণ কৰিবলৈ অহা গধুৰ জলীয় বাষ্পসম্বলিত বায়ুৰ বাবেই হয় বৰষুণ। চুতীয়াসকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহাৰ সময়ত ইয়াৰ হামচৈয়াসকলে বাম মাটিত আহুধান আৰু পাহাৰত কৰিছিল ঝুম খেতি। তেওঁলোকে আৰম্ভ কৰিলেহি দ পানীত বাওধান খেতি। ইয়াতো এপ্ৰিল-মে’ মাহতে আৰম্ভ হয় কৃষিকাৰ্য। সেয়েহে ডেকা-গাভৰুৱে চাগৈ য়ুনান প্ৰদেশৰ দৰে ইয়াতো বৰষুণৰ বাবে কৰিছিল তেনে ধৰণৰ ৰং ধেমালি। গাইছিল যৌনগন্ধী গীত, কৰিছিল নাচ-বাগ। হৈছিল বৰষুণ। তেতিয়াই চাগৈ সৃষ্টি হৈছিল ‘*ঢোলে গুমগুমালে মেঘে গিৰগিৰাই*’খণ্ডবাক্যটোৰ। উক্ত কাৰণতে সাধাৰণতে বিহু মৰা হয় মুকলি আকাশৰ তলত। গতিকে নিশ্চয় অতীজত কেৱল বৰষুণৰ বাবেই মাৰিছিল বিহু আৰু উক্ত কাৰণতে ক’ব পাৰি যে ব’হাগৰ বিহু বৰষুণভিত্তিক উৎসৱ। কৃষিভিত্তিক উৎসৱ নহয়; কৃষিসম্বন্ধীয়হে আৰু সেই বিহু বন্ধ কোঠাৰ সলনি মৰা হৈছিল মুকলি আকাশৰ তলত।

---

**প্ৰাক্তন মুৰব্বী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাট আৰু এজন বিশিষ্ট সাহিত্যিক তথা লোক-কৃষ্টিৰ সাধক, বোলছবি নিৰ্মাতা।*
ঠিকনা— গোলাঘাট। যোগাযোগ নং- ৯৪৩৫০-৫৪০৪৬।

সাতবিহুৰ অন্যতম লখিমী বিহুৰ পিছ দিনা পতা বিহুক চুতীয়াসকলে দেও বিহু বা মেলা বিহু বুলি কয়। অতীজত এই দিনটোত কেইবাখনো গাঁৱৰ লোক মুকলি ঠাই এডোখৰত সমবেত হৈ ৰাজহুৱাকৈ বিহু পাতিছিল। পৰৱৰ্তী সময়ত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত ১৯৩৫ চনত অনুষ্ঠিত হৈছিল মুকলি বিহু। সেই বছৰৰে ১৯ আৰু ২০ এপ্ৰিল তাৰিখে মাধৱ গাৱঁৰ মাধৱ ভঁৰালীচুক নামঘৰ প্ৰাঙ্গনত সজা মঞ্চত 'জামুগুৰি বিহু সন্মিলন' নামেৰে বিহু পতা হৈছিল। পৰৱৰ্তী সময়ত এই সন্মিলনৰ নাম ৰখা হয় 'জামুগুৰি বিহুমেলা'। ১৯৬১ চনত এই বিহুমেলাৰ সৈতে জড়িত কেইগৰাকীমান লোকৰ প্ৰচেষ্টাত সেই অঞ্চলৰে গান্ধীপথাৰ বা ফুটুকাতলীত প্ৰথমবাৰৰ বাবে মুকলি আকাশৰ তলত সমজুৱাকৈ বিহু পাতে আৰু কোৱা হয় 'মুকলি বিহু'। ১৯৬৮ চনত এই জিলাৰে অন্তৰ্গত জামুগুৰিহাটৰ বৰপুখুৰীপাৰ গাঁও, ডৌকা চাপৰি, বাঁহবাৰী গাঁও, বাঁহবাৰী সত্ৰ, ওপৰ টলকাবাৰী আদি ঠাইক কেন্দ্ৰ কৰি থকা আহোমৰ ৰাজত্বত খন্দোৱা এটা বৰপুখুৰীৰ পাৰত '*পূৱ বৰভগীয়া বিহুমেলা*' নামেৰে আনুষ্ঠানিকভাৱে তিনিদিনীয়াকৈ মুকলি বিহু মাৰিছিল। ওঠৰটা বিহু দলে অংশ গ্ৰহণ কৰিছিল সেই মুকলি বিহুত। ১৯৭১ চনত এই বিহু মেলাখনৰ নাম সলনি কৰি নতুন নাম দিয়া হয় '*বৰপুখুৰীপাৰ বিহুমেলা*'। ১৯৭৫ চনৰ পৰা এই বিহুৰ নাম 'বৰপুখুৰীৰ মুকলি বিহু' কৰা হয়। ১৯৫৬ চনত শোণিতপুৰ জিলাৰ চতিয়াৰ খৰঙীনাটত আঁহত গছৰ তলতো মুকলিকৈ বিহু মাৰিছিল বুলি জনা যায়। এইফালৰ পৰা চাবলৈ গ'লে চুতীয়াসকলৰ মুকলি বিহু আৰু জামুগুৰিহাটৰ মুকলি বিহুৰ সংজ্ঞা একে বুলি ক'ব পাৰি অৰ্থাৎ ৰাজহুৱা স্থানত সমবেত হৈ বাৰেচহৰীয়া ভাওনাৰ আৰ্হিত বহুলোকে অথবা কেইবাটাও দলে একেলগে মৰা বিহু। এইটোৱেই মুকলি বিহুৰ সংজ্ঞা বুলি যদি ধৰি লোৱা হয় তেন্তে গৃহস্থৰ চোতালত হুঁচৰি গোৱাৰ দৰেই কেইবাটাও দলে একেলগে হুঁচৰি গাই বিহু মাৰিব লাগিব। কেৱল এটা দলে হুঁচৰি গাই বিহু মাৰিব নোৱাৰিব। কিন্তু দুঃখ আৰু পৰিতাপৰ বিষয় যে বৰ্তমান মুকলি বিহু বুলি একাংশই বিহুটোক একেবাৰে মুকলি কৰি পেলোৱা পৰিলক্ষিত হৈছে যিটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। একান্তই যদি কোনোবাই মুকলি বিহু বুলি কিবা বিহু পাতে তেন্তে—

(১) কেৱল বিহু বুলি পাতক। যিহেতু বিহু সদায় মুকলিকৈ পতা উৎসৱ।

লগতে এই বিহুত হুঁচৰি থাকিব নোৱাৰিব। উদাহৰণস্বৰূপে— কিবা অনুষ্ঠান উপলক্ষে বিহু মৰা, দৰা আদৰাৰ সময়ত বিহু মৰা, মঞ্চত বিহু প্ৰদৰ্শন কৰা ইত্যাদি।

(২) মুকলি বিহুৰ নামত কিছুমান ঠাইত আটাইবোৰ মুকলি হৈ গোৱা দেখিবলৈ পোৱা গৈছে। উদাহৰণস্বৰূপে— বিহুৱাই বিহুৱতীৰ গাত ধৰি নৃত্য কৰা যিটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়।

(৩) মুকলি বিহুত ঘোষা-পদ নেথাকিব। কাৰণ ঘোষা-পদ হুঁচৰিৰহে অঙ্গ।

(৪) মুকলি বিহুত আশীৰ্বাদ বৰ্জনীয়। কিয়নো আৰ্শীবাদ হুচৰিৰহে অঙ্গ, বিহুৰ অঙ্গ নহয়। হুঁচৰিত গৃহস্থকহে আশীৰ্বাদ দিয়া হয়। মুকলি বিহুত গৃহস্থ নেথাকে।

(৫) মুকলি বিহুৰ গীত আৰু নাচ চোতাল আৰু মঞ্চৰ বিহুৰ দৰেই হ'ব লাগিব। কিয়নো এই বিহুতো দৰ্শক থাকিব। গতিকে নামতীয়ে তীব্ৰ যৌনগন্ধী গীত গাব নোৱাৰিব আৰু নাচনীয়ে যৌৱনৰ অশ্লীল ভঙ্গিমা প্ৰকট হোৱাকৈ কঁকাল ভাঙ্গি নচাৰ সলনি যৌৱনৰ অশ্লীল ভঙ্গী প্ৰকট নোহোৱাকৈ বুকু আৰু আঠু ভাঙিহে নাচিব লাগিব।

★★★

# মুকলি বিহুত পেঁপা বাদন

## মুক্তিনাথ বৰগোঁহাই*

আমাৰ ৰঙালী বিহুত বৰ্তমান প্ৰচলিত আৰু অতি আকৰ্ষণীয় অনুষ্ঠানৰ ভিতৰত হুঁচৰি, মুকলি বিহু আৰু গাভৰু বিহু বা জেং বিহুৱেই উল্লেখনীয়। এই প্ৰতিটো অনুষ্ঠানৰে উদ্দেশ্য আৰু বৈশিষ্ট্য বেলেগ বেলেগ আৰু ৰসো বেলেগ বেলেগ। এই লেখাত কেৱল মুকলি বিহুৰ কথাহে উল্লেখ কৰা হৈছে।

বিহুৰ লগত তেজ মঙহৰ সম্বন্ধ থকা এটা শব্দ হৈছে পৰম্পৰা। প্ৰকৃততে এই পৰম্পৰা মানে কি? বা ইয়াৰ আয়ুস কিমান যুগৰ বা বছৰৰ পৰা ধৰা হয়? পৰম্পৰা হ'ল কেইবা পুৰুষৰ দিনৰ পৰা পালন কৰি অহা নীতি নিয়ম সমূহ। সৰল গ্ৰাম্য ভাষাত কবলৈ হ'লে অন্ততঃ তিনি পুৰুষ মানৰ পৰা চলি অহা ৰীতি-নীতি বোৰেই পৰম্পৰা। কথাতেই কোৱা হয় "পুৰুষ পুৰুষ ধৰি আমি এনেকৈ চলি আহিছো এতিয়া কিহৰ নতুন নিয়ম উলিয়াইছ?" এতিয়া এটা পুৰুষৰ আয়ুস যদি পঞ্চাশ বছৰ বুলি ধৰা হয় (বেচিও হব পাৰে) তেতিয়াহ'লে তিনি পুৰুষৰ আয়ুস হ'ব এশ পঞ্চাশ বছৰ। গতিকে এশ পঞ্চাশ বছৰ আগৰ পৰা চলি অহা ৰীতি-নীতি সমূহেই হ'ল পৰম্পৰা। যোৱা বিশ-ত্ৰিশ বছৰ ধৰি সৃষ্টি হোৱা নিয়ম নীতি সমূহ দৰাচলতে পৰম্পৰা বুলি ধৰিবলৈ অসুবিধা হয়।

### মুকলি বিহুৰ আৰম্ভণি

'মুকলি বিহু' হ'ল ভৰ যৌৱনা ডেকা গাভৰুৰ একচেতিয়া অনুষ্ঠান। যোৱাটো শতিকাৰ ৭০/৮০ দশক মানলৈকে মুকলি বিহুৰ বেচি প্ৰচলন নাছিল। উজনি অসমৰ কোনো কোনো ঠাইতহে সীমিত ৰূপত মুকলি বিহুৰ প্ৰচলন আছিল। ঠাইভেদে ইয়াৰ পৰিৱেশন পদ্ধতিও বেলেগ। অসমীয়া গাভৰু, বোঁৱনীয়েই হওক, দাঁৱনীয়েই হওক বা নাচনীয়েই হওক লাজকুৰীয়া স্বভাৱৰ। নিজৰ মান-সন্মান, সামাজিক দায়বদ্ধতা

---

*অঃ প্ৰাঃ উপ-আৰক্ষী অধীক্ষক, বিহু বিশেষজ্ঞ।
ঠিকনা— ডিব্ৰুগড়। যোগাযোগ নং -৯৮৬৪৪-৮৮৭৮৭

ৰক্ষা বা পিতৃ মাতৃৰ প্ৰতি আনুগত্যশীল। গতিকে মুকলি বিহুত গাভৰু নাচনীৰ প্ৰৱেশ আগতে হয়। কাৰণ অসমীয়া গাভৰুৱে ডেকা ল'ৰাক আগেয়ে নোজোঁকায়। বৰ্তমানেও দেখা যায় যে তিনি আলি, চাৰিআলি বা নিজান ঠাইত ডেকা ল'ৰাইহে আগতে ছোৱালীক জোঁকায়।

গাভৰুসকলে প্ৰাণঢালি বিহু নাম গাই, নাচি বাগি থকাৰ সময়তে গাভৰু সকলৰ ওচৰতে ডেকা বিহুৱা সকলে মুকলি বিহুৰ যোজনাৰ সুৰত এটি প্ৰেমমূলক যোজনা গাই গাই বিহু জোৰেহি। যোজনাৰ অন্ততঃ ঢোলৰ ছেৱত গাভৰুসকলে নাচিবলৈ ধৰাৰ লগে লগে ডেকা-গাভৰুৰ মাজত প্ৰেম প্ৰণয়ৰ দুৱাৰ খোল খায়। কাৰণ মুকলি বিহু হ'ল ডেকা-গাভৰুৰ মুকলি মনৰ স্বতঃস্ফুট বৰ্হিঃপ্ৰকাশ। দুয়োদলৰ মাজত বিহু নামৰ পাক উঠাৰ সময়তে ডেকা বিহুৱাৰ দলটো এখোজ দুখোজকৈ আগ বাঢ়ি গৈ শৃঙ্খলাবদ্ধ আৰু শালীনতাৰে গাভৰু বিহু দলৰ আবেষ্টনীত সোমাই মুখা-মুখি হয়। দুয়োটা পক্ষই নাচি নাচি, বিহুনামেৰে মনৰ ভাৱ প্ৰকাশ কৰি আনন্দত উৰুলীকৃত হয়, যদিও উন্মাদ নহয়।

**ডেকা-গাভৰু কিয় মুখামুখি হ'ব লাগে ?** সাধাৰণতে দেখা যায় যে দুজন মানুহে বাৰ্ত্তালাপ কৰোঁতে ইজনে সিজনৰ মুখলৈ চাই থকা মানুহৰ স্বভাৱগত প্ৰক্ৰিয়া। ইয়াৰ ব্যতিক্ৰম হ'লেই কথা কৈ থকাজনে জানিব পাৰে যে তেওঁৰ কথাত শুনোতাজনে মন দিয়া নাই। তেতিয়া কথা কোৱাজনে কথা চমু কৰে বা সাঁমৰণি মাৰে। যৌৱনৰ আগলি বতাহত উৰি ফুৰা ডেকা-গাভৰুৱে ইজনে সিজনক নিচেই কাষৰ পৰা চাবলৈ হাবিয়াস কৰে। ইজনে সিজনৰ মুখলৈ চাই যদি নেনাচে, বিহু নাম নেগায় বা নেহাঁহে তেতিয়াহ'লে *"কমোৱা তুলাবোৰ/ যেনেকৈ উৰিছে/ তেনেকৈ উৰিবৰ মন।"*ৰ সাৰ্থকতা বা ক'ত ?

মুকলি বিহুৰ উল্লেখনীয় বৈশিষ্ট্য হ'ল 'যোৰানাম'। যোৰানাম অতি আনন্দদায়ক হোৱাৰ লগতে ডেকা আৰু গাভৰুৰ উপস্থিত বুদ্ধিমত্তাৰ পৰিচায়ক। ডেকা বিহুৱাই গাভৰু নাচনীজনী কিমানৰ নামতি, কিমানৰ কাঁজী, ৰোৱা-তোলা, বোৱা-কটা জানেনে নেজানে, বিভিন্ন বিহু নামৰ সুৰেৰে, জাতেৰে যোৰা নাম গায় আৰু গাভৰু নাচনীয়েও বিহু নামেৰে, উপস্থিত বুদ্ধিমত্তাৰে উত্তৰ দিয়ে। এই যোৰা নাম সমূহত গ্ৰাম্য শব্দৰ অধিক ব্যৱহাৰ হোৱাৰ লগতে প্ৰতীক ধৰ্ম্মিতাও প্ৰকাশ পায়।

সামৰণিত গাভৰু সকলে নাচি বিহুনাম গাই হাত চাপৰি আৰু টকা বজাই প্ৰস্থান কৰিব আৰু ডেকা বিহুৱা সকলেও ঢোল বজাই নাচি বিহু নাম গাই গাভৰু সকলৰ পিচে পিচে প্ৰস্থান কৰিব। পুৰণি নিয়ম মতে যোৰ পাতিও প্ৰস্থান কৰিব পাৰে। এই নিয়মতো এটা অৰ্থ সোমাই আছে।

এতিয়া আহিলো মূল বিষয়টোলৈ— **মুকলি বিহুত পেঁপা বাদন**। আগতেই উল্লেখ কৰা হৈছে যে হুঁচৰি আৰু মুকলি বিহুৰ বৈশিষ্ট্য আৰু লক্ষণ বেলেগ বেলেগ। গতিকে পেঁপা পৰিৱেশনৰ পদ্ধতি বা থাঁচো বেলেগ। হুঁচৰিয়েই হওক বা মুকলি বিহুৱেই হওঁক ম'হৰ শিঙৰ পেঁপা নেবাজিলে গা ৰাঁই-জাঁই নকৰে। এই দুয়োটা অনুষ্ঠানতেই পেঁপা বহি লৈ বজোৱা পৰম্পৰাত পোৱা নেযায়। পেঁপা বাদকে পেঁপাটো টি টি টি কৰি আগফালে অলপ হাউলি, ঘন-ঘন, খৰ খোজেৰে আগলৈ গৈ অন্ততঃ দুপাক ঘুৰাৰ পিচতহে মূল পেঁপাৰ লহৰ আৰম্ভ হয়। পেঁপা বাদকৰ প্ৰকাশ ভঙ্গীও বেচ আকৰ্ষণীয়। পুৰুষ বিহুৱাই হওঁক বা গাভৰু নাচনীয়েই হওক কাষে কাষে ঘুৰি ঘুৰি পেঁপা বাদকে পেঁপা বজোৱা ভাল আৰু চাইও ভাল লাগে।

(ক) মুকলি বিহুত পেঁপা পৰিৱেশন আৰম্ভ হয় মুকলি বিহুত গোৱা যোজনাৰ সুৰেৰে। কিন্তু হুঁচৰিত পেঁপা পৰিৱেশন আৰম্ভ হয় পেঁপাৰ জন্মাগত লহৰত—

*ৰি ৰি ৰি ট, ৰি ট*

*ৰি ৰি ৰি ট, ৰিট বা*

*ট্িং ট্িং ট্িং ট্িং তাহেতি টি টলৌ*

*ট্িং ট্িং ট্িং ট্িং তাহেতি টি টলৌ আদিৰে।*

(খ) মুকলি বিহুত পেঁপা পৰিৱেশনৰ তাল, লয় বিহুৰ নিজস্ব লয় তালত আৰম্ভ হৈ পিচলৈ দ্ৰুত লয়লৈ গতি কৰে যাতে গাভৰু নাচনীৰ কপালত মুখত কেঁচা ঘাম জিলিকি উঠে। "তোমাৰ মুখৰ/কেঁচা ঘামে/বিহু কৰে শুৱনি।।" যথেষ্ট অৰ্থপূৰ্ণ। কিন্তু হুঁচৰিত পেঁপা বাদন আৰম্ভ হয় বিলম্বিত লয়ত আৰু ক্ৰমান্বয়ে বিহুৰ নিজস্ব লয়লৈ গতি কৰে। হুঁচৰিত বিলম্বিত লয়ত বজোৱাৰ কাৰণ হ'ল পুৰুষ নাচনি নচাৰ বাবে। পুৰুষ বিহুৱাৰ নাচ আৰু গাভৰু নাচনীৰ নাচৰ মাজত পাৰ্থক্য আছে।

(গ) মুকলি বিহুত চঞ্চলা গাভৰু নাচনীক বাউলি কৰিবৰ বাবে পেঁপাটো তীব্ৰ স্বৰ ব্যৱহাৰ কৰি সুৰ বজোৱা হয়। আজিকালি তেনে এটা লহৰ হুঁচৰিত শুনিবলৈ পোৱা যায়। প্ৰকৃত্বতে এই লহৰটো হুঁচৰিত বজোৱা লহৰ নহয়, মুকলি বিহুত বজোৱা লহৰহে। লহৰটো হ'ল—

*টিঁ হি টি-টি টি টিলৌ*
*টি টি টি টলৌ*
*টিঁহিটি-টি টি টিলৌ (তীব্ৰ স্বৰত)*
*টি টি টিলৌ*

এনেধৰণৰ লহৰে গাভৰু নাচনীৰ মন উতলা কৰি তোলে। কিন্তু হুঁচৰিত অতি পুৰণি বিহু নাম এযাৰৰ সুৰত পেঁপা বজালে ভাল। নামযাৰ হ'ল—

*আকৌ মুগা মেখেলা*
*পিন্ধিলে ঝক ঝক কৰ*
*মুগা মেখেলা*
*পিন্ধিলে ঝক ঝক কৰ*

(ঘ) এযাৰ বেচ তাৎপৰ্য্যপূৰ্ণ পুৰণি বিহু নাম যত ম'হৰ শিঙৰ পেঁপাৰ জন্মৰ গোন্ধ পোৱা যায় সেই বিহু নামযাৰৰ সুৰ মুকলি বিহু আৰু হুঁচৰিতো পেঁপাত বজোৱা হয়—

বিহু নামযাৰ হ'ল—

"*নাচে নাগে চম্পা/বাজে শিঙৰ পেঁপা*
*নাচে নাগে চম্পা/বাজে শিঙৰ পেঁপা*
*কলিদৈ ম'হৰে মইনা/বগী দৈ ম'হৰে মইনা শিং।*"

নাইবা

"*পেঁপাটি পেঁপাটি/ৰহেদৈ পেঁপাটি*
*কলিদৈ ম'হৰে মইনা/বগীদৈ ম'হৰে শিং।*"

(ঙ) মুকলি বিহুত বৰ্তমান প্ৰচলিত অতি জনপ্ৰিয় সুধাকণ্ঠৰ সেই চিৰ যুগমীয়া নামঘাৰৰ সুৰ পেঁপাত বজাই মুকলি বিহুৰ সামৰণি মাৰিলে সোণত সুৱগা হ'ব আৰু দুয়ো কূল ৰক্ষা হ'ব। নামঘাৰ হ'ল—

"পীৰিতি পীৰিতি পীৰিতি/পীৰিতি মিঠা এঠা দৈ ...।"

★★★

# বৰ্তমান সময়ত মুকলি বিহুৰ প্ৰাসঙ্গিকতা


**বিমলা গগৈ গোহাঁই***


বৰ্ত্তমান অসমত বিহুৰ ক্ৰম বিকাশৰ পথ অনুধাৱন কৰিলে দেখা যায় যে তাহানিৰ হুঁচৰি, মুকলি বিহু আৰু গাভৰু বিহুত পৰম্পৰাগত বিহু নাম আৰু বিহু নাচে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু কাৰিকৰী কৌশলৰ পটভূমিত এক আমোল পৰিবৰ্ত্তনৰ সুচনা কৰিছে। ক্ৰমবিকাশৰ পথত ঐতিহাসিক স্বকীয়তা উপলব্ধি কৰিবলৈ হ'লে প্ৰকৃতিৰ অৱদান নুই কৰিব নোৱাৰি। হাওলা মদাৰত, গহৰা ডালৰ কপৌ ফুল হেৰাই গৈছে। অসমীয়া জন-জীৱনৰ বৰ্ণাঢ্য কলা-সংস্কৃতিৰ মূল ভেটি হৈছে ৰঙালী বিহু। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক গাঁঠনিত কৃষি-সংস্কৃতিৰ ব্যাপক প্ৰভাৱ প্ৰচলিত হৈ আছে বাবেই বিহু নামবোৰত কৃষি ভিত্তিক ছবি এখন দেখিবলৈ পোৱা যায়। বিবিধ বাদ্য বজাই, নাচি-বাগি নাম গাই পৃথিৱীক সন্তুষ্ট কৰি উৰ্ব্বৰা শক্তি বৃদ্ধি কৰি শস্যৰ উৎপাদন বৃদ্ধি কৰি তোলাটোৱেই হৈছে বিভিন্ন জনগোষ্ঠীৰ সমূহৰ মূল দৰ্শন।

অতীজতে মানুহে আনন্দত স্বতঃস্ফূৰ্তভাৱে দীঘলীয়া উকি মাৰি গীত গাই দেহৰ অঙ্গ সঞ্চালন কৰা প্ৰক্ৰিয়াই স্থায়ী ৰূপত প্ৰতিস্থিত হৈ সমাজত থিতাপি ল'লে ৰঙেৰে ভৰ-পুৰ হোৱা ৰঙালী বিহুত। বাদ্য, তাল-মান, লয়, মাত্ৰাৰ লগত আনন্দত মতলীয়া হৈ জক্‌মকীয়া বিহুত মনৰ ভাৱ ব্যক্ত কৰি গাইছিল—“কিনো কাপোৰখনি/চেলেং ছকঠীয়া/উৰি যায় বতাহৰ আগত; নেখায় চাৰি সাজি/থাকিব পাৰোঁ মই/ব'হাগৰ বিহুৰে লগত।”

ডেকা গাভৰুসকলেও কৰ্ম জীৱনত অনেক সময়ত দেহৰ ক্লান্তি দূৰ কৰিবলৈ মুকলি পথাৰত ধান নিৰনি কৰোতে, প'ল মাৰোতে, নৈ ঘাটত কাপোৰ ধুই থাকোতে, নৈ ঘাটৰ পৰা পানী আনোতে, লগৰীয়াৰ সৈতে নাম গাইছিল। জীৱন সংগী নিৰ্বাচনৰ আৱেগত, পাৰিবাৰিক অৱস্থাৰ অনুভূতিত জীৱন সংঘাতৰ বৰ্ণনাত, প্ৰকৃতিৰ অপৰূপত

---


**গাভৰু বিহু বিশেষজ্ঞা, অসম লেখিকা সমাৰোহৰ উপ-সভানেত্ৰী, আউদেউ সন্দিকৈ বটা প্ৰাপক, আম্বেদকাৰ ফেল'শ্বিপ বঁটা প্ৰাপক।*

ঠিকনা- ধেমাজি। যোগাযোগ নং- ৯৯৫৭৮-৬৫২১৩

বিভোৰ হৈ বিনোদনত আৰু অৰ্থনৈতিক সমস্যাৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ নামবোৰ সৃষ্টি হৈছিল। ডেকাসকলেও জীৱনৰ ঘাত-প্ৰতিঘাত, প্ৰেম প্ৰণয় উদয় হোৱাত, সংগী মনোনীত কৰাত, খেতি-খোলাৰ ওপৰত, প্ৰাকৃতিক পৰিবেশৰ ওপৰত নাম গাই দেহা শাঁত পেলাইছিল। লাহে লাহে এই নামৰ সুৰবোৰত বাদ্য সংযোগ হৈ পৰাত নাচিবলৈ মন-গা মতলীয়া হৈ উঠিল আৰু সময়ত ইয়ে ৰঙালী বিহুৰূপে পৰিচিত হৈ পৰিল। ডেকাই পাতি-ঢোল, গুটীয়া পেঁপা, তাল, বাঁহী, গগণা, বীণ লৈ পথাৰৰ মাজত ৰাতি বিহু মাৰিবলৈ ওলাই যোৱাৰ লগতে গাভৰুসকলেও গছৰ তলত মনৰ সুখ-দুখ, ভালপোৱা আবেগ-অনুভূতিক গছ-লতা, নৈ-বিল আদিৰ লগত ৰিজনী মূলক, প্ৰতীক ধৰ্মী কাব্যিক সৌন্দয্যৰে ভৰ-পুৰ হৈ থকা নাম গাই, হাতত বাঁহৰ টকা, গগনা লৈ পথাৰত বিহু মাৰিছিল। লাহে লাহে ডেকাই গাভৰুৰ ওচৰলৈ আৰু গাভৰু সকলেও ডেকা বিহুৱাৰ নিচেই ওচৰলৈ গৈ বিহুৰ খোলা জুৰিছিল। কালৰ সোঁতে এই বিহুকে 'চ'তৰ বিহু' হিচাবে নিৰ্ণয় কৰিছিল। আহোম স্বৰ্গদেৱে বিহুক জাতীয় উৎসৱ হিচাপে স্বীকৃতি দিয়াত মুকলি মনেৰে ভয়, সংশয় নোহোৱাকৈ বিহু কৰাৰ পাছত 'মুকলি বিহু' হিচাবে তেতিয়াৰ পৰা এতিয়ালৈকে প্ৰচলিত হৈ আহিছে। বিভিন্ন জনগোষ্ঠীসমূহৰ মাজতো ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি সম্বলিত গীত-মাতেৰে 'মুকলি বিহু'ৰ প্ৰচলন আছে।

মুকলি বিহুৰ মূল বৈশিষ্ট্য হৈছে আনন্দৰ ঢৌ, হৃদয়ৰ ঢৌ আৰু যোৱানামৰ ঢৌ। মুকলি আকাশৰ তলত পাতিঢোল, গুটীয়া পেঁপা, তাল, গগনা, বাঁহী, বীণ, ঢোপচুঙা, সুতুলি আদিৰ উদ্দাম বাদ্য ধ্বনিৰে ডেকা-গাভৰুৰ মন বলিয়া কৰি তুলিছিল। মুকলি বিহুৰ মূল ভেঁটি প্ৰেম-প্ৰণয়, প্ৰকৃতিৰ বিনন্দীয়া ৰূপ, আৱেগ-অনুভূতিৰে বৰ্ণিত জন-জীৱনৰ সৃষ্টিশীলতা আৰু কৰ্মৰাজিয়ে জাতীয় উৎসৱৰ মৰ্যদালৈ উন্নীত হোৱাৰ পথ প্ৰশস্ত কৰি তুলিলে। ঢোলৰ চাপৰৰ উদ্দামত মন উত্তেজিত হয় আৰু নামৰ সুৰে বিহু মৰা ডেকা-গাভৰুক নাচিবলৈ উৎসাহ দিয়ে। তেতিয়া ডেকাসকলৰ মাজৰ কোনোবা এজনে মনৰ ভাৱনা ব্যক্ত কৰে এনেদৰে—"কড়ানৈৰ পাৰতে/ভাত ৰান্ধি খাইছিলোঁ/ভটিয়াই পেলালোঁ পাত; যেতিয়া শুনিলোঁ/তোমাৰ দুখৰ বাতৰি/দিলোঁ গালে-মূৰে হাত।"

গাভৰুৱে নামেৰে উত্তৰ দিয়ে এইদৰে— "তোমাৰে বেজাৰত/নৰিয়া

পৰিলোঁ/ দেৱাই খাই জীয়ালোঁ জীৱ; ইমান যদি মৰম/আছিলে মোলৈ/চাবলৈ নাহিলা কিয় ?"

পুনৰ ডেকাসকলে গায়— "কঢ়ানৈৰ কাষতে/ছাঁপল বাইছিলোঁ/চাবত পাই গলোঁ মালি; তোমাৰে পদূলিত/নঙলা খোলোতে/বাপেৰে পাৰিলে গালি।"

ডেকাহঁতে দুগুণ উৎসাহত যোৰানাম গাই এইদৰে—

"উজনি চুকতে /কুকুৰটি ভূকিলে/মাৰে ভাটি চকুত হাই; জালত পহু পেলাই /ৰাখিব নোৱাৰোঁ/ মোৰ মান দুৰ্ভগীয়া নাই।"

সিফালৰ পৰা গাভৰুৱে চিঞৰি গায়—"ৰিহা জুৰি জুৰি/দহি ঐ চেনাইটি/ চেলেং জুৰি জুৰি দহি; তোমাক জুতি জুতি/গাবলৈ নেপালোঁ/মুকলি পথাৰত বহি।"

মুকলি বিহুত যোৰানামৰ যেতিয়া ঢল উঠে তেতিয়া ঢুলীয়াই ঢোলত মাত্ৰ টোকৰ দি যায় আৰু বিহুৱা-বিহুৱতীৰ নামবোৰ শুনিব পৰাকৈ ধীৰ গতিত লয় দিয়ে—

"নৈ ঘূৰনীয়া সোঁতে পকনীয়া  
মৰমৰ নাচনী-ডুবিতে বান্ধিছে ডকা;  
অতি চতেৰতী নহবি নাচনী  
মৰমৰ লাহৰী-হাতত নায়েকিয়া টকা।"

গাভৰুৱে তাৰ উত্তৰত নামৰ জৰিয়তে মনৰ ভাৱ ব্যক্ত কৰে এইদৰে—

"মুগাৰে মেখেলাই ককালটি কাটিলে  
মৰমৰ বিহুৱা-ৰেচমে কাটিলে ভৰি;  
অতি চতেৰতী নেদেখিবি বিহুৱা  
মৰমৰ চেনাই ঐ-নেযাওঁ তলেপোনত ধৰি।"

পুনৰ ডেকাহঁতে অলপ সুৰ সলনি কৰি গাভৰুসকলক জোকাই জাতনাম গাই এনেদৰে গায়— "ঔতলে ঔতলে/ ৰৌমাছ কমালে/কঁকিলা কমালে বামত; বিহুৰে তলিতে/বিহুৱা কমালে/নাচনী কমালে লগত।"

গাভৰুৱে ইয়াৰ উত্তৰ দিয়ে এনেদৰে— "মতাম'হৰ গোৱালটি/গাখীৰৰ

লুভীয়া/কড়িয়াৰ লুভীয়া দৈ; ছোৱালীৰ লুভীয়া/পিলিঙা ডেকাটি/বিহুতলীত আছেহি ৰৈ।”

যোৱানামে ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয় অধিক গভীৰ কৰে। ৰাতি বিহু বা মুকলি বিহুত যি মাদকতা আছিল আজিকালি মঞ্চৰ মুকলি বিহুত সেই মাদকতা বিচাৰি পোৱা নাযায়।

মুকলি বিহুৰ নাচত বিশেষ শৈলী দেখিবলৈ পোৱা যায়। এই নাচৰ বৈশিষ্ট্য হ'ল— গাভৰু সকলে বৃত্তাকাৰে ঘূৰি ঘূৰি, হাত চাপৰিৰ তাল ৰাখি সকলো বিহুৱতীয়ে নামত অংশ গ্ৰহণ কৰিব লাগে। কোনজনী গাভৰুৱে নামষাৰ কোনজন ডেকাক জুৰি গাইছে সকলোৱে বুজি পায়। নামতী বিহুৱতীজনীয়ে জুমৰ মাজত সোমাই লুকাই-লুকাই আনে নেদেখাকৈ গাই বুলি পঞ্চাশৰ দশকৰ আগৰ বুঢ়া-বুঢ়ী সকলৰ পৰা গম পাইছিলো। স্বাধীনতা আন্দোলনৰ সময়তো গাঁৱৰ ডেকা-গাভৰুৱে একেলগে লেম্পবাতি লৈ কিছুসময় পথাৰত বিহু মাৰিছিল। উনৈশ শতিকাৰ প্ৰথম ভাগত বিহু কৰা ডেকা-গাভৰুতকৈ বিহু চাবলৈ যোৱা ডেকা-গাভৰু অধিক আছিল। সাজ বহাৰ লগে লগে ঘৰুৱা কাম-বন কৰি আজৰি হোৱা পূৰ্ণ যৌৱন প্ৰাপ্ত গাভৰুসকলে চ'তৰ বিহুত অংশ গ্ৰহণ কৰিছিল। প্ৰেম, বিচ্ছেদ, সমাজৰ বাধা, বয়সত সৰু ডাঙৰ হোৱা, ক'লা-বগা হোৱাৰ ফলত গাভৰুসকলে বিবাহৰ ক্ষেত্ৰত অনেক বাধাৰ সন্মুখীন হৈছিল। ফল স্বৰূপে, প্ৰেমৰ জ্বলা জুইত দহি থকা হৃদয়ৰ বিহুনামসমূহ মুখে মুখে চলি আহি ইতিহাসৰ বুকুত জিলিকি আছে। যেনে—

ডেকাই গাব— “নৈৰ ৰঙাগড়া/দলনি দোপনি/হৰিণা চিঞৰে বনত; তোমাৰে সন্তাপত/থাকিব নোৱাৰোঁ/মৰোঁগৈ শদিয়া ৰণত।”

গাভৰুয়ে উত্তৰ দিব এনেদৰে— “আয়ে গালি পাৰে/বোপাই গালি পাৰে/মাততে জুৰুলা হ'লো; বৰককাইৰ মাতকে/সহিব নোৱাৰোঁ/আপোন ডিঙি কাটি মৰোঁ।”

ডেকাই গাব— “কাঁহীত মলঙিলে/কাঁহীৰ বঢ়া ভাত/বাতিত মলঙিলে শাক; ভাবি নেথাকিবি/কান্দি নেথাকিবি/আৰু তিনিবছৰ থাক।”

গাভৰুৱে গাব— “এদিন দুদিন কৰি/ মোৰে মন মোহিলি/গধূলি জুহালত বহি;
বেৰৰ জলঙাৰে/জুমি চাই আছিলোঁ/আয়ে মোক পাৰিলে গালি।”

এইদৰে নামতে প্ৰেম, বিচ্ছেদ, ধেমালি, সমজুৱা ৰীতি-নীতি সংস্কাৰ বিধান আদিৰ দিহা থকাৰ বাদেও প্ৰকৃতিৰ পৰিবেশৰ ওপৰত জাত লগাই বিবিধ ধৰণৰ নাম গোৱা মুকলি বিহুখন অধিক আকৰ্ষণীয় আছিল।

বৰ্তমান মঞ্চত প্ৰায় সত্তৰৰ দশকৰ পৰা হুঁচৰিত গাভৰু নাচনী নচুৱাই, জোৰানাম গাই মুকলি বিহু একাংশ পৰিৱেশন কৰি প্ৰকৃত হুঁচৰি আৰু মুকলি বিহুক বিনষ্ট কৰি পেলাইছে। এই বৈশিষ্ট্য বিনষ্ট কৰা কাৰ্য্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। পৰম্পৰাগত বিহু যেনেদৰে আছিল তেনেদৰেই থাকিবলৈ দিব লাগে। হুঁচৰি হৈছে মাঙ্গলিক সমজুৱা অনুষ্ঠান। আজি-কালি গাঁৱৰ চোতালে চোতালে হুঁচৰি গাই গৃহস্থক মঙ্গল ধ্বনিৰে আশীৰ্বাদ নিদিলেও বিহুমেলাত সমূহীয়াভাৱে হুঁচৰিৰ পদ-ঘোষা গাই শেষত বিভিন্ন ধৰণৰ জাতনাম গাই, ঢোল-পেঁপা বজাই সামাজিক দায়বদ্ধতা ৰক্ষা কৰি পৰিবেশন কৰা হুঁচৰিৰ পবিত্ৰতা কালৰ সোঁতত উটি যাবলৈ দিলে লোক কৃষ্টিয়ে এদিন শুকান বালি-চাপৰিৰ সৃষ্টি কৰিব। ব'হাগৰ ৰঙালী বিহুৰ বাদেও সকলো সময়তে অনুষ্ঠান-প্ৰতিষ্ঠানত, কোনো ব্যক্তিৰ সন্মানাৰ্থে, কোনো সংগঠনৰ সভাই-সমিতিয়ে, ৰাজনৈতিক নেতাৰ আগমনে, ডেকা-গাভৰুৰ মুকলি বিহুৰহে অধিক প্ৰয়োজন হয়। সকলো সময়তে মুকলি বিহুৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি মুকলি বিহু শুদ্ধ ৰূপত পৰিৱেশন কৰিব লাগে। নাচোন ভঙ্গীমাত আধুনিক নৃত্য ভঙ্গীমা, শাস্ত্ৰীয় নৃত্যৰ ভঙ্গীমা সমূহৰ অনুকৰণত কৰিঅ'গ্ৰাফী কৰি উঠা-বহা, খেদা-খেদি, শাৰী শাৰী হৈ নচা নাচসমূহ বৰ্জন কৰিবলৈ সকলো বিহুৱা-বিহুৱতীলৈ নিবেদন জনালোঁ। অসমীয়া জাতিৰ প্ৰাণস্বৰূপ ‘মুকলি বিহু'ক অপসংস্কৃতিয়ে যাতে গ্ৰাস কৰিব নোৱাৰে তালৈ লক্ষ্য কৰাটো প্ৰতিজন অসমীয়াৰে দায়িত্ব। বিশাল অসমীয়া মাণিকা-মধুৰী প্ৰাণোচ্ছলতাৰে ভৰ-পুৰ মুকলি বিহুখন হুঁচৰিৰ লগত একেলগ কৰি অপসংস্কৃতিৰ বাহক হ'বলৈ দিলে এদিন লোক-কৃষ্টিৰ মানস্বৰূপ ‘বিহু’ মুকুটবিহীন হৈ পৰাৰ সম্ভাৱনা আছে।

★ ★ ★

# মুকলি বিহুৰ সন্দৰ্ভত দুটিমান ভাববোধ

**ড° প্ৰদীপ নেওগ***

## ১) মুকলি বিহুৰ ৰূপৰেখাৰ সন্দৰ্ভত

"বিহু সুৰক্ষা সমিতি, অসম"ৰ দ্বাৰা প্ৰচাৰিত বিহু প্ৰতিযোগিতাবিলাকৰ নিয়মাৱলীত 'মুকলি-বিহু'ৰ সংজ্ঞা সকলোৰে জ্ঞাত নিশ্চয়। তথাপি আলোচনাৰ জোৰ টানিবৰ বাবে সংজ্ঞাটো উল্লেখ কৰিছো— '*গাভৰুসকলে বসন্তকালত বাসগৃহৰ পৰা নিলগত বিহু মৰাৰ স্থানৰ কাযতে ডেকাসকলেও বিহু মৰা পৰম্পৰাই হ'ল 'চ'তৰ বিহু' —আজিকালিৰ মুকলি বিহু। এই বিহু অতীজতে চ'তৰ চাৰি পাঁচদিন যোৱাৰ পৰা আৰম্ভ হৈছিল। ডেকা গাভৰুৱে গছৰ তলত মুকলিমূৰীকৈ বিহুনামেৰে নাচেৰে ভাৱ বিনিময় কৰিব পৰাকৈ বিহু মৰা 'চতৰ বিহু পৰম্পৰা'ক প্ৰতিযোগিতাৰ মঞ্চত 'মুকলি বিহু' বুলি কোৱা হয়।*' এই সংজ্ঞাৰ লগতে নিয়মাৱলীখনত মুকলি বিহু প্ৰতিযোগিতা সন্দৰ্ভত মুঠ ১৩ টা দফা নিয়ম সন্নিৱিষ্ট কৰা হৈছে। সংজ্ঞাৰ ভিত্তিত আটাইকেইটি নিয়ম যে বেচ সুচিন্তিতভাৱে প্ৰস্তুত কৰা হৈছে আৰু সিবিলাক যে প্ৰণিধানযোগ্য তাত আমাৰ সন্দেহ নাই। পিছে প্ৰতিযোগী দলবিলাকৰ ভালেসংখ্যকে পৰিৱেশন কৰা 'মুকলি-বিহু'ৰ যি ৰেহ-ৰূপ তাত উপৰোক্ত সংজ্ঞাৰ প্ৰতিফলন আশানুৰূপভাৱে পৰিস্ফুট নহয়। কিছুমান দলে মুকলি-বিহু মাৰোতে তাহানি গৃহস্থৰ চোতালত মৰা 'হুচৰি'ৰ সজোৱা- নাচনী প্ৰৱেশ কৰাৰ পিছৰ পৰা আশীৰ্বাদ দিয়াৰ আগৰ অংশ পৰিৱেশন কৰে বুলিহে বোধ কৰা হয়। উল্লেখনীয় যে পিছৰফাললৈ কিছুমান অঞ্চলত 'হুচৰি'ত সজোৱা-নাচনিৰ ঠাইত ছোৱালীয়ে নাচিছিল।

উপৰোক্ত পৰিস্থিতিত "**বিহু সুৰক্ষা সমিতি, অসম**"ৰ বিষয়ববীয়াসকল, বিচাৰকসকল আৰু বিহুদল তথা বিহুৱা-বিহুৱতীৰ মাজত ভাব-বিনিময় আৰু শিক্ষন-প্ৰশিক্ষনৰ প্ৰয়োজনীয়তা উপলব্ধি হয়। বিশেষকৈ নিয়মাৱলীৰ দফাবিলাকৰ সন্দৰ্ভত বিহুদলবিলাকৰ মতামত আৰু সিবিলাক মানি চলাৰ ক্ষেত্ৰত তেওঁলোকে পোৱা সুফল,

---

**সঞ্চালক, সম্প্ৰসাৰণ শিক্ষা প্ৰতিষ্ঠান, অসম কৃষি বিশ্ববিদ্যালয়, সাহিত্যিক, বিহু বিশেষজ্ঞ।* ঠিকনা— যোৰহাট। যোগাযোগ নং- ৯৬৭৮০-০৩৬৭০

সুবিধা আৰু অসুবিধাবিলাকৰ সন্দৰ্ভত পুংখানুপুংখ আলোচনা হোৱাটো বাঞ্ছনীয়। কিছুমান বিহুৱা-বিহুৱতী নিয়মাৱলীৰ বিষয়ে জ্ঞাত নহয় কিম্বা তেওঁলোকে নিয়মাৱলী পঢ়াই নাই। আনহাতে, নিয়মাৱলী পঢ়িও তাৰ দুই-চাৰিটা দফা ভালকৈ বুজি নোপোৱা বিহুৱা-বিহুৱতীৰ শতাংশও তেনেই কম নহ'ব বুলিয়েই ধাৰণা হয়। এইক্ষেত্ৰত ভাব-বিনিময় আৰু আলোচনাৰ বাবে অভিৰৰ্তন, আলোচনা চক্ৰ আৰু প্ৰশিক্ষণ কাৰ্যসূচী অৱশ্যেই উপযোগী আৰু প্ৰয়োজনীয়। সেয়ে হ'লেও অনুসন্ধানমুলক অধ্যয়ন তথা গৱেষণাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি নিশ্চয়। বিশেষকৈ নিৰ্দিষ্ট 'ৱেবচাইত'ত নিয়মাৱলী খন উপলব্ধ কৰাৰ প্ৰয়োজন যাতে বিহুৱা-বিহুৱতী, বিচাৰক, বিহুতলীৰ উদ্যোক্তা আৰু সংশ্লিষ্ট সকলো পক্ষই থাওকতে অৰ্থাৎ মোবাইল বা কম্পিউটাৰত ক্লিক কৰিয়েই নিয়মাৱলীখন পঢ়িব পাৰে। মনকৰিবলগীয়া যে নিয়মাৱলীৰ বিভিন্ন বিষয়ৰ ওপৰত সংশ্লিষ্টসকলৰ মতামত ইত্যাদি আহৰণ কৰাৰ ব্যৱস্থাও কৰিব পাৰি। আনকি সততে ভাৱ-বিনিময় কৰাৰ ব্যৱস্থাও কৰিব পাৰি। বৰ্তমানৰ প্ৰায় সকলো বিহুৱা-বিহুৱতী আৰু ভালেসংখ্যক বিহু-বিচাৰক ইন্টাৰনেট ব্যৱহাৰ কৰাত সিদ্ধহস্ত। সেয়ে এই নিয়মাৱলীৰ প্ৰচাৰ, চৰ্চা আৰু বিকাশৰ ক্ষেত্ৰত ইন্টাৰনেটৰ সুযোগ-সুবিধা ব্যৱহাৰ কৰাটো অৱশ্যেই বাঞ্ছনীয়।

**২) মুকলি বিহু প্ৰতিযোগিতাৰ নিয়মাৱলীৰ ১৩ নম্বৰ দফাটোৰ সন্দৰ্ভতঃ**

প্ৰসংগক্ৰমে দফাটো উল্লেখ কৰা প্ৰয়োজন "*এজন নামতিয়ে নাম লগাওঁতে বিহুদলৰ পৰা আঁতৰি গৈ লাউদ স্পীকাৰৰ ওচৰত বিহুনাম গাই থকা ব্যৱস্থাটোত বিহুৰ মৌলিকতা নষ্ট হয়। বিহু একক অনুষ্ঠান নহয়, ই সমজুৱা অনুষ্ঠান, সেয়ে নাম-পদ আদিত সকলোৰে সমানে অংশ ল'লে ভাল। মাইকৰ ওচৰত ঢোল বজোৱাটোয়েও গোটেই পৰিৱেশন ৰীতিতো কৃত্ৰিম কৰি পেলায়।*" এই দফাটো একাধিক দিশৰ পৰা বিশেষভাৱে প্ৰয়োজনীয় আৰু উপযোগী। পাকেপতি লাউদ স্পীকাৰৰ ওচৰলৈ গৈ গৈ গোৱা বজোৱা বাবে অনুষ্ঠানৰ উপভোগ্যতাও বহুখিনি কমি যায়। এনে কৰাতো নিয়মাৱলীৰ ৮ নম্বৰ দফাটো অনুকৰণ কৰাৰো অৰ্থাৎ, বৃত্তাকাৰত নচা-গোৱাৰো পৰিপন্থী। পিছে মনকৰিবলগীয়া যে অধিকাংশ বিহুতলীৰ মঞ্চত ব্যৱস্থাপনা এই ১৩ নম্বৰ দফাটো প্ৰয়োগ কৰিব পৰাকৈ সুচল নহয়। তাৰ বাবে প্ৰয়োজন ভাওনা বা থিয়েটাৰত সাধাৰণতঃ ব্যৱহাৰ কৰা 'মাইক্ৰফণৰ ব্যৱস্থাপনা'; অৰ্থাৎ ওলোমাই ৰখা

মাইক্ৰফনৰ ব্যৱস্থা-যাতে বিহুনাম একোটা এজনে গাওঁতে আৰু সমূহীয়াকৈ গাওঁতে শ্ৰোতা-দৰ্শকে ভালকৈ শুনিব পাৰে। মন কৰিবলগীয়া এই যে এই ব্যৱস্থাপনাটো কৰিবলৈ বিহুতলী একোখনৰ বিশেষ অসুবিধা নহয় বুলি অনায়াসে ধাৰণা কৰিব পাৰি। পিছে মুখ্যতঃ আধুনিক নাচ-গানত গুৰুত্ব দি আৰু আনফালে পৰম্পৰাগত বিহু অনুষ্ঠানৰ পৰিবেশন কিম্বা প্ৰতিযোগিতা নামত চলাই নিয়াৰ প্ৰৱণতাৰে অধিকাংশ বিহুতলী অনুষ্ঠিত কৰি অহা হৈছে বাবেই উপৰোক্ত ধৰণেৰে মাইক্ৰফোণৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট পক্ষৰ কাণসাৰেই নাই বুলিব পাৰি। লক্ষাধিক টকা ব্যয় কৰি বিহুতলী আয়োজন কৰা বিহুতলী একোখনে এই ব্যৱস্থাপনা কৰিব নোৱাৰাটো আশ্বৰ্যকৰ। এইটো ঠিক যে বিহুতলীবিলাকত উপৰোক্ত মাইক্ৰফোনৰ ব্যৱস্থা নথকাৰ বাবে মুকলি-বিহু, গাভৰু-বিহু আৰু হুঁচৰিৰ উপভোগ্যতা বহুখিনি কমি গৈছে আৰু স্বকীয়তা সাংঘাটিকভাবে বিঘ্নিত হৈছে। সেয়েহে “বিহু সুৰক্ষা সমিতি, অসম”কে ধৰি বিহু ৰ কলা-কৃষ্টিৰ সংৰক্ষণ, প্ৰচাৰ, প্ৰসাৰ তথা বিকাশৰ উদেশ্যে গঠিত সকলো সংগঠন, সংস্থা আৰু বিহু চৰ্চা কৰা সকলে এই ব্যৱস্থা ল’বৰ বাবে বিহুতলীৰ উদ্যোক্তাসকলক সবলভাবে অনুৰোধ কিম্বা দাবী উৎথাপন কৰিব লাগে বুলি মৰ্মে মৰ্মে উপলব্ধি হয়।

★★★

# মুকলি বিহু সন্দৰ্ভত

**জীৱন ঘৰফলীয়া***

বিহুৰ পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ বেলিকা দেখা যায় যে বৰ্তমান আমাৰ উত্তৰ পুৰুষে অতীত পৰম্পৰা বিচাৰি মহা বিবুধিত পৰিছে। বিশেষকৈ মুকলি বিহুৰ বেলিকা কেনে পৰিৱেশ পৰিস্থিতিৰ মাজেৰে অনুস্থান অনুস্থিত কৰিব ? পৰম্পৰাগতভাৱে কাৰো আঞ্চলিক বৈশিষ্ট্যত কোনেও হাত দিয়া নাই আৰু দিবও নাপায়। পৰম্পৰাগত ভাৱে আমি দেখা বা শুনা কথাবোৰতেই বেছি গুৰুত্ব আৰোপ কৰিব লাগিব। আমি জনাত *ডেকা গাভৰুৰ মিলিত যোৰানাম প্ৰধান বিহুৱেই মুকলি বিহু। ডেকা গাভৰুৱে মুকলি ভাৱে মনৰ ভাব, আৱেগ, অনুভূতিবোৰ নামৰ যোগেদি প্ৰকাশ কৰাই মূল ভাব।* এতিয়া কথা হ'ল উপস্থাপন কৰোঁতে ডেকাই আগতে কৰিব নে গাভৰুৱে আগতে কৰিব ? অতীতৰ পৰম্পৰা মতে চাবলৈ গ'লে কোনো ক্ষেত্ৰতেই গাভৰুৱে আগ-ভাগ লোৱা দেখা নাযায়। সি ঠাট্টা মচকৰাই হওঁক, যোৰানামেই হওঁক বা বৰ্তমানে তিনিআলি চাৰিআলিতেই হওঁক ল'ৰাইহে আগতে ছোৱালীক জোকোৱা পৰিলক্ষিত হয়। ইয়াত ছোৱালীয়ে আগ-ভাগ লোৱা দেখা নাযায়। তেনেস্থলত পৰম্পৰাগত ভাৱে ক'ব পাৰি যে ছোৱালীৰ কাষলৈহে ল'ৰা যায়। সেয়েহে ক'ব পাৰি মুকলি বিহু উপস্থাপনৰ বেলিকা ল'ৰাৰ কাষলৈ ছোৱালী নহয়, ছোৱালীৰ কাষলৈ ল'ৰাই কাষ চাপি যোৰানামৰ পাতনি মেলে। সেয়ে হয়তো উদ্ভৱ হৈছিল—"তোমালৈ চাওঁতে/জপনা দেওঁতে/বিন্ধিলে অঘয়া হুলে; তোমাৰ মনে গ'লে/ মোৰো মনে গলে/কি কৰিব অজাতি কূলে।"

**মঞ্চত মুকলি বিহুৰ নমুনাঃ**

**ঢুলীয়া ঃ** "উজায়ে আহিলে/মাছে কি মগৰে/উজায়ে আহিলে শিহু; গাঁৱৰ বিহুতলীত উদুলি মুদুলি/পালেহি ব'হাগৰ বিহু।"

(যোজনা গাই গাই দুজন ঢুলীয়া, দুজন তালোৱা আৰু এজন বিহুৱা মঞ্চত প্ৰৱেশ কৰিব আৰু ঢোলত চাপৰ মাৰিব। ঢোলৰ চাপৰ শেষ হোৱাৰ লগে লগে নেপথ্যত

---

**লোককৃষ্টিৰ সাধক, বিহু বিশেষজ্ঞ।*

ঠিকনা— খোৱাং, ডিব্ৰুগড়। যোগাযোগ নং- ৯৫০৮৯-২৩৭৯৫।

পেঁপাৰ সুৰ বাজিব। পেঁপাৰ সুৰ শুনি বিহুৱা সকলে সেইফালে চাব আৰু বা ঢুলীয়াই পেঁপুৱাক মাতিব। বিহুৱা সকলৰ এজনৰ মুৰত বিহুৱান নাথাকিব)

**ঢুলীয়া ঃ** —ঐ পেঁপুৱা ককাই বিহু মাৰো আঁহা। এইফালে আঁহা এই ফালে। লগে লগে যোজনা গাব— "পেঁপুৱা ককাই ঐ/পেঁপুৱা দদাই ঐ/পেঁপাটো লৈ আন নাচো; কান্ধতে ঢোলেটি/মুখতে পেঁপাটি/যাবাগৈ নিলাজী বিহু।"

ঢুলীয়াই ঢোলত চাপৰ মাৰিব আৰু চাপৰ শেষ হোৱা লগে লগে ঢুলীয়াই ইফালে সিফালে চাব। তাকে দেখি অন্য এজন বিহুৱাই কথাটো বুজি পাব আৰু যোজনা গাব— "নাচোতে উৰিব/ধূলি সমনীয়া/নাচোতে উৰিব ধূলি; দুষ্ট ঢুলীয়াই/চাই জুমি জুমি/ মোৰজনী আহিছে বুলি।"

ঢুলীয়াই ঢোলত চাপৰ মাৰিব আৰু চাপৰ শেষ হোৱাৰ লগে লগে প্ৰথম ঢুলীয়াই পুনৰ নাচনীক লৈ যোজনা গাব— "এডালি কাটিলে/আহে চাৰিডালি/লুইতৰ খাগৰি খৰি; মোৰ ধনক মাতিলে/আহে তিনিজনী/ডিঙিত ধৰা ধৰি কৰি।"

ঢুলীয়াই ঢোলত চাপৰ মাৰিব আৰু শেষ হোৱাৰ লগে লগে নাচনীয়ে জাত গাই গাই মঞ্চত প্ৰবেশ কৰি গাব—

**নাচনীৰ জাত ঃ** "দলনী পথাৰত জকাই বাওঁ/পদুমনী বিলৰে পানী খাওঁ/আইক মই টিপতে সুধি চাওঁ/টকা লৈ টকা লৈ বিহুলৈ যাওঁ।"

(ঢুলীয়াই ঢোলত চাপৰ মাৰিব। ঢোলত চাপৰ মাৰোঁতে এগৰাকী নাচনীয়ে বহি হাঁচতিৰ পৰা তামোল উলিয়ায়। বাকী সকলে ঢোলৰ চাপৰত নাচি থাকিব। ঢোলৰ চাপৰ শেষ হোৱাৰ লগে লগে এজন বিহুৱাই যোজনা গাব। এগৰাকী নাচনীৰ খোপাত কপৌফুল নাথাকিব।)

**বিহুৱাঃ—** "কালৈ তামোল কাটি/আনিছা লাহৰী/খাই চাও এখনি দিয়া; মাতিছো মৰমত/বিহুৰে বতৰত/ যোৱা নাম এফাকি গোৱা।"

লগে লগে নাচনীয়ে যোৱা নাম এফাকি গাব—

**নাচনী ঃ—**"লাৰনি হাতেৰে/তামোল কাটি আনিছোঁ/খাই চোৱা এখনি দিলো;

লগৰ সমনীয়াই/খোপাত কপৌ গুজিছে/টিপতে কথাষাৰ ক'লো।"

যোজনা গাই থাকোঁতে নাচনীয়ে বিহুৱাক তামোল দিব আৰু বিহুৱাই নাচনীৰ পৰা তামোল লৈ খাব। যোজনাৰ শেষত ঢুলীয়াই ঢোলত চাপৰ মাৰিব। ঢোলৰ চাপৰ শেষ হোৱাৰ লগে লগে যিজন বিহুৱাক নাচনীয়ে তামোল দিছিল সেইজন বিহুৱাই গাব—

**বিহুৱাই গাব ঃ** "ৰংঘৰৰ বাকৰিত অ'জান/ঢোলেনো গিৰগিৰালে/বিৰিষত ঐ কান্দিলে কুলি; বিচাৰি বিচাৰি অ'জান/কপৌফুল মই আনিছোঁ/খোপাতে ঐ গুজি দিম বুলি।"

(বিহুৱাই নামফাকি গাই থাকোঁতে লুকুৱাই অনা কপৌ ফুল নাচনীৰ খোপাত গুজি দিব আৰু নাচনীয়ে ভালদৰে গুজি ল'ব। ঢুলীয়াই ঢোলত ৰগৰ দিব। নাচনীয়ে জাত গাব।)

**বিহুৱতীয়ে গাব—** "বিহুৱান বৈছিলোঁ ফুল চানেকি হাতত লৈ
উৰুকা গধুলি মোৰে ধনক দিবলৈ
মোৰ ধনে দি যাব ওজা ঢোলৰ বুলনি
বুকুত মোৰ উঠিব মৃদু কোমল কঁপনি
কপৌফুল আনিবা
পিন্ধি যাম বিহুলৈ
অ' কি অ' ধন চেনাই ঐ
মৰমে ৰাখিছোঁ দুটি চুমা তোমালৈ"
(ঢোলৰ ৰগৰ)

**বিহুৱাই গাব ঃ** কলু কুলু কৰি
বলে প্ৰেমৰ নিজৰা
চাই হেঁপাহ নপলায়
তোমাৰ কোমল চেহেৰা
চাইনো চাই সোণজনী
আমনি মোৰ নালাগে

ৰাতি ভাৰি ভাৰি
টোপনি ঐ নধৰে
তাকে ভাবি গুণি
চোঁৰা হেৰা নিজৰা
হৃদয়ত জ্বলালা
জীয়া জুই ঐ একুৰা।

ঢুলীয়াই ঢোলত ৰগৰ মাৰিব। ঢোলৰ চাপৰ শেষ হোৱাৰ লগে লগে যিজন বিহুৱাৰ মূৰত বিহুৱান নাথাকে সেইজনে দুখমনে বিহুৰ মাজলৈ আহি গাব— "বিহুটি চৰায়ে/কৰে বিহু বিহু/মোৰে বিহুৰ কাপোৰ নাই; বিহুত নাচিবলৈ/মোৰো মন আছিলে/বিহুৱান দিওঁতা নাই।"

লগে লগে এগৰাকী নাচনীয়ে তাৰ উত্তৰ যোজনাৰে দিব—

**বিহুৱতীয়ে গাব ঃ** "কিয় দুখে বেজাৰ/কৰ মোৰ মোৰ চেনাই ধন/বিহুৰে তলীলৈ আহি; ফুলাম কৈ বিহুৱান/লুকুৱাই আনিছোঁ/ডিঙিতে মেৰাই দিম বুলি।;

যোজনা গাই থাকোঁতে নাচনীয়ে লুকুৱাই নিয়া বিহুৱানখন ৰিহাৰ ভাঁজৰ পৰা উলিয়াই বিহুৱাৰ ডিঙিত মেৰিয়াই দিব। বিহুৱাজনে হাঁহি মাৰি বিহুৱানখন মূৰত গাঁঠি মাৰি ল'ব আৰু বিহুৱাসকলে তাকে দেখি আনন্দত কিৰীলি মাৰিব। ঢুলীয়াই ঢোলত চাপৰ মাৰিব আৰু সকলোৱে নাচিব।

**পেঁপা সুৰ ঃ** (শেষত ঢোলৰ চাপৰ)

**যোৰা নাম ঃ**

**বিহুৱতীয়ে গাব ঃ** "তুমি নামে গোৱা/মোৰ জান দেহা ঐ/শুৱলা ঐ মাতেৰে নৈৰে পানী ঘাটত বৈ; আমি উত্তৰ কাটোঁ/মোৰ জান দেহা ঐ/তোমাৰে ঐ নামেৰে/কাযতে ভৰা কলহ লৈ।" (ঢোলৰ চাপৰ)

**বিহুৱাই গাব ঃ** "নৈ পানীৰ যুৰলিত/মোৰ জান দেহা ঐ/চাম কাঠৰ পীৰাতে/তুমিনো কাৰে কাপোৰ ধোৱা;/কি জগৰ লগালো/মোৰ জান দেহা ঐ/তোমাকে ঐ লাহৰী/নেদেখো ঐ গধূলি পুৱা।" (ঢোলৰ ৰগৰ)

**বিহুৱতীয়ে গাবঃ** "আয়ে মোক নিদিয়ে/মোৰ জান দেহা ঐ/নদীত নো গা ধুবলৈ/পিছলি ঐ পৰিম গৈ বুলি; বোপায়ে নিদিয়ে/মোৰ জান দেহা ঐ/ঘৰৰ বাহিৰ হ'বলৈ/বেয়া কথা ওলাব বুলি।" (ঢোলৰ ৰগৰ)

**বিহুৱাই গাব ঃ** "কাউৰী শতৰু/মোৰ জান দেহা ঐ/মুগানো চোমনীয়া/পৰিব ঐ নিদিয়ে ডালত; তোমাৰ মোৰ শতৰু/মোৰ জান দেহা ঐ/তোমাৰনো মা দেউতাৰে/ফুৰিবলৈ নিদিয়ে লগত।" (ঢুলীয়াই ঢোলত চাপৰ মাৰিব)

বিহুৱতীয়ে গগনা বজাব। তাৰ সুৰে সুৰে বিহুৱাই নাম গাব।

**বিহুৱা ঃ** "আগলি বাঁহৰে/লাহৰী গগনা/বহি তাঁতৰ পাতত পোৱা; আমাৰ ৰাহি যোৰা/মিলিব কি নিমিলে/চিৰিপাতি মঙলখন চোৱা।" (ঢুলীয়াই ঢোলত চাপৰ মাৰিব)

**যোৰানাম পৰিৱেশন ঃ**

বিহুৱা ঃ খনি খনি কৰি তামোল কাটিছিলা
লাৱনি হাতেৰে আমাকে খুৱাইছিলা।

বিহুৱতী ঃ খনি খনি কৰি তামোল কাটিছিলো
লাৱনি হাতেৰে আমাকে খুৱাইছিলো।

বিহুৱা ঃ দিছিলা মৰমত লৈছিলোঁ ধন চেনেহত
পৰিচয় হৈছিলোঁ দুয়ো বহি নিজানত।

বিহুৱতী ঃ দিছিলোঁ মৰমত লৈছিলা ধন চেনেহত
পৰিচয় হৈছিলোঁ গোপনে গৈ নিজানত।

বিহুৱা ঃ কি যাদু কৰিলা প্ৰথম খনি তামোলত
সদায় পৰি থাকে তোমাৰ কথা মনত।

বিহুৱতী ঃ তোমাৰ মৰম চেনেহ অন্তৰতে সোমালে
মইও হওঁ পাগলী তোমাক কাষত নাপালে।
(ঢুলীয়াই ঢোলৰ চাপৰ মাৰিব)

বিহুৱাই সুতুলি বজাব। (শেষত ঢোলৰ চাপৰ)

**যোজনা ঃ বিহুৱতী ঃ** "ঢোলেটি কৰিলে/ ধিনিক ধিন দাঁও/মৃদঙে কৰিলে দাঁও; কাটনি সূতাৰে/আমনি কৰিছে/ব'লানো ঘৰা ঘৰি যাওঁ।" (ঢুলীয়াই ঢোলত চাপৰ মাৰিব)

বিহুৱতী ঃ বেলি হ'ল আবেলি নকৰো গধুলি
বিদায় দিয়া ঘৰলৈ যাওঁ ঐ লগৰীয়া।

বিহুৱা ঃ যোৰাগৈ যোৰাগৈ খৰেকৈ যোৰাগৈ
বাটত নাথাকিবা ৰৈ ঐ লগৰীয়া।

বিহুৱতী ঃ কোনোবা শতৰুৱে দেখিব লাগিলে
ঘৰতে দিবগৈ কৈ ঐ লগৰীয়া।

বিহুৱা ঃ যোৰাগৈ যোৰাগৈ খৰেকৈ যোৰাগৈ
বাটত নাথাকিবা ৰৈ ঐ লগৰীয়া।
(সকলো এজন এজনকৈ আঁতৰি যাব)

★★★

বিঃ দ্ৰঃ- 'মঞ্চত মুকলি বিহুৰ নমুনা' শীষক অংশটি লেখকৰ 'বিহুটি আদৰৰ' শীর্ষক গ্ৰন্থৰ পৰা উদ্ধৃত।

# চ'তৰ ডেকা-গাভৰুৰ মুকলি বিহু

**পবিত্ৰ মহন ফুকন***

সময়ৰ বোকোচাত উঠি তাঁহানিৰ গছ তলৰ বিহু আহি আধুনিক মঞ্চ পালেহি। ব'হাগ মাহৰ প্ৰথম সপ্তাহত কেৱল পুৰুষ সকলে গৃহস্থক বছৰটো কুশলে থাকিবলৈ আৰ্শীবাদ দি চোতালত ঢোল, পেঁপা লৈ হুঁচৰি গোৱা পৰম্পৰাও আজি মঞ্চত উঠিল গৈ।

বিহুৰ পৰিবেশ্য কলা গাভৰু বিহু, চ'তৰ বিহু আৰু হুঁচৰিৰ শুদ্ধ ৰূপ আৰু পৰম্পৰাক জীয়াই ৰাখিবৰ বাবে আজিৰ প্ৰজন্ম আগবাঢ়ি আহিছে। বিহু বিষয়ত বহু কেইগৰাকী মেধাবীলোকে গৱেষণা কৰি সন্মানীয় ডক্টৰেট উপাধিও লাভ কৰিছে। সাম্ৰাজ্যবাদৰ সাংস্কৃতিক আগ্ৰাসনৰ বেলিকা গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা অতি আদৰণীয় হৈছে।

লোক কৃষ্টি বিহুৰ আঞ্চলিক আৰু জনগোষ্ঠীয় বৈশিষ্ট্য সমূহ মন কৰিবলগীয়া। এই বৈশিষ্ট্য সমূহে বিহুক চিৰ সেউজ কৰি ৰাখিছে। আজি বিহুক লৈ বিৰ্তকৰো সূত্ৰপাত হৈছে। ইয়াৰ প্ৰধান কাৰণ লোক কৃষ্টিৰ সম্পৰ্কত অনভিজ্ঞতা। আধুনিক মঞ্চত পৰিৱেশনৰ সময়ত *"ডেকা গাভৰুৰ মুকলি বিহু"*ৰ ক্ষেত্ৰত ডেকাই নে গাভৰুৱে মঞ্চত প্ৰথম প্ৰৱেশ কৰিব?

এটা অতি সাধাৰণ বিষয়। যিটো বিষয়কলৈ বিহু প্ৰতিযোগিতাৰ মঞ্চত বা বৈদুতিন মাধ্যমত বিৰ্তক কৰা দেখা যায়। এই বিৰ্তকই এক শ্ৰেণীলোকৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰি আহিছে।

"*ডেকা-গাভৰুৰ মুকলি বিহু*" মানে কি? ডেকা-গাভৰু সকলে চ'ত মাহত হাবি মাজৰ, পথাৰৰ মাজৰ বড়গছ বা আঁহত গছৰ তলত, অৰ্থাৎ মানুহৰ বাসগৃহৰ পৰা নিলগত বিহু মৰাকেই 'ডেকা-গাভৰুৰ মুকলি বিহু" বুলি জনা যায়। ডেকা-গাভৰু সকলে

---

**বিহু গৱেষক, নাট্যকাৰ, লোককৃষ্টিৰ সাধক, নিৱন্ধকাৰ*
ঠিকনা— বৰহাট, চৰাইদেউ। যোগাযোগ নং- ৯৯৫৭৬-৪২৯৫৮।

চ'ত মাহত বিহু মাৰে বাবে এই বিহুক 'চ'তৰ বিহু' বুলিও কোৱা হয়। গোটেই চ'ত মাহটোত ৰাতি ৰাতি ডেকা-গাভৰুসকলে বিহুনাম গাই বিহু মৰা হয় বাবে চ'তৰ বিহুক 'ৰাতি বিহু' বুলিও কোৱা হয়।

"চ'তৰ বিহু", "ৰাতি বিহু", "ডেকা-গাভৰুৰ বিহু" একেটাই অনুষ্ঠান। এই বিহু ডেকা-গাভৰুসকলে ওচৰা-ওচৰিকৈ দুভাগত বিভক্ত হৈ ডেকাই ডেকাভাগে আৰু গাভৰুৱে গাভৰু ভাগে বিহু মাৰে। অতীজতে এই বিহুৰ তত্ত্বাৱধায়ক হিচাপে ডেকা সকলৰ মাজত এজন ডেকা বড়া আৰু গাভৰু সকলৰ মাজত এগৰাকী গাভৰু বড়া থকাৰ নিয়ম আছিল। ডেকা বড়া আৰু গাভৰু বড়াই বিহুৱা-বিহুৱতী সকলৰ মাজত শালীনতা ৰক্ষা কৰাৰ দায়িত্ব পালন কৰিছিল। বিহু অসমৰ লোক কৃষ্টি। অসমৰ প্ৰতিটো জনগোষ্ঠীয়েই আঞ্চলিক আৰু জনগোষ্ঠীয় পৰম্পৰা অনুসৰি বিহু পালন কৰে।

*'ডেকা-গাভৰুৰ মুকলি বিহু'*ৰ বৈশিষ্ট্যসমূহৰ বেলিকা প্ৰায়বোৰ জনগোষ্ঠীৰ মাজত মিল দেখা যায়। বৈশিষ্ট্যসমূহ— (ক) গাভৰুসকলে বিহু মৰা স্থানৰ কাষতে ডেকাসকলে বিহু খোলা পাতে। (খ) বিহুৱতী গাভৰু আৰু বিহুৱা ডেকাই বিহু নামেৰে মনৰ ভাৱ বিনিময় কৰে। (গ) এই বিহুত বিহুবাদ্য ব্যৱহাৰ হয় যদিও 'বিহু নাম'ৰ প্ৰাধান্যহে অধিক। উল্লেখযোগ্য যে 'ডেকা-গাভৰুৰ মুকলি বিহু'ৰ বিহুনাম সমূহ *প্ৰেম-পিৰীতিমূলক*। এই বিহুনামসমূহ যৌৱন, প্ৰেম, ভালপোৱা, বিৰহ-বিষাদ, ৰং-আনন্দ আদি বহু ৰসেৰে পূৰ্ণ। (ঘ) ডেকা-গাভৰুৰ মুকলি বিহুত জাত-পাত, বৰ্ণ-বৈষম্যৰ গুৰুত্ব নাই। বিহু নামত গায় *"তোৰো মনে গলে/ মোৰো মনে গলে/কি কৰিব অজাতি কুলে"* (ঙ) *'ডেকা-গাভৰুৰ মুকলি বিহু'*ত ডেকাসকলে নিজৰ গাঁৱৰ গাভৰুসকলে বিহু মৰা স্থানলৈ নাযায়। অন্য গাঁৱৰ বিহুখোলাবোৰলৈহে বিহু চাবলৈ বা বিহু মাৰিবলৈ যায়। (চ) চ'তৰ বিহুৰ বিহু নাম বোৰ অশ্লীল নহয়। প্ৰেম-যৌৱন, ভালপোৱাৰ বিহুনামবোৰৰ মাজেদি প্ৰকাশ কৰা অনুভূতিক যৌৱনসুলভ ভাষাৰ ওৰণিৰে ঢাকি গোৱা হয়। চ'তৰ ৰাতি বিহুত ডেকা-গাভৰুৱে গোৱা বিহুনামবোৰত যৌনতা থাকিলেও অশ্লীলতা নাই। গঞা কৃষিজীৱী তাহাঁনিৰ অনাখৰী ডেকা-গাভৰুহঁতৰ মনৰ ভাৱ প্ৰকাশৰ স্থান বিহুখোলা সমূহ আছিল অন্যতম। (ছ) হাত চাপৰি আৰু বাঁহৰ টকাৰ (টকা) টক্ টক্ শব্দৰ তালে তালে বিহুনামৰ ছন্দত বিহুৱতী সকলে বিহুনাম গায়। বিহুৱা সকলেও সেই একে লয়ত ঢোলৰ খোলাত টক্ টক্কৈ ঢোলৰ মাৰিৰে তাল ৰাখি মধ্যলয়ত বিহুনাম গায়, পেঁপা

বজাই বিহুৱতী সকলক নচুৱায়। (জ) উল্লেখযোগ্য যে সাধাৰণতে চ'ত মাহত মানুহৰ বাসগৃহৰ পৰা নিলগত ৰাতি ৰাতি হে চ'তৰ বিহু অৰ্থাৎ *"ডেকা গাভৰুৰ মুকলি বিহু"* মৰাৰ পৰম্পৰা আছিল। (ঝ) এই বিহুত অবিবাহিত ডেকা-গাভৰুৰ বাদে বিবাহিত লোকে আৰু অপৈণত ল'ৰা-ছোৱালীয়ে ভাগ নলয়। এইসকল লোক বিহু চাবলৈ যোৱাৰ ব্যৱস্থাও সুগম নাছিল। (ঞ) অৱশ্যে চ'তৰ গছ তলৰ গাভৰু বিহুত ন-বিবাহিতা বিহুৱতীয়ে আহি বিহু নচাৰ কথা বিহুনামত উল্লেখ আছে।

এতিয়া আমি উল্লিখিত বিষয়টো আলোচনা কৰিবলৈ আগবাঢ়িছো। ডেকা-গাভৰুৰ মুকলি বিহুত ডেকাই নে গাভৰুৱে মঞ্চত প্ৰথমে প্ৰৱেশ কৰিব? এই প্ৰশ্নৰ পোনপটীয়া উত্তৰ হ'ব যদি পৰম্পৰাগত ভাৱে বিহুৰ তাত্ত্বিক দিশলৈ লক্ষ্য ৰাখি বিহুক মঞ্চত উপস্থাপন কৰিব বিচৰা হয় তেন্তে স্পষ্ট আৰু শুদ্ধ উত্তৰ হ'ব (১) গাভৰুসকলেহে মঞ্চত প্ৰথম প্ৰৱেশ কৰি বিহু আৰম্ভ কৰিব। (২) ৰঙালী বিহুৰ নাচ-বাগ প্ৰথম নাৰীয়েহে আৰম্ভ কৰিছিল। বৰ্তমান সময়ত এই বিহুক 'গাভৰু বিহু' বা 'জেং বিহু' বা 'টকা বিহু' বুলি জনা যায়।

(৩) গছৰ তলত কেৱল বিহুৱাসকলে বিহু মাৰি থকাৰ কোনো তথ্য পাবলৈ নাই। কেৱল পুৰুষে ল'ৰা, ডেকা, বুঢ়া সকলোৱে মিলি পহিলা ব'হাগত গাঁৱৰ জ্ঞাতিৰ ঘৰে ঘৰে হুঁচৰি গোৱাৰ পৰম্পৰা আছে। কিন্তু হুঁচৰি মধ্য যুগ বা আহোম যুগতহে আৰম্ভ হৈছিল। হুঁচৰি সৃষ্টিৰ বহু আগতেই 'গাভৰু বিহু' আৰু 'ডেকা-গাভৰুৰ মুকলি বিহু' আৰম্ভ হৈছিল।

(৪) গছৰ তলত কেৱল বিহুৱাসকলে 'চ'তৰ বিহু' মৰাৰ নিয়ম নাছিল— য'ত গাভৰু বিহুৰ খোলা থাকে তাৰ কাযতেহে ডেকা-বিহুৱা সকলে 'বিহু খোলা' পাতে। সেই সময়ৰ ৰক্ষণশীল সমাজত গাভৰু সকলে ডেকা ল'ৰা এজাক থকা স্থানলৈ গৈ বিহু মৰা কথাটো অযুক্তিকৰ। আজিৰ আধুনিক মঞ্চত ঢুলীয়াই ঢোল বজায় বা পেঁপাদাৰীয়ে পেঁপা বজাই বিহুৱতী নাচনীক মঞ্চলৈ প্ৰৱেশ কৰোৱা ব্যৱস্থাটো তেনেই নতুন।

আমি যদি মন কৰো প্ৰকৃতিগত ভাৱেই নাৰীৰ ওচৰলৈহে পুৰুষ যায়। ডেকা-গাভৰু বিহুৰ ক্ষেত্ৰতো অনুৰূপ। গাভৰু বিহু চাবলৈ গৈ ডেকাই গাভৰু বিহু খোলাৰ

কাষতে ডেকা বিহুৱ বিহুখোলা পাতে। ফুলে ফুলে ভোমোৰাইহে মৌ বিচাৰি ফুৰে। ফুল ভোমোৰাৰ কাষলৈ যোৱাৰ ব্যৱস্থা নাই। মুগা পালকে চকৰিবোৰহে খৰিকাত বান্ধি থয়। তালৈ চকৰাবোৰহে আহে। চকৰিয়ে চকৰা বিচাৰি নাযায়। যৌন কাৰ্যৰ সময়ত জীৱ-জন্তুৰ ক্ষেত্ৰতো সেইয়াই দেখা যায়। চ'তৰ বিহুত যৌনতা আছে। ই যে চ'তৰ বিহুৰ এৰাব নোৱাৰা চৰিত্ৰ। বিহু উৰ্বৰতামূলক উৎসৱ। কৃষিজীৱী মানুহৰ আদিম জনবিশ্বাস ইয়াৰ সৈতে জড়িত।

'হুঁচৰি' মাংগলিক অনুষ্ঠান, এই ক্ষেত্ৰত হুঁচৰি ব্যতিক্ৰম। হুঁচৰিত কেৱল পুৰুষহে থাকে। 'ডেকা-গাভৰুৰ মুকলি বিহু'ৰ উপস্থাপনৰ ক্ষেত্ৰত বিহু সৃষ্টি সম্পৰ্কে প্ৰচলিত প্ৰবাদটো আৰু বিহু নামৰ মালিতা সমূহে গাভৰু সকলেহে প্ৰথম বিহুৰ নাচ-বাগ আৰম্ভ কৰাৰ তথ্য দিয়ে। ই প্ৰকৃতিগত তথ্যৰ লগত সম্পূৰ্ণ একেই তাত্ত্বিকতাৰে প্ৰকাশ পাইছে। লোক কৃষ্টি পৰম্পৰাৰ ভেঁটিত আগবাঢ়ি যায়। বিহুৰ ক্ষেত্ৰতো পৰম্পৰাৰ কাষ চাপি আহি পৰিবেশ্য কলা হিচাপে পৰিবেশন কৰাটোহে শুদ্ধ ৰূপ।

বিহু সৃষ্টি সম্পৰ্কে থকা প্ৰবাদটোত প্ৰথম কলিমতীয়ে ভনীয়েক সেউতী আৰু মালতীক লৈ শদিয়াৰ পৰা লুইতেদি নাৱত উঠি যৌৱনৰ নামগাই নাচি-বাগি কিৰিলি মাৰি দৈয়াং অঞ্চল পাইছিলহি। বৃহৎ দৈয়াং অঞ্চলৰ কলিয়াবৰত কলিমতী আৰু ভনীয়েকহঁতে প্ৰথম 'বিহু খোলা' পাতে। কলিমতীৰ বিহুত ভাগ ল'বলৈ ন ভনী, বাৰ ভনী অনেক দেৱী আহিল। কোনোৱে গালে, কোনোৱে নাচিলে, কোনোৱে ৰং আনন্দত হাত চাপৰি বজাই ৰঙালীত অপূৰ্ব সৌন্দৰ্য সৃষ্টি কৰিলে। কলিমতী আৰু ভনীয়েকহঁতক আনন্দত মতলীয়া হৈ নাম গাই, নাচ-বাগ কৰি ৰং-ৰহইচ কৰাৰ খবৰ পাই দৈয়াং দেউ ধনকলীয়াই দূৰৰ পৰা কলিমতীহঁতৰ বিহু উপভোগ কৰি শেষত কলিমতীহঁতৰ বিহুখোলাৰ কাষত আহি উপস্থিত হ'লহি।

এই প্ৰবাদটোত বিহু সৃষ্টিৰ মূলতে যে নাৰীসকল এই কথাকে প্ৰমাণ কৰিছে। ধনকলীয়াই পিচতহে বিহুবাদ্য সৃষ্টি কৰি কৃষিজীৱী ডেকাসকলৰ মাজত বিহুক উৰ্দ্ধৰতাৰ মাধ্যম হিচাপে প্ৰচলন কৰিছিল।

বাস্তৱ জগততো নাৰীসকলেই তাঁতৰ পাতত, ঢেকীৰ শালত, জুই শালত গুণগুণাই বিহু নাম গাই বিহুক আদৰণি জনায়। তাঁতৰ শালত আগলি বাঁহৰে লাহৰি

গগণা বজাই, চেনেহ দীঘে দি চেনাইলৈ বিহুৱান বয়, ঢেকীশালত বকুল বৰা ধানৰ চিৰা খুন্দি ঢেকীৰ চাবে চাবে বিহুনাম, সুবিধা বুজি কেইবাগৰাকীও একে লগ হৈ গিৰিপ গিৰিপকৈ এপাক বিহুনাচ নচা; জুই শালত নানা তৰহৰ পিঠা পনা বনাওতে বিহু নামৰ গুণগুণনি, নদী ঘাটলৈ পানী আনিবলৈ যোৱাৰ চলেৰে, পেহী-মাহীৰ ঘৰলৈ চেৰেকীটো আনিবলৈ যোৱাৰ চলেৰে যুঁৰিয়া আঁহতৰ তলত বিহুমৰা পৰম্পৰাই আজিৰ চ'তৰ বিহু।

চেনেহীহঁতে বিহু মাৰি থকা বিহু খোলাসমূহলৈ ডেকা সকল যায় মনৰ মানুহজনীক লগ পোৱাৰ আশাৰে। চেনেহীহঁতৰ বিহু খোলাৰ কাষতে ওৰে ৰাতি ডেকাসকলেও বিহু খোলা পাতি বিহু মাৰে।

'চ'তৰ বিহু' অৰ্থাৎ 'ডেকা-গাভৰুৰ মুকলি বিহু' উপস্থাপনৰ ক্ষেত্ৰত গাভৰুসকলে বিহু আৰম্ভ কৰাৰ পিছতহে বিহুনামেৰে বা বিহুবাদ্যৰ ছেও-চাপৰেৰে ডেকাই বিহু আৰম্ভ কৰাৰ নিয়ম আছিল।

শুদ্ধ আৰু পৰম্পৰাগত ৰূপত বিহু পৰিৱেশন কৰিলেহে বিহুৰ ঐতিহ্য ৰক্ষা হ'ব।

★★★

# মুকলি বিহুৰ ঐতিহ্য আৰু পৰম্পৰা

**নৰহৰি চুতীয়া***

'মুকলি বিহু' বুলি ক'লে সাধাৰণতে ডেকা আৰু গাভৰু একেলগ হৈ কোনো নির্দ্দিষ্ট স্থানত মৰা বিহুকে বুজোঁ। বহুতৰ মতে, এই বিহু তাহানি চ'তৰ বিহু বা নিশা বিহু বা ৰাতি বিহুৰ পৰম্পৰাৰ পৰা আহিছে। কিন্তু কোনো কোনোৱে তাহানিৰ ৰাতি বিহুৰ পৰম্পৰাৰ পৰা বৰ্তমান সময়ত মুকলি বিহু সৃষ্টি হৈছে বুলি একমত প্ৰকাশ কৰাটো পৰিলক্ষিত হোৱা নাই। তেওঁলোকৰ মতে মুকলি বিহু মুকলি বিহুয়েই। ই ৰাতি বিহুৰ অন্য ৰূপ নহয়। "বিহু সুৰক্ষা সমিতি, অসমে" প্ৰস্তুত কৰা বিহু প্ৰতিযোগিতাৰ নিয়মাৱলী মতে মুকলি বিহুৰ সংজ্ঞা এনে ধৰণৰ- '*গাভৰুসকলে বসন্ত কালত বাসগৃহৰ পৰা নিলগত বিহু মৰা স্থানৰ কাষতে ডেকাসকলেও বিহু মৰা পৰম্পৰাই হ'ল চ'তৰ মুকলি বিহু। এই বিহু অতীজতে চ'তৰ চাৰি-পাঁচ দিন যোৱাৰ পৰা আৰম্ভ হৈছিল । ডেকা-গাভৰুৱে গছৰ তলত মুকলিমূৰীয়াকৈ বিহুনামেৰে নাচেৰে ভাৱ বিনিময় কৰি পৰাকৈ বিহু মৰা চ'তৰ বিহু পৰম্পৰাক প্ৰতিযোগিতাৰ মাজত মুকলি বিহু বুলি কোৱা হৈছে।*'

যিহেতু বৰ্তমানৰ ডেকা-গাভৰুৰ 'মুকলি বিহু'ৰ ক্ষেত্ৰত তাহানিৰ ৰাতি বিহুৰ প্ৰসঙ্গটো আহিছে গতিকে মুকলি বিহুৰ বিষয়ে বিশদভাৱে আলোচনা কৰাৰ আগতে তাহানিৰ চ'তৰ বিহু বা ৰাতিৰ বিহুৰ বিষয়ে প্ৰথমতে আলোচনা কৰি লোৱাটো সমীচীন হ'ব।

ৰাতি বিহুৰ সম্পৰ্কত ১৯৫৭ চনত 'অসম বাণী'ত বিশেশ্বৰ হাজৰিকাৰ এটি প্ৰৱন্ধ ('অসমবাণী'ৰ ২ য় বছৰ, সংখ্যা ৪১, ১২ এপ্ৰিল ১৯৫৭ )ত প্ৰকাশ পাইছিল। প্ৰৱন্ধটোৰ শিৰোনাম আছিল- "ৰাতি বিহু চাবলৈ যাওঁ"। উক্ত প্ৰৱন্ধটোত ৰাতি বিহুৰ সম্পৰ্কত এইদৰে উল্লেখ আছে- "ৰাতি বিহু চ'ত মাহৰ ১৫ তাৰিখৰ পৰা মৰা হয়। এই বিহু মাৰে গাভৰু ছোৱালীয়ে। প্ৰচলিত মতে, এই বিহুক 'মাইকী বিহু' বা 'নিশা বিহু' বুলিও কোৱা হয়। সাধাৰণতে, ডেকা ল'ৰাবোৰে জুম পাতি তাত যোগ দিয়ে।

---

**বিশিষ্ট শিক্ষাবিদ, যশস্বী কবি তথা বিহু বিশেষজ্ঞ।*

ঠিকনা— লাচিত নগৰ, চানমাৰি, তেজপুৰ। যোগাযোগ নং- ৯৮৫৪৩-০৩০৯৮

ডেকাবোৰে সাধাৰণতে পেঁপা নিয়ে। ঢোল নিয়া দেখা নাযায়। বুঢ়ালোকৰ মুখত কোৱা শুনিছোঁ ৰাতি বিহুৰ নাচনী ওলাবলৈ ইঙ্গিত দি বজোৱা বিশেষ পেঁপাৰ ছেৱো আছে। সাধাৰণতে ছোৱালীয়ে ডেকাক উদ্দেশ্য কৰি কথা কটাকটি কৰি গীত ৰাতি বিহুতেই গোৱা হয়।" (এই প্ৰবন্ধটো ২০১২ চনৰ ৬ এপ্ৰিল 'অসমবাণী'ৰ সংখ্যাত পুনৰ প্ৰকাশ হৈছে)। ৰাতি বিহুৰ সম্পৰ্কত ড০ লীলা গগৈয়ে তেওঁৰ 'মেলামৰাৰ বিহুমেলা' শীৰ্ষক লেখাটোত উল্লেখ কৰিছে- "*গধুলি হ'লেই গাঁৱৰ গাভৰু জাক মাৰি ওলাই যায় বিহুতলীলৈ। এজন পাকৈত পেঁপুৱা ডেকা বা বয়সীয়া মানুহক গাভৰুহঁতে বাছি লয়- এৱেঁই বিহু-ওজা। বিহু-ওজাৰ পেঁপাৰ ছেৱে ছেৱে গাভৰু নাচিবলৈ ধৰে- কেতিয়াবা এগৰাকী, কেতিয়াবা দুগৰাকী, কেতিয়াবা জাক মাৰি। নিতৌ নিশা বিহুতলীত ৰাতি দুপৰলৈ বিহু চলে। গাভৰুৰ হাতে প্ৰতি বাঁহৰ টকা।*" (বৰগছ- ২০১৭ বৰ্ষ, সম্পাদনা- প্ৰশান্ত মাধৱ বৰা, ডেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত মুকলি বিহুৰ 'স্মৃতিগ্ৰন্থ')।

চ'তৰ বিহু বা নিশা বিহু কি ই প্ৰথম অৱস্থাত ক'ত ক'ত প্ৰচলিত আছিল, পিছলৈ কোন কোন ঠাইলৈ সম্প্ৰসাৰণ হ'ল, এই সম্পৰ্কে বিহু বিশেষজ্ঞ জয়কান্ত গন্ধীয়াই এইদৰে উল্লেখ কৰিছে- "*এই চ'তৰ বিহুৰ প্ৰাদুৰ্ভাৱ উজনি অসমতে বেছি আছিল যদিও 'ৰংপুৰৰ পৰা বিহু ভটিয়াই গৈ কলিয়াবৰত বৈছিলগৈ' বোলা কথাষাৰলৈ আৰু 'ধনশিৰি পাৰ হৈ ঢপলিয়াই আহিলো, জিৰালোহি কলিয়াবৰত' বোলা বিহুনাম ফাঁকিলৈ চাই এই বিহু নগাঁও জিলালৈকে বিয়পি পৰিছিল বুলিব পাৰি। আৰু এখোজ আগবাঢ়ি গৈ কালক্ৰমত চ'তৰ বিহু জামুগুৰি পাইছিলগৈ বুলি অনুমান কৰি পৰা যায়। এই চ'তৰ বিহু বা নিশা বিহু ক্ৰমবিকাশৰ পথত বিভিন্ন নামেৰে জনপ্ৰিয় হ'ল। ঢকুৱাখানাৰ ফালে জনপ্ৰিয় হ'ল 'ফাটবিহু' বুলি, জামুগুৰিৰ ফালে হ'ল 'মুকলি বিহু' বুলি। পিছে এই বিষয়ে আজিকালি য'তে-ত'তে গজি উঠা তাৰ্কিক পণ্ডিতসকলে তৰ্ক-বিতৰ্ক আৰম্ভ কৰি দিছে। জামুগুৰিহাটৰ ফালৰ পৰা দুই-একে এই লেখকক জনাইছে 'মুকলি বিহু' বোলে কেতিয়াও চ'তৰ বিহু বা নিশা বিহু নহয়, মুকলি বিহু মুকলি বিহুৱেই। আকৌ উজনিৰ দুই-একে কাকপথাৰ অঞ্চলৰ ডেকা-গাভৰুসকলে মৰা 'লগবিহু'ও বেলেগ, চ'তৰ বিহুও বেলেগ। এতিয়া ৰাইজে বিষয়টো অধ্যয়ন কৰক। তাৰ্কিক পণ্ডিতসকলক সবিশেষ বুজাওক। এই প্ৰসঙ্গত উল্লেখ কৰা ভাল যে চ'তৰ বিহু নিশাৰ ভাগত মৰা হয়*

*যদিও 'ফাটবিহু' আৰু জামুগুৰিৰ 'মুকলি বিহু' দিনৰ ভাগতহে মেলাৰ ৰূপত মৰা হয়। পিছে ১৯৮৪ চনমানৰ পৰা চ'তৰ বিহুৰ আটাইবোৰ নাম তল পৰি 'মুকলি বিহু' নামটোহে ওপৰ উঠিছে। বেয়া হোৱা নাই। বিভিন্নতা আঁতৰি এটা সম্পদ এটা নামেৰেই জনপ্ৰিয় হোৱা ভাল। বহুতেই পিছে মুকলি ঠাইত মৰা মাত্ৰকে মুকলি বিহু বুলিবলৈ লৈছে (অৱশ্যে চ'তৰ বিহু মুকলি ঠাইতে মৰা হৈছিল)। আমি পিছে ডেকা-গাভৰুৱে পৰিৱৰ্তিত ৰূপত মুকলি ঠাইত মুকলি মনেৰে একেলগে মৰা বিহুকে 'মুকলি বিহু' বুলিছোঁ। জামুগুৰিহাটৰ ফালে ধৰক বৰপুখুৰী পাৰৰ বিহুতলীত যি 'মুকলি বিহু' পতা হয়, সেয়া আচলতে মুকলি বিহুৰ মেলা। অনুৰূপ মেলা নগাঁৱৰ নেহৰুবালিত পাতিবলৈ লৈছে। মুকলি বিহুৰ মেলা আহি যোৰহাটো পাইছেহি। চ'তৰ বিহু বা পৰিৱৰ্তিত ৰূপত ডেকা-গাভৰুৱে মৰা 'মুকলি বিহু' অসমৰ অন্যান্য ঠাইত লোপ পাই জামুগুৰিহাট আৰু কাকপথাৰ অঞ্চলত কেন্দ্ৰীভূত হৈছিলগৈ। এই লেখকে অলপ চোকা ভাষাৰে সমালোচনাত্মক প্ৰৱন্ধ প্ৰকাশ কৰাৰ ১৯৮৪ চনমানৰ পৰা অসমৰ অন্যান্য ঠাইতো ইয়াৰ প্ৰতিযোগিতা আৰু মেলা (ইও প্ৰতিযোগিতাই) হ'বলৈ লৈছে। হেৰোৱা সম্পদ উদ্ধাৰ হোৱাটো সকলোৰে বাবেই আনন্দৰ কথা।*" ('বৰ্তমান অসমৰ বিহুৰ স্বৰূপ'- জয়কান্ত গন্ধীয়া, বৰগছ, ২০১৭ বৰ্ষ- সম্পাদনা; প্ৰশান্ত মাধৱ বৰা, ডেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত মুকলি বিহুৰ স্মৃতিগ্ৰন্থ)।

জয়কান্ত গন্ধীয়াদেৱে 'মুকলি বিহু' আৰু 'মুকলি বিহুৰ মেলা'ৰ সম্পৰ্কত যি যুক্তি আগবঢ়াইছে, সেই যুক্তি অমূলক নহয়। কিয়নো অবিভক্ত শোণিতপুৰ জিলাৰ জামুগুৰিৰ উপৰিও একেখন জিলাৰ অন্তৰ্গত কলাবাৰীৰ গন্ধীয়াদেৱে উল্লেখ কৰা 'মুকলি বিহুৰ মেলা' অনুষ্ঠিত হৈ আহিছে। সেই 'মুকলি বিহুৰ মেলা' বহু পুৰণি। এই বিহু মেলা কলাবাৰী অঞ্চলৰ অন্তৰ্গত বৰাচুক নামে ঠাইখনত অৱস্থিত আহোম যুগৰ এটি দ'ল যাক কোৱা হয় বাসুদেৱ দ'ল, সেই দ'লৰ প্ৰাঙ্গণত বিভিন্ন জনগোষ্ঠীৰ ডেকা-গাভৰুৰ বিহু (প্ৰথম অৱস্থাত কেৱল দ'লৰ গৰ্ভৰ ভিতৰত এই বিহু অনুষ্ঠিত হৈছিল। পৰৱৰ্তী সময়ত দ'লটো ভূমিকম্পৰ ফলত তললৈ বহি যোৱাত, পৰৱৰ্তী সময়ত দ'লৰ প্ৰাঙ্গণতে বিহু অনুষ্ঠিত কৰিবলৈ লোৱা হ'ল।) এই দ'লৰ শিৱসাগৰৰ শিৱদ'লৰ লগত সাদৃশ্য আছে। দ'লটো উক্ত শিৱদ'লৰ দৰে আকাৰত কৰ্দৈশিৰীয়া। যি কি নহওক আমি সেই দ'লৰ প্ৰাঙ্গণত সৰুৰে পৰা বিহু চাই আহিছো। দ'লটো বিশেষকৈ বাসুদেৱ

দ'লতকৈ 'দ'লগুৰিৰ দ'ল' নামেৰেহে জনাজাত আৰু বিহুৰ সেই অনুষ্ঠানটোক 'দ'লগুৰিৰ বিহু মেলা' বুলিহে কোৱা হয়। প্ৰত্যেক বছৰে ব'হাগৰ ৫-৬ তাৰিখমানৰ পৰা অনুষ্ঠিত হোৱা উক্ত বিহু অনুষ্ঠিত কৰা ঠাইত এখনি মেলাও বহে। গতিকে বিহুৰ লগতে সেই ঠাইত মেলা বহা বাবে সেই বিহু অনুষ্ঠানক হয়তো 'বিহু মেলা' বুলি কোৱা হয়। আমি জনামতে উক্ত বিহু আমাৰ ককা, আজোককাহঁতৰ দিনতকৈও বৰ পুৰণি। এই প্ৰসঙ্গত ডিম্বেশ্বৰ নেওগে "বাঁহী"ত প্ৰকাশিত 'পুৰণি বাৰভূঞাৰ ৰাজ্যত এভূমুকি' শীৰ্ষক প্ৰবন্ধটোত এইদৰে উল্লেখ কৰিছে— "*উভতি আহোঁতে কলাবাৰীৰ দৌলটো চাই অহা হ'ল। দৌলটি সম্প্ৰতি বৰ জীৰ্ণ অৱস্থাত, তললৈ ভালেখিনি বহি গৈছে। ইয়াতে পুৰণি দক্ষিণপাট সত্ৰ আছিল। আগেয়ে বোলে বিহুৰ হাটৰ নিমিত্তে এই দৌল বিখ্যাত আছিল।*" (বাঁহী- সম্পাদক, লক্ষ্মীনাথ বেজবৰুৱা; ১৯শ বছৰ, ৪ৰ্থ সংখ্যা, ১৮৫২ শক)। ডেকা-গাভৰুৰ মুকলি বিহুতকৈ সেই বিহু অনুষ্ঠানৰ কিবা পাৰ্থক্য থাকিলেও ডেকা-গাভৰুৱে মিলি বিহু মৰাৰ ক্ষেত্ৰত কিছু সাদৃশ্য পৰিলক্ষিত হয়। অন্যহাতে উক্ত বিহু অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীয় লোকৰ ডেকা-গাভৰুৱেও অংশগ্ৰহণ কৰি বিহু মাৰে। দ'লগুৰিৰ বিহু মেলা সম্পৰ্কে আমি প্ৰশান্ত মাধৱ বৰাই সম্পাদনা কৰা ২০১৭ বৰ্ষৰ ডেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত 'বৰগছ' নামৰ স্মৃতিগ্ৰন্থখনত প্ৰকাশিত 'অবিভক্ত শোণিতপুৰ জিলাৰ বিহুৰ আঞ্চলিক ৰূপ' শীৰ্ষক লেখাটোত উল্লেখ কৰিছো।

তাহানিৰ চ'ত মাহৰ 'নিশা বিহু' বা 'ৰাতি বিহু'ত প্ৰথমে গাভৰুসকলেই যে বিহু আৰম্ভ কৰিছিল সেই বিষয়ে ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ 'চ'ত মাহৰ নিশা বিহু' শীৰ্ষক লেখাটোত এইদৰে উল্লেখ কৰিছে- "পথাৰ পাই গাভৰুসকল এঠাইত দল পাতি থিয় হ'ল। আমাৰ বিহুৰ ৰাণী ৰূপহী ৰঙ্গিলীয়ে লগালে—

"পালেহি চ'তৰে মাহ/অ' মোৰ লাহৰি/পালেহি চ'তৰে মাহ;
মুৰত তেল ঘঁহি/বিহুলৈ আহিলোঁ/আমি যে গাভৰুৰ জাঁক।"
(*ৰাতিবিহুৰ ঐতিহ্য*- সম্পাদনা; ইছমাইল হোছেইন- ফেব্ৰুৱাৰী, ২০১৪ পৃ.২)

হেম বুঢ়াগোহাঞিয়ে 'গাভৰুৰ ৰাতি বিহু' শীৰ্ষক লেখাটোত গাভৰুসকলেহে প্ৰথমে ৰাতিবিহু আৰম্ভ কৰা কথাটো উল্লেখ কৰাৰ লগতে কোনো কোনো অঞ্চলত

গাভৰু বৰা বা ডেকা বৰা নেতৃত্বত বিহু মাৰিছিল বুলিও উল্লেখ কৰিছে। (ৰাতিবিহুৰ ঐতিহ্য- পৃ. ১৯)

দীনেশ গগৈয়ে অষ্টম-নৱম শতিকাত চীন দেশৰ পৰাই প্ৰব্ৰজন কৰি এই মুলুকলৈ অহা মৰাণসকলে ৰাতি বিহু মৰাৰ প্ৰথা লগত লৈ আহিছিল বুলি উল্লেখ কৰিছে। তেওঁ লগতে এই কথাও উল্লেখ কৰিছে যে চীনৰ হোৱাংহো আৰু ইয়াংছিকিয়াং নদীৰ উপত্যকাত টাই-আহোমসকলে আৰু চুতীয়াসকলে প্ৰায় ওচৰা-ওচৰিকৈ বাস কৰিছিল। তেওঁৰ মতে, '*সম্পূৰ্ণ কৃষিভিত্তিক উৎসৱ কাতি বিহু, মাঘৰ বিহু আৰু ব'হাগৰ বিহু এই তিনিওটা বিহুৰেই নিশ্চয়কৈ দেউৰী, চুতীয়াসকলৰ লগত আহিছিল।*' ( *বিহুঃ ম্যুং কঙৰ পৰা ম্যুং বৈশালীলৈ*- দীনেশ গগৈ, পৃ. ৯)। ড° লীলা গগৈয়ে তাহানি চ'তৰ বিহু গোটেই চ'ত মাহটো ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰুৰ ভাগে সুকীয়াকৈ বিহু মাৰিছিল বুলি উল্লেখ কৰিছে। ( *বিহু এটি সমীক্ষা*- লীলা গগৈ, পৃ. ৫২)।

যি কি নহওঁক, তাহানিৰ ৰাতি বিহুৰ পৰাই যে বৰ্তমানৰ মুকলি বিহু সৃষ্টি হৈছে, সেই বিষয়ে অধিক সংখ্যক পণ্ডিতে মত প্ৰকাশ কৰাটো পৰিলক্ষিত হৈছে। আমিও এই ক্ষেত্ৰত একমত। মুকলি বিহুৰ প্ৰসঙ্গত প্ৰদীপ নেওগৰ মতো এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। তেওঁ উল্লেখ কৰিছে— "*মুকলি বিহু এক নতুনকৈ সৃষ্টি কৰা অনুষ্ঠান। প্ৰধানতঃ ডেকা-গাভৰুৱে একেলগে বিহু মাৰি উপভোগ কৰাৰ উদ্দেশ্যে এই বিহুৰ সৃষ্টি কৰা হৈছে। তাহানিৰ ৰাতি বিহুৰ আৰ্হিত এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অন্য কথাত ই ৰাতি বিহুৰ মঞ্চৰূপ।*" ( *ৰঙালী বিহুৰ নৃত্য-গীত*- প্ৰদীপ নেওঁগ, প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৮৯ পৃ. ২৬)।

উক্ত আলোচনাৰ পৰা আমি এই কথা নিৰ্ণয় কৰিব পাৰো যে মুকলি বিহুৰ লগত সংগতি থকা ৰূপ মূলত চাৰিটা— ১) গাভৰুসকলে প্ৰথমে বিহু আৰম্ভ কৰিছিল আৰু সেই সময়ত হয়তো ডেকাসকলে জুম পাতি চাই তেওঁলোকৰ বিহু উপভোগ কৰিছিল। সেই সময়ত হয়তো ঢোলতকৈ পেঁপাৰহে প্ৰাধান্য আছিল। ২) পৰৱৰ্তী সময়ত গাভৰুৱে গাভৰুৰ ভাগে আৰু ডেকাই ডেকাৰ ভাগে চ'তৰ বিহু মাৰিছিল। তেতিয়া হয়তো ডেকাৰ ৰাতিৰ বিহুত ঢোলৰ প্ৰাধান্য আছিল। ৩) তাহানি ৰাতি বিহুৰ লগত সংগতি ৰাখি বৰ্তমান সময়ত ডেকা-গাভৰুৱে একেলগে মিলি বিহু মাৰিবলৈ

ল'লে, যাক কোৱা হয়- 'ডেকা-গাভৰুৰ মুকলি বিহু'। ৪) পৰৱৰ্তী সময়ত ঐতিহ্যমণ্ডিত ঠাইত যেনে- অবিভক্ত শোণিতপুৰ জিলাৰ কলাবাৰী দ'লগুৰিৰ দ'লৰ বিহু মেলা (প্ৰকৃততে বাসুদেৱ দ'ল) আৰু জামুগুৰিহাটৰ বৰপুখুৰী পাৰৰ বিহু মেলা যত ডেকা-গাভৰুৱে মিলি বিহু মাৰিছিল। এই বিহুত হয়তো তাহানি ৰাতি বিহুৰ পৰম্পৰা নাছিল। সেয়েহে ইয়াত ঢোলৰ প্ৰাধান্য পোৱাৰ লগতে উপস্থাপনৰ ক্ষেত্ৰত ডেকা-গাভৰুৱে একেলগে বিহুৰ মঞ্চলৈ গতি কৰিছিল আৰু ডেকা বা গাভৰু কোনে প্ৰথমে বিহুৰ যোজনা দিব তাৰ কোনো ধৰাবন্ধা নিয়ম নাছিল। এই বিহুক সাধাৰণতে '*মুকলি বিহুৰ মেলা*' বুলিহে নামকৰণ কৰিব পাৰি।

বিহু মূলতঃ কৃষিক কেন্দ্ৰ কৰি সৃষ্টি হৈছে। কৃষিৰ উৰ্বৰা শক্তি বৃদ্ধি আৰু পৃথিৱী শস্যসম্ভৱা হ'ব বুলি ভবা বিশ্বাসৰ ভিত্তিত পৃথিৱীৰ অন্যান্য লোকৰ লগতে আদিম কৃষিজীৱী অসমৰ ডেকা-গাভৰুসকলেও মুকলি পথাৰৰ বুকুত সমূহীয়াভাবে যৌনমূলক নৃত্য-গীতৰ আখৰা কৰিছিল। কৃষিৰ উৰ্বৰাশক্তি বৃদ্ধিৰ বাবে এইদৰে ডেকা-গাভৰুসকলে নৃত্য-গীতৰ আখৰা কৰাৰ উপৰিও কৃষিৰ বাবে জনবল বৃদ্ধি কৰাৰ কথাও তেওঁলোকে চিন্তা কৰিছিল। কিয়নো সেই সময়ত কৃষি কাৰ্য পৰিচালনাৰ বাবে প্ৰয়োজনীয় জনবলৰ অভাৱ আছিল। সেই ডেকা গাভৰুসকলে পাৰস্পৰিকভাৱে মুকলি পথাৰত যৌনমূলক নৃত্য-গীত কৰোতে তেওঁলোকৰ মাজত পূৰ্বৰাগৰ সৃষ্টি হৈছিল যাৰ ফলত তেওঁলোকে বৈবাহিক সম্পৰ্ক স্থাপনৰ বাবে আগ্ৰহান্বিত হৈ পৰিছিল। ইয়াৰ ফলত তেওঁলোকৰ মাজত জনবল বৃদ্ধি হোৱাৰ উপক্ৰম হৈছিল। এইটো আছিল বিহু সংস্কৃতিৰ ক্ৰমবিকাশৰ এটি স্তৰ। এই স্তৰটোত সেই সময়ৰ সমাজে সম্ভৱতঃ নিজে ক'ব নোৱাৰাকৈ সাম্যবাদী দৃষ্টিভংগী গ্ৰহণ কৰিছিল, যাৰ ফলত ডেকা আৰু গাভৰুসকলে মুকলিমুৰীয়াকৈ একেলগে নৃত্য-গীত কৰাত সমাজৰ পৰা কোনো বাধা পোৱা নাছিল। অৰ্থাৎ সেই সময়ৰ সমাজখন ৰক্ষণশীলতাৰ উৰ্ধত আছিল। ইয়াৰ পৰৱৰ্ত্তী বিহুৰ ক্ৰমবিকাশৰ স্তৰত সমাজত পৰিলক্ষিত হয় ৰক্ষণশীলতাৰ মনোভাৱ, যাৰ ফলত ডেকা আৰু গাভৰুৱে একেলগে বিহু মৰা পৰিৱেশ নোহোৱা হ'ল, বিশেষকৈ মধ্যযুগত এই পৰিৱেশৰ সৃষ্টি অধিক পৰিমানে হ'বলৈ ধৰিলে। অৱশ্যে অসমৰ দেউৰী, মিচিং আদি জনজাতি লোকসকলৰ মাজত ডেকা-গাভৰুৰ মাজত ভেদা-ভেদ নোহোৱাকৈ বিহু মৰাৰ সেই পৰম্পৰা এতিয়াও প্ৰচলন আছে। বিহুৰ ক্ৰমবিকাশৰ এই স্তৰত গাভৰুসকলে বিশেষকৈ

গছৰ তলত সুকীয়াকৈ বিহুমাৰি থকাৰ অৱস্থাত ডেকাসকলে সেই বিহুথলীত অংশ গ্ৰহণ কৰাত বাধা নাছিল। সেইবাবে তেওঁলোকে প্ৰথম অৱস্থাত সেই বিহু অলপ আঁতৰৰ পৰা মনে মনে জুমপাতি চাবলগীয়া হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত গাভৰুৱে বিহুমৰা থলীৰ নাতিদূৰত ডেকাসকলেও বিহু মাৰিবলৈ লৈছিল। সেইবিহুত গাভৰুসকলে ডেকাসকলক উদ্দেশ্যি আৰু ডেকাসকলে গাভৰুসকলক উদ্দেশ্যি বিহুনাম গাবলৈ ধৰিলে; যাক আমি বৰ্তমান সময়ত 'যোৰা নাম' বুলি কওঁ। এই বিহুত যোৰানামে প্ৰাধান্য পাইছিল। কিয়নো ডেকা-গাভৰুসকলে এইদৰে বিহুমাৰি থাকোতে তেওঁলোকৰ মাজত আপোনা-আপোনি প্ৰেম-পীৰিতিৰ ভাব গঢ়ি উঠিছিল। তেওঁলোকে পৰস্পৰে পৰস্পৰক মনৰ কথাবোৰ খুলি ক'বৰ বাবে বিহুনামৰ আশ্ৰয় লৈছিল। সেইবাবে সেই বিহুনামবোৰ বিশেষকৈ প্ৰেম-পীৰিতিমূলক আছিল। সেই পৰিৱেশত যৌনমূলক বিহুনামো গোৱা হৈছিল। অৱশ্যে কোনো সময়ত প্ৰকৃতিমূলক, সংস্কৃতিমূলক, বাদ্যমূলক আদি বিহুনামো নোগোৱাকৈ নাছিল। এই পৰিৱেশত কোনো কোনো ডেকা-গাভৰুৰ মাজত প্ৰেমৰ গভীৰতা বৃদ্ধি পোৱাত আৰু তেওঁলোকৰ মন-প্ৰাণ চঞ্চল হৈ উঠাত সেই বিহুথলীৰ পৰা কোনো কোনো বিহুৱা ডেকাই বিহুৱতী গাভৰুক পলুৱাই নিয়াৰ ঘটনাও নঘটাকৈ নাছিল। সেই বিহুথলীত প্ৰথম অৱস্থাত পেঁপাৰ প্ৰাধান্য অধিক আছিল। কোনো কোনো বিহুৱতী গাভৰুৱে পেঁপা বজাবৰ বাবে আগতীয়াকৈ কোনো কোনো পেঁপুৱাক বিহুথলীলৈ আমন্ত্ৰণ জনাই থৈছিল বুলি জনা যায়। ডেকা আৰু গাভৰুসকলে এই বিহু ৰাতি ৰাতি চ'ত মাহত মাৰিছিল। সেইবাবে ইয়াক 'চ'ত বিহু' বুলি কোৱা হয়। ৰাতি বিহু মাৰিছিল বাবে ইয়াক 'ৰাতি বিহু' বুলিও কোৱা হয়। অন্যহাতে বিশেষকৈ গছৰ তলত এই বিহু মৰা বাবে ইয়াক 'গছ তল'ৰ বিহু বুলিও কোৱা হয়।

তাহানিৰ চ'তৰ বিহু বা ৰাতিবিহুৰ আৰ্হিত বৰ্তমান সময়ত 'ডেকা-গাভৰুৰ মুকলি বিহু' নামৰ বিহুৰ পৰিৱেশ্য কলাৰ এটি নতুন অনুষ্ঠান সৃষ্টি কৰা হৈছে। অৱশ্যে কোনো কোনোৱে তাহানিৰ ৰাতি বিহুৰ পৰা বৰ্তমানৰ 'মুকলি বিহু' নামৰ অনুষ্ঠানটি সৃষ্টি হৈছে বুলি মানি ল'ব নিবিচাৰে। তেওঁলোকৰ ভিতৰত কোনোৱে ক'ব খোজে "*মুকলি আকাশৰ তলত 'গছকত ভাঙি যাওঁ যঁতৰ' হেঁপাহেৰে নচা বিহুনাচৰ প্ৰেৰণাই এই মুকলি বিহুৰ উৎস*"। মুকলি বিহু সংজ্ঞাৰ সম্পৰ্কত কোনো কোনোৱে ভিন্ন মত প্ৰকাশ কৰিলেও অধিক সংখ্যক লোকে তাহানিৰ চ'তৰ বিহুৰ বা ৰাতি বিহুৰ পৰাই যে মুকলি

বিহু সৃষ্টি হৈছে, সেই ক্ষেত্ৰত একমত প্ৰকাশ কৰাটো পৰিলক্ষিত হৈছে। অৱশ্যে অবিভক্ত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বৰপুখুৰীপাৰৰ ‘মুকলি বিহুৰ মেলা’ আৰু কলাবাৰীৰ দ’লগুৰিৰ ‘মুকলি বিহুৰ মেলা’ আদিত ডেকা-গাভৰুৰ বিহুৰ প্ৰভাৱ সম্পূৰ্ণভাৱে নপৰিবও পাৰে। অৱশ্যে এনে বিহু সৃষ্টি হোৱাৰ মূলতে তাহানিৰ ৰাতি বিহু বা চ’তৰ বিহুৰ প্ৰভাৱ পৰোক্ষভাৱে হ’লেও নপৰাকৈ থকা নাই।

‘মুকলি বিহু’ নামটো কোনে কেতিয়া দিলে, সেই সম্পৰ্কে নিশ্চিতভাৱে ক’ব নোৱাৰি। ১৯৬৮ চনত জামুগুৰিহাটৰ বৰপুখুৰীপাৰত বিহু অনুষ্ঠিত হৈছিল যদিও সেইসময়ত তাত এই নামটো উচ্চাৰিত হোৱা নাছিল। ১৯৭৫ চনৰ পৰাইহে তাত ‘মুকলি বিহু’ নামটোৰ শুভাৰম্ভ বুলি গনেশ পাঠকে তেওঁৰ “*মুকলি বিহু ঃ সৰ্বোদয়ৰ পৰা বৰপুখপৰীলৈ*” শীৰ্ষক এটি প্ৰৱন্ধত উল্লেখ কৰিছে। (*সোণালীসুঁহুৰি*— সোণালী জয়ন্তী সমাৰোহ, বৰপুখুৰী পাৰ মুকলি বিহু— সম্পাদক, গণেশ পাঠক, জামুগুৰিহাট, শোনিতপুৰ— ২০১৫ চন)। কিন্তু ১৯৩০ চনতেই ডিম্বেশ্বৰ নেওগে কলাবাৰীৰ দৌলটি আগেয়ে বিহুৰ হাটৰ বাবে বিখ্যাত আছিল বুলি ‘বাঁহী’ত প্ৰকাশ পোৱা এটি প্ৰৱন্ধত উল্লেখ কৰি থৈ গৈছে। (‘*পুৰণি বাৰভূঞা ৰাজ্যত এভূমুকি*— ডিম্বেশ্বৰ নেওগ, বাঁহী— ১৯ শ বছৰ, ৪ৰ্থ সংখ্যা, ১৮৫২ শক। সম্পাদক— লক্ষ্মীনাথ বেজবৰুৱা।) আমিও আমাৰ জন্মস্থান কলাবাৰী হোৱা হেতুকে উক্ত দলত অনুষ্ঠিত হোৱা বিহু সৰুৰে পৰা বৰ্তমানলৈকে দেখি আহিছো। ইয়াৰ পৰা প্ৰমাণিত হয় যে জামুগুৰিহাটৰ বিহু অনুষ্ঠানতকৈ কলাবাৰীৰ দ’লগুৰিৰ বিহু অনুষ্ঠান অধিক পুৰণি।

বিহুৰ প্ৰকৃত ৰূপটো সকলো সময়তে একেদৰে নাছিল। ৰাজনৈতিক, আৰ্থ-সামাজিক বিভিন্ন কাৰণত বিহুৱে গতি সলোৱাটো পৰিলক্ষিত হৈছে। মানৰ অসম আক্ৰমণ, অসমত ইংৰাজৰ শাসন আদি ঘটনাপ্ৰৱাহে বিহুৰ প্ৰকৃত ৰূপটো সলনি কৰি পেলোৱাৰ উপৰি বিহুক নিষেধ কৰি পেলোৱাৰ ষড়যন্ত্ৰও অব্যাহত আছিল। এই ক্ষেত্ৰত ইংৰাজী শিক্ষাৰে শিক্ষিত এচাম লোকে বিহুক ‘*ইতৰ প্ৰাণীৰ নাচ-গান*’ বুলি আখ্যা দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। অসমৰ প্ৰথম ইংৰাজী অভিধান প্ৰণেতা বুধীন্দ্ৰ নাথ দিলিহিয়াল ভট্টাচাৰ্যই ‘*নেচনেল গাৰ্ডিয়েন*’ নামৰ কাকতখনত বিহু নিষিদ্ধ কৰিবলৈ ব্ৰিটিছ চৰকাৰক পৰামৰ্শ দিছিল। সেইবাবে ব্ৰিটিছ চৰকাৰে বিহু নিষিদ্ধ কৰাৰ সিৰ্দ্ধান্তও

গ্ৰহণ কৰিছিল। কিন্তু নগাওঁ আদালতৰ তৰণী আনন্দ দাসৰ উদ্যোগত নগাঁৱৰ হালোৱা গাঁৱৰ কলংপাৰৰ ঢোলৰ ওজা মইমত টাটিঙা আৰু তেওঁৰ ভনীয়েক চেনীমাইৰ নেতৃত্বত দলে বলে আহি ব্ৰিটিছৰ বিহু নিষিদ্ধ কৰা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে বিহু নিষিদ্ধ নোহোৱাকৈ থাকিল। ৰাজ পৃষ্ঠপোষকতাত সাহিত্যই হওঁক বা সংস্কৃতিয়েই হওঁক যিকোনো বিষয়ে সমৃদ্ধি লাভ কৰাৰ উপৰিও প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰে। উদাহৰণস্বৰূপে আহোম স্বৰ্গদেউসকলৰ ৰাজ পৃষ্ঠপোষকতা লাভ কৰাৰ বাবে আহোমৰ যুগত বিহুৱে নতুন গতি লাভ কৰিছিল। কিন্তু ব্ৰিটিছৰ দিনত ব্ৰিটিছ শাসকৰ পৃষ্ঠপোষকতা নোপোৱা বাবে আৰু সেই সময়ত ইংৰাজী শিক্ষাৰে শিক্ষিত তথাকথিত অসমীয়া ভদ্ৰলোকেও বিহুক হেয় চকুৰে চোৱাৰ বাবে বিহুৰ প্ৰতি অসমৰ সাধাৰণ লোকৰ যি উদ্যম থাকিব লাগিছিল, তেনে উদ্যম তেওঁলোকৰ মাজত নোহোৱা হৈ পৰিল। সেই পৰিপ্ৰেক্ষিতত বিহুৰ ঐতিহ্য আৰু পৰম্পৰাৰ ধাৰাবাহিকতা বহু পৰিমাণে নোহোৱা হৈ পৰিল। বিহুৰ ক্ৰমবিকাশৰ প্ৰতি লক্ষ্য ৰাখি নতুনকৈ সাম্প্ৰতিক কালত সৃষ্ট ‘ডেকা-গাভৰুৰ মুকলি বিহু’ত গাভৰুৱে উপস্থাপনৰ ক্ষেত্ৰত প্ৰাধান্য পাব লাগে যদিও সেই দিশৰ প্ৰতি দৃষ্টি তথা গুৰুত্ব নিদিয়াৰ বাবে মুকলি বিহুত বিহুৱতী গাভৰুতকৈ বিহুৱা ডেকাই অধিক পৰিমাণে ভূমিকা গ্ৰহণ কৰিবলৈ ধৰিলে। এনেধৰণে মুকলি বিহু পৰিৱেশন কৰি অহাৰ ফলত সেইটোৱে বৰ্তমান সময়ত পৰম্পৰাত পৰিণত হৈ পৰিছে। আমিও এসময়ত তেনেধৰণৰ নীতি-নিয়মৰ মাজেদিয়েই মুকলি বিহু পৰিৱেশন কৰিছিলো। কিন্তু ‘বিহু সুৰক্ষা সমিতি, অসম’ নামৰ অনুষ্ঠানটো জন্ম হোৱাৰ পিছত বিহুৰ পৰিৱেশ্য কলাৰ নতুন অনুষ্ঠান *ডেকা-গাভৰুৰ মুকলি বিহুত* বিহুৰ ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখি মুকলি বিহুত উপস্থাপনৰ ক্ষেত্ৰত বিহুৱতী গাভৰুক প্ৰাধান্য দিয়াৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত বিষয়টোৱে কিছু জটিলতা আৰু বিৰ্তকৰ সৃষ্টি কৰা বাবে সেই ক্ষেত্ৰত শিথিল দৃষ্টিভংগী গ্ৰহণ কৰি ডেকা-গাভৰুৰ মুকলি বিহুৰ নান্দনিক দিশটোৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হৈছে।

তাহানিৰ ‘চ’তৰ বিহু’ তথা ‘ৰাতি বিহু’ৰ ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে আধুনিক কালত সৃষ্ট *ডেকা-গাভৰুৰ মুকলি বিহু* অনুষ্ঠানটোক কিয় যুক্ত কৰিব বিচৰা হৈছে, সেই বিষয়ে তাহানিৰ ৰাতি বিহু আৰু বৰ্তমানৰ ডেকা-গাভৰুৰ মুকলি বিহুৰ সাদৃশ্য আৰু পাৰ্থক্যলৈ দৃষ্টি নিক্ষেপ কৰিলে বিষয়টো অধিক পৰিষ্কাৰ হ’ব। তাহানিৰ ৰাতি বিহু

আৰু বৰ্তমানৰ মুকলি বিহুৰ মাজত থকা সাদৃশ্য আৰু পাৰ্থক্যবোৰ আমি এইদৰে দেখুৱাব পাৰোঁ—

(১) ৰাতি বিহু তাহানি হাবিতলীয়া নিৰ্জন ঠাই তথা মুকলি আকাশৰ তলত বিশেষকৈ গছৰ তলত মৰা হৈছিল। কিন্তু ডেকা-গাভৰুৰ মুকলি বিহু সমাজৰ মাজত মৰা হয়।

(২) ৰাতি বিহুৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠানত কিছু লৌকিক পৰম্পৰাগত ৰীতি-নীতি পালন কৰা হৈছিল। কিন্তু ডেকা-গাভৰুৰ মুকলি বিহুত তেনে কৰা দেখা নাযায়।

(৩) ৰাতি বিহু ৰাতি ৰাতি কেৱল চ'ত মাহত ডেকা-গাভৰুৱে ওচৰা-ওচৰিকৈ মাৰিছিল। কিন্তু ডেকা-গাভৰুৰ মুকলি বিহু বিশেষকৈ ব'হাগ মাহত ডেকা-গাভৰুৱে একেলগে মিলি মাৰে।

(৪) ৰাতিবিহু মূলতঃ কৃষিকেন্দ্ৰিক। বিশেষকৈ শস্য উৎপাদন বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি পৰম্পৰাগতভাৱে আদিম কৃষিজীৱী ডেকা-গাভৰুৱে মুকলি পথাৰত নৃত্য-গীত কৰাৰ প্ৰভাৱ ৰাতি বিহুত পৰা যেন লাগে। কিন্তু বৰ্তমানৰ ডেকা-গাভৰুৰ মুকলি বিহুত তাহানিৰ ৰাতি বিহুৰ প্ৰভাৱ পৰিছে যদিও ই কৃষিকেন্দ্ৰিক নহয়; মূলতঃ ই প্ৰদৰ্শনমূলক আৰু প্ৰতিযোগিতামূলক। অন্যহাতে, ৰাতিবিহু বিশেষকৈ প্ৰেম-পীৰিতিমূলক আৰু আনন্দদায়ক অনুষ্ঠান।

(৫) 'ৰাতি বিহু' আৰু বৰ্তমানৰ 'ডেকা-গাভৰুৰ মুকলি বিহু'— এই দুয়োটা বিহুৰ অনুষ্ঠানতে যোৱানামে প্ৰাধান্য পায়। অৱশ্যে ৰাতিবিহুৰ বিহুনামবোৰ বিশেষকৈ যোৱানামবোৰৰ ভিতৰত কোনো কোনোটো নাম তীব্ৰ যৌনমূলক হ'ব পাৰে। কিন্তু মুকলি বিহুৰ অনুষ্ঠানত শালীনতা ৰক্ষা কৰি আবুৰ ৰাখিহে যৌনমূলক বিহুনাম গোৱা হয়। এনেধৰণৰ বিহুনাম সাধাৰণতে প্ৰতীকধৰ্মী হয়।

(৬) ৰাতিবিহুত সাধাৰণ দৰ্শক নাথাকে। কিন্তু মুকলি বিহুত সাধাৰণ দৰ্শক থাকে।

(৭) ৰাতিবিহুৰ ডেকা-গাভৰুৰ বিহু পৰিৱেশনমূলক; প্ৰতিযোগিতামূলক নহয়।

কিন্তু মুকলিবিহু কেতিয়াবা পৰিৱেশনমূলক আৰু কেতিয়াবা প্ৰতিযোগিতামূলক হয়।

(৮) ৰাতি বিহুত গোৱা বিহুনামবোৰ ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰিব পৰাকৈ আন্তৰিকতাপূৰ্ণ। কিন্তু মুকলি বিহুৰ বিহুনামবোৰ সাধাৰণতে আন্তৰিকতা পূৰ্ণ নহয়। অনুষ্ঠানত গাব লাগে বাবে গোৱা হয়, পাৰস্পৰিক আকৰ্ষণৰ বাবে গোৱা নহয়।

(৯) ৰাতিবিহু আৰু মুকলি বিহু— বিহুৰ পৰিৱেশ্য কলাৰ এই দুয়োটা অনুষ্ঠানতে হুঁচৰি অনুষ্ঠান নাই।

(১০) অসমৰ কোনো কোনো ঠাইত মুকলি বিহু মুকলি পথাৰৰ মাজত মুকলি আকাশৰ তলত মৰা হয় আৰু কোনো কোনো ঠাইত স্থায়ী মঞ্চতো মুকলি বিহু মৰাটো পৰিলক্ষিত হয়। মুকলি পথাৰৰ মাজত মুকলি আকাশৰ তলত মুকলি বিহু মৰা ক্ষেত্ৰত তাহানি ৰাতিবিহুৰ প্ৰভাৱ পৰা যেন লাগে।

(১১) তাহানিৰ ৰাতিবিহুত ঢোলতকৈ পেঁপাৰ প্ৰাধান্য অধিক আছিল বুলি জনা যায়। কিন্তু মুকলি বিহুত ঢোল আৰু পেঁপাই অধিক প্ৰাধান্য পায়। অন্যহাতে ৰাতিবিহুত গাভৰুৱে মৰা বিহুত বাদ্য হিচাপে টকাৰ প্ৰাধান্য অধিক আছিল।

(১২) ৰাতিবিহু ভোটা জ্বলাই, পৰৱৰ্তী সময়ত গছৰ ডালত হাৰিকেন লেম্প আঁৰি মৰা হৈছিল। কিন্তু মুকলি বিহু বৰ্তমান সময়ত সাধাৰণতে বিজুলী বাতিৰ পোহৰতহে মৰা হয়।

(১৩) মুকলি বিহু পৰিৱেশনৰ বাবে বৰ্তমান সময়ত মাইক শব্দযন্ত্ৰ আদি ব্যৱহাৰ কৰা হয়। কিন্তু ৰাতিবিহুত সেইবোৰৰ ব্যৱস্থা নাছিল।

(১৪) ৰাতি বিহু মাৰিবৰ বাবে সাজ-পোছাক আৰু আ-অলংকাৰ ব্যৱহাৰৰ বাবে নিৰ্দিষ্টভাৱে নিৰ্ধাৰণ আৰু বাধ্যতামূলক কৰা হোৱা নাছিল। কিন্তু মুকলি বিহুৰ বাবে বৰ্তমান সময়ত নিৰ্ধাৰিত জাতীয় সাজ-পাৰ আৰু আ-অলংকাৰ পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে।

আধুনিক কালত সৃষ্ট ডেকা-গাভৰুৰ মুকলি বিহুৰ ঐতিহ্য আৰু পৰম্পৰাৰ সম্পৰ্কত আমি দাঙি ধৰা এই তথ্যসমূহ অসমৰ জনগোষ্ঠীভেদে সুকীয়া সুকীয়া হ'ব

পাৰে। মুঠতে মুকলি বিহু যে বৰ্তমান সময়ৰ বাবে বিহুৰ লোক পৰিৱেশ্য কলাৰ অন্যতম জনপ্ৰিয় সাংস্কৃতিক সম্পদ, সেই কথা সকলোৱে স্বীকাৰ কৰিব। আমাৰ এই মহত্বপূৰ্ণ সাংস্কৃতিক সম্পদটি সমৃদ্ধিৰ বাবে সকলো সংস্কৃতিপ্ৰেমী লোকে চেষ্টা অব্যাহত ৰাখিব বুলি আমি আশা ৰাখিছো। ডেকা-গাভৰুৰ এই মুকলি বিহু অনুষ্ঠানটোক অবিকৃত আৰু নান্দনিক ভাৱে ৰাখি বিশ্ব দৰবাৰত ইয়াক প্ৰতিষ্ঠা কৰিবলৈ সকলোৱে আগবাঢ়ি অহাটো আমি কামনা কৰোঁ।

★★★

# মুকলি বিহুঃ এক আলোচনা

## উপেন নেওঁগ*

'মুকলি বিহু' আৰু 'মুকলি বিহুমেলা' দুটা সুকীয়া সুকীয়া অনুষ্ঠান। উত্তৰ অসমত যি মুকলি বিহুৰ অনুষ্ঠান পাতে সেয়া মুকলি বিহু মেলা আৰু ছাত্ৰ সন্থাই যি মুকলি বিহু পাতে সেইয়াও মুকলি বিহুমেলা, য'ত ডেকা-গাভৰুৰ বিহুৰ উপৰিও অন্যান্য অনুষ্ঠানো পৰিৱেশিত হয়, হুঁচৰিকে আদি কৰি বিভিন্ন জনগোষ্ঠীয় লোকনৃত্য প্ৰদৰ্শন হয়। বৰদৈচিলা, বাগৰুম্বা আদি নাচো দেখা যায়।

মুকলি বিহু প্ৰকৃততে তাহানিৰ ডেকা-গাভৰুৰ চ'তৰ বিহুৰ পৰিৱৰ্ত্তিত ৰূপ। মুকলি বিহু ডেকা-গাভৰুৰ মাজত সীমিত থাকে। গছতলৰ মুকলি বিহু মাৰোঁতে তাত কোনো দৰ্শক নাথাকে। সেয়েহে কঁকাল ভাঙি যৌৱনৰ অশ্লীল ভঙ্গী প্ৰকাশ কৰি নাচিলেও কাৰো আপত্তি কৰিব লগা নাথাকে। বিহু মঞ্চত প্ৰৱেশ কৰোঁতে দৰ্শক থাকে, সেয়েহে যৌৱনৰ অশ্লীল ভঙ্গীমা প্ৰকট হোৱাকৈ কেৱল কঁকাল ভাঙি নচা নহয়। গাভৰুৰ বাহু, পিঠি কঁকাল একেলগে সঞ্চালন হয়। ডেকা-গাভৰুৱে বৰ আনন্দৰে পৰস্পৰে পৰস্পৰক নাম আৰু নাচোনৰ জৰিয়তে প্ৰণয়ৰ গীত-মাতবোৰৰ যোগেদি মনৰ ভাৱ মুকলি মূৰীয়াকৈ সঁচা অৰ্থত অকৃত্ৰিমভাৱে প্ৰকাশ কৰিব পৰা ঠাইখনেই হৈছে মুকলি বিহু। পৰস্পৰে পৰস্পৰৰ যোৰা নামৰ কটাকটিহে মুকলি বিহুৰ মূল বৈশিষ্ট্য। মুকলি বিহুত বাদ্য— তালৰ নাচতকৈ বিহু নামৰ নাচতহে অধিক গুৰুত্ব দিয়ে। ডেকাসকলৰ বিহুৰ বাদ্য হৈছে ঢোল, পেঁপা, গগণা, তাল। গাভৰুৰ বাদ্য আছিল টকা আৰু গগণা। বিহুৱাতকৈ বিহুৱতীৰ সংখ্যা বেছি হ'ব লাগে। কাৰণ এই বিহু হৈছে বিহুৱতী প্ৰধান বিহু। কিন্তু ডেকা-গাভৰুসকলে নিৰ্দিষ্ট ব্যৱধান ৰক্ষা কৰিহে মুকলি বিহু অনুষ্ঠান পৰিৱেশন কৰে। মুকলি বিহুত ডেকা-গাভৰুসকলৰ মাজত ডেকা বড়া আৰু গাভৰু বড়া থাকে। তেওঁলোক দুয়োজন দুয়োটা দলৰে দুজন অভিভাৱক। তেওঁলোক দল দুটাৰ সকলোৰে আস্থাভাজন। ডেকা বড়া আৰু গাভৰু বড়াই কোনো

*বিশিষ্ট শিক্ষাবিদ, বিহু বিশেষজ্ঞ, লোককৃষ্টিৰ সাধক

ঠিকনা— বৰহাট, চৰাইদেউ। যোগাযোগ নং- ৯৮৫৯৩-২২৭৩৯।

বিহুৱতী আৰু কোনোবা ডেকাৰ মনৰ মিল হ'লে তেওঁলোক দুয়োৰে অভিভাৱকক লগত লৈ তেওঁলোকৰ বৈবাহিক সম্বন্ধ স্থাপনৰ সুবিধা কৰি দিছিল। এয়া তাই আহোমসকলৰ পৰম্পৰা আছিল। বিহু বুলিলে গা সাতখন-আঠখন নকৰা অসমীয়া নাই বুলিয়েই ক'ব পাৰি। তাহানিৰ ডেকা-গাভৰুৱে গোটেই চ'তৰ মাহটোৱে বিহু পাতিছিল।

এয়া যে বিহুৰ বতৰ। নাহৰ ফুল ফুলাৰ বতৰ। নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ গাত তত নাইকীয়া হোৱাৰ বতৰ। এয়া পিৰীতিৰ বতৰ। উৰণীয়া চৰাইৰ দৰে পাখিতে পাখি লগাই যোৰ পাতি উৰাৰ বতৰ। ধনক পানীঘাটত দেখি গাত জুই জ্বলি সৰিয়হ ফুটাৰ বতৰ। ৰাতি সামাজিকত ধনক দেখি সাৰ পাই চকুলো টুকাৰ বতৰ। এয়া থুৰীয়া তামোলত আহুদি কৰাৰ বতৰ।

বকুল বৰা ধানৰ চিৰা খুন্দি, বকনা মহৰ থমা দৈ সাঁচি ৰখাৰ বতৰ। বাঁহ আৰু খেৰেৰে নির্মিত পঁজাটো মুচি কাচি ধুনীয়া কৰাৰ বতৰ। ধনে দিয়া গগনাখনি বজাই চোৱাৰ বতৰ।

বিহুত চেনেহ আছে শ্রদ্ধা আছে, পিৰীতি আছে। সেয়েহে চেনেহৰ চিন স্বৰূপে- আলফুলে হাতেৰে আপোনজনলৈ বুলি অতি হেপাহেৰে চেনেহীয়ে — “ৰাতি দুপৰলৈ/কাটি সুতলাহী/ধনলৈ বিহুৱান বলোঁ; ৰঙাকৈ আঁচুৰে/বাছি পাণে কটা/ টিপতে লুকুৱাই থলোঁ।” বাঃ নাৰীৰ কি- যে- শক্তি, কি - যে - মহিমা।

নাৰী সৃষ্টিৰ প্রতীক, নাৰী সৌন্দর্যৰ প্রতীক, নাৰী সংস্কৃতিৰ প্রতীক। নাৰী কর্ষণৰ প্রতীক। নাৰী বিহীন মানৱজাতিৰ বর্দ্ধন, উত্তৰণ একোৱেই সম্ভৱ নহয়। আদিম কালত মানুহে জীৱ-জন্তু চিকাৰ কৰি জীৱিকা নির্বাহ কৰিছিল আৰু তাৰ পৰৱর্তী পর্য্যায়ত খাদ্য হিচাপে গ্রহণ কৰিছিল গছৰ ফল। প্রকৃতিৰ পৰা ফল সংগ্রহৰ বাবে ওলাই গৈছিল পুৰুষসকল, তিৰোতা সকলে ঘৰতে থাকি অন্যান্য কাম-কাজ কৰিছিল। সেইদৰে সংগৃহীত ফল খাই আৰু পেলাই দিয়া অংশ নাইবা অতিৰিক্ত ফলবোৰ পেলাই থোৱা ঠাইত তাৰ বীজ অংকুৰণ ঘটি ডাঙৰহৈ পুনৰ ফল দিবলৈ আৰম্ভ কৰিছিল। এই কথা প্রথম দৃষ্টিগোচৰ হৈছিল গৃহতে থাকি সতি-সন্তান জন্ম দি লালন-পালন কৰা নাৰীসকলৰহে। পাছলৈ এনে কার্যৰ অনুশীলন কৰি মানুহে নতুন যুগৰ সূচনা কৰিছিল।

গতিকে কৃষি কাৰ্যৰ বাটকটীয়া হৈছিল নাৰীসকল। এই কৰ্ষণৰ পৰম্পৰা আৰম্ভ হোৱাৰ পৰা আজিলৈ নাৰীসকল ভিন্ন প্ৰকাৰে কৃষি কাৰ্যৰ সৈতে জড়িত হৈ আহিছে।

বিহু কৃষি ভিত্তিক উৎসৱ। ইয়াৰ সৈতে বিজড়িত হৈ থকা লোকাচাৰ সমূহত নাৰীসকলে আগভাগ লৈ আহিছে। অন্ন, বস্ত্ৰ, ড্ৰইং ৰুমৰ পৰা গোঁসাই ঘৰলৈকে সকলোতে নাৰীৰে অৱদান।

ইফালে আকৌ গছতলৰ বিহু খোলাখন গাভৰুহঁতৰ বিহু মৰা উপযোগীকৈ হাবি বন চিকণাই দিবৰ কাৰণে কোনোবা ৰাংঢালী গাভৰুৱে মনৰ উলাহতে চিঞৰিয়েই দিলে— "শুৱাগমণি কঠিয়া/পলসত ৰুইছিলো/দীঘলকৈ পৰিলে ঠোক; গছতলৰ খোলাখন/যেয়ে চিকুনাব/সেয়ে নিব পাৰিব মোক।"

এই বিহু নামযাৰিয়ে ইয়াকে বুজাইছে যে গাভৰু সকলেহে প্ৰথমে গছতলৰ বিহুখোলা আৰম্ভ কৰিছিল। ডেকাসকলৰ আগমণ পিছলৈহে হৈছিল।

অসমৰ সকলো ঠাইতে সমানে বিহুৰ প্ৰাধান্য নাই। ভালকৈ সামাজিক বিশ্লেষণেৰে চালে উজনি অসমত আহোম, চুতীয়া আৰু মিচিংসকলৰ ভিতৰতহে বিহুৰ প্ৰাৱল্য অধিক। বিহুনামতেই ইয়াৰ উমান পোৱা যায়—

"বিহুটি আহিলে/কলীয়া বৰতে/চৰাইদেউত ললেহি ঠাই;
আমি ল'ৰাহঁতে/আদৰি আনিছো/ব'হাগৰে বিহুটি পাই।"

★ ★ ★

# মুকলি বিহুৰ পৰিৱেশন শৈলী

**ধৈৰ্য্য দাস***

আচলতে মুকলি বিহু ধাৰণাটোৱেই বিহু মঞ্চলৈ অহাৰ পিছত অহা যেন লাগে। পূৰ্বতে গাঁৱৰ চহা খেতিয়ক ডেকা গাভৰুৱে লুকাই লুকাই কোনোবা নদীৰ পাৰৰ, পথাৰৰ ডাঙৰ গছৰ তলত বা কোনোবা হাবিৰ মাজত বিহু মাৰিছিল বুলি সত্যতা ইতিমধ্যে প্ৰকাশ হৈ গৈছে। লুকাই চুৰকৈ কৰা এই বিহু কালক্ৰমত গাঁৱৰ বিহুতলী, চোতাল আনকি ৰাজ দৰবাৰো পালেহি। হয়তো এনেকৈ লাহে লাহে বিহু আঁৰ-বেৰৰ পৰা মুকলি আস্থা পালেহি। যিয়েই নহওঁক, ৰঙালী বিহুৰ বৰ্তমান তিনিটা ভাগ হোৱা দেখা গৈছে— (১) হুঁচৰি (২) গছতলৰ বিহু বা গাভৰু বিহু (৩) মুকলি বিহু।

মুকলি বিহুৰ পৰিৱেশন শৈলীৰ ওপৰত নানাজনৰ নানা মত হোৱাৰ কাৰণ ঠাই আৰু পৰিৱেশ ভেদে ভিন্নতাই স্বাভাৱিক। অধ্যয়ন ৰাজিৰ পৰা জনা যায় যে তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ বিভিন্ন গাঁৱত পূৰ্বতে 'ৰাতি বিহু' বা 'লগ বিহু' বুলিছিল। চ'তৰ মাহত নিশা ডেকা-গাভৰু সকলে পথাৰৰ মাজত থকা বৰ গছ, আহঁত গছৰ তলত বা নদীৰ কাষত বিহু মাৰিছিল। ৰাতি বিহুলৈ কেইজনমান ডেকাই গাভৰুৰ বিহুলৈ যাবলৈ অনুমতি দিয়াৰ বাবে তামোল পানৰ টোপোলা আগবঢ়াই মাক-দেউতাকক প্ৰতিশ্ৰুতি দিছিল যে আপোনাৰ ছোৱালী যদি কিবা হয় তেন্তে আমি একেধৰণৰ এগৰাকী মাটিৰে সাজি দিম। মাক দেউতাকে পতিয়ন গৈ ছোৱালী ডেকাহঁতৰ লগত যোৱাৰ অনুমতি দিয়ে। তদুপৰি গাভৰু জনীয়ো বা বায়েক যোৱাৰ দিনা ভায়েক বা ককায়েকো ৰাতি বিহুলৈ গৈছিল। কিয়নো এনেবিহুৰ বিহুনামত 'যোৱা নাম' অনিবাৰ্য্য। ডেকা-গাভৰুৱে মিলি একেলগে কৰা কাৰণে ৰাতি বিহুকেই 'লগ বিহু' বুলি জনা যায়।

ক্ৰমান্বয়ে ৰাতি বিহুৱেই পূৰ্বৰ ৰূপ লৈ গৃহস্থৰ চোতালত প্ৰৱেশ কৰিলে আৰু বিহুনামত যৌন উত্তেজনা ভঙ্গীমা থকাৰ কাৰণে গাভৰুক গৃহস্থৰ চোতালত অংশ

*_বিহু গৱেষক, নিবন্ধকাৰ_
ঠিকনা- লোণপুৰীয়া গাঁও, ডাকঘৰঃ পানীতোলা, তিনিচুকীয়া (অসম) পিনঃ ৭৮৬১৮৩
যোগাযোগঃ ৯৭০৬১৮৮৭২৭ ।

গ্ৰহণ কৰাত বাৰণ কৰিলে। ফলত কেৱল গাভৰু সকলে নিৰ্দ্দিষ্ট দূৰত গছৰ তলত বিহু আৰম্ভ কৰিলে। তেতিয়াই ই ‘গাভৰু বিহু’ বা ‘গছতলৰ বিহু’ ৰূপে বিবেচিত হ’ল। ‘গছতলৰ বিহু’ বা ‘গাভৰু বিহু’ত ডেকাই অংশ গ্ৰহণ কৰা নাছিল যদিও নিৰ্দ্দিষ্ট দূৰৰ পৰা ডেকাই গাভৰুক বিহুনাম গাই নচুৱাব পাৰিছিল। এই প্ৰথা আজিও বিদ্যমান। প্ৰমাণৰ বাবে বেছি দূৰলৈ নগৈ তিনিচুকীয়াৰ মাজ মজিয়াত থকা বৰপথাৰ বিহুতলীয়েই যথেষ্ট।

ডেকাসকলে ঘৰে ঘৰে হুঁচৰি গোৱাৰ দৰে গাভৰুসকলেও গছৰ তলত বিহু মাৰি ব’হাগত (অধিক বেছি পোন্ধৰ দিন মানলৈ) বিহু মাৰিছিল। পোন্ধৰ দিন এৰাব নোৱাৰা বাবেহে বিহু মাৰিব লগা হৈছিল। দেখা যায় বিহু উৰুৱাৰ দিনা বিহুতলীৰ বিহু উৰুৱালৈ গৈ ডেকা সকলে গাভৰু সকলৰ লগত একেলগে বিহু মাৰিছিল। ইয়াতেই ডেকাসকলে ঢোল পেঁপা বজাই বিহুনাম গাই গাভৰুসকলক নচুৱাব পাৰিছিল। গাভৰু সকলেও বিহুনাম (যোৰানাম) গাই নাচি-বাগি ডেকাসকলৰ লগত অংশ গ্ৰহণ কৰিছিল যদিও সানমিহলি হৈ বিহু মৰা নাছিল। ওচৰা ওচৰিকৈ এফালে গাভৰু আনফালে ডেকাই বিহু মাৰে। এনে বিহুত মুকলি মনেৰে ডেকা গাভৰুৱে তেনেই ওচৰা ওচৰিকৈ কৰিব পাৰে কাৰণেই ‘মুকলি বিহু বুলি’ কোৱাৰ থল থাকিলেও মুকলি বিহুত ভাই-ককায়েকে বাই-ভনীয়েক একেলগে বিহু নেমাৰিছিল। ভাই-ককাই থাকিলে বাই-ভনীয়েকে আঁতৰি দিব বা অংশ গ্ৰহণ নকৰিব নাইবা বাই-ভনীয়েক থাকিলে ভাই-ককায়েক নিজেই আঁতৰি দিব।

দেখা যায় যে বিহু মৰাৰ মাজতেই কিছুমান ডেকা-গাভৰুৰ নচা-বজোৱা, গোৱা আদি সকলো বিষয়তে পাকৈত হৈ পৰে আৰু এনে পাকৈত জনক বিহুৱা বা বিহুৱতী হিচাপে নামকৰণ কৰে। আনহাতে, বিহু উৰুৱাবৰ দিনা-মুকলি মনেৰে বিহুত গাভৰুৱে নচা, গোৱা বা টকা বজোৱা (সাধাৰণতে গাভৰুৱে ঢোল নবজায়) আদি সকলোতে পাকৈত সেই সকল গাভৰুক ‘বৰ বিহুৱতী’ৰ বিপৰীতে ডেকাক ‘বৰ বিহুৱা’ বুলি নামকৰণ কৰে।

গতিকে বিহুৱা বা বিহুৱতীক নচোৱাৰ ক্ষেত্ৰত ডেকা-গাভৰু উভয়ৰে সহযোগিতাৰ প্ৰয়োজন। আজিকালি মঞ্চত দেখাৰ দৰে ড্ৰয়িং ৰুমত এমাহ প্ৰেক্টিচ কৰি পুৰস্কাৰৰ লোভত বিহুমঞ্চত নাচি পিছদিনাৰ পৰা বিহু বিচাৰক পুৰস্কৃত হ’লে গুণগান আৰু নহ’লে বদনাম গোৱা ‘বিহুৱতী’ বা ‘বিহুৱা’ দেখা নগৈছিল। আনহাতে

যুক্তিৰ খাতিৰত যদি চোৱা যায় তেন্তে দেখা যাব যে এগৰাকী গাভৰুৱে এদল ডেকাৰ লগত নিশা বিহু মাৰিবলৈ এৰি দিয়াৰ উদাহৰণ তেতিয়াও নাছিল এতিয়াও নাই। গতিকে মাক-দেউতাক বা ভাই-ভনীয়েক লগত থকাটো অনিবাৰ্য্য। মাক-দেউতাক বা ভাই-ককাইৰ লগত বিহু মৰাতোক প্ৰাকৃতিকগত ৰূপ বা স্বতঃস্ফুৰ্ত ৰূপ আহিব বুলি আশা কৰিব পাৰি।

আনহাতে, মুকলি মনেৰে মৰা বিহুৰেই হওক কিম্বা ঘৰে ঘৰে মৰা হুঁচৰিয়েই হওক বা গছ তলত মৰা গাভৰু বিহুৰেই হওঁক গাভৰুৱে মুগাৰ চোলা বা মুগাৰ মেখেলা-চাদৰ পিন্ধা নাছিল। মুগাৰ মেখেলা চাদৰ বা কামিজ অসমৰে উৎপাদিত হ'লেও বিহুৰ লগত সংগতি নাছিল। কিয়নো বিহু চলিছিল উজনি অসমত আৰু পাট-মুগা কাপোৰ উৎপাদন হৈছিল নামনি অসমত। তাৰোপৰি চহা দুখীয়া কৃষকৰ বাবে মুগাৰ মেখেলা চাদৰ কিনাতো সম্ভৱ নহৈছিল। সেয়েহে ঘৰতে বৈ লোৱা কপাহী চাদৰ-মেখেলাই গাভৰুৰ সাজ-পোছাক আছিল। কালক্ৰমতঃ বিহুৱে গছ তলৰ পৰা গৈ মঞ্চত ভৰি দি নামনি অসম পালেগৈ যেতিয়া মুগাৰ মেখেলা চাদৰ পিন্ধাতো দোষণীয় নহ'লেও পাটৰ মেখেলা চাদৰ কিয় ব্যৱহাৰ হোৱা নাই প্ৰশ্ন উঠে?

সেয়েহে মুকলি বিহুৱে হওঁক কিম্বা আন বিহুৰেই হওক পুৰুষ-মহিলা অৰ্থাৎ ডেকা-গাভৰুৰ সাজ-পোছাক কৃষকৰ সাজ-পোছাকৰ লগত সংগতি থকা বিধৰ হ'লে ভাল হয়। কিয়নো লোক কৃষ্টি কৃষক-শ্ৰমিকৰ। মধ্যবিত্তই ন-ৰূপ দিয়ে আৰু ধনৱন্তসকলে তাক পণ্যলৈ ৰূপান্তৰ কৰি উপভোগ কৰোৱায়।

এটা কথা অপ্ৰিয় হ'লেও সত্য যে মঞ্চৰ বিহুত চলা বিভিন্ন প্ৰতিযোগিতাৰ বাবে বিচাৰক মতা হয় প্ৰতিযোগী সকলৰ মাজৰ পৰা উত্তম গৰাকীক নিৰ্বাচন কৰি দিবলৈ। সেয়ে বিচাৰকে বিহু উদ্‌যাপন সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া মতে এক দুই তিনি সংখ্যক উত্তম প্ৰতিযোগী বাচনি কৰি দিবই লাগিব। এনে ক্ষেত্ৰত উপযুক্ত প্ৰতিযোগী নাপালেও নাই মোমায়েই সোমাইৰ দৰে অৱস্থা হয়। ফলত অনুপযুক্ত গৰাকীকে বিহু উদ্‌যাপন সমিতিৰ তাগিদাত প্ৰতিযোগিতা বাতিল বুলি ঘোষণা নকৰি বাচনি কৰি বিচাৰকৰ দায়িত্ব পালন কৰা নহয় বুলি কোনেও বুকু ডাঠি ক'ব নোৱাৰিব।

★★★

# বিহু নাচৰ ভঙ্গীমা

**ড° অনিল শইকীয়া***

বিহু নাচৰ বিবিধ ভঙ্গীমা আছে। ভঙ্গীমাসমূহৰ নামকৰণো আপোনা আপুনি হৈছে। অঞ্চলভেদে একেটা ভঙ্গীমাকে বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হৈছে। লোক-কৃষ্টিক আঞ্চলিক বৈশিষ্ট্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এটা অঞ্চলৰ মানুহে নিদিষ্ট কিছুমান বৈশিষ্ট্যক আপোনমনে চৰ্চা কৰি থাকে। সেই কাৰণে কিছুমান লোক-কৃষ্টিৰ লগত অঞ্চল এটিৰ নামো জড়িত হৈ থাকে। উদাহৰণস্বৰূপে— গোলাঘাট অঞ্চলৰ পুৰুষৰ হুঁ চৰি দেখিলে বিহু জনা মানুহে কয়- 'সেয়া গোলাঘাটৰ হুঁচৰি'। অৰ্থাৎ গোলাঘাটৰ হুঁচৰিৰ এক নিৰ্দিষ্ট বৈশিষ্ট্য আছে। সেইদৰে *ককালত হাতৰ তলুৱা দুখন ওপৰ মুৱাকৈ থৈ ঢোলৰ ছেৱে ছেৱে হাতৰ তলুৱা দুখন ওপৰলৈ সামান্যভাৱে দাঙি দাঙি ভঙিমা দিলে ক'ব সেয়া ঢকুৱাখানা অঞ্চলৰ গাভৰুৰ বিহুনাচ*। যোৰহাটৰ ৰংদৈ অঞ্চলত (দ গাঁও) এটা বিশিষ্ট ভঙিমাৰে অকনমান সময় তললৈ মূৰকৈ পুৰুষে নচা নাচটো কোনোবাই যদি দেখিছে, তেন্তে ক'ব সেয়া যোৰহাটৰ ৰংদৈ অঞ্চলত (দ গাঁও) *'ৰিপ্- ফৌ ,ফি-ফৌ বিহু নাচ'*। বিহু নামৰ সুৰৰ আঞ্চলিক বৈশিষ্ট্য থকাৰ দৰে বিহু নাচৰ ভংগিমা সমূহৰ ক্ষেত্ৰতো আঞ্চলিক বৈশিষ্ট্য সদা বিৰাজমান।

লোক-কৃষ্টিৰ নীতি-নিয়ম নিজে নিজে সৃষ্টি হয়। খাদ্যাভাস, নাচ-গান সকলোতে। ভাল লগা, ভাল নলগা দৃষ্টি-ভঙ্গীৰ পৰাই গ্ৰহণ-বৰ্জনো হয়। কোনো এটা ৰীতি প্ৰতিষ্ঠা হওঁতে কিমান দিন লাগে কোনেও নাজানে। যেনেকৈ গছৰ গুটি চোবাই পৰীক্ষা কৰি কোন বিধ পথ্য, কোন বিধ অপথ্য নিৰ্ণয় কৰিছিল, যেনেকৈ কোন বিধ স্বাস্থ্যসন্মত, কোন বিধ মৃত্যুৰ-বাহক নিৰ্ণয় কৰিছিল, ঠিক তেনেকৈ লোক কৃষ্টিৰ বহুতো উপাদান পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আহি আহি এটা নিৰ্দিষ্ট ৰূপ পৰিগ্ৰহ কৰেহি। ৰূপ এটি পৰিগ্ৰহ কৰাৰ পাছত ইয়াৰ বিভিন্ন নামকৰণো হয়। যেনেকৈ চহা মানুহে বিভিন্ন গছ-গছনিৰ নামকৰণ কৰিছিল (শিমলু, মদাৰ, নাহৰ ....), যেনেকৈ ফুল-ফলৰ নামকৰণ

---

**প্ৰাক্তন অধ্যক্ষ, মৰাণ মহাবিদ্যালয়, লোক-কৃষ্টিৰ সাধক, বিহু গৱেষক, নিৱন্ধকাৰ।*
ঠিকনা— মৰাণ, শিৱসাগৰ। যোগাযোগ নং- ৯৪৩৫০-০৪৬৬৯।

কৰিছিল (গোলাপ, তগৰ, আম-জামু-লিচু, পনিয়ল ....), যেনেকৈ চৰাইবোৰৰ মাত শুনি শুনি, চৰাইৰ বৈশিষ্ট্য বুজি বুজি নামকৰণ কৰিছিল (সখিয়তী, বুলবুলি, মইনা, ডাউক, বগলী, কণামুচৰি ....), যেনেকৈ বিভিন্ন ঠাইৰ নামকৰণ কৰিছিল (বৰহোলা, বগীবিল, এনাইবাৰী .....); তেনেকৈ যিবোৰ কাম কৰিছিল, যিবোৰ নাচ নাচিছিল, যিবোৰ আহাৰ হিচাবে গ্ৰহণ কৰিছিল, সিবোৰৰো নামকৰণ কৰিছিল। বিহুনাচৰ বিভিন্ন ভঙ্গীমাসমূহৰো বৈশিষ্ট্য অনুযায়ী বিভিন্ন ঠাইত বিভিন্ন নামকৰণ শুনা যায়। এই নামকৰণসমূহ কৰোতে যিসকলে বিহু নাচিছিল আৰু যি সকলে বিহু নাচোতে নিজা বৰীয়াকৈ কিছুমান ভঙ্গীমা দিছিল আৰু যিবোৰ ভঙ্গীমা দেখি আনে গ্ৰহণ কৰিছিল আৰু গ্ৰহণ কৰোতে যেন কৈছিল— ‘*আমুকে যে নাচে, নাচোতেযে এনেকৈ খুটুককৈ জাপ এটা মাৰে, তেনেকৈ খুটুক জাপ এটা মাৰিবিচোন।*’ এনেকৈ কওঁতে ইয়াত ‘খুটুক-জাপ’ শব্দটোৱে বিহু নাচৰ কোনবা এটা ভৰি চালনাৰ কথা কোৱা হৈছে। এনেকৈয়ে বোধ হয় বিহু নাচৰ ভঙ্গীমাসমূহৰ নামকৰণ হৈছিল। এনেধৰণে নামকৰণ হোৱা ভঙ্গীমাসমূহৰ দুটিমান ভঙ্গীমাৰ নাম আৰু তাৰ ব্যাখ্যা আগবঢ়াব খোজা হৈছে। আগবঢ়োৱাৰ আগতে যি ছন্দত বিহু নচা হয়, যি ছন্দত এক প্ৰাণমতলীয়া আৱেগৰ সৃষ্টি হয়, যি ছন্দত মন-প্ৰাণ আকুল হয়, সেই ছন্দৰ ব্যাখ্যা আগবঢ়াব খোজা হৈছে।

**বিহুনাচৰ ছন্দ ঃ**

সাধাৰণতে দুটা দুটা চাপৰিৰ এক বিশেষ গতি (বিলম্বিতৰ পৰা ক্ৰমান্বয়ে দ্ৰুত)ত বিহুনাচৰ ছন্দ আৱৰ্তিত হয়। সাধাৰণতে বিহুনাচ ত্ৰিশ্ৰ জাতীয় ছন্দত আবদ্ধ। ত্ৰিশ্ৰ শব্দই তিনিটা একক সময়ৰ মান বুজায়। য'ত তিনি মাত্ৰাত ‘সময়-মানৰ’ ভিতৰতে এটা ছন্দ গঠিত হয় আৰু সেই তিনি মাত্ৰাৰ ভিতৰতে বিহুৰ ছন্দত দুটাকৈ চাপৰি পৰে। অৰ্থাৎ এক, দুই, তিনি, এই ‘তিনি-সংখ্যাৰ’ সময় মানত দুটাকৈ হাত চাপৰি পৰে। এই হাত চাপৰি দুটাৰ প্ৰথম চাপৰিটো কোমল, আৰু দ্বিতীয় চাপৰিটো সামান্য টান। এই কোমল আৰু টান হাত চাপৰি দুটাৰ মাজতে বিহু- ছন্দৰ মাদকতা আৰু মাধুৰ্য ফুটি উঠে। ঢোল বাদ্যত এই হাত চাপৰি দুটা— খিত্ ঘিন....। খিত্ ঘিন....। খিত্ ঘিন....। খিত্ ঘিন....। গতিৰে আগবাঢ়ে ইয়াৰ খিত্ শব্দটো সৰু আৰু কোমল ঘিন শব্দটো ডাঙৰ আৰু ব্যঞ্জনাযুক্ত। খিত্ আৰু ঘিন বোল দুটাত দুটা হাত চাপৰি পৰে। দুটা দুটা চাপৰি হিচাব কৰিলে দুই মাত্ৰা যেন অনুভৱ হয়। আচলতে ইয়াত তিনি মাত্ৰা থাকে।

দুটা দুটাকৈ চাপৰি আগবাঢ়ি গৈ আঠটা চাপৰি পৰিলে সাধাৰণতে এটা আৱৰ্তন পূৰ্ণ হয়। যেনে—

১ ২ ৩ । ১ ২ ৩। ১ ২ ৩। ১ ২ ৩। ....

১ ২ ৩ —এটি সময়ৰ জোখ। বিহুনামৰ ছন্দত সাধাৰণতে এই ১ ২ ৩ সময়খিনিত দুটা হাত চাপৰি পৰে। প্ৰথম হাত চাপৰিটো ১-ৰ স্থানত, আৰু দ্বিতীয় হাত চাপৰিটো ২-ৰ স্থানত পৰে। ঢোলৰ এটি সাধাৰণ আৱৰ্তন লোৱা হ'ওক। যেনে—

খিত খিতা ত্ৰত্ৰ, খিত খিতা ত্ৰত্ৰ, খিত খিতা ত্ৰত্ৰ, খিত দাও ত্ৰত্ৰ।

এই 'খিত খিতা' বা 'খিত দাও' বোল দুটা গাওঁতে বা বজাওঁতে মনৰ মাজত তিনি একক সময় পাৰ হৈ যায়। কিন্তু ইয়াত দুটাকৈ হাত চাপৰি পৰাৰ বাবে ইয়াক দুই মাত্ৰা যেনো লাগিব পাৰে। আকৌ 'খিত খিতা' বোলটো যদি এক বুলি হিচাব কৰা হয় ইয়াক চাৰি মাত্ৰা যেনো লাগিব পাৰে। অথবা ঢোলৰ বোলৰ সাধাৰণ আৱৰ্তন এটি ত্ৰিশ্ৰ জাতীয় চাৰি মাত্ৰাত গঠিত হয়। উল্লেখযোগ্য যে সাধাৰণতে বেছিভাগ বিহুনামৰ লগত তবলাৰ খেমতা ছন্দৰ সাদৃশ্য দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল খেমতা ছন্দ ছয় মাত্ৰাৰ, আৰু ঢোলৰ গতিও তিনি একক সময় মাত্ৰাৰ বেগত আগবাঢ়ে। সাদৃশ্য থাকিলেও বিহুৰ ছন্দক খেমতা ছন্দৰ পৰা পৃথক কৰে ইয়াৰ হাত চাপৰি বজোৱা শৈলীটোৱে। বিহুৰ ছন্দত ১ ২ ৩ মাত্ৰা তিনিটাৰ ভিতৰৰ মাজৰ মাত্ৰাটোহে (অৰ্থাৎ দুই নং মাত্ৰাটোহে) বেছি শক্তিশালী (Emphatic Position)। খেমতা ছন্দত তেনে নহয়। ঢোলৰ সাধাৰণ ছেও এটিৰ গতি আৰু আৱৰ্তন তলত দেখুওৱা হ'ল -

১ ২ ৩। ১ ২ ৩। ১ ২ ৩। ১ ২ ৩।
খিত খিতা। খিত খিতা। খিত খিতা। খিত দাও।
ঘেন খিতা। ঘেন খিতা। ঘেন খিতা। ঘেন দাও।
ঘেন খিতা। ঘেন দাও । খিত খিতা। খিত দাও।
খিত তাখি। ঘেন ঘেনা। ঘেন ত্ৰত্ৰ। ত্ৰত্ৰ। ত্ৰত্ৰ।

ঢোলৰ বোলৰ এই আৱৰ্তনৰ ভিত্তিতেই অথবা বিহুনাম গাওঁতে দুচপৰিয়া হাত চাপৰিৰ ভিত্তিতে বিহু নাচৰ পদ চালনা, হাতৰ ভঙ্গিমা আৰু শৰীৰৰ উলাহ নিৰূপণ হয়।

(যদিও বিহুনাচত ঢোলৰ বোল তিনি মাত্ৰাৰ গতিত আগবাঢ়ে তথাপিও হুচৰিৰ পদ-ঘোষা গোৱা আৰু লহৰিৰ বহুবোৰ ঢোলৰ চাপৰত চাৰি মাত্ৰা, আঠ মাত্ৰা বা যোল্ল মাত্ৰাৰ বা চাৰিৰ পূৰণফলক হিচাবে ঢোলৰ বোল পোৱা যায়।)

## বিহুনাচৰ ভৰি চালনাসমূহ (পদচালনাসমূহ)

**'পদ চালনা'** —এনেকুৱা শব্দ চহা মানুহে ভাৰিব পাৰে বুলি মনে নধৰে। কিন্তু আজিৰ পৰা পাঁচশ বছৰৰ আগতে অসমৰ লোক জীৱনে ভাওনাৰ আখৰা কৰিছিল। ভাওনাত সূত্ৰধাৰী নাচিছিল। ধেনুযুদ্ধ, বাহুযুদ্ধ, গদাযুদ্ধ, তৰোৱালযুদ্ধৰ বিভিন্ন খোজ-কাটল (ভৰি মান) শিকিছিল। পাদ, পাৰ, চৰণ আদি শব্দবোৰ আয়ত্ব কৰিছিল। কীৰ্ত্তন, দশম, নামঘোষাৰ পৰাও বহু শব্দ আয়ত্ব কৰিছিল। পদচালনা শব্দটো অৰ্বাচীন হৈয়ো প্ৰাচীন যেন লাগে। বিহুনাচত ভৰিৰ তলুৱা অংশ অথবা পানীগাঁঠিৰ তলৰ অংশ বিভিন্নজনে নিজৰ খেয়াল-খুচি অনুযায়ী অগা-পিছা কৰিছিল। কালক্ৰমত সেইবোৰৰ বৈশিষ্ট্য অনুযায়ী জন-জীৱনে নামকৰণ কৰিছিল। তেনে কেইটিমান নামকৰণ তলত উল্লেখ কৰা হ'ল— (১) খুজি-খুজি, (২) খোপ-খুপি বা খুটুক জাপ, (৩) গিৰিপ-গিৰিপ বা খুন্দনা বা থেকেচনি বা বুঢ়ী থেকেচনি, (৪) খুপি খুপি, (৫) মকৰা বুলনি, (৬) শালিকি বুলনি, (৭) পানী পৰুৱা আৰু (৮) ধেনু ভিৰিয়া বা চালনি ঘূৰুৱা।

**(১) খুজি খুজি ঃ** বিহুনাচত সাধাৰণতে যিধৰণে পদচালনা কৰে সিয়ে খুজি খুজি খোজ। এই খোজত বাওঁ ভৰিৰ তলুৱাত সামান্য উলাহ দি সোঁ ভৰিৰ তলুৱা প্ৰায় ত্ৰিশ-চল্লিশ ডিগ্ৰী কৌণিক স্থানত এবেগেতমান আগুৱাই নি সংস্থাপন কৰা হয়। সংস্থাপন কৰাৰ সময়খিনিতে বাওঁ ভৰিৰ তলুৱা সামান্য আগবাঢ়ি আহে। ইয়াত কৌণিক স্থানে সোঁ ভৰিৰ তলুৱা বাওঁ ভৰিৰ তলুৱাতকৈ অকণমান আগুৱাই থকা বুজায়। এনেকৈ আগুৱাই যাওঁতে ই এটা বৃত্তাকাৰ পথ নিৰ্ণয় কৰে। যদি সোঁভৰিৰ তলুৱা বাওঁ ভৰিৰ তলুৱাতকৈ সামান্য আগবাঢ়ি নাথাকি একেডাল সৰল ৰেখাতে থাকে তেন্তে ই বৃত্তাকাৰ পথ নিৰ্ণয় কৰিব নোৱাৰে। বিহুনাচ সাধাৰণতে বৃত্তাকাৰে নচা হয়। কাৰণ প্ৰত্যেক বিহুৱাৰ মুখৰ অভিব্যক্তি প্ৰত্যেকেই দেখিব লাগিব। কিন্তু সময়ৰ পৰিপ্ৰেক্ষিতত এই বৃত্তাকাৰ সংস্থিতিৰ পৰিৱৰ্তন আহিছে। কাৰণ এতিয়া মঞ্চত বিহু নচা হয়। মঞ্চৰ বিহু দৰ্শকলৈ চাই নচা হয়। সেই কাৰণে বৃত্তাকাৰ সংস্থিতি এতিয়া অৱধাৰিত নহয়।

আকৌ আহোঁ খুজি খুজিৰ সময় মানলৈ। বাওঁ ভৰিৰ তলুৱা আৰু সোঁ ভৰিৰ তলুৱা দুখনি এবাৰ এবাৰ সঞ্চালন কৰিবৰ বাবে তিনি একক সময়ৰ প্ৰয়োজন। আগতে কোৱা হৈছে যে, তিনি একক সময়ত দুটা হাত চাপৰি পৰে। দুটা হাত চাপৰিত দুয়োখন ভৰিৰ তলুৱাই এবাৰ এবাৰ চলনা কৰে। কিন্তু সোঁ ভৰিৰ তলুৱাখন চলনা কৰোতে দুই একক সময়ৰ প্ৰয়োজন। কাৰণ ই বাওঁ ভৰিৰ পৰা এবেগেতমান আগুৱাই গৈ এটা কৌণিক স্থানত অৱস্থান গ্ৰহণ কৰে। খুজি খুজি পদচালনা এক বিশিষ্ট ধৰণেৰে পথালিকৈ কৰা পদচলনা।

**(২) খোপ-খুপি বা খুটুক জাপ ঃ** ঢোলৰ এটি সাধাৰণ বোল, যেনে - ‘খিত খিতাS, খিত খিতাS, খিত খিতাS, খিত দাওS’ আৱৰ্তন হওঁতে কোনো বিহুৱা ডেকাই শেষৰ ‘খিত দাও’ বোলটোত অকণমানকৈ খুটুককৈ উলাহ এটা দিয়ে বা খুটুককৈ সামান্য জাপ এটা মাৰে। কেইবাজনো বিহুৱাই যেতিয়া একেলগে নাচে আৰু ঢোলৰ এটা সাধাৰণ আৱৰ্তনৰ শেষৰ বোলটোত শৰীৰ আৰু ভৰিৰ এটি সামন্য উল্লাস প্ৰদৰ্শন কৰে তেতিয়া বিহু নাচে এক বিশিষ্ট মাত্ৰা লাভ কৰে। ৰসিকসকলে ইয়াকে দেখি এনে পদচালনাৰ নাম দিছিল খুটুক জাপ।

**(৩) গিৰিপ-গিৰিপ বা খুন্দনা বা থেকেচনি বা বুঢ়ী থেকেচনি ঃ** ‘গিৰিপ গিৰিপকৈ নাচি থাকা নাচনি, ভিৰাই নামাৰিবা লৰ’ অথবা ‘আমি বিহু মাৰো য’ত, দেহি ঐ দুবৰি নগজে ত’ত’ৰ নিচিনা বিহুনামৰ শাৰীবোৰে গিৰিপ গিৰিপ পদচালনালৈ মনত পেলায়। এনে পদচালনাত ভৰিৰ তলুৱা দুখনে গিৰিপ গিৰিপ শব্দ কৰে। এনে পদচালনাত ভৰিৰ তলুৱা দুখন উঠা-নমা কৰোতে গাটো থেকেচা যেন লাগে। সেই কাৰণে ইয়াক থেকেচনি বুলিও কোৱা হয়। কোনো কোনো ঠাইত খুন্দনা, আৰু কোনো কোনো ঠাইত বুঢ়ী থেকেচনি বুলিও কোৱা শুনা যায়। পেপাঁৰ লহৰত সাধাৰণতে গিৰিপ গিৰিপ ভৰি চালনা দিয়া দেখা যায়। কিন্তু ই বদ্ধমূল নহয়।

**(৪) খুপি খুপি ঃ** ‘বাটতো বৰ পিচল, খুপি খুপি যাবি।’ পিচল বাটত খুপি খুপি যোৱাৰ যি অভিজ্ঞতা, তাৰ পৰা হয়তো খুপি খুপি শব্দটো আহিব পাৰে। ভৰিৰ তলুৱা দুখন অকণো দাঙ নোখোৱাকৈ যেতিয়া পিচল বাটত খুপি খুপি যোৱাৰ দৰে আগবঢ়াই নিয়া হয় তেতিয়া বোকা বাটত খুপি খুপি যোৱাৰ দৰে লাগে সেইকাৰণে হয়তো এই

ভৰি চালনা নাম খুপি খুপি দিয়া হয়। মকৰাইও খোজ কাঢ়োতে এটা ভৰি চোচৰাই নিয়ে। সেই অনুকৃতিক লক্ষ্য কৰি কোনো কোনো অঞ্চলত খুপি খুপি বুলনিক মকৰাৰ বুলনিও বোলে। সাধাৰণতে গগণা বজাওঁতে খুপি খুপি বুলনি দিয়া দেখা যায়। কাৰণ গগণাৰ শব্দ তুলনামূলকভাৱে সৰু, আৰু খুপি খুপি বুলনিত ভৰিৰ তলুৱাৰ কোনো শব্দ নহয়। তেনে ধাৰণাতে বোধহয় গগণাত সাধাৰণতে খুপি খুপি বুলনি (কোনো কোনো ঠাইত মকৰা বুলনি) দিয়ে বুলি কোৱা হয়।

**(৫) মকৰা বুলনি ঃ** মকৰাই সাধাৰণতে বেকাকৈ গতি কৰে। গতি কৰোতে ই এটা ভৰি চোচৰাই যায়। এই চোচৰাই যোৱা ভৰিৰ অনুকৰণতে বোধ হয় মকৰা বুলনি ভৰি চালনাৰ সৃষ্টি হ'ব পাৰে। মকৰা বুলনিত প্ৰথমতে- সোঁ-ভৰিৰ তলুৱাৰ আগপতা বাওঁ ভৰিৰ কাষলৈ চোচৰাই অনা হয়। চোচৰাই আনি বাওঁ ভৰি কাষত সোঁ ভৰি পতা অৱস্থান কৰোতে বাওঁ ভৰি আগুৱাই যায়। এনেকৈ চাৰি খোজ যোৱাৰ পিছত সোঁ ভৰি আৰু বাওঁ ভৰি একে স্থানত ৰাখি বা সামান্য দৰক মাৰি পুনৰ চাৰি মাত্ৰা (তিশ্ৰজাতিৰ) সময় (যেনে ১২৩।১২৩।১২৩।১২৩) একে স্থানত অৱস্থান কৰে। ঠি একে দৰেই পাচৰবাৰ বাওঁ ভৰি তলুৱা আগপতা সোঁভৰিৰ কাষলৈ মিহিকৈ চোচৰাই নি আনএটা আৱৰ্তন পূৰ্ণ কৰা হয়।

**(৬) শালিকি বুলনি ঃ** শালিকা সাধাৰণতে চিধা-চিধি সন্মুখৰফালে খোজ দি যায়। খোজ দিওঁতে এটা ভৰিৰ লগত আনটো ভৰি দোপ দি যোৱা যেন লাগে। সোঁ ভৰিৰ তলুৱাৰ কাষত বাওঁ ভৰিটো দোপ দি ৰাখি ক্ৰমান্বয়ে আগলৈ গৈ আকৌ একেধৰণেই আগলৈ চাই পাচফালে সোঁ ভৰি তলুৱা আৰু বাওঁ ভৰি তলুৱাই দোপ দি ঘূৰি অহাই শালিকি বুলনি।

**(৭) পানী পৰুৱা ঃ** পানীৰ পৰুৱা বা পানীৰ ওপৰত বগাই ফুৰা পানীৰ পৰুৱা কিছুমানে বেকা বেকিকৈ পাক দিয়ে। ঠিক অসমীয়া চাৰি সংখ্যাটোৰ দৰে। বিহু নাচত নাচনীয়ে যেতিয়া অকাই পকাই পদচালনা দিয়ে তেতিয়া পানী পৰুৱাৰ খোজৰ গতি মনলৈ আহে। আৰু সেই দৃষ্টিভংগীৰ পৰা চাৰি সংখ্যাটোৰ দৰে বা তেনেকুৱা গতিক পানী পৰুৱা বুলনি বোলা হ'ল।

**(৮) ধেনু ভিৰিয়া ঃ** ধেনু ভিৰিয়া পদ চালনাত- নাচনীয়ে  বাওঁ ভৰিটো একে স্থানত ৰাখি সোঁ ভৰিটো খুজি খুজি খোজেৰে বাওঁভৰিৰ আগফালে ধেনুভিৰিয়াকৈ ঘূৰাই আনি বাওঁভৰিৰ কাষত অৱস্থান কৰে। সোঁ ভৰিটো খুজি খুজি খোজেৰে বাওঁভৰিৰ আগফালে অৰ্ধবৃত্তাকাৰে ঘূৰোতে বাওঁ ভৰিটোৱেও ছন্দ ৰক্ষা কৰি প্ৰায় একে স্থানতে খোজ দি থাকে।

### বিহুনাচৰ হাতৰ ভঙ্গিমা

ইতিমধ্যে বিহুনাচৰ হাতৰ ভঙ্গিমা সম্পৰ্কে বহুতো প্ৰবন্ধ প্ৰকাশ হৈছে। সেই প্ৰবন্ধবোৰত দুয়োখন হাত কঁকালত দিয়া, এখন হাত কঁকালত আনখন হাত খোপাৰ ওচৰত, দুয়োখন হাত খোপাৰ ওচৰত, দুয়োখন হাত শৰীৰৰ আগফালে আনি ম'হৰ শিঙৰ দৰে ভঙ্গিমা কৰা প্ৰভৃতি হাতৰ ভঙ্গিমাসমূহ ব্যাখ্যা কৰা হৈছে। আমি গাঁও অঞ্চলত শুনা কেইটামান হাতৰ ভঙ্গিমাৰ নাম উল্লেখ কৰিব খুজিছো— (১) ঘেৰ্ হাত বা ম'হৰ শিঙা হাত, (২) চিলনি হাত, (৩) শগুন পাখি/পাখা হাত, (৪) পানীখেলা বা ঢৌ খেলা হাত,   (৫) উঁইচিৰিঙা হাত আৰু (৬) অগাপিচা হাত

**(১) ঘেৰ্ হাত বা ম'হৰ শিঙা হাত ঃ** শৰীৰ আগফালে হাত দুখনি আনি ঠিক ম'হৰ শিঙৰ দৰে অৱস্থান কৰা হাতকে ঘেৰ্ হাত বা ম'হৰ শিঙা হাত বোলে।

**(২) চিলনি হাত ঃ** হাত দুখন কিলাকুটিত সামান্য ভাঁজ কৰি প্ৰসাৰিত কৰি হাতৰ তলুৱা দুখন সঞ্চালন কৰাকে চিলনি হাত বোলা হয়। আকাশত চিলনিয়ে যেতিয়া আলাসত পাখি এৰি দিওঁতে যি এক ভঙ্গিমা হয়, তাৰ অনুকৰণতে হয়তো এই নাম দিয়া হৈছে।

**(৩) শগুন পাখি (পাখা) হাত ঃ** চিলনি হাত দুখন আৰু সামান্য প্ৰসাৰিত কৰি তলুৱা দুখনে সামান্য ঢৌ খেলাকে শগুন পাখি হাত আখ্যা দিয়া হৈছে।

**(৪) পানীখেলা বা ঢৌ খেলা হাত ঃ** কঁকালৰ ওপৰ অংশত আৰু তাৰ সোঁৰে-বাওঁৰে হাতৰ তলুৱা দুখন তলফালে ৰাখি ছন্দময় গতিত সঞ্চালন কৰাকে পানীখেলা বা ঢৌ খেলা হাত নামকৰণ কৰা হৈছে।

**(৫) উঁইচিৰিঙা হাত ঃ** দুয়োখন হাতৰ তলুৱা এবেগেত আঁতৰত ৰাখি ছন্দময়

গতিত তলুৰা দুখন সঞ্চালন কৰি শৰীৰৰ আগফালে বাওঁফালৰ পৰা সোঁফাললৈ আৰু সোঁফালৰ পৰা বাওঁফাললৈ সঞ্চালন কৰাকে উঁইচিৰিঙা হাত বোলা হৈছে। উঁইচিৰিঙা হাতৰ পৰা উঁইচিৰিঙা নাচৰ নামকৰণ কৰা হৈছে। উঁইচিৰিঙা নাচত নাচনীয়ে ক্ষীপ্ৰ গতিত স্থান পৰিৱৰ্তন কৰে। এনে কৰোতে হাত দুখনে উঁইচিৰিঙা হাতৰ ভঙ্গিমা দিয়ে। সন্ধিয়া সময়ত চাকিৰ পোহৰত উইচিৰিঙা উৰোতে উইচিৰিঙাবোৰৰ যি গতি সেই গতিকে অনুসৰণ কৰি বোধ হয় উইচিৰিঙা নাচ নাম দিয়া হৈছে।

**(৬) অগাপিচা হাত ঃ** অগাপিচা হাত সাধাৰণতে পুৰুষ নাচনীৰ ক্ষেত্ৰত প্ৰজোয্য। পুৰুষে নাচোতে কেতিয়াবা কঁকালৰ দুয়োকাষে ঢোলৰ ছন্দে ছন্দে হাত দুটা এক বিশিষ্ট ভঙ্গিমাৰে অগাপিচা কৰে। বয়োজেষ্ঠসকলে লহৰী নাচোতে 'আগেপিচে হাত নে' 'আগেপিচে হাত নে' বুলি লৰাক শিকাওতে হয়তো অগাপিচা হাত শব্দতো প্ৰচলন হ'ব পাৰে।

বিহুনাচৰ হাতৰ এই ভঙ্গিমাসমূহৰ বিষয়ে লক্ষীমপুৰৰ একালৰ দক্ষ বিহুৱা গগণ মহন্তই আমাৰ আগত অৱগত কৰিছিল। সেইদিনা আমাৰ লগত লক্ষীমপুৰৰ নবিউল হুচেইন আৰু নন্দকিশোৰ মহেশ্বৰীও গগন মহন্তৰ ঘৰত উপস্থিত আছিল।

## বিহুনাচৰ পাক

লোক নাচত সাধাৰণতে বাওঁ ভৰিক আশ্ৰয় কৰি সোঁ ভৰি চলনা কৰি বাওঁহাতলৈ ঘূৰাৰ এটা প্ৰৱণতা থাকে। কাৰণ, সাধাৰণতে বাওঁ ভৰিৰ তুলনাত সোঁ ভৰিটো বেছি ক্ষীপ্ৰ গতিত চলনা কৰিব পাৰে। ধানৰ মৰণা মাৰোতে যিটো গৰু এলেহুৱা সেইটো গৰু বাওঁহাতে দিয়া হয়। কাৰণ, সোঁ হাতৰ গৰুটো যিমান ঘূৰিব লাগে, বাওঁ হাতৰ গৰুটো তাতকৈ কম ঘূৰিব লাগে। যদিও লোক নাচত বাওঁ হাতলৈ ঘূৰাৰ এটা প্ৰৱণতা থাকে, তথাপিও আৱশ্যক অনুযায়ী বাওঁ হাত আৰু সোঁ হাত দুয়ো দিশতে নাচনী ঘূৰে। বিহুৱা-বিহুৱতীয়ে বিহুনাচৰ মাজত যেতিয়াই ইচ্ছা তেতিয়াই ঘূৰিব পাৰে। কিন্তু ইয়াৰো এটা নিয়ম থাকিব পাৰে। ঢোলৰ বাৰ মাত্ৰাৰ এটা আৱৰ্তনত প্ৰথম ছয় মাত্ৰাত পদচালনা কৰি দ্বিতীয় ছয় মাত্ৰাত শৰীৰটো ঘূৰাব পাৰে। উদাহৰণস্বৰূপে - 'ঘেন তিঘেন, তাখি ঘেন। তাখS তাখ তাখS তাখ।' ইয়াত 'ঘেন তিঘেন, তাখি ঘেন'ত পদ চালনা কৰি 'তাখS তাখ তাখS তাখ'ত শৰীৰটো ঘূৰাব পাৰে। ঠিক তেনেকৈ ঢোলৰ চাপৰত

যতি পৰা অংশত অথবা মাজৰ ভাঙনি অংশত বা যিকোনো ৰগৰ দিয়া অংশত নাচনীয়ে পাক দিয়া দেখা যায়। বিহুনাম গাওঁতেও নাচনীয়ে মাজে মাজে পাক দিয়ে। কিন্তু ইয়াতো নাচনীয়ে বিহুনামৰ যতি পৰা অংশ বা দোহাৰা অংশ বাচি লয়।

কেতিয়াবা নাচনীয়ে ঢোলৰ চাপৰত একেৰাহে টাকুৰি ঘূৰাদি ঘূৰি থাকে। কেতিয়াবা হাত দুখন কঁকালত দি ঘূৰে, কেতিয়াবা হাত দুখন সামান্য প্ৰসাৰিত কৰি ঘূৰে। এনেবোৰ ভঙ্গিমা দেখি কোনোবা বিহুবলীয়া ডেকাই, বা কোনো ৰসিকে 'এনেকৈ টাকুৰি ঘূৰাদি ঘূৰ' বুলি চাগে কিবা-কিবি শব্দ কৈছিল। পাছত সেই শব্দসমূহেই একো একোটা নামলৈ ৰূপান্তৰিত হ'ল। তেনে কেইটিমান নাম তলত উল্লেখ কৰা হ'ল— (১) টাকুৰি পাক, (২) চেৰেকি পাক, (৩) ৰৈ-পাক গৈ-পাক বা টুকুৰা পাক, (৪) হাউলি পাক, (৫) ভাঁউৰি পাক, (৬) এখন হাত কঁকালত আৰু এখন হাত খোপাৰ কাষত ৰাখি পাক আৰু (৭) দুয়োখন হাত খোপাৰ কাষত ৰাখি পাক।

**(১) টাকুৰি পাক ঃ** হাত দুখন কঁকালত ৰাখি ছন্দময় গতিত একেটা দিশতে ঘূৰাকে টাকুৰি পাক বোলে। টাকুৰি পাকত নাচ সাধাৰণতে দ্ৰুত হয়। বিহুনামত গায় - 'টাকুৰি ঘূৰাদি নুঘূৰ কেলৈ'।

**(২) চেৰেকি পাক ঃ** হাত দুখন সামান্য প্ৰসাৰিত কৰি, হাতৰ কিলাকুটিত ইংৰাজী ভি (V) আখৰটোৰ দৰে ভাঁজ দি বাহুৰ পৰা সামান্য দূৰত ৰাখি ঘূৰাকে চেৰেকি পাক বোলে। টাকুৰিতকৈ চেৰেকিৰ আকাৰ ডাঙৰ। হাত দুখন সামান্য প্ৰসাৰিত কৰিলে ই হয়তো চেৰেকিৰ আকাৰ ধাৰণ কৰে। সেই কাৰণে হয়তো এনে ধৰণৰ পাকক চেৰেকি পাক নাম দিছিল।

**(৩) ৰৈ-পাক গৈ-পাক বা টুকুৰা পাক ঃ** ঢোলৰ চাপৰত নাচনীয়ে কেতিয়াবা বাওঁফালে আধাপাক, আৰু সোঁফালে আধাপাক ঘূৰি এক বিশিষ্ট ভঙ্গিমা প্ৰদৰ্শন কৰে। যেতিয়া বাওঁ ভৰি স্থিৰ ৰাখি বাওঁফালে আধাপাক ঘূৰে তেতিয়া ৰখিক সকলে ইয়াক ৰৈ-পাক বোলে আৰু যেতিয়া সোঁ ভৰিত থিৰ ৰাখি বাওঁ ভৰি সোঁফালে ঘূৰাই আধাপাক ঘূৰে তেতিয়া ইয়াক গৈ-পাক আখ্যা দিছে। সম্পূৰ্ণকৈ নুঘূৰাৰ বাবে ইয়াৰ নাম হয়তো কোনো ¯কোনো অঞ্চলত টুকুৰা পাকো বোলে। টুকুৰা পাক নামটো অৱশ্যে অৰ্বাচীন।

**(৪) হাউলি পাক ঃ** ঢোলৰ ভাঙনি অংশত হাত দুখনৰ আকৃতি ঘেৰ্ কৰি তলুৱা

বাহিৰফালে ৰাখি সামান্য হাউলি এপাক মৰাকে হাউলি পাক বোলা হৈছে। পুৰুষে হাউলি পাক দিওঁতে হাত দুখন পিচফালে ককাঁলৰ পৰা আধা বেগেত ওপৰত ৰাখে আৰু তলুৱা দুখন ককাঁলৰ পৰা বাহিৰফালে ৰাখে।

**(৫) ভাঁউৰি পাক ঃ** শব্দটো শুনিছিলো গোলাঘাটৰ এখন ভিতৰুৱা গাঁৱত। ভাঁউৰি শব্দটো আহিছে গোটিয়া ম'হৰ হালত ব্যৱহাৰ কৰা ভাঁউৰি নামৰ সজুলিটোৰ পৰা। গোটিয়া ম'হৰ হালত নাঙলটোৰ নিচেই কাষতে শ'লমাৰিত এডাল বেঁকা এফলীয়া বাঁহ বন্ধা হয়। বাঁহডালৰ এটা মূৰ শ'লমাৰিত, আৰু আনটো মূৰৰ পৰা এডাল ৰচী ম'হটোৰ ডিঙিৰ ফালে থকা যুৱলীৰ লগত বন্ধা হয়। ম'হটোৱে মাজে মাজে ভাঁউৰিডালৰ ফালে মূৰটো ঘূৰাই ঘূৰাই চায়। নাচনীয়ে কঁকালত হাত দি পিছফালে মূৰটো ঘূৰাই এটা উল্লাস দিয়াকে ভাঁউৰি পাক বোলে। ভাঁউৰি পাক সাধাৰণতে বাওঁহাতে দিয়া হয়।

**(৬) এখন হাত কঁকালত আৰু এখন হাত খোপাৰ কাষত ৰাখি পাক ঃ** বিহুৱতীয়ে সাধাৰণতেই এখন হাতৰ তলুৱা কঁকালত আৰু এখন হাতৰ তলুৱা খোপাৰ কাষত ৰাখি নাচৰ মাজে মাজে পাক দিব বিচাৰে। এনে পাকৰ কোনো নামকৰণ পোৱা হোৱা নাই।

**(৭) দুয়োখন হাত খোপাৰ কাষত ৰাখি পাক ঃ** বিহুৱতীয়ে দুয়োখনি হাতৰ তলুৱা সামান্য বেকা কৰি খোপাৰ কাষত ৰাখি বিহুনাম আৰু ঢোলৰ ছন্দৰ মোখনি পৰাৰ সময়ত এক বিচিত্ৰ ভঙ্গিমাত এই পাক দিয়ে। দুয়ো হাতৰ তলুৱা খোপাৰ কাষত ৰাখি দিয়া ভঙ্গিমাৰ কোনো নামকৰণ পোৱা হোৱা নাই।

## বিহুনাচত শৰীৰৰ ভঙ্গিমা

বিহুনাচত পদচালনা আৰু হস্তভঙ্গিমাৰ ভিত্তিত শৰীৰটোৱেও কেতিয়াবা এক বিশিষ্ট ভঙ্গিমা পৰিগ্ৰহ কৰে। ৰসিকসকলে ইয়াৰো নামাকৰণ কৰিছে— (১) বুঢ়ী নাচ, (২) মাগুৰ নাচ/ৰিপ্‌ফৌ-ফিফৌ/নেউল নাচ, (৩) গিৰিপ গিৰিপ নাচ আৰু (৪) ঢেকী নাচ।

**(১) বুঢ়ী নাচ ঃ** বয়সস্থ নাৰীয়ে হাতত এডাল লাখুটি লৈ যোৱাৰ এটা অৱস্থান কল্পনা কৰা হওক। হাতৰ লাখুটিডাল এৰি তেওঁ যেতিয়া মনৰ উল্লাসত নাচে, তেতিয়া

তেওঁৰ বেঁকা হৈ থকা কঁকালটোৰ বাবে চাপৰি থকা যেন অনুমান হ'ব। তেওঁ হাত দুখনৰ তলুৱা দুখন মাটিৰ ফালে মূৰ কৰি গোটেই গাটো লৰাই যেনেধৰণে নাচে তাৰ পৰাই বুঢ়ীনাচ শব্দটোৰ প্ৰচলন হৈছে যেন লাগে। বুঢ়ী নাচত সামান্য বহাৰ নিচিনা কৰি ভৰিৰ তলুৱাৰে সামান্য জোকাৰণি মাৰি শৰীৰ সঞ্চালন কৰা হয়।

**(২) ৰিপ্‌ফৌ-ফিফৌ/নেউল নাচ/মাগুৰ নাচ ঃ** ৰিপ্‌ফৌ-ফিফৌ শব্দটো যোৰহাটৰ ৰংদৈ অঞ্চলত প্ৰচলিত। এই নাচত ঢোলৰ প্ৰচলিত বোলটো হ'ল-

ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম। ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম।
ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম। ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম।
ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম। ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম।
ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম। ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম।
তাকোঘেন গিঘেনচাকি ঘেনচাক । তাকধুম ইতিতাখ ধুমকিতা খিতিতাখ
তাকধুম ইতিতাখ ধুমকিতা খিতিতাখ । তাকধুম ইতিতাখ ধুমকিতা খিতিতাখ

এই নাচত প্ৰথমতে পুৰুষ নাচনিয়ে বৃত্তাকাৰে অৱস্থান কৰে। অৱস্থান কৰি প্ৰথমে বহাৰ নিচিনা কৰে। এই অৱস্থানতে বাওঁ ভৰি আৰু সোঁভৰিৰ তলুৱাৰ আগপতাৰ আশ্ৰয়ত সামান্য জপিওৱাৰ দৰে কৰে। আৰু এনে কৰি থাকোতে এখন হাতৰ কিলাকুটিৰ তলত আনখন হাতৰ তলুৱা ছন্দময় গতিত ৰাখে। আৰু হাতদুটা তলুৱা দুখন ছন্দোময় একেলগে এবাৰ বাওঁ হাতলৈ নিয়ে আৰু এবাৰ সোঁহাতলৈ নিয়ে। এইযে বহাৰ নিচিনা কৰাৰ ভঙ্গিমা, এই ভঙ্গিমাই লাহে লাহে বহাৰ আকৃতি গ্ৰহণ কৰে। ঢোলৰ এটা আৱৰ্তনৰ মূৰে মূৰে (ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম) বিহুৱা ক্ৰমান্বয়ে বহাৰ নিচিনা ভঙ্গিমা আৰম্ভ কৰে। আৰু শেষত তললৈ মূৰ কৰি নেউলৰ দৰে অৱস্থান কৰে। আৰু একেবাৰে শেষত বৃত্তটোৰ মধ্যভাগত বিহুৱাসকল ঠিয় হৈ থূপ খাই পৰে। তললৈ মূৰ কৰোতে ই মাটিত পেলাই থোৱা মাগুৰ মাছৰ দৰে দেখা যায় বাবে ইয়াক মাগুৰ নাচো বোলা হয়। (তেজপুৰৰ নিৰঞ্জন গোস্বামীয়ে সেই অঞ্চলত এই নাচক মাগুৰ নাচ বুলিছিল বুলি আমাক জনাইছে। ঢকুৱাখনাৰ ফাট বিহুতো এই নাচ আমি ২০১০ চনত প্ৰত্যক্ষ কৰিছো।) ৰিপ্‌ফৌ-ফিফৌ তাকোঘো মাঘোম ঢোলৰ ছন্দৰ পাছত- তাকোঘেন গিঘেনচাকি ঘেনচাক। তাকধুম ইতিতাখ ধুমকিতা খিতিতাখ- ঢোলৰ ছন্দত বিহুৱাই থিয় হৈ নাচে।

**(৩) গিৰিপ গিৰিপ নাচ ঃ** পুৰুষে কঁকালত হাত থৈ কঁকাল ভাঙি ভৰিৰ তলুৱা

দুখন সামান্য উঠাই মাটিত গিৰিপ গিৰিপ শব্দ কৰি নচাকে গিৰিপ গিৰিপ নাচ বোলা হৈছে। আজিকালি অৱশ্যে যুৱতীসকলেও মঞ্চত গিৰিপ গিৰিপ পদচালনাৰে নচা দেখা যায়।

**(৪) ঢেকী নাচ ঃ** ঢেকী দিওঁতে সাধাৰণতে বাওঁ ভৰিটো মাটিত ৰাখি সামান্য উলাহ দিয়ে আৰু সোঁ ভৰিটো উঠা-নমা কৰি থাকে। ঢেকী নাচত, ঢেকী দিয়াৰ নিচিনাকৈ পদচালনা কৰি আৰু সোঁ হাতখনেৰে বঢ়নি মাৰি অগা-পিছা কৰাৰ ভঙ্গিমা দিয়ে। আৰু ইয়াৰ লগত এটা বিশেষ বিহুনাম গোৱা হয়। বিহুনামটো গাবলৈ প্ৰায় আধা ঘন্টা সময় লাগে। তলত বিহুনামটিৰ দুটামান শাৰী দিয়া হ'ল -

বহম্‌বা বহম্‌বা - ঢেকীটো দেচোন
বহম্‌বা বহম্‌বা - বঢ়নিডাল মাৰচোন
বহম্‌বা বহম্‌বা - কাষতে নাথাকিবি বৈ
ঢেংক্লুচ ঢেংক্লুচকৈ
দি দে নাহৰৰ ঢেকীটো ঐ
খুন্দোনো বৰা ধানৰ চিৰা

বহম্‌বা বহম্‌বা - কেৰাহিখন পাতচোন
বহম্‌বা বহম্‌বা - কাষতে নাথাকিবি বৈ
ঢেংক্লুচ ঢেংক্লুচকৈ
দি দে নাহৰৰ ঢেকীটো ঐ
খুন্দোনো বৰা ধানৰ চিৰা

বহম্‌বা বহম্‌বা - জুইকুৰা ধৰচোন
বহম্‌বা বহম্‌বা - ধানকেইটা ভাজচোন
বহম্‌বা বহম্‌বা - কাষতে নাথাকিবি বৈ
ঢেংক্লুচ ঢেংক্লুচকৈ
দি দে নাহৰৰ ঢেকীটো ঐ
খুন্দোনো বৰা ধানৰ চিৰা

বহম্‌বা বহম্‌বা - খুলখালি আহচোন
বহম্‌বা বহম্‌বা - ঢেকীটো দেচোন

বহম্‌বা বহম্‌বা - কাষতে নাথাকিবি বৈ
ঢেংক্লুচ ঢেংক্লুচকৈ
দি দে নাহৰৰ ঢেকীটো ঐ
খুন্দোনো বৰা ধানৰ চিৰা ....

—এনেকৈয়ে চিৰা খুন্দা, পিঠা খুন্দা, সান্দহ খুন্দা আদি অনেক বিষয় গীতটোত যোগ হৈ হৈ গীতটো পৰিৱেশন কৰোতে আধাঘন্টা সময় পাৰ হয়। বৃত্তাকাৰ হৈ পুৰুষসকলে যেতিয়া এই গীতটোৰ লগত নাচে তেতিয়া ঢেকী দিয়া ভঙ্গিমাৰে পদচালিত হয় আৰু সোঁ হাতেৰে বঢ়নি মাৰি মৰা, আৰু বাওঁ হাতেৰে ওপৰৰ জৰি এডালত ধৰাৰ নিচিনা ভঙ্গিমা দিয়ে। গীতটোত 'ঢেংক্লুচ ঢেংক্লুচকৈ' অংশৰ পৰা ঢোলৰ ছন্দ খৰ হয়। তেতিয়া ঢেকী দিয়াৰ ভঙ্গিমা নাথাকে। আমি যোৰহাটৰ ৰংদৈ অঞ্চলৰ পহুচোৱা গাঁৱৰ জীৱেশ্বৰ দাসৰ পৰা ঢেকী নাচ শিকিছিলো।

পুৰুষৰ অতি আকৰ্ষণীয় নাচবিধ হৈছে লহৰি। লহৰিৰ ঢোলৰ বোল, পদ সঞ্চালন, হস্ত সঞ্চালনৰ বিবিধ ব্যাখ্যা দাঙি ধৰিছে ড° প্ৰদীপ নেওগে তেখেতৰ 'ৰঙালী বিহুৰ নৃত্য-গীত' গ্ৰন্থত। প্ৰৱন্ধটিত উল্লেখ কৰা বিহুনাচৰ ভঙ্গিমাসমূহৰ নাম বিভিন্ন লোকৰ মুখত শুনা। স্থানভেদে ইয়াৰ নাম পৃথকো হ'ব পাৰে। যোৰহাটৰ চিনামৰা অঞ্চলত টোকাৰি হাত নামৰ এটি আকৰ্ষণীয় পুৰুষৰ বিহুনাচ প্ৰত্যক্ষ কৰিছিলো। এই নাচত ঢোলৰ সাত মাত্ৰাৰ বোল ব্যৱহাৰ কৰা হয়। বোলটো এনেধৰণৰ -

ঘেন। খিতা। খিতা। ঘেন। দাও। ঘেন। দাও।
তাঘি। নিতা। খিতা। গিঘি। নাখ। ঘেন। S।

এনেকৈ বিভিন্ন অঞ্চলত বিভিন্ন নাচ আৰু নাচৰ নাম সিঁচৰতি হৈ আছে। ইবোৰৰ ভিতৰত কাঁহী ঘূৰুৱা নাচৰ নাম উল্লেখযোগ্য। কাঁহী ঘুৰুৱা নাচৰ বিভিন্ন ধৰণৰ ঢোলৰ বোল আছে আৰু সেই ধৰণে বিহুনামো আছে।

এই প্ৰৱন্ধত মাত্ৰ কেইটামান বিহুনাচৰ ভঙ্গিমাৰ নাম ব্যাখ্যা কৰিবলৈ সামান্য প্ৰচেষ্টাহে কৰা হৈছে।

★★★

# মুকলি বিহুৰ এক চমু অৱলোকন

**জ্ঞানেন্দ্ৰ বল্লভ গগৈ***

বিহু মূলত কৃষি ভিত্তিক উৎসৱ। কৃষিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে অসমীয়া জাতীয় কৃষ্টি বিহু। কিন্তু এই বিহু কেৱল উৎসৱেই নহয়। ই যৌৱনৰো প্ৰতীক। সৃষ্টিৰ প্ৰচুৰ সম্ভাৱনা নিহিত থকা এই বিহুৰ মাজতে লুকাই আছে অসম আৰু অসমীয়া জাতিৰ ভৱিষ্যত। তাহানিৰ সেই নৈ চাপৰি আদি প্ৰকৃতিৰ উন্মোক্ত পৰিবেশত উদ্‌যাপিত হোৱা এই বিহুৱে এদিন ৰজাঘৰীয়াৰ চোতাল গছকি আহি আজি মঞ্চৰ জৰিয়তে বাণিজ্যিকীকৰণৰ যুগত প্ৰৱেশ কৰিলেহি। বজাৰ অৰ্থনীতিৰ যুগৰ এই বিশ্বায়নৰ পৃথিৱীত এক প্ৰকাৰৰ পণ্যত পৰিণত হোৱা অসমীয়াৰ বাপতি সাহোন বিহুৱে ক্ৰমাৎ হেৰুৱাবলৈ আৰম্ভ কৰিছে ইয়াৰ মৌলিক সৌন্দৰ্য্য আৰু স্বকীয় গৰিমা। লগে লগে আৰম্ভ হৈছে জাতীয় কৃষ্টি সংস্কৃতিক লৈ এক অনাহুত বিতৰ্কৰ। বিহু হ'ল চহা জন জীৱনৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা লোক কৃষ্টিৰ উৎসৱ। চহাৰ কৃষি কৰ্মৰ ঘামৰ নিৰ্যাসত গঢ়ি উঠা বিহুৰ মূল শিপা ডালেই হ'ল কৃষি আৰু প্ৰকৃতি। চহাৰ কৃষি কৰ্ষণত সৃষ্টি হোৱা এই বিহুটিক প্ৰকৃতিৰ পৰা চিন্নমূল হৈ পৰা চহৰৰ যান্ত্ৰিক পৃথিৱীত বসবাস কৰা এচাম মধ্যবিত্তই কৃষ্টি আৰু উৎসৱৰ প্ৰকৃত সত্বা আৰু সৌন্দৰ্য্য উপলব্ধি নকৰি কেৱল উৎসৱত পালন কৰিবলৈ লোৱাৰ ফলত আৰম্ভ হৈছে সংঘাত আৰু অনাহুত বিতৰ্কৰ। যান্ত্ৰিকতাৰ গ্লেমাৰৰ পৃথিৱীত বাস কৰা এই চাম লোকে পাহৰি পেলাইছে যে বিহু বিলাসিতা আৰু ৰোগৰ উৎসৱ নহয়। পৃথিৱীত প্ৰত্যেকটো জাতিৰে প্ৰত্যেকটো লোক উৎসৱৰ একো একোটা বৃহত্তৰ সামূহিক উদ্দেশ্য থাকে। সেই উদ্দেশ্যেই মানুহৰ সৌন্দৰ্য্যবোধ, মানসিক উৎকৰ্ষণ আৰু সৃষ্টিশীলতাৰ পৰিচয় দিয়ে। সেয়ে উৎসৱ সদায় পৰিশীলিতাৰে মাৰ্জিত হোৱা উচিত; কাৰণ সৃষ্টিশীলতাৰ বাবেই এটা জাতিয়ে সময়ৰ বুকুত বিকাশ লাভ কৰে। গতিকে সংস্কৃতি জাতিৰ মূল সত্বা, জাতীয় জীৱনৰ এই মূল সত্বা পৰম্পৰা আৰু ঐতিহ্যক ৰক্ষা কৰাটো সমাজৰ প্ৰত্যেকজন সচেতন লোকৰে কৰ্ত্তব্য আৰু দায়িত্ব। আনহাতে, বিহু সন্মিলন পাতি বিহুৰ যি সংৰক্ষণ বা সংবৰ্ধনৰ প্ৰয়াস অসমবাসীয়ে

*যুৱ কবি, প্ৰসিদ্ধ ঢুলীয়া শিল্পী।
ঠিকনা— তিতাবৰ, যোৰহাট। যোগাযোগ নং- ৭৮৯৬৬-১৬২১২।

হাতত লৈ আহিছে সি তেতিয়া সাৰ্থক হ'ব, যেতিয়া ইয়াৰ মৌলিক সৌন্দৰ্য্য আৰু স্বকীয়তা অক্ষুণ্ণ থাকিব। গতিকে আমি সকলো অসমীয়া একেলগ হৈ আমাৰ জাতিৰ ভৱিষ্যতৰ স্বাৰ্থত আজি সকলোৱে সুস্থ আৰু মাৰ্জিত উৎসৱ অনুষ্ঠিত কৰি বিহুৰ সমন্বয়ৰ এনাজৰী ডালেৰে আমাৰ বিভিন্ন থলগিৰি মানুহৰ মাজত একতা আৰু সম্প্ৰিতী গঢ়ি তোলাটোহে শ্ৰেয়; কাৰণ ব'হাগ যে অসমীয়া জাতিৰ এটি সংকল্পৰ মাহ।

উল্লেখ নিষ্প্ৰয়োজন যে ১৬৯৮ চনত স্বৰ্গদেউ ৰুদ্ৰ সিংহই ৰজা প্ৰজা উভয়ে মিলি ৰংঘৰৰ বাকৰিত বিহু চাবলৈ আৰম্ভ কৰাৰ পৰাই চহা সকলে নিজ নিজ বিহুদল সমূহক নিজস্ব প্ৰজ্ঞাৰ জ্যোতিৰে স্বকীয় ভাৱে উজলাই তুলিছিল। ইয়াৰ পিছৰে পৰা অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৱে নিজকে ন-ৰূপে সজাই পৰাই তুলিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছতেই ১৯১২ চনত নগাঁওৰ কলং পাৰৰ বাকৰিত, ১৯৪১ চনত শিৱসাগৰৰ নাট্য মন্দিৰ ইত্যাদি বিভিন্ন মঞ্চত বিহুৱে নিজকে বিশ্ববাসীৰ ওচৰত চিনাকি দি আহিছে।

যি কি নহওঁক, সাধাৰণীকৃত কৰি ক'বলৈ গ'লে ১৯৫২ চনত অসমৰ সিংহ পুৰুষখ্যাত শ্ৰদ্ধাৰ ৰাধা গোবিন্দ বৰুৱাৰ নেতৃত্বত অসমৰ বাপতি সাহোন ৰঙালী বিহুৱে এখন সুকীয়া মঞ্চ লাভ কৰে। ক্ৰমাৎ আগুৱাই গৈ প্ৰতিযোগিতাৰ যুগ পালেহি আৰু এই প্ৰতিযোগিতাৰ যুগতেই সকলোৰে সুবিধাৰ বাবে বিহুক বিভাজন কৰা হ'ল।

আদি যুগৰো আগৰে পৰা বা প্ৰাক-শংকৰী যুগৰ আগলৈকে অনাখৰি তথা চহা জন জীৱনৰ কৃষি ভিত্তিক উৎসৱ হিচাপে প্ৰচলন হৈ থকা বিহু উৎসৱ মাত্ৰ দুটা ভাগতেই পোৱা গৈছিল; সেইকেইটা হ'ল— **প্ৰথমতে**, চহা সকলে মনৰ আনন্দতে স্বতঃস্ফুৰ্ত ভাৱে গীত গাই নাচি পৰিবেশন কৰা গছ তলৰ বিহু। **দ্বিতীয়তে,** কাম বন সামৰি মনৰ আনন্দতে ৰাতি চেমনীয়া তথা ডেকা সকলে গোৱা 'ৰাতি বিহু'।

প্ৰাক শংকৰী যুগৰ মাজ ভাগৰ পৰাই ৰজা, ডা-ডাঙৰীয়া সকলৰ চোতালত বিহু গোৱাৰ নিয়ম হ'ল যদিও শংকৰী যুগত নৱ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ বিহুত বাৰুকৈয়ে পৰিল। আনহাতে ডা-ডাঙৰীয়া সকলৰ মনত কেৱল পুৰুষসকলে গোৱা বিহুক এটি নিৰ্দিষ্ট নামেৰে নামাকৰণ কৰা হ'ল— "**হুঁচৰি**"। এই হুঁচৰিতেই প্ৰথমে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিল যদিও বিহু উৎসৱৰ গীত-মাত বোৰত যি উপভোগৰ

নিদৰ্শন পৰিস্ফুট হয় সেই নিদৰ্শন ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিলে আৰু তাৰ ঠাই ল'লে নৱবৈষ্ণৱ ধৰ্মই। উদাহৰণ—

**আদিযুগৰ পৰা প্ৰাক শংকৰী যুগৰ মাজ ভাগ ঃ** (ক) "হুঁচৰি এ হাই/তইহে মাত/তইহে মাত/আইয়ে নপথিয়াই।" (খ) "মেঘে ঘিতে ঘিতাই/ মেঘে গিৰে গিৰাই/ বেথাবৰ ঐ/ কোঁৱৰৰ বাতৰি পোৱা নাই অ'।"

**শংকৰী যুগৰ পৰা ঃ** (ক) "কৃষ্ণঙাই মুৰৰে/বকুল ফুল এপাহি/নিঁয়ৰ পাই মুকলি হ'ল ঐ/ গোবিন্দাই ৰাম।" (খ) "কৃষ্ণ ৰাম/নাৰায়ন/ গোবিন্দ জয় জয়।"

এনেদৰেই ক্ৰমাৎ আগবাঢ়ি আহি বিহুৱে ন-ন ৰূপ ধাৰণ কৰি বিশ্ববাসীৰ ওচৰত বিদ্যমান হৈ পৰে; তাৰে ভিতৰত হুঁচৰি, জেং বিহু, ৰাতি বিহু, মুকলি বিহু আদিয়েই অন্যতম। যিহেতু এই লেখাচিত্ৰত মোক মাথোঁ মুকলি বিহুৰ উপস্থাপন শৈলীৰ বিষয়েহে আলোচনা কৰিবলৈ কৈছিল, সেইবাবে পোনে পোনে মই এইবাৰ মুকলি বিহুৰ কথালৈ আহো।

## মুকলি বিহু

'মুকলি বিহু' কি বুলি যদি কোনোবাই মোক প্ৰশ্ন কৰে তেতিয়া মইয়ো তাহানিতে পণ্ডিত চেণ্ট আগষ্টাচে কবিতাৰ সম্পৰ্কত কোৱা কথাষাৰকে ক'ব লাগিব যে বিহু বা মুকলি বিহু এনেকুৱা এবিধ কৃত্য যাৰ বিষয়ে নুসুধিলে বহু কথাই ক'ব পাৰি অথচ সুধিলে একোকে ক'ব নোৱাৰি। বুৎপত্তিগত অৰ্থত ক'বলৈ হ'লে যি অনুস্থানত অসমৰ ডেকা-গাভৰু সকলে একেলগ হৈ বৰ গছ, নদীৰ পাৰ, চাপৰি আদিৰ দৰে মুকলি ঠাইত মনৰ আনন্দতে, ঢোল পেপাৰ তালে তালে নাচ-বাগ তথা নৃত্য-গীত কৰাৰ লগতে তেওঁলোকৰ মনৰ আনন্দ, পোৱা নোপোৱা, মনৰ গোপন অগোপন কথাসমূহ ফুটি উঠে তেনে ধৰণৰ অনুস্থানকে 'মুকলি বিহু' বুলি ক'ব পাৰি। মুকলি বিহুত পদ ঘোষা আদি গোৱা নহয় আৰু শংকৰী যুগত সুধী হোৱা হুঁচৰিৰ দৰে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱো পোৱা নাযায়। মুকলি বিহুত চহা মনৰ পৰান পমোৱা উলাহ, উচাহ, পোৱা-নোপোৱা, হৰ্ষ-বিষাদ আদি অনেক ভাৱ ব্যঞ্জনাই ঠাই পায়। মানুহৰ হৃদয়ানুভূতিৰ পৰা সৃষ্টি হোৱা প্ৰেম বিৰহ আদি ইয়াৰ মূল উপজীব্য। উদাহৰণস্বৰূপে—

(ক) “বৰঘৰৰ মুধতে/কপৌৱে কুৰুলিয়াই/ ফেঁচাইনো কুৰুলিয়াই ডালত;
অন্তৰৰ ভিতৰত/মনেনো কুৰুলিয়াই/ তোমাকনো পায় যৌৱনৰ কালত।”

(খ) “মতা ম’হৰ বেজাৰত/মাইকী ম’হ মই বেছিলো/কৰিয়া ঐ তুলিলো চাঙত;
তোমাৰে ঐ বেজাৰত/ঘৰ বাৰী মই এৰিলো/ সোমালো গৈ কোম্পানীৰ কামত।”

যোজনা, যোৰা নাম, জাত নাম, ফকৰা-যোজনা, খৰ নাম আদি মুকলি বিহুৰ মূল উপজীব্য। এই কৃত্য সমূহৰ সংমিশ্ৰনতে মুকলি বিহু সমূহ সম্পূৰ্ণ হৈ পৰে। সেইবাবে এই কৃত্য সমূহৰ বিষয়ে অতি চমুকৈ এটি আলোচনা তলত দাঙি ধৰা হ’ল—

**যোজনা ঃ** অসমীয়া জনগনক যোজনা কি নতুনকৈ কোৱাৰ কোনো প্ৰয়োজন নাই তথাপি কওঁ, একোটা বিশেষ পৰিস্থিতি বা বিষয়বস্তুৰ তুলনা বা ৰিজনি দিবলৈ ব্যৱহাৰ কৰা সাহিত্যিক গুণ সম্পন্ন বাকভংগীয়েই হ’ল ‘যোজনা’। অসমীয়া বাপতি সাহোন বিহুত বিভিন্ন ধৰণৰ যোজনা পোৱা যায় যদিও মুকলি বিহুত ব্যৱহৃত যোজনা সমূহ সাধাৰণতে প্ৰেম মূলক হয়। ইয়াৰ মাজত কিছুমান বাৰ্তা পোৱাৰ লগতে অসমীয়া ভাষাৰ ৰূপ বা উপমা, চিত্ৰকল্প আদিৰ অৱস্থিতিৰ উমান পোৱা যায়। উদাহৰণ স্বৰূপে—

(ক) “ন-বাৰীৰ পচলা/তেৰটি মচলা/সাত বিধ তেলীয়া তেল;
আহ ঐ ৰঙিলী/ আহ ঐ পমিলী/বিহুতলীত পাতিছে মেল।”

(খ) “কেলৈ ফুলিলি/ৰূপহী মদাৰ ঐ/কেলৈ পেলালি কলি;
গুৰুতো নালাগে/ভকততো নালাগে/যাবা তলে ভৰি সৰি।”

**যোৰা নাম ঃ** সাধাৰণতে যি বিলাক গীত এজনে আনজনক জোকাবলৈকে গোৱা হয় তাকে ‘যোৰা নাম’ বুলি কোৱা হয় যদিও উল্লেখিত বিষয়টিয়েই যোৰা নামৰ মূল উদ্দেশ্য নহয়। এই যোৰানাম সমূহৰ মাজেদি বিহুৱা বিহুৱতীসকলে নিজৰ মনৰ ভাবো প্ৰকাশ কৰা দেখা যায়। তদুপৰি এই গীত মাত সমূহৰ যোগেদি চহা সকল যে এটা শৈল্পীক মনৰ অধিকাৰী আছিল তাৰো উমান পোৱা যায়। উদাহৰণ স্বৰূপে—

(ক) **গাভৰু ঃ** “কাহৰে বাতিটি/ঘিতিঙাই বাজিলে/নাজানি সুধিলো কোন;
আহিবলৈ কলো/ফুট গধূলিতে/ভটিয়াই গলেগৈ জোন।”

**ডেকা ঃ** “যেতিয়াই মাতিলা/ তেতিয়াই আহিলো/তুমি খাই আছিলা ভাত;
ভমকাফুলীয়া/বৰযুণ দিছিলে/মূৰত বৰ কছুৰে পাত।।”

(খ) **ডেকা ঃ** “আকাশৰ চন্দমা/যিমান দিন থাকিব/পৃথিৱীতে পৰিব ছায়া;
তোমাৰ মোৰ মৰমবোৰ/সিমান দিন থাকিব/উথলি ঐ থাকিব হিয়া।”

**গাভৰুঃ** “উৰিলে বগলী/লেখো মই বগলী/উৰিলে ঐ বগলী লেখো;
নৈৰ পানীটুপি/লওঁ যদি খাবলৈ/তাতেনো তোমাৰ ছবি দেখো।”

**জাত নাম ঃ** মুকলি বিহুৰ এক অবিচ্ছেদ্য অংগ হ’ল ‘জাত নাম’। এই জাত নাম সমূহৰ মাজতেই বিহুৱা-বিহুৱতী সকলৰ মনৰ গোপন অভিব্যক্তিৰ উমান পোৱা যায়। উদাহৰণ স্বৰূপে—

“ৰুনু জুনু/ কেঁচা সোণ/ঘূৰি ঘূৰি নাচাছোন;
নাচোনৰে চেওতে/ঐ জান/হাঁহি এটি মাৰাচোন।।” —এই জাতবিলাক মূল নামযাৰৰ লগত সংযোগ কৰি কৰি গাব পাৰি।

**ফকৰা যোজনা ঃ** ‘ফকৰা যোজনা’ এবিধ বিশেষ ধৰণৰ যোজনা। এই ধৰণৰ গীতৰ যোগেদি ইজনে-সিজনক জোকোৱা হয় যদিও ইয়াৰ গূঢ়াৰ্থ অভিধাতকৈ পৃথক। সাধাৰণীকৃত কৰি ক’বলৈ গলে এইবিধ কৃত্যত ব্যঞ্জণাৰ্থৰ পূৰ্ণ প্ৰভাব দেখা যায়। জাত সংযোগ এইবিধ কৃত্যৰ আন এটি লেখত ল’ব লগীয়া বৈশিষ্ট। উদাহৰণ স্বৰূপে—

(ক) **ডেকা ঃ** “ভোগদৈ নদীখন/একোৰা বেকোৰা/কাকডোঙাৰ লেতেৰা পানী;
ছোৱালী লেতেৰা/বিজুলী চকুৱা/মুখতনো মিচিকিয়া হাঁহি।”

(খ) **গাভৰু ঃ** “আহো বৰতলে/যাঁও বৰতলে/বৰৰে ধপলা পাত;
বৰৰে তলতে/জোকাই মোক নলবি/ওলাব ঐ কেটেৰা মাত।”

**জাত ঃ** “হেৰৌ লিতিকাই/নাহাঁহিবি মিচিকাই/যৌৱন গলে পাবলৈ নাই।”

**খৰ নাম ঃ** মুকলি বিহুৰ আন এবিধ লেখত ল’ব লগীয়া সম্পদ হ’ল ‘খৰ নাম’। এই ধৰণৰ গীতসমূহ বিহুৱা-বিহুৱতী সকলে খুব খৰকৈ গোৱা বাবেই খৰ নাম বুলি কোৱা হয় যদিও খৰকৈ গোৱাটোৱেই এই গীত সমূহৰ একমাত্ৰ বৈশিষ্ট নহয়। ইয়াৰ যোগেদি বিহুৱা সকলে বিহুৱতী সকলক অথবা বিহুৱতীসকলে বিহুৱা সকলক এক গুৰুত্বপূৰ্ণ তথা অতি গোপনীয় সংবাদ দি যোৱা পৰিলক্ষিত হয়। বোধ কৰো, তেওঁলোকৰ বাদে কোনো তৃতীয় পুৰুষে সেই সংবাদ বুজি পাব নোৱাৰে। সেইবাবেই

চাগে এই ধৰণৰ গীত মাতবোৰ বিহুৱা-বিহুৱতী সকলে খৰকৈ গোৱা পৰিলক্ষিত হয়। অন্যহাতে, এই ধৰণৰ বিহুগীত সমূহ বিহুৰ সামৰণিৰ আগমুহূৰ্তত গোৱা হয় বাবেও চাগে অতি খৰকৈ গোৱা পৰিলক্ষিত হয়।

**খৰ নামৰ উদাহৰণ—**

(ক) "ম'হৰ নাকী ঘোড়াৰ লেকাম/দিচাং মুখত জাহাজ ৰখাম; চাৰি আলিৰ চাহৰ দোকান/বাটত পালে তোমাক জোকাম/ নক'বা দেই/নক'বা দেই/ৰাতি বিহু চাবলৈ/ৰাতি বিহু গাবলৈ যাম।"

(খ) "জাকৈ ঘূৰাই ঘূৰাই/বাবা ঐ নাচনি/জাকৈ ঘূৰাই ঘূৰাই বাবা; লগৰ সমনীয়াই/সুধিলে নাচনি/ক'বা ঐ নাচনি/আমাৰ নো যোৰ ভাঙোতা/আমাৰনো যোৰ ভাঙোতা নাই।"

**মুকলি বিহুৰ নিয়মাৱলী ঃ** সাম্প্ৰতিক সময়ত মুকলি বিহুৰ উপস্থাপন শৈলীৰ বিষয়ে বিভিন্ন জনৰ বিভিন্ন মত দেখিবলৈ পোৱা যায়। তাৰ মাজতে কেতিয়াবা মুকলি বিহু পৰিবেশনৰ ক্ষেত্ৰত বিহুৱা ডেকা প্ৰথমে মঞ্চত উঠিব নে বিহুৱতী প্ৰথম মঞ্চত উঠিব এই লৈয়ো ভিন্ন মতানৈক্য হোৱা দেখা যায় যদিও আজিকোপতি এটা সৰ্ব্বজনগ্ৰাহ্য মত পোৱা নাযায়। সেইবাবেই বিহুৱা বিহুৱতী সকলেও এটা দুমোজাৰ মাজত সময় পাৰ কৰা পৰিলক্ষিত হয়।

যি কি নহওঁক, এটা কথা মানি ল'ব পাৰি যে মুকলি বিহু পৰিবেশনৰ ক্ষেত্ৰত ডেকাই প্ৰথমে মঞ্চত উঠিব নে গাভৰু প্ৰথম মঞ্চত উঠিব এই লৈ বিতৰ্ক নকৰাই শ্ৰেয়। চহা জনগনৰ সৃষ্টি লোক-কৃষ্টিৰ এই পদ সোণসেৰীয়া সম্পদ যেই যিদৰে উপস্থাপন কৰে সেইদৰেই শুদ্ধ। উদাহৰণ স্বৰূপে—

*কোনো এটা বিহুদলে মুকলি বিহু পৰিবেশন কৰোতে প্ৰথমে ডেকাসকলে ঢোল-পেঁপা বাঁহী বজাই বাদ্য সমূহৰ তালে তালে গীত গাই নৃত্য কৰি মঞ্চলৈ সোমাই গ'ল আৰু এটি যুৰীয়া যোজনা গালে; তাৰ উত্তৰ হিচাপে গাভৰুসকলেও এফাকি যোজনা গাই গীতৰ তালত মঞ্চলৈ সোমাই আহিল। নাইবা বিহুৱা সকলে বাদ্যৰ তালে তালে নৃত্য গীত কৰি ভিতৰলৈ সোমাই গ'ল আৰু বিহুৰ জুৰণি হিচাপে যোজনা এটা গাই*

*নাচনি উপস্থাপনৰ গীত এটা গালে আৰু সেই গীতৰ তালতে তাল মিলাই নাচনী সকলে নাচি নাচি মঞ্চৰ ভিতৰলৈ সোমাই আছিল। ইয়াত মুকলি বিহুৰ ক্ষেত্ৰত কোনোটোৱেই অপ্ৰযোজ্য নহয়। আকৌ এটা বিহু দলৰ যদি গাভৰুসকলে বিহুৰ যোজনা এটা গাই প্ৰথমে মঞ্চলৈ সোমাই গৈ এটি যোৰা নাম গাই আৰু সেই যোৰা নামৰ উত্তৰ হিচাপে বিহুৱা সকলেও এফাকি বিহু গাই মঞ্চৰ ভিতৰলৈ সোমাই যায় সেইটোও মুকলি বিহুৰ ক্ষেত্ৰত কোনো অবাঞ্চনীয় কথা নহয়।*

উল্লেখিত কোনোটো কথাই মুকলি বিহুৰ ক্ষেত্ৰত অপ্ৰযোজ্য নহয় যদিও ইয়াৰ মাজত অন্যান্য বিহু (হুঁচৰি, ৰাতি বিহু)ৰ অনুষ্ঠান সমূহৰ লগত মুকলি বিহুৰ পৰিবেশন শৈলীৰ ক্ষেত্ৰত কিছুমান পাৰ্থক্য দেখা যায় আৰু সেই পাৰ্থক্য সমূহেই অন্যান্য বিহুৰ তুলনাত মুকলি বিহুক পৃথক কৰি তুলিছে। তলত সেয়ে মুকলি বিহুৰ উপস্থাপন শৈলীৰ কেইটামান মত দাঙি ধৰা হ'ল—

যি কি নহওঁক, মোৰ আজো ককাৰ দিনৰে পৰা মুকলি বিহুৰ উপস্থাপন শৈলীৰ সম্পৰ্কে যি দেখিছো বা জানিছো আৰু মোৰ ঢোল বাদনৰ গুৰু স্বৰ্গীয় বনচোম ওজাৰ পুত্ৰ জগত ওজা (যোৰহাট), গণশিল্পী বগাই বৰা ওজা (যোৰহাট), শিল্পী গোবিন হাজৰিকা ওজা (গোলাঘাট), প্ৰখ্যাত ঢুলীয়া মহেন্দ্ৰ চুতীয়া ওজা (তিতাবৰ) আদিৰ পৰা মুকলি বিহুৰ ওপৰত যি জ্ঞান লাভ কৰিছো তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই মই মুকলি বিহুৰ উপস্থাপন শৈলীৰ ওপৰত কেইটিমান মত প্ৰকাশ কৰিছো।

(ক) মুকলি বিহুৰ পৰিবেশনৰ ক্ষেত্ৰত বিহুৱা সকল প্ৰথমে মঞ্চলৈ উঠিব লাগিব নে বিহুৱতী সকল মঞ্চলৈ উঠিব লাগিব তাৰ কেনো ধৰা বন্ধা নিয়ম নাই। তাৰ পৰিবৰ্তে এটা কথা লক্ষ্য কৰা উচিত যে মুকলি বিহুৰ যি প্ৰকৃত সত্বা তাক ফুটাই তোলাটোহে আচল কথা।

(খ) সাম্প্ৰতিক সময়ত বিভাজন হোৱা অন্যান্য বিহু সমূহৰ দৰে মুকলি বিহুটো ঢোল, পেঁপা, গগণা, সুতুলি, তাল, বাঁহী, টকা আদি বিহুৰ সকলো বাদ্য যন্ত্ৰই ব্যৱহাৰ কৰা দেখা যায়।

(গ) ৰাতি বিহুৰ দৰে মুকলি বিহুত যোৰা নামৰ অতিমাত্ৰিকতা দেখা পোৱা

নাযায় যদিও বিভিন্ন ধৰণৰ বিহুগীতৰ পয়োভৰ দেখা যায়। তাৰ ভিতৰত যোজনা, যোৰা-নাম, জাত নাম, ফকৰা যোজনা, খৰ নাম আদি অন্যতম।

(ঘ) হুঁচৰিৰ দৰে বুঢ়া চেওঁ, কছাৰী চেওঁ, দুমানী চেওঁ, লহৰি আদিৰ প্ৰয়োভৰ মুকলি বিহুত দেখা পোৱা নাযায়।

(ঙ) হুঁচৰিৰ দৰে ডেকা বিহুৱাৰ কাহী ঘুৰোৱা নাচ, লহৰি খেল আদি মুকলি বিহুত দেখিবলৈ পোৱা নাযায়।

(চ) মুকলি বিহুৰ গীত মাতবোৰ হাবি বিহুৰ দৰে অশ্লীল হ'ব নালাগে।

(ছ) হুঁচৰিৰ এক এৰাব নোৱাৰা অংগ বীণ। এই বাদ্যটিৰ প্ৰয়োগো মুকলি বিহুত দেখা পোৱা নাযায়।

(জ) হুঁচৰি বা চোতাল বিহুৰ দৰে মুকলি বিহুত পদ ঘোষা আদি গাই আশীৰ্বাদ দিয়া দেখা নাযায়।

(ঝ) মুকলি বিহুত ৰাতি বিহুৰ দৰে ডেকা আৰু গাভৰু সকলৰ লগত একোজনকৈ ধাই বা অভিভাৱক অহা দেখা নাযায়।

(ঞ) মুকলি বিহু যিহেতু প্ৰথমৰে পৰা এখন সমাজ তথা এটা অঞ্চলৰ সমগ্ৰ জনসাধাৰণৰ তত্বাৱধানত অনুস্থিত হৈছিল সেইবাবেই ইয়াত ৰাতি বিহুৰ দৰে গাভৰু সকলে বিহু গোৱা লুকাই চাই থকা, বিহু গাই থকা দেখি লগৰ সমনীয়াক মাতি অনা আদি কল্প চিত্ৰ ফুটাই তোলাৰো কোনো প্ৰয়োজন নাই।

(ট) ৰাতি বিহুৰ দৰে মুকলি বিহুত এটি হুলস্থুলীয়া পৰিবেশ বা অমাৰ্জিত হ'ব নালাগে; ইয়াৰ পৰিবৰ্তে মুকলি বিহুত সাজ-পাৰৰ পৰা আদি কৰি নাচ বাগলৈকে এটা মাৰ্জিত ৰূপ ফুটি উঠিব লাগে।

(ঠ) মুকলি বিহুত বিহুৱা বিহুৱতীসকলে মাৰ্জিত, পৰম্পৰাগত তথা জাতীয় সাজপাৰ পৰিধান কৰিব লাগে।

এইটো নক'লেও হ'ব যে, উল্লেখিত নীতি বিষয় সমূহৰ উপৰিও মুকলি বিহু পৰিৱেশনৰ ক্ষেত্ৰত আন বহুতো নীতি-নিয়ম পৰিলক্ষিত হোৱা দেখা যায়। যি কি

নহওঁক, এটা কথা ক'ব পাৰি যে উপৰোক্ত নিয়মসমূহ মুকলি বিহু পৰিবেশনৰ ক্ষেত্ৰত মানি চলিলেহে মুকলি বিহু অনুষ্ঠানটো দেখাত শুৱনি আৰু দৰ্শকৰ মনোগ্ৰাহী হয়।

সাম্প্ৰতিক সময়ত মুকলি বিহুৰ উপস্থাপন শৈলীক লৈ বিভিন্ন মতানৈক্য হোৱা দেখা যায়। এই মতানৈক্য গাঁও, চহৰ, মহানগৰ আদিতে আৱদ্ধ নাথাকি দূৰদৰ্শনৰ মজিয়া গছকাও পৰিলক্ষিত হয়। কিন্তু এই ধৰণৰ আলোচনাৰ পৰা এটা সুস্থ মত হোৱাৰ পৰিবৰ্তে উভয় দলৰ মাজত এখন তৰ্কযুদ্ধহে দেখিবলৈ পোৱা যায়। ই আমাৰ জাতিটোৰ বাবে ক্ষতিকাৰক। আমি আশাবাদী, এই ধৰণৰ আলোচনাবোৰৰ ফল হিচাপে এদিন মুকলি বিহুৰ সম্পৰ্কে এটি সুস্থ আৰু সৰ্বগ্ৰাহ্য সংজ্ঞা পাম। এই সংজ্ঞা যে যথাৰ্থ, যুক্তিনিষ্ঠ, সু-সংগবদ্ধ, সুনিশ্চিত আৰু প্ৰামাণিক হ'ব তাৰো কোনো সন্দেহ নাই। অন্যথা যদি আমি আমাৰ লোক-কৃষ্টি সমূহৰ বিষয়ে সময় থাকোতেই এই সুস্থ ধাৰণা কৰিব নোৱাৰো তেতিয়া অনাগত দিনত উত্তৰ পুৰুষে অসমীয়া জাতিৰ ধ্বংসৰ কাৰক হিচাপে আমাকেই জগৰীয়া কৰিব তেতিয়া কিন্তু আমাৰ ভুল শুধৰণিৰ বাবে কোনো অৱকাশ নাথাকিব; কাৰণ ভাষা, কৃষ্টি-সংস্কৃতি, লোকাচাৰ, পৰম্পৰা আদিৰ অবিহনে এটা জাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে। এই কথা আমি সকলো অসমীয়াই সময় থাকোতেই হৃদয়ংগম কৰা উচিত। সদৌ শেষত দুটা নাচনি চেওঁৰে মোৰ আজিৰ লেখা সামৰণি মাৰিলো—

**নাচনি চেওঁ ঃ** (ক) ধিন তাখি, ধিন তাখি, ধিন তাখি, ধিন তাখি, তাখিতিঘেন খিতাউৰু-ঘেন-উৰু-ঘেন-উৰু-ঘিন তাখ তিঘেনাখ তাখিতিঘেন তাখ, ধেংকুৰ দাওঁ ধূৰ ধিলাপিচা মিৰিদাওঁ, ধেংকুৰ দাওঁ ধুৰ ধিলপিচা মিৰিদাওঁ, খিত তাক তিঘেনাখ তাখিতিঘেন তাখ ধেংকুৰ দাওঁ ধুৰ ধিলপিচা; মিৰিদাওং, ধেংকুৰ দাওঁ ধুৰ ধিলপিচা মিৰিদাওঁ, ঘিন তাখ তিঘেনাখ, খিত তাখ তিঘেনাখ ঘেন উৰু ঘেন উৰু ঘিন খিতা খিতা খিতা খিতা তিঘেনাখি ঘেনি ঘিন তাক তাতাখ তাখ ধুধুৰ ধেংকুৰা তালিখিতি, তাখধুধুৰ ধেংকুৰা তালিখিতি ধিনতা ঘেন খিতা উৰু ঘেন উৰু ঘেন উৰু ঘেনতাঘেনীতি ঘেনী তাখিঘেন ঘেন তাখ ঘিন।

(খ) তাখ তাখী তিঘিন, ঘিন তাখি তিঘিন, তাখ তাখি তিঘিন, ঘিন তাখি তিঘিন তাখ তাখি তাখ তাখিতাখিতিঘেনখিতাউৰু ঘিন তাখ ধুন তাখ ধিলপিচা মিৰিদাওঁ

ধুৰ ধুৰ দাওঁ দাওঁ, তাখিতিঘেন খিতাউৰু ঘিন তাখ ধুন তাখ ধিলপিচা মিৰিদাওঁ ধুৰ ধুৰ দাওঁ দাওঁ, তাখিতিঘেন খিতাউৰু ঘিন তাখ, তাখিতিঘেন খিতাউৰু ঘিন তাখ, তিঘেনীতি ঘিন ঘিন, তিঘেনীতি ঘিন তাখ, তিঘেনীতি ঘিন ঘিন, তিঘেনীতি ঘিন তাখ, তিঘেনাখ তিঘেনাখ তালপিচি মিৰিদাওঁ ধিলপিচা মিৰিদাওঁ, তালপিচি মিৰিদাওঁ ধিলপিচা মিৰিদাও, তালপিচি মিৰিদাওঁ ধুৰ দাওঁ পিচিমিৰি দাওঁ ধুৰ তাখ তাখি ঘিন ঘিনা খিত তাখী, খিতিঘিনা খিততাখি খিত তাখ ঘিন ঘিন ঘিন তাখ তাখ তাখ, ঘেন কোঢ়া খিতিঘিনা, খিতকোঢ়া খিতিঘিনা খিত তাখ ঘিন ঘিন। তাখ ঘিন ঘিন তাখ ঘিন।

* * *

# প্ৰসংগ ঃ মুকলি বিহু

## (ধেমাজি জিলাৰ বিশেষ উল্লিখন)

**বুদ্ধেশ্বৰ কোঁৱৰ***

মুকলি বিহুৰ পৰম্পৰা প্ৰাচীন নহয়। মুকলি বিহুৰ ঐতিহ্য বিচাৰি চালে দেখা যায় যে মুকলি বিহু নামটোৱেই বিহুৰ ইতিহাসত নতুন সংযোজন। পুৰুষ আৰু মহিলাৰ সন্মিলিত পৰিৱেশনৰ এই নতুন ৰূপটিৰ সৃষ্টি স্বতঃস্ফূৰ্ত নহয়, প্ৰয়োজন সাপেক্ষহে। বিহুৱে প্ৰকৃতিৰ বাকৰি এৰি মঞ্চলৈ পৰ্যবেসিত হোৱাৰ সময়তে পৰিৱেশ্য ৰূপৰ মৌলিক পৰিৱৰ্তনৰ পৰম্পৰাও আৰম্ভ হ'ল। তেনে সময়তে পুৰুষ-মহিলাই একেলগে পৰিৱেশন কৰা বিহুৰ এই নতুন ৰূপ 'মুকলি বিহু'ৰ জন্ম হ'ল বুলি ক'ব পাৰি। 'মুকলি বিহু' শব্দটি কোনে কেতিয়া প্ৰথম ব্যৱহাৰ কৰিছিল সঠিকভাৱে জনা নাযায়। সম্ভৱতঃ সত্তৰৰ দশকৰ পৰাই এই নতুন শৈলীৰ বিহু মঞ্চত পৰিৱেশিত হৈছিল আৰু তাক মুকলি বিহু নামেৰে নামকৰণ কৰা হ'ল। বৰ্তমান সময়ত মুকলি বিহুৰ ৰূপ-ৰং সম্পৰ্কে সততে আলোচনা-সমালোচনা হৈ থকা দেখা গৈছে। কিন্তু ইয়াৰ নাম-নাচ আৰম্ভণি-সামৰণি তথা পৰিৱেশন শৈলীক লৈ ভিন্নজনে ভিন্ন মত আগবঢ়াই আহিছে। কোনোৰ মতে নাচনীয়ে আগতে মঞ্চত প্ৰৱেশ কৰিব লাগে আৰু কোনোৰ মতে পুৰুষেহে মঞ্চত প্ৰথম প্ৰৱেশ কৰিব লাগে। তেনে দোমোজাৰ মাজত থাকি প্ৰকৃতাৰ্থত মুকলি বিহুৰ ৰূপ কেনে হ'লে বিহুৰ মৌলিকতা যৎকিঞ্চিত হ'লেও ৰক্ষা পৰিব সেই বিষয়ে পদ্ধতিগতভাৱে বিশ্লেষণ কৰাৰ প্ৰয়োজন নিশ্চয় আছে।

মুকলি বিহুৰ প্ৰাচীন ৰূপ আৰু ইয়াৰ শৈলী সম্পৰ্কে কিছুকথা জানিবৰ উদ্দেশ্যে বিহুৰ ঐতিহ্যবাহক ধেমাজি জিলাৰ কেইগৰাকীমান বয়োজ্যেষ্ঠ বিহুৱা ব্যক্তিৰ কাষ চাপিছিলোঁ। এই নিবন্ধত ধেমাজি জিলাৰ বিশেষ উল্লিখনৰেহে মুকলি বিহুৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ধেমাজি জিলাৰ সদৰ মহকুমাৰ অন্তৰ্ভূক্ত বৃহত্তৰ গোহাঁই গাঁৱৰ ঐতিহ্যপূৰ্ণ ব'হাগী

**বিহুকৰ্মী, বিশিষ্ট লেখক*

ঠিকনা— ধেমাজি, যোগাযোগ- ৯৯৫৭৮-৮৯০২৫

মেলাই বৰ্তমান ১৪৬ বছৰত ভৰি দিছেহি। গৌৰৱোজ্বল ডেৰশ বছৰীয়া জয়ন্তীলৈ আগবঢ়া এই ব'হাগী মেলাৰ ইতিহাসত মুকলি বিহুৰ পৰম্পৰা সত্তৰৰ দশকৰ মাজভাগৰ পৰাই আৰম্ভ হোৱা বুলি ক'ব পাৰি। কিন্তু এই পৰম্পৰাও গোহাঁইগাঁৱৰ বিহুমঞ্চৰ সৃষ্টি বুলি ক'ব নোৱাৰি। বৰঞ্চ ই আমদানিকৃত ফচল বুলিহে ক'ব পাৰি। কাৰণ ১৯৭৩ চনত লতাশিল খেলপথাৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত 'মুকলি বিহু' অনুষ্ঠানত অংশগ্ৰহণ কৰি ধেমাজিৰ বিহুদলে সুনাম অৰ্জন কৰাৰ লগতে বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এই দলটি ধেমাজি, ঘিলমৰা আৰু ঢকুৱাখনাৰ বিহুৱা-বিহুৱতীৰে গঠিত হৈছিল যদিও সৰহ সংখ্যকেই আছিল গোহাঁই গাঁৱৰ বিহুমেলাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। সেইসকলৰ ভিতৰত আছিল পেঁপাবাদক লেখন বৰগোহাঁই, বাঁহীবাদক সুখৰাম বৰগোহাঁই, নামতী জীৱন চুতীয়া, নাচনী প্ৰিয়লতা বুঢ়াগোহাঁই, নিৰু চুতীয়া, গময়ন্তী বুঢ়াগোহাঁই আদি। এই বাতৰিটো সেই সময়ৰ 'আছাম এক্সপ্ৰেছ' ১৭ এপ্ৰিল (১৯৭৩) ত ফটোসহ প্ৰকাশ পাইছিল। এইসকলৰ প্ৰেৰণাতেই গোহাঁই গাঁৱৰ বিহু মঞ্চত ১৯৭৪ চনৰে পৰা মুকলি বিহুৰ পৰম্পৰাই ভুমুকি মাৰিলেহি বুলি বয়োজ্যেষ্ঠ সকলে মতপোষণ ধৰিছে।

বৰ্তমান বিহু সন্মিলনৰূপে জনাজাত গোহাঁই গাঁৱৰ বিহুতলীত ঐতিহ্যপূৰ্ণ 'কুকুৰা যুঁজৰ' প্ৰচলন আছিল। বৰ্তমান মুকলি বিহুৰ দৰে ডেকা-গাভৰুৱে একেলগে বিহুমৰা প্ৰথাৰ প্ৰচলন নাছিল যদিও কুকুৰা যুঁজৰ কাৰ্যক্ৰম শেষ হোৱাৰ পিছত ঢোলৰ মাৰি দলিওৱা, টকা ভাঙি পেলোৱা আদি কাৰ্যৰ প্ৰাক মুহূৰ্তত আবাল-বৃদ্ধ-বণিতা সকলোৱে একেলগে বিহু গাইছিল, নাচিছিল আৰু প্ৰাণঢালি মনৰ আনন্দ প্ৰকাশ কৰিছিল। সেইদিনাই বছৰটোলৈ বিহু সামৰণি মৰা হৈছিল। মুকলি বিহুৰ পৰম্পৰাত ইয়ো এক বিশেষ বুনিয়াদ ৰচনা কৰিছিল।

ধেমাজিত পূৰ্বতে ঘৰে ঘৰে পৰিৱেশন কৰা হুঁচৰি ডেকাসকলৰ ৰাতি বিহু, গাভৰুসকলে পথাৰত মৰা টকা বিহু (জেং বিহু) ইত্যাদিৰ পৰম্পৰা আছিল। কিন্তু ডেকা-গাভৰুৱে একেলগে বিহু মৰাৰ পৰম্পৰা এই অঞ্চলত নাছিল। পৰম্পৰা অনুসৰি ফাগুন মাহৰ শেষৰ ফালৰ কোনো এটা শুভদিনত ডেকাসকলে বিহুৰ খোলা জুৰিছিল আৰু চ'ত মাহৰ প্ৰতিদিনেই ডেকাসকলে ৰাতি বিহু মাৰিছিল। এই বিহুৰ মাজতে বিহুনাম, ঢোল-পেঁপা বাদনৰ লগতে হুঁচৰিৰ পদ- ঘোষাৰো আখৰা চলিছিল। বয়োজ্যেষ্ঠ, আদহীয়া পুৰুষসকলে গৰুবিহুৰ দিনাৰ পৰাই হুঁচৰি আৰম্ভ কৰিছিল আৰু গাঁওখনৰ

প্ৰতিঘৰ মানুহৰ চোতালতে হুঁচৰি গাইছিল। গাভৰুসকলেও ফাগুন মাহতে জুৰি থোৱা বিহুৰ খোলাত আবেলি আবেলি বিহু মাৰিছিল। গাভৰুসকলে পাটগাভৰু সকলক দিয়া অভিজ্ঞতালব্ধ উপদেশ, প্ৰেম-প্ৰীতি, মিলন-বিৰহ প্ৰকাশক নাম গাই, খেল-ধেমালি কৰি সন্ধিয়াৰ আগে আগে ঘৰলৈ আহিছিল। তেনে ক্ষেত্ৰত পুৰুষ-মহিলাই একেলগে মৰা বিহুৰ উদাহৰণ নাছিল। ষাঠিৰ দশকৰ শেষভাগত দুই এজন পুৰুষে মহিলাৰ ভূষণ পৰিধান কৰি হুচৰিত নাচিবলৈ লৈছিল বুলি জনা যায়। হুচৰিত মহিলাৰ অংশগ্ৰহণো ১৯৭৪ চনৰ পিছৰপৰাহে আৰম্ভ হৈছিল।

১৯৭৩ চনত লতাশিল বিহু সন্মিলনৰ বাকৰিত মুকলি বিহু পৰিৱেশন কৰি ধেমাজিলৈ গৌৰৱ কঢ়িয়াই অনা বিহুদলটিৰ বিহু পৰিৱেশন শৈলী অনুসৰি ডেকা বিহুৱাসকলে ঢোল-পেঁপাৰে মঞ্চত প্ৰৱেশ কৰি বিহুৰ সূচনা কৰিছিল আৰু মঞ্চৰ শৃঙ্খলা ৰক্ষা কৰি অৰ্দ্ধবৃত্তাকাৰে নিজৰ স্থানত ৰৈছিল। তাৰপিছত নামেৰে নাচনী সকলক মঞ্চলৈ আহ্বান জনোৱা হৈছিল। নাচনী সকলে নাচি নাচি মঞ্চত প্ৰৱেশ কৰিছিল আৰু ঢোলৰ খৰা চাপৰত খৰকৈ নাচিছিল। বিহুৱতী নামতী এফালে আৰু বিহুৱা নামতীয়ে আনফালে নিজৰ স্থানত ৰৈ উত্তৰ-প্ৰত্যুত্তৰমূলক নাম পৰিৱেশন কৰি বিহু মাৰিছিল। ভিন ভিন জাত নামেৰে ঢোলত ৰগৰ দিছিল আৰু বিহুৱতীসকলে বৃত্তকাৰে নাচিছিল।[১]

১৯৭৩ চনৰ আগতে গোলাঘাটৰ কোনোবা এটা বিহু দলে দুই/তিনি বছৰ ধৰি লতাশিল বিহু বাকৰিত মুকলি বিহু পৰিৱেশন কৰি আহিছিল বুলি ধেমাজিৰ অংশগ্ৰহকাৰী শিল্পীসকলৰ বহুকেইগৰাকীৰ মুখেৰেই জানিব পাৰিছিলোঁ। মুকলি বিহুৰ পৰিৱেশন শৈলী হুঁচৰিৰ পৰিৱেশন শৈলীৰ পৰা পৃথক।

পূৰ্বে হুচৰিত বজোৱা পেঁপাৰ লহৰৰ সৈতে মুকলি বিহুৰ পেঁপাবাদনৰ পাৰ্থক্য আছিল। মুকলি বিহুৰ পেঁপাৰ মাতত ৰিণিকি ৰিণিকি প্ৰতিধ্বনিত হোৱা সুৰৰ ঝংকাৰ অনুভূত হৈছিল। বনঘোষাৰ সুৰীয়া সুৰ পেঁপাৰ লহৰত প্ৰতিফলন ঘটিছিল।

মুকলি বিহুত ঢোলৰ 'মেলা চাপৰ' আৰু 'খৰা চাপৰ'ৰ প্ৰাধান্য আছিল অধিক। সামৰণিত এটি যোজনা গাই ঢোলৰ চাপৰ মাৰি বিহু সামৰি মঞ্চৰ পৰা বিহুৱা বিহুৱতীয়ে একেলগে প্ৰস্থান কৰিছিল।

আজি কিছুদিনৰ পৰা ধেমাজি জিলাৰ অন্তৰ্গত বিভিন্ন বিহু মঞ্চত উপৰোক্ত শৈলীয়ে স্বতঃস্ফুৰ্ত প্ৰকাশভঙ্গী হেৰুৱাই পেলোৱা দেখিবলৈ পোৱা গৈছে। বিহু

সন্মিলনৰ আহ্বায়ক/কৰ্মকৰ্তাসকলে কাৰ্যসূচীত ‘মুকলি বিহু’ৰ প্ৰতিযোগিতাৰ পৰিৱৰ্তে ‘হুচৰি বিহু’ প্ৰতিযোগিতা বুলি উল্লেখ কৰে। তাৰ ফলশ্ৰুতিতেই বিহু পৰিৱেশন শৈলীটোৰ পৰিৱৰ্তন ঘটিল নে শৈলীটোৰ পৰিৱৰ্তিত ৰূপটোক নিৰ্দিষ্টকৈ বুজাবৰ বাবেহে ‘হুঁচৰি বিহু’ শব্দটিৰ বহল প্ৰয়োগ হ’বলৈ ধৰিলে তাক সঠিকভাৱে কোৱা টান। কিন্তু কিছুদিন ধৰি উল্লিখিত ‘মুকলি বিহু’ৰ আগত আৰু পিছত ‘হুঁচৰি’ৰ বৈশিষ্ট্যৰাজি সংযোজন কৰি বোধকৰো ‘হুঁচৰি বিহু’ বুলি ক’বলৈ লোৱা হ’ল।

সৰহ সংখ্যক বিহু মঞ্চত বিহুদলসমূহে অনিশ্চিত ভাৱে প্ৰতিযোগিতাতত অংশগ্ৰহণ কৰিবলৈ যোৱা পৰিলক্ষিত হয়। চাৰি গৰাকীৰ পৰা আঠগৰাকী পৰ্যন্ত বিহুৱতীয়ে দলটোত অংশ লয়। হুঁচৰি প্ৰতিযোগিতা বুলি ক’লে কেৱল পুৰুষসকলে পদ-ঘোষা, লহৰী নাচি গৃহস্থক আশীৰ্বাদ দি হুঁচৰি সামৰণি মাৰে। হুঁচৰি বিহু বুলি ক’লে লহৰী নাচৰ পিছত গৃহস্থৰ অনুমতি লৈ নাচনীক মঞ্চলৈ আমন্ত্ৰণ জনাই আনে আৰু যোৱানাম আদি গাই একেলগে বিহু মাৰে। নাচনীসকলে কিছু সময় আগতীয়াকৈ প্ৰস্থান আৰু পুৰুষসকলে আশীৰ্বাদ দি মঞ্চ ত্যাগ কৰে। এয়া যে হুঁচৰি আৰু ‘মুকলি বিহু’ৰ খিচিৰি ৰূপ তাক বুজি পাবলৈ সুক্ষ্ম পৰ্যবেক্ষণৰ প্ৰয়োজন নাই।

হুঁচৰি বিহুৰূপে মঞ্চস্থ হোৱা এই নতুনশৈলীটোত নাটকীয়তাও পৰিলক্ষিত হয়। গৃহস্থজনৰ হুঁচৰি আদৰি অনা কাৰ্যাৱলীৰ অতিৰঞ্জন, মাজে মাজে বিহুৱাসকলক বিচনীৰ বা দিয়া আদি অন্যান্য  কাৰ্য চলি থাকে। এনে কাৰ্য মোৰ দৃষ্টিত শোভনীয় যেন নালাগে। তদুপৰি একেটা দলেই পদ ঘোষাৰে হুঁচৰি জুৰি একেঠাইতে বনঘোষাৰে উত্তৰ-প্ৰত্যুত্তৰ দি নাচ-বাগ কৰা কাৰ্যটিও খাপ-নোখোৱা যেন লাগে। প্ৰতিযোগিতাৰ বাবে নিৰ্দ্ধাৰিত সময়ত পূৰ্ণাঙ্গ ‘হুঁচৰি’ পৰিৱেশন কৰাটোৱেই সম্ভৱপৰ নহয়গৈ। তেনে ক্ষেত্ৰত মুকলি বিহুখন মাজত সংযোজন হৈ ‘হুঁচৰি’ আৰু ‘মুকলি বিহু’ৰ দুয়োটাৰে সৌন্দৰ্য-মাধুৰ্য ম্লান কৰা যেন অনুভৱ হয়। হুঁচৰি বিহুত ঢোলৰ চাপৰ চুটি কৰিবলৈ, অতিপাত খৰ কৰিবলৈ ঢোলবাদক বাধ্য হ’বলগীয়া হয় আৰু নাচনীৰ নাচৰ লয়ো নোহোৱা হয়। পেঁপাৰ লহৰৰ পাৰ্থক্য নোহোৱা হয়। তাৰোপৰি হুঁচৰিত গোৱা বিহুনামৰ মাধুৰ্য আৰু মৌলিক গাম্ভীৰ্য একেবাৰে নোহোৱা হোৱাত অৰিহণা যোগাইছে এনেধৰণৰ হুঁচৰি বিহুৱে।

অতীজৰে পৰা ধেমাজিত মুকলি বিহুৰ প্ৰচলন নাছিল যদিও ১৯৭৩ চনকে

সীমা কৰি ল'লেও আজিলৈ সুদীৰ্ঘ দুকুৰিৰো অধিক বছৰে 'মুকলি বিহু' মৰাৰ পৰম্পৰা চলি আহিছে। এই সময়ছোৰাত ঐতিহ্যমণ্ডিত ধেমাজি গোহাঁই গাঁও বিহু সন্মিলনে হুঁচৰি প্ৰতিযোগিতাহে অনুষ্ঠিত কৰি আহিছে। গাভৰুসকলৰ বাবে সুকীয়াকৈ 'জেং বিহু' বা 'টকা বিহু'ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ডেকা-গাভৰুৱে একেলগে বিহুমৰা মুকলি বিহুৰ এটা স্বতন্ত্ৰ ৰূপ আছে। ইয়াৰ মূল উপাদান সমূহ যৌৱনোদীপ্ত। প্ৰেম-প্ৰীতি, মিলন-বিৰহ, প্ৰাপ্তি-অপ্ৰাপ্তি, আশা-নিৰাশা, সন্দেহ-শংকাৰে ভৰপূৰ বিহুনামসমূহ হৃদয়স্পৰ্শী। এই সমূহ বিহুনামৰ ভাষা মাৰ্জিত, অৰ্থ গভীৰ আৰু শব্দ ব্যঞ্জনা প্ৰাণটানি ধৰা। এইবোৰ অসমীয়া সাহিত্য জগতৰ অমূল্য সম্পদ। গোহাঁই গাঁও তথা ধেমাজি অঞ্চলত প্ৰচলিত 'মুকলি বিহু'ত গোৱা নামৰ দুটামান উদাহৰণ দাঙি ধৰা হ'ল—

(১) "পাভমাৰি বিলতে/লাঙি জাল পাতিলোঁ/বাৰে পতি লাগিলে পুণি;
বিলৰে লাঙি জাল/বিলতে এৰিলোঁ/বিহুতলিত পেঁপাৰ মাত শুনি।"

(২) "মৰমে হহুঁৱাই/মৰমে কন্দুৱাই/মৰমে কলিজা খায়;
তোমাৰে মৰমত/মইনো নমৰিলে/আৰু মোক মাৰোঁতা নাই।"

(৩) "চোতালৰ দুৱৰি/কোনদিনা গুচিব/বুঢ়িকোৰে নাচাচেঁ মানে;
তোমাৰ মৰম-চেনেহৰ/কোনদিনা গুচিব/যমে মাৰি নিনিয়ে মানে।"

(৪) "চৰাই মনোমতী/মনকে মোহিলা/কোটাহি জামুকৰ তলত;
তুমি মনোমতী/মোৰে মন মোহিলা/পাই পানী অনা ঘাটত।"

(৫) "আয়ে ৰান্ধি দিয়া/হাবিৰ পহু মঙহ/তিতিকি তিতিকি লাগে;
তুমি সিজাঁই দিয়া/কচু-বন-ঢেকীয়া/আৰু খাওঁ আৰু খাওঁ লাগে।"

(৬) "গছৰ পাত সৰিলে/কুঁহিপাত ওলালে/প্ৰকৃতি গাভৰু হ'ল;
ঢোল-পেপাঁ বাজিলে/ৰিঙিয়াই মাতিলে/বিহুলৈ যাবলৈ হ'ল।"

'মুকলি বিহু' নামৰ এই অৰ্বাচীন পৰিৱেশন শৈলীটোৱে বৰ্তমান সময়ত এই বিহুনাম সমূহ জীয়াই ৰখাত অৰিহণা যোগাব। অন্যথা এই নামসমূহে চৰ্চা আৰু ব্যৱহাৰৰ অভাৱত সমূলে হেৰাই যোৱাৰ উপক্ৰম হ'ব।

বিঃ দ্ৰঃ- নিম্নোক্ত ব্যক্তিসকলৰ পৰা লাভ কৰা তথ্যৰ আধাৰত উক্ত লেখাটি যুগুত কৰা হ'ল—

(১) গংগাধৰ গগৈ (বিহু দলৰ পৰিচালক, ১৯৭৩)

(২) কমল বাইলুং (সংগঠক)

(৩) প্ৰেমেধৰ কোঁৱৰ (বয়োজ্যেষ্ঠ বিহুৱা, বায়ন)

(৪) প্ৰিয়লতা বুঢ়াগোহাঁই (বিহুৱতী, ১৯৭৩)

(৫) লক্ষীনাৰায়ন বুঢ়াগোহাঁই (বিষয়ববীয়া, গোহাঁই গাঁও বিহু সন্মিলন)

(৬) হেমন্ত বৰপাত্ৰ গোহাঁই, (নাট্যকাৰ, বিশ্লেষক)

★★★

# ডেকা গাভৰুৰ মুকলি বিহু

## মুনিন্দ্ৰ শইকীয়া*

মুকলি বিহুত ডেকা গাভৰুৰ হিয়াৰ প্ৰকাশ ঘটে। ইয়াত ডেকা-গাভৰুৰ মনৰ ভাৱ-আৱেগ-অনুভূতিৰ মুকলি প্ৰকাশ হয়। ডেকা গাভৰুৱে ইজনে সিজনৰ বুকুৰ মৰম বিচাৰি হিয়া উজাৰি গায়, নাচে। সেইয়া গছৰ তলতেই হওঁক বা মঞ্চতে। এই অনুষ্ঠানত প্ৰাপ্তবয়স্ক ডেকা-গাভৰুৱেহে অংশগ্ৰহণ কৰা উচিত। আজিৰ অসমত এই মুকলি বিহুৰ ওপৰত বিভিন্নজনে বিভিন্ন মতামত আগবঢ়াইছে। কিছু সংখ্যক বিহু বিশেষজ্ঞই কব বিচাৰিছে যে মুকলি বিহুত প্ৰথমে গাভৰুৱে আৰম্ভ কৰে। কিছু সংখ্যকে কব বিচাৰিছে প্ৰথমে ডেকাইহে আৰম্ভ কৰে। এই সন্দৰ্ভত মতামত দিয়াৰ পূৰ্বে জানিব লাগিব যে আচলতে মুকলি বিহু মানেনো কি? মুকলি বিহু মানে হ'ল— '*ডেকা গাভৰুৱে ওচৰা-ওচৰিকৈ মুকলি মনেৰে মৰা তাহানিৰ চ'তৰ বিহুৰে অন্য এটা ৰূপ।*' মুকলি বিহু হৈছে এই পৰিৱৰ্তনৰ যুগত সংস্কাৰৰ মাজেদি সৃষ্টি হোৱা বিহু। পুৰণি কালত ডেকাই ডেকাৰ ভাগে আৰু গাভৰুৱে গাভৰুৰ ভাগে, কিন্তু দুয়োটা পক্ষই ওচৰা ওচৰিকৈ বিহু নামেৰে মনৰ ভাবৰ কটা-কটি কৰিব পৰাকৈ বিহু মাৰিছিল বুলি জনা যায়।

এইটো পৰিৱৰ্তনৰ যুগ, আমাক পৰিৱৰ্তনৰ বতাহে কোবাইছে। পৰিৱৰ্তনৰ লগে-লগে চ'তৰ বিহুৰেও ৰূপ সলনি কৰি গছ তলৰ পৰা আহি আজি মঞ্চ পাইছেহি। আজিকালি ডেকা গাভৰুৱে চ'তত বিহু আৰম্ভ নকৰে, আৰম্ভ কৰে বিহুলৈ বা বহাগী উৎসৱলৈ দহ-বাৰদিনমান থাকোতে। কিন্তু আগৰ দৰে গছৰ তলত নহয়, এতিয়াৰ বিহু আৰম্ভ কৰে গাঁৱৰ ৰাজহুৱা খেলপথাৰত নাইবা ক্লাব ঘৰত। কিন্তু এই মুকলি বিহু জানো তেনেকৈ আৰম্ভ হৈছিল? মুকলি বিহু প্ৰথমে আৰম্ভ হৈছিল গাঁৱৰ কৃষকৰ ঘৰৰ গাভৰু কেইজনীৰ মাজত। গাভৰুহঁতৰ বিহুনামৰ লগত টকা, গগণা আৰু হাতৰ চাপৰি বজাই গাভৰুহঁতে সন্ধ্যা হোৱাৰ পিছত গছৰ তলত বিহু মাৰিছিলগৈ। সেই বিহুকে আকৌ কোনোৱে 'মাইকী বিহু' আৰু কোনোৱে 'গাভৰু বিহু' বুলিছিল। সেই গাভৰুহঁতৰ

*শিক্ষাবিদ, প্ৰসিদ্ধ ঢুলীয়া শিল্পী ও বিহু সমল ব্যক্তি।*
ঠিকনা— গোগামুখ, লখিমপুৰ। যোগাযোগ নং- ৯৯৫৭২-৫৬৪২৫।

বিহু পুৰুষে চাব নোৱাৰিছিল, কাৰণ সেইখন আছিল ৰক্ষণশীল সমাজ। কিন্তু কি হব? ফাগুণত কমোৱা তুলাৰ দৰে উৰিব খোজা মনটোক বান্ধি ৰাখিব নোৱাৰি ডেকাসকলে দুৰৈৰ পৰা জুমা-জুমি কৰি গাভৰুসকলৰ বিহু চোৰা আৰম্ভ কৰিছিল। ডেকাহঁতৰ মনৰ মানুহজনীয়ে সন্ধিয়া গছৰ তলত বিহু মাৰি আছে, ডেকাহঁতে জানা নোচোৱাকৈ ৰৈ থাকিব পাৰে? কিন্তু গাভৰুহঁতেও তেওঁলোকৰ মনৰ মানুহটো হাবিডৰাৰ সিটোপাৰৰ পৰা চাই আছিল বুলি উমান পাইছিল। তেতিয়া গাভৰু হঁতে ডেকাহঁতক শুনাই গাইছিল—

"ঘৰতো নবহে/মন সমনীয়া/পথাৰতো নবহে মন;
কমোৱা তুলাবোৰ/যেনেকৈ উৰিছে/তেনেকৈ উৰিবৰ মন।।"

"দিখৌত গুমে-গুমাই/কোম্পানীৰ জাহাজ ঐ/ঢেকীত গুমে-গুমাই থোৰা;
বুকু চমে-চমাই/দেহা ৰমে-ৰমাই/গাভৰু হ'বৰে পৰা।।"

এই বিহুনাম সমূহত একো একোটা ইংগিত আছিল। পিছলৈ সেই গছৰ আৰঁত লুকাই লুকাই বিহু চোৰা ডেকাহঁতৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। কুৰুলিওৱা মনক বান্ধি ৰাখিব নোৱাৰি। তেওঁলোকৰ কোনোৱে কান্ধত ঢোলটো লৈ, কোনোৱে পেঁপাটো লৈ হাবিখনৰ কাষতে সিহঁতেও বিহুৰ খোলা এখন পাতে। ক্ৰমান্বয়ে বিহু পকি যায়। আৰু কথাৰে, নামেৰে মনৰ অনুভৱ বোৰ প্ৰকাশ কৰে। প্ৰথমে কিন্তু ডেকাহঁতে যোৰানাম এফাঁকি গায়—

"আইহঁতে সলালে পাত;
আমাৰ আইদেউৱে বৰণটি সলালে
মুগা ৰিহা লগালে গাত।।"

তেতিয়া লগে-লগে গাভৰুহঁতে উত্তৰ দিয়ে—

"বিহু মাৰি থাকিবৰ মন;
বিহু মাৰি থাকোঁতে পলুৱাই নিনিবা
ভৰিব লাগিব ধন।"

ডেকাহঁতে শুনি তেওঁলোকে মনৰ ৰঙতে লগে লগে আৰু এফাঁকি যোৰা নাম

আৰম্ভ কৰে— "বৰঘৰৰ মুধতে/ভৰাঁলৰ টুপতে/চৰাই ফুটুকলা খায়;

মোৰ জানো মনতে/পৰে ঘনে ঘনে/তোৰ জানো মনতে নাই।"

পুনৰ গাভৰুহঁতে ৰঙতে কিৰিলি পাৰি নামফাঁকিৰ উত্তৰ দিয়ে—

"কিনো কথাষাৰি/কলি ঐ চেনাইটি/বিচাৰি বিচাৰি চায়;
সেইনো কথাষাৰি/শুনিবৰে পৰা/শৰীৰ ক'লা পৰি যায়।"

এনেবোৰ বিহুনাম পূৰ্বতে প্ৰথমে ডেকাইহে গাইছিল, পিছতহে গাভৰুৱে গাইছিল। আজিকালি কিন্তু তাৰ পৰিৱৰ্তন হ'ল। প্ৰকৃতি পৰিৱৰ্তন হোৱাৰ লগে-লগে আমাৰ জীৱন প্ৰণালীও পৰিৱৰ্তন হৈছে। সেইবুলি আগৰ লিপিবদ্ধ হৈ থকা বিহুনাম সমূহটো আমি পৰিৱৰ্তন কৰিব নোৱাৰো। গতিকে বিহু আগতে যেনেকৈয়ে আছিল তেনেকৈয়ে থাকিবলৈ দিয়াই শ্ৰেয়। সাল-সলনি কৰিলে ঘূণে ধৰিব পাৰে—"চন্দনৰো কাঠত হয়তো/এদিন ঘূণে খাব ঐ/এদিন ঘূণে খাব; আমাৰ বিহুত ঘূণে খালে/সমাজে নিন্দিব ঐ/সমাজে নিন্দিব।"

সেয়েহে আমাক যাতে সমাজে নিন্দিব নোৱাৰে তাকে কৰাটো ভাল। ডেকা-গাভৰুৱে মুকলি ঠাইত যেতিয়া বনগীত বিহুগীত গাই যেনেকৈ বিহু কৰিছিল, সেই বিহুকে আমি মুকলি বিহুৰ আখ্যা দিছিলো, এতিয়াও দিওঁ। ডেকাহঁতে প্ৰথমে ঢোল, পেঁপা লৈ গছৰ তলত বিহু মাৰি থাকিব আৰু তাৰপাছত  গাভৰুসকলে নাচি-নাচি ডেকাহঁতৰ কাষ চাপিব। কিছু সংখ্যক বিহু বিশেষজ্ঞই কব বিচাৰিছে যে, নাচনীয়েহে প্ৰথমে বিহু গাই প্ৰৱেশ কৰে। অৰ্থাৎ গাভৰুসকলে "ৰিণিকি দেখো গাওঁ এখনি"... বুলি গাই বিহুখন আৰম্ভ কৰিব। তেনেহলে ডেকাসকলে "*আহা আইদেউ অ' আহা নাচি-নাচি*"... শীৰ্ষকধৰ্মী বিহুনাম বিলাক কেতিয়া গাব? এইবোৰটো আমি দলিয়াই পেলাব নোৱাৰো! এই বিহুনামবোৰ যেনেকৈ আছিল তেনেকৈয়ে থাকিবলৈ দিয়ক।

মুকলি বিহুৰ আটাইতকৈ আকৰ্ষণীয় অংশ হ'ল '*ডেকা-গাভৰুৱে যোৰানাম গাই গাই কথাৰ কটা-কটি কৰি বিহু মৰা অংশ*।' এই অংশত পুৰ্বতে অশ্লীল শব্দও ব্যৱহাৰ হৈছিল। অৱশ্যে সেইবোৰ নামক তেতিয়া বনঘোষাহে বুলিছিল। ডঃ লীলা গগৈ দেৱৰ "অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা" নামৰ গ্ৰন্থখনত সন্নিবিষ্ট এফাকি

বনঘোষাৰ উদাহৰণ দিয়া হ'ল—

"তিতাকৈ তিয়নী/যৌৱনৰ শুৱনি/গোহালিৰ শুৱনি তাঁত;
লাহৰীৰ শুৱনি/চকুৰ চেলাউৰি/জামুকী বুলোৱা দাঁত।"

এনেবোৰ নাম গছৰ তলত বা মুকলি পথাৰত গাব পাৰি, কিন্তু মঞ্চত গাব নোৱাৰি, কাৰণ ইয়াত দৰ্শক থাকে। গতিকে মঞ্চত গোৱা বিহুনামবোৰ মাৰ্জিত হ'ব লাগে। তেতিয়াহে অসমীয়া জাতিৰ কৃষ্টি ৰক্ষা পৰিব। পুৰ্বতে মুকলি বিহু গোটেই চ'তৰ মাহজুৰি কৰিছিল। কিন্তু আজিকালি ই বিকৃত হৈ হুঁচৰিৰ নামত বহাগৰ মাহটো চলে। আজিৰ অসমৰ বিভিন্ন ঠাইত মুকলি বিহুক নানা ৰূপত সজাই পৰিৱেশন কৰিছে।

এইখিনিতে মই মোৰ এক অভিজ্ঞতাৰ কথা ক'ব বিচাৰিছো। এখন বিহু মঞ্চত বিচাৰকৰ আসন গ্ৰহণ কৰি থাকোঁতে হঠাৎ কেইজনমান ডেকাবিহুৱাই মঞ্চত আহি হুঁচৰি আৰম্ভ কৰিলে, তেওঁলোকে হুঁচৰিৰ ঘোষা, পদ, লহৰী, ঢোলৰ কছাৰী ছেও আদি প্ৰদৰ্শন কৰিলে, বিহুনাম আদিও গালে। মই ভাবিলো হুঁচৰি দলটো বেছ ধুনীয়া হ'ব, কিন্তু তাৰ পাছতেই ঢোলত "খিতি ঘেনা... খিতি ঘেনা" চাপৰটো বজাই কমেও দহ গৰাকীমান নাচনীক সোমোৱাই আনিলে। তাৰপিছত মুকলি বিহুৰ অংশ আৰম্ভ হ'ল। মই এজনক শুধিলো, এইযোৱা প্ৰকৃততে কি? হুঁচৰি নে মুকলি বিহু....? তেওঁ উত্তৰ দিলে হুঁচৰি বা মুকলি বিহু একো নহয়, এইযোৱা "দলীয় বিহু"। আমাৰ ইয়াত "মুকলি বিহু" আৰু "দলীয় বিহু" প্ৰায় একেই বুলিব পাৰি। গতিকে মই ভাবো আজিও অসমত ঠায়ে ঠায়ে মুকলি বিহুৰ সৰ্ম্পকে অভিজ্ঞতা নথকা মানুহ এতিয়াও আছে। তেনেবোৰ অঞ্চলত বিহুৰ আখৰা পাতি বিহুৰ সম্পৰ্কীয় জ্ঞান দিয়াটো অতি জৰুৰী।

আজিৰ অসমত বিহু বুলিলে ঢোলেই এফাল ঠাই আগুৰি আছে বুলি কব পাৰি। কিন্তু ঢোলৰ ছেও সমূহ হুঁচৰিত বজোৱা আৰু মুকলি বিহুত বজোৱা বেলেগ বেলেগ হয়। হুঁচৰিত বজোৱা কছাৰী ছেও, বিভিন্ন ধৰণৰ খৰা ছেও বা চুটি ছেও ইত্যাদি বিলাকত গাভৰুসকলে নাচিব নোৱাৰে। সেয়েহে মুকলি বিহুত বজোৱা ঢোলৰ ছেও সমূহ বেলেগ হয়। বানিজ্যিক সভ্যতাই বিহুক নিজৰ হাতৰ মুঠিলৈ অনাৰ পৰা ঢোলৰ পুৰণি ছেও-চাপৰ সমূহ নাইবা পেঁপাৰ লহৰবোৰ ক'ৰবাত হেৰাল। আজিৰ বিহুৱাই বিহুগীতৰ কেছেটত শুনি ঢোলৰ ছেওসমূহ বজায়। নামৰ সুৰত পেঁপা বজায়। পেঁপাৰ লহৰবোৰ

বজাব নাজানে। বিহুনামৰ কেছেট ওলোৱাৰ পৰা পূৰ্বৰ বিহুনামৰ ৰূপ, ৰস, ছন্দ, লয় সম্পূৰ্ণ সলনি হৈ পৰিল। পুৰণি বিহুনামত ৰূপ, ৰস, চন্দ, লয় থকা কেইটামান মুকলি বিহুত গাব পৰা বিহুনাম এনেধৰণৰ—

ডেকাই গাব ঃ-

"কোনে আনি দিব/নৈৰে পানীটুপি/কোনে ৰান্ধি দিব ভাত ?;
নৰিয়াত পৰিলে/কোনে বেথা লগাব/কোনে দিব চেনেহৰ মাত।"

গাভৰুৱে গাব ঃ-

"ময়ে আনি দিমে/নৈৰে পানীটুপি/ময়ে ৰান্ধি দিমে ভাত;
নৰিয়াত পৰিলে/চাইনো থৈ আহিম গৈ/লগাই থৈ আহিম গৈ মাত।"

ডেকাই গাব ঃ-

"ভোগদৈ নৈতে/প'ল' বাই আছিলো/চাবত পায়ে গলো কাঁছ;
সৰুৰে পৰা/ফুৰো একেলগে/এতিয়া কি ভালে বেয়া বাছ।"

গাভৰুৱে গাব ঃ-

"এতিয়া ভালে বেয়া/বচা নাই চেনাইটি/পিতায়ে ধৰিছে খুটি।
আমাকে পাবলৈ/বেহা বেপাৰ কৰাগৈ/চিকা ৰূপ আনাগৈ ঘটি।।"

এনেবোৰ যোৱানাম মুকলি আকাশৰ তলত, গছৰ তলত ডেকা-গাভৰুৱে গাইছিল মনৰ আনন্দ প্ৰকাশৰ বাবে, ৰিঙা-ৰিঙা লগা - অস্থিৰ হোৱা মনক স্থিৰ কৰিবৰ বাবে। পিছে সেইবোৰ আছিল দৰ্শক নোহোৱা ঠাইত, পৱিত্ৰ পৰিৱেশৰ মাজত। কিন্তু আজি প্ৰতিযোগিতাৰ যুগত সেই বিহু আহি মঞ্চত প্ৰতিযোগিতা মূলক হ'ল। কিন্তু প্ৰতিযোগিতামূলক হ'লেও মাৰ্জিত অৱস্থাত থাকিলে ভাল। সেই বিহু অতিৰঞ্জিত হব নালাগে। অৰ্থাৎ বিহুক বিকৃত কৰিব নালাগে। বিহু যেনেকৈ আছিল তেনেকৈ থাকিবলৈ দিয়ক। বিহু থাকিলেহে আমিও থাকিম।

★★★

বিঃ দ্ৰঃ নিৱন্ধটি যুগুত কৰোঁতে জয়কান্ত গন্ধীয়াদেৱৰ "হুচৰি, মুকলি বিহু আৰু আৰু বিহুনাচ" নামৰ গ্ৰন্থখনিৰ বিশেষভাৱে সহায় লোৱা হৈছে।

# ৰঙালীৰ কথাৰে

## পদুম প্ৰসাদ শইকীয়া*

লোক জীৱনৰ ভেটিতেই প্ৰতিষ্ঠিত হয় লোক-কৃষ্টি। অতীজৰ পৰা পৰাম্পৰিকভাবে চলি অহা ৰীতি-নীতি, সামাজিক আচৰণ, দীৰ্ঘদিনীয়া অভিজ্ঞতা আদিক লৈ লোক-কৃষ্টিৰ জন্ম হয়। লোক-কৃষ্টি বুলিলে লোক জীৱনৰ লগত সম্পৰ্ক থকা জন-বিশ্বাস, ঘৰুৱা আৰু সামাজিক আচাৰ ব্যৱহাৰ, খেতি-খোলা, ৰীতি-নীতি, ধৰ্ম-কৰ্ম, বিয়া-সবাহ, সকাম-নিকাম, ৰন্ধা-বঢ়া, খোৱা-বোৱা, লোক-মন, লোক কথা, প্ৰবচন আদিকে বুজায়। বিহু লোক সংস্কৃতিৰে এটি অবিভাজিত ৰূপ— অবিচ্ছেদ্য অংগ। বিহু লোক সংস্কৃতিৰ এটি আহল-বহল কোঠালি। কৃষ্টিৰ উৎস হৈছে কৃষি। অসমত প্ৰথম কৃষ্টিৰ পাতনি মেলা আৰু নদী মাতৃক সভ্যতাৰ পোষকতা কৰা অষ্ট্ৰিক সকলে পথাৰ আৰু জীৱনৰ উৰ্বৰতা বৃদ্ধিৰ কাৰণে তেওঁলোকে নাচিছিল-গাইছিল। কৃষি উৎসৱৰ প্ৰধান কাৰকেই আছিল সৃষ্টি আৰু বৃদ্ধি। কৃষিৰ ওপৰত জীৱন নিৰ্বাহ কৰা কৃষকৰ আনন্দই হৈছে সৃষ্টি। কৃষ্টিয়ে সদায় সৃষ্টিৰ বাট বোলে। সৃষ্টিৰ আগলি বতৰা কঢ়িয়াই আনে ব'হাগে। ব'হাগ এক ব্যগ্ৰতাৰ প্ৰতীক। সৃষ্টিৰ গোপন বীজ সিঁচাৰ মানসেৰে ব'হাগক সাৰতি লোৱাৰ বাবে চহা কৃষক সমাজে অধীৰ অপেক্ষাৰে বাট চাই থাকে। বসন্ত ঋতুতেই ধৰাৰ বুকুলৈ নামি আহে ব'হাগ। কঢ়িয়াই আনে নতুন চিন্তা, নতুন প্ৰেৰণা আৰু নতুন লক্ষ্য প্ৰাপ্তিৰ বাসনা। নাঙল আৰু হাঁলৰ গৰু যাৰ জীৱন যোৰা সম্পৰ্ক সেই নাঙল আৰু হালৰ গৰু হালকেই অৱলম্বন কৰি কৃষক সমাজে পথাৰত হাল যোৰে। ধৰিত্ৰীৰ বুকু ভেদ কৰে নাঙল আৰু ধৰিত্ৰীয়ে মিতিৰালি পাতে। ধৰিত্ৰী আৰু নাঙলৰ সঙ্গমস্থলী সীৰলুতেই বিছাৰি পোৱা যায় সৃষ্টিৰ প্ৰচুৰ বৈভৱ। এই নাঙলৰ সীৰলু বা লুৰিতেই মিথিলাৰ ৰজা সীৰধ্বজ জনকে এদিন হাল বাওতে সীতা আইক পাইছিল। সচাঁকৈয়ে কি যে এক নিবিড় অন্তৰঙ্গঁতা নাঙল আৰু ধৰিত্ৰীৰ! শস্য সম্ভৱা বসুন্ধৰাৰ বুকু দুৰু দুৰু কৰে শস্য বহনৰ বিপুল সম্ভৱনাত। আনুভূতিক সম্পৰ্কৰে সংযুক্ত নাঙল আৰু ধৰিত্ৰীৰ এই অন্তৰঙ্গঁতাৰ পটভূমিতেই আছে ৰঙালী ব'হাগৰ অফুৰন্ত

*শিক্ষক, লোককৃষ্টিৰ সাধক, বিহু সমল ব্যক্তি।
ঠিকনা— নগাঁও। যোগাযোগ নং- ৮০১১১-১৭২৮৯

প্ৰাণময়তা। চহা কৃষক সমাজে অৰ্ধেক অংশ প্ৰতিনিধিত্ব কৰা বিহু অসমীয়া জাতি জনগোষ্ঠীৰ ঐক্য-সংহতিৰ অনন্য প্ৰতীক। খিলঞ্জীয়া বাসিন্দা সকলৰ পুৰাতন কালৰে পৰা প্ৰৱাহমান হোৱা লোক কলা আৰু লোক গাঁথাৰ এক সংস্কৃত ৰূপ। বিহু অসমীয়া সমাজ জীৱনৰ সৰ্বত্ৰ দিশ সামৰি লোৱা এক প্ৰাকৃতিক উৎসৱ। বিহু অসমীয়া জন-জীৱনৰ পৰিচয়-ঠিকনা। জাতীয় জীৱনৰ সমন্বয়ৰ প্ৰতীক বিহু সংস্কৃতি হ'ল মূলতঃ হাল আৰু শালৰ সংস্কৃতি। কৃষকৰ হাল আৰু পথাৰখনেই হ'ল জীৱন। কেঁকুৰা নাঙলতেই লিখা আছে কৃষকৰ ঘামৰ বতৰা। কৃষকে পথাৰৰ বুকুতেই মঙল চায়— জীৱনৰ মধুৰ সোৱাদ বিচাৰি পায়। ঠিক তেনেদৰে অসমীয়া শিপিনীৰ তাঁতশালখন হৃদয়ৰ সম্বল। এই তাঁতশালখনতেই শিপিনীয়ে ৰচনা কৰে ৰংভৰা জীৱনৰ অযুত সপোন। কৃষকৰ লোকলয়ত বিহুৰে সাৰ পাই উঠাৰ দৰে শিপিনীৰ তাঁতশালত চেনেহীৰ মাকোৰ খিটখট আৰু গৰকাৰ দপদপনিত কোনোবা তৃষ্ণাতুৰ চেনাইৰ ৰাতি টোপনি হৰে। জীপাল ভৰা প্ৰকৃতিৰ এই অনুপম সময়চোৱাত মৰা গৰুৰ ছালে হেম্বেলিয়াই শালৰ হাতী মুকলি হয়, গছকত নাচনীয়ে যঁতৰ ভাঙে। ব'হাগে কঢ়িয়াই আনে সনাতন আদিম খবৰ,চহা কৃষকৰ অযুত ভৰা সৃষ্টিৰ সম্ভাৱনা ব'হাগৰ সম্মোহনী শক্তিয়ে যৌৱনোচ্ছল ডেকা-গাভৰুৰ হৃদয় বিথীকা কঁপাই তোলে। হৃদয়ৰ সীমানত সাঁচি ৰখা অযুত ভাষা, পাৰভগা মৰম, সেউজ বুলীয়া পৰশৰ অনুভূতি প্ৰিয়জনৰ মাজত বিলাই দিয়াৰ দুৰ্বাৰ হেপাহ জাগে হৃদয়ৰ মাজুলীত, মনৰ নিজান ঘাটত অযুত আশাৰ নিযুত বাসনাই নিবিড়তম সেউজ সপোন ৰচনা কৰে। ইচ্ছাৰ চাপৰিত হৃদয়ৰ সৈতে হৃদয়ৰ সেঁতু গঢ়ে। উত্তাপ ভৰা যৌৱনে হালি জালি নচা নাচৰ গিৰিপনিত প্ৰকৃতিৰ উন্মুক্ত বিকাশৰ সেউজীয়া ৰূপটো ফুটি উঠে। ঢোলৰ চেৱে চেৱে, পেঁপাৰ লহৰে লহৰে ব'হাগত নাচনীৰ লয় লাস প্ৰকাশিত হয়। থোৰালি আঙুলিৰ পাহি মেলি কুঁহিপাতৰ মূৰ্ত প্ৰকাশে প্ৰকৃতিৰ অনন্য ৰূপ উদ্ভাসিত কৰে. উদাৰ প্ৰকৃতিয়ে আমাক পূৰ্ণ উপচাৰ উপচাই দিয়াত কাহানিও কাৰ্পণ্য কৰা নাই। প্ৰকৃতিয়ে কাহানিও কক্ষপথৰ গতি সলনি কৰা নাই। প্ৰকৃতিয়ে অবিৰতভাৱে ধৰি ৰাখিছে নিজস্ব ছন্দময়তা। সেয়ে ধাৰাবাহিকতা ৰক্ষা কৰি প্ৰকৃতিৰ বুকুলৈ ন-সাজ পিন্ধি আহেএকেই ব'হাগ, একেই কুলি-কেতেকীৰ মাত, একেই পাতাল ফটা, গাজনী, একেই কুঁহিপাত আৰু একেই সেউজীয়া সুবাস।

আপাততঃ প্ৰকৃতিৰ দ্বাৰা লালিত পালিত, ৰূপে-ৰসে ভৰপুৰ বিহুৰ আনন্দীয়া

আৰু বিনন্দীয়া ৰূপটো লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। হাড় ভাঙি পৰিশ্ৰম কৰা কৃষক সকল আজি প্ৰাকৃতিক উৎসৱৰ মাদকতা লাভৰ পৰা ক্ৰমে ক্ৰমে বঞ্চিত হৈ পৰিল। কৃষি ভূমিৰ অধিকাৰ হেৰুৱা কৃষকৰ আজি নোহোৱা হ'ল গোহালিৰ গৰু, কান্ধৰ নাঙল, মূৰৰ জাপি আৰু হালোৱা এচাৰি। ৰাতি দুপৰলৈকে ঘৰ আৰু চুবুৰীৰ আখলত নানা বিধ পিঠা পনা, চিৰা সান্দহ তৈয়াৰ কৰাৰ যি কৰ্ম ব্যস্ততা, নতুন চুৰিয়া চোলা পিন্ধি ডিঙিত বিহুৱান লৈ শৰাইত তামোল পান মাননি দি দেউতাৰ চোতালত হুঁচৰি যোৰাক সাষ্টাংগে প্ৰণাম জনোৱাৰ পৰম্পৰা এতিয়া হেৰাই যাব ধৰিছে। সময়ৰ কোবাল সোঁতত পৰি চোতালৰ হুঁচৰি, পথাৰৰ বিহু এতিয়া নদীৰ দাঁতিত পৰি থকা জাঁজৰি হ'ল। গাঁৱৰ আহঁতৰ তলৰ বিহুতলী এতিয়া নগৰত বিহু সন্মিলন হ'ল। গাঁৱৰ মুক্ত বিহু মেলাবোৰ নগৰত এতিয়া অত্যাধিক ৰূপত বাধাহীন হৈ পৰিল। নাচনীৰ খোপাত প্ৰকৃতি ৰূপা ৰচঙ্গা কপৌফুলৰ পৰিৱৰ্তে বজাৰৰ প্লাষ্টিকৰ কপৌফুলে এতিয়া শোভাবৰ্দ্ধন কৰিলে। ওঁঠত দামী দামী ব্ৰেণ্ডৰ লিপষ্টিকৰ কোল পৰিল। হাতৰ তলুৱাত হেনা মেহেণ্ডীৰ ৰঙেৰে ৰঙচুৰা হৈ পৰিল। অসমীয়া শিপিনী সকলে তাঁতশালত নিজ হাতে অতি হেপাহেৰে প্ৰস্তুত কৰি মান্যজনক আৰু প্ৰিয়জনক উপহাৰ হিচাপে দিয়া বিহুৱান খনকো এতিয়া অশুভচক্ৰই হস্তগত কৰি বহিঃৰাজ্যৰ পৰা গামোচা আমদানি কৰি গোটেই তাঁতশালখন, শিপিনী সকলক উপলুঙা কৰি জাতিটোকে অপমান কৰিছে। কেৱল ৰঙা চানেকীয়া গামোচাখনেই নহয়, ইতিমধ্যে বিহুনাচত ব্যৱহৃত বাদ্য আৰু বিহুৱতীৰ অপৰিহাৰ্য সামগ্ৰীসমূহ যেনে— জোনবিৰি, ঢোলবিৰি, গামখাৰু আদি বহিঃৰাষ্ট্ৰত যান্ত্ৰিক ভাবে উৎপাদিত সস্তীয়া সামগ্ৰী সমূহ আমদানি কৰি এই সমূহ সামগ্ৰীকো অপমান কৰি থলুৱা শিল্প আৰু শিল্পীসকলক তুচ্ছ-তাচ্ছিল্য কৰিছে। অসমীয়া জাতিৰ জয়ধ্বজা— অসমৰ আকাশত উৰি জাতীয় মৰ্যদা বহন কৰা জাতিৰ অন্যতম জাতীয় বস্ত্ৰ হিচাপে বিশ্ব দৰবাৰত স্বকীয় পৰিচয় দিবলৈ সক্ষম হোৱা গামোচাখনৰ প্ৰতি কৰা এনেধৰণৰ অৱহেলাক সহজভাৱে মানি ল'ব নোৱাৰি। গাঁৱৰ আপুৰুগীয়া তাঁতশালখন এতিয়া অসমীয়া সমাজ জীৱনৰ পৰা এলাগী হৈ পৰিল যাৰ ফলত সূতা আৰু শিপিনীৰ অভাৱত এতিয়া তাঁতশাল উঠিলগৈ ঘৰৰ আতালত। সম্প্ৰতি বিহুক অতি বাণিজ্যিকীকৰণ কৰি পেলোৱাৰ ফলত ঐতিহ্য আৰু মৌলিকতাৰে পৰিপূৰ্ণ প্ৰকৃতি ভৰা বিহুৰ সাঁচতীয়া সম্পদখিনি ঢাক খাই পৰাৰ উপক্ৰম হৈছে।

পৰিধিবিহীন ৰঙালীৰ অতুলনীয় ৰং ধেমালীবোৰ এতিয়া ম্লান পৰিবলৈ ধৰিছে।

কৃষিজীৱি মানুহৰ বৈচিত্ৰ্যময় জীৱন আৰু শ্ৰমৰ পৰিণতিত স্বতঃস্ফূৰ্তভাৱে এসময়ত যিবোৰ বিহুমান আৰু নামৰ সৃষ্টি হৈছিল সেই সমূহ বিহুনাম আৰু নাচ এতিয়া বিশ্বায়নৰ কবলত পৰি বৈচিত্ৰ্যহীন হৈ পৰিল। বিহুনামক এতিয়া বিহুগানলৈ আৰু বিহুনাচক ৰুচিহীন নৃত্যলৈ এচামে পৰ্যবসিত কৰিছে। ব্যৱসায়ীক মানসিকতাৰ নগৰমুখী ভাব প্ৰৱণতাত বিহুৰ সৰলতাৰে ভৰা গ্ৰামীনতাৰ সৌন্দৰ্য আৰু নিভাঁজ আকৰ্ষণৰ বিলুপ্তি ঘটিল। বণিক শ্ৰেণীৰ কুটিল হাতোৰাতে পৰি বিহুৰ গণ জীৱনৰ চিন্তা চেতনাৰ স্বাভাৱিক প্ৰবাহ আজি হেৰাই গ'ল। কেছেট, চিডি, ভিচিডিত কাণ তাল মৰা কোলাহলেৰে বিকৃত ৰূপত পৰিৱেশন কৰা বিহুৱে এতিয়া বন্দীত্ব জীৱন কটাবলগীয়া হৈছে যাৰ ফলত বিহুৰ প্ৰগতিশীল গণ দৃষ্টিত আউল লগাৰ এটা ব্যৱস্থাৰ জন্ম হ'ল। বিহু কুঁৱৰী, বিহু-সম্ৰাট, বিহু সম্ৰাজ্ঞী আদি এনে ধৰণৰ অভিধাবোৰে প্ৰকৃত বিহুৱা-বিহুৱতীসকলক সমাজ জীৱনৰ পৰাই নিলগাই তুলিলে। বৰ্তমানৰ মঞ্চ বিহুতলীৰ ৰঙ-বিৰঙৰ অত্যাধুনিক ব্যৱস্থা আৰু লোভনীয় পুৰস্কাৰ সৰ্বস্বতাই গছতলৰ বিহু আৰু চোতাল বিহুৰ অস্তিত্ব বিপন্ন কৰি তুলিলে। বিহু বিলম্বিত লয় আৰু মধ্যলয়ত গোৱাৰ পৰম্পৰা কৃষি উৎপাদন কাৰ্যৰ লগত স্বয়ংক্ৰিয় ভাৱে জড়িত। আমাৰ লোক-কৃষ্টিৰ সৃষ্টিশীলতা, উৎপাদনশীলতা, মননশীলতা আৰু নান্দনিকতা— এই সমূহ উপাদান শতাব্দীৰো প্ৰাচীন পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰজ্ঞা, জীৱন-সংগ্ৰাম, হৰ্ষ-বিষাদ, হাঁহি-কান্দোন, প্ৰেম-ভালপোৱা এই সকলোবোৰ সমাহাৰেৰে সমৃদ্ধ সম্ভাৰ আমাৰ কৌটিকলীয়া বিহুত পঞ্জীভূত হৈ আছে। ব'হাগৰ সৈতে গঁথা আছে অসমীয়া জন-জীৱনৰ প্ৰাণৰ সম্পৰ্ক। প্ৰকৃতিৰ শোভাময় পৰিৱেশে বিৰাজ কৰা তথা বিহু নামত সন্নিবিষ্ট হৈ থকা নৈ, বিল, খালবোৰত এতিয়া প্ৰাণ চঞ্চলতা খিনি হেৰাই গ'ল। মূৰৰ চুলিটাৰিত গামোচা খোপা বান্ধি, বুকুত আটি বন্ধা মেঠনি, আঁঠুলৈকে বৈ পৰা মেখেলা পৰিহিত কঁকালত খালৈ আৰু কান্ধত জাকৈ লৈ মাছ মাৰিবলৈ যোৱা ৰহদৈ, ৰঙিলী, পমিলী আদি জাক জাক জাকৈয়া ছোৱালী-বোৱাৰীৰ সেই চিনাকি মন পৰশা ছবিখন এতিয়া দেখিবলৈ নোপোৱা হ'ল। পথাৰৰ বিহু এতিয়া নিজম পৰিল গছতলৰ বিহু উদং হ'ল। গছ তলৰ বিহু আৰু পথাৰৰ মাজত নচা বিহুৱে ধৰিত্ৰীক প্ৰত্যক্ষভাৱে কম্পিত কৰি তুলিছিল। দদাইদেউৰ আহল-বহল চোতালখন এতিয়া পূৰ্ণতাৰে ভৰি

পৰিল। "*আইৰে ঘৰতে/আছিলো এজনী/কুলকো নুবুলিলো কুল; থুৰিয়া তামোলে/কোচ নধৰিছিল/খোপাত নধৰিছিল ফুল।*" থুৰিয়া তামোলখন পাণৰ বুকুত লুকাই থকাৰ দৰে গাভৰুৰ বুকুত অযুত গোপন মৰম ভালপোৱা লুকাই আছিল। কিন্তু আজিৰ পৰিৱৰ্তিত পৰিস্থিতিত পৰি সেই সমূহ আকুলতাৰে ভৰা বিহু নামৰ প্ৰাংসগিকতা হেৰাল। "*তুমি দিয়া চেলেংখনি/ল'লো চাট মাৰি/গলো আলিবাটে ঘেলাই ...*" বুলি সদম্ভে বুকুফিন্দাই গৰ্ববোধ কৰা ডেকা সম্প্ৰতি কেইজন আছে?

বিহু স্বচ্ছন্দতাৰে পৰিপূৰ্ণ এক প্ৰাকৃতিক সুশোভিত সামূহিক লোকানুষ্ঠান। বিহুৰ পৰম্পৰাগত প্ৰচলিত ধাৰা আৰু স্বাভাৱিক ৰূপে সকলোকে শিহৰিত কৰি তোলে। কিন্তু আধুনিক যান্ত্ৰিক ব্যৱস্থাই বিহুক চৌপাশৰ পৰা গ্ৰাস কৰা যেন দৃষ্টি গোচৰ হৈছে। সাম্প্ৰতিক সময়ত এচাম কুচক্ৰ ন্যস্তস্বাৰ্থ সুবিধাবাদীৰ কবলত পৰি বিহুৱে এতিয়া আপোন ইচ্ছাৰে পৰিচালিত হ'ব নোৱাৰা হ'ল। বিহুৰ পৰিৱেশ্য কলাৰ স্বকীয়তাক আজি এচামে ভেঙুচালি কৰিবলৈ লৈছে। বিহুক মূল তাত্ত্বিক দিশৰ পৰা সেইচাম কুচক্ৰান্তকাৰীয়ে ক্ৰমে ক্ৰমে আঁতৰাই লৈ গৈছে। হুঁচৰিৰ মাংগলিক ৰূপ, ভক্তি নীতি শালীনতা আৰু চোতাল বিহুৰ সুধাময় ৰূপটোক এতিয়া ওফৰাই পেলোৱা হৈছে। বৰ্ণিক গোষ্ঠীৰ নিয়ন্ত্ৰণতহে বিহু এতিয়া পৰিচালিত হয়। তাহানিৰ বিহু মুক্ত ৰূপত পৰিৱেশিত হৈছিল। এতিয়াৰ বিহু বহুজাতিক কোম্পানীৰ দ্বাৰা 'স্পনচৰ' কৰা হয়। মালিক পক্ষই বিহু দলক ক্ৰয় কৰি দলৰ প্ৰতিজনকে দলিলৰ পাতত চুক্তি কৰোৱাই জেঠ-আহাৰ মাহলৈকে বিহু তলীত বিহু পৰিৱেশন কৰোৱাৰ এক অনাহুত ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হ'ল। সংস্কৃতিৰ পূজাৰীতকৈ এতিয়া সংস্কৃতিৰ ব্যৱসায়ী বেছি হ'ল। সৃষ্টিৰ প্ৰয়োজনতকৈ নিৰ্মাণৰ প্ৰয়োজন অধিক হাৰত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিহুক সম্প্ৰতি পণ্য সামগ্ৰীৰূপে ব্যৱহাৰ কৰাৰ ক্ৰম বৰ্দ্ধিত প্ৰৱণতাই গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। বিহুনাচ পৰম্পৰাগতভাৱে উমৈহতীয়া নাচ। একেলগে নচা নাচ। কিন্তু এচামে ইয়াক জোৰ কৰি আধুনিকাৰ ৰঙ সানি কেৱল এগৰাকী নাচনীক নচোৱাই বিহুনাচৰ লোক পৰম্পৰা আৰু লোক মৰ্যদাক স্বৰূপাৰ্থত কলুষিত কৰা হৈছে। পৰম্পৰা আৰু ঐতিহ্যক নস্যাৎ কৰি আৰু কিমান দিনলৈ বিসংগতি পূৰ্ণভাৱে আমি বিহু উদ্‌যাপন কৰিম? আউল লগা এটা ব্যৱস্থাৰ মাজেদি আৰু কিমান দূৰ আগবঢ়াই নিয়াটো উচিত হ'ব আমাৰ বাপতিসাহোন পৰিৱেশ্য বিহুটিক? জাতীয় সত্বা বৰ্তাই ৰখাৰ এক কৌশল

হিচাপে ৰঙালী বিহুটি পালন কৰিম নে বিহুৰ মাজত সোমাই থকা সাৰ্বজনীনতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকৃতিৰ লগত একাকাৰ হৈ আনন্দৰ বন্যাত বিভিন্ন জনগোষ্ঠীৰ সুন্দৰতাখিনিকো আঁকোৱালি ল'ম? হাবি-জংঘল এফালৰ পৰা কাটি তহিলং কৰিলে কুলি-কেতেকী আহি ক'ত জিৰণি ল'বহি বসন্তৰ আগজাননী দিবলৈ? ইতিমধ্যে আমাৰ ধাননি পথাৰখন হেৰাই যাবলৈ আৰম্ভ কৰিছে। নাহৰ, তৰাগছ, মাখিয়তী, দীঘলতি আদি লাহে লাহে কমি আহিছে। উন্নয়নৰ নামত, অত্যাধিক আধুনিকতাৰ হৈ-চৈত লোক কৃষ্টিৰ পৰম্পৰাৰ সৌধটিক তচনচ কৰা হৈছে। যাৰ ফলত বিহুৰ আয়ুস ৰেখা সংকুচিত হৈ অহা যেন অনুমান হৈছে। অসমৰ সমাজ জীৱনৰ লগত বৃহত্তৰ অসমীয়া থলুৱা জনগোষ্ঠীৰ আৱেগ জড়িত থকা আত্ম পৰিচয় ভৰা বিহুক আৰু অধিক বিপন্ন হ'বলৈ দিব নোৱাৰি। কিয়নো অসমীয়া সমাজখনৰ হালোৱা-হজুৱা, কৃষক-বনুৱাৰ ঐতিহ্য পৰম্পৰা ইতিহাস লোকবিশ্বাসৰ পৰা জীৱন চৰ্যালৈকে আৰু সংগীত সুষমাৰ পৰা জন-জীৱনৰ চিন্তা চেতনালৈকে বিহুত সকলো বিলাকেই পৰিস্ফূট হৈ পৰে। বিহুৰ লগত অসমীয়াৰ বৃহত্তৰ সমাজখনৰ দীৰ্ঘদিনীয়া এৰাব নোৱাৰা সম্বন্ধৰ বাবে ইয়াৰ লগত সংযুক্ত হৈ থকা সৰ্বোত্তম ৰীতি-নীতি, আচাৰ ব্যৱহাৰবোৰৰ বাবে অসমীয়া সমাজখনৰ স্বৰ্নীল দিশটো আজিও সঁচা অৰ্থত স্বচ্ছতাৰে পৰিপূৰ্ণ হৈ আছে। অসমৰ বৰ্ণময় সংস্কৃতি জাতিটোৰ বাবে এটি সোনসেৰীয়া অধ্যায়। থলুৱা কৃষ্টি-সংস্কৃতিবোৰ আমাৰ বাবে ঐশ্বৰ্য-বিভূতি স্বৰূপ। গ্ৰাম্য পৰম্পৰাসমূহ সংস্কৃতিৰ মেটমৰা ভঁৰাল। আমাৰ সামগ্ৰিক জীৱন শৈলীৰ মাজত নিহিত হৈ আছে সংস্কৃতিৰ পৰম আকাংক্ষিত স্বকীয়তা। এই সংস্কৃতিৰ শিপাডাল প্ৰোথিত হৈ আছে লোককৃষ্টিৰ মাজত। সেয়ে দেশ, জাতি, মাটি জীপাল হ'বলৈ হ'লে লোক কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰখন সদায় সাৰুৱা হোৱাটো প্ৰয়োজন। ইতিমধ্যে কিছু অশুভ শক্তিয়ে সংস্কৃতিৰ এই ঘাই শিপাডালক উঘালি পেলোৱাৰ বাবে যি কৌশল ৰচনা কৰিছে সেই কৌশলক প্ৰতিহত কৰাৰ বাবে সচেষ্ট হোৱা উচিত। নিজৰ সাতামপুৰুষীয়া ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খোৱা-বোৱা, ৰং-ধেমালী, জীৱন দৰ্শনক সম্প্ৰতি বিশ্বায়নৰ অপ্ৰতিৰোধ্য জয় যাত্ৰাত উটুৱাই দিয়াটো উচিত নহ'ব। লোক-কৃষ্টিৰ আপুৰুগীয়া সম্পদক আমি কাহানিও বিপন্ন হ'বলৈ নিদি ইয়াক সুৰক্ষা প্ৰদানত ব্ৰতী হ'ব লাগিব। বিহুৰ লগত আত্মিকভাবে জড়িত উঘা, চেৰেকী, নাঙল-যুঁৱলি, জাকৈ-খালৈ, জোনবিৰি, ঢোলবিৰি আদি একো একোবিধ সম্পদক

আধুনিকতাৰ প্ৰলেপ নাসানি উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰা হওঁক। বিহুৰ বাদ্যসমূহৰ অধিক মান্যতা প্ৰদান কৰা হওঁক। একেখন বিহুতলীতে বৃহত্তৰ অসমীয়াৰ সৰ্বোত্তম সুন্দৰতাখিনি প্ৰকাশিত হওঁক। বিহুৰ মাজেদিয়েই আমি বিচাৰি ল'ব লাগিব সামূহিক জীৱনৰ মাদকতা, সমন্বয়ৰ বাৰ্তা, সাৰ্থকতা আৰু মোহময় অৰ্থ নিভাঁজ মিলাপ্ৰীতি, জীৱন পদ্ধতি। বিহুৰ মাজেদিয়েই আমি প্ৰতিফলিত কৰিব পাৰিব লাগিব। গৃহস্থৰ চোতালত, কৃষকৰ পথাৰত বিহুৱে তাৰ নিজস্ব ৰূপ আৰু প্ৰকৃতি ভৰা গৰিমা ৰক্ষা কৰাত সহায়ক কৰি তোলক আপোন ইচ্ছাৰে। বিহুক বণিক গোষ্ঠীৰ কবলৰ পৰা নিশ্চিতভাবে মুক্ত কৰিবই লাগিব। বিহুক অশুভ শক্তিৰ ছত্ৰ-ছায়াৰ মাজেৰে চলি থাকিবলৈ দিলে কৃষ্টি-সংস্কৃতি, দেশ, জাতি আৰু মাটিয়ে এদিন সাৰুৱা বৰ্ণময় সংস্কৃতিৰ অধিকাৰ হেৰুৱাব লাগিব।

সম্প্ৰতি বিহুক এক সবল জাতি গঠনৰ প্ৰক্ৰিয়ালৈ পৰিণত কৰি লোক-সংস্কৃতিৰ চিৰ সেউজীয়া ৰূপটোক বিভাজিত নকৰি অক্ষত অৱস্থাত ৰখাটো আমাৰ প্ৰত্যেকজন সচেতন সংস্কৃতি প্ৰাণ ব্যক্তিৰ দায়িত্ব হোৱাটো বাঞ্চনীয়। প্ৰকৃতিৰ নিজস্ব প্ৰাণ চঞ্চলা ৰূপ আৰু ৰসেৰে ভৰপূৰ বিহু অসমৰ প্ৰাণ—জাতিৰ মান। বিহু যেনেদৰে আছিল তেনেদৰেই থাকিবলৈ দিয়ক— স্বাভাবিক ৰূপত। ই বৰ্তমান সময়ৰ দাবী। যুগ যুগ ধৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ জন-জীৱনৰ থলুৱা পৰম্পৰাৰ স্বাক্ষৰ সমূহ, বিহুনাম, চিত্তাকৰ্ষক বিহু নামৰ সুৰ সমূহ আৰু লোক বাদ্যৰ অমিয়া ধ্বনিৰ সমাহাৰ সমূহ বৰ লুইতৰ দুয়োপাৰ উপচি পৰাৰ লগতে সাত সাগৰ তেৰ নদীৰ সিপাৰে ইয়াৰ ঢৌ যাতে উপচি পৰে তাৰ উচিত ব্যৱস্থা গ্ৰহণ কৰিবৰ হ'ল। ই সাম্প্ৰতিক সময়ৰ সংস্কৃতিৰ নিশ্চিত ভৰা আবেদন।

★★★

# মুকলি বিহুৰ পৰিৱেশন শৈলীঃ এটি চমু অৱলোকন

**লাচিত ফুকন***

অসমীয়াৰ হিয়াৰ আমঠু, বাপতি সাহোন ব'হাগ বিহুৰ এটি অবিচ্ছেদ্য অংগ "মুকলি বিহু" আৰু ইয়াৰ পৰিৱেশন শৈলী সম্পৰ্কে অসমৰ ৰাইজক নতুনকৈ অৱগত কৰাৰ বিশেষ প্ৰয়োজন নাই বুলি ভাবো। তথাপি ৰাজ্যিক আলোচনাচক্ৰৰ এটি বিষয় বুলি গণ্য কৰি তলত এই সম্পৰ্কে শ্ৰদ্ধাৰে কেইটিমান তথ্য উল্লেখ কৰা হ'লঃ—

- মুকলি বিহু ডেকা-গাভৰুৰ অন্তৰৰ ভাৱ প্ৰকাশ কৰা এটি ব'হাগৰ অনুষ্ঠান বা চ'তৰ বিহুৰ এটি অংশ।
- মুকলি বিহু ডেকা-গাভৰুৰ অনুষ্ঠান। ইয়াত বৃদ্ধ-বৃদ্ধাৰ স্থান নাথাকে বা বয়োজ্যেষ্ঠ বয়োজ্যেষ্ঠাই ভাগ ল'ব নালাগে। ই কেৱল ডেকা-গাভৰুৰ মাজত সীমিত থাকিব লাগে।
- মুকলি বিহুত ডেকা-গাভৰুৱে প্ৰেম-প্ৰণয়ৰ গীত মাতবোৰ পৰস্পৰে পৰস্পৰক মুকলি মূৰীয়াকৈ প্ৰকাশ কৰে।
- মুকলি বিহুত যোৰা নামৰ প্ৰাধান্যতাই বেছি। ডেকা-গাভৰুৱে এই বিহুত যোৰা নামেৰে প্ৰতিযোগিতা আৰম্ভ কৰে।
- মুকলি বিহুত গাভৰুৱে আগভাগ লোৱাৰ ইতিহাস আছে। এই বিহুত বিহু খোলাত বা মঞ্চত গাভৰুক দেখা পাইহে ডেকাসকল আহি বিহু উপভোগ কৰে আৰু পৰস্পৰে সমানে অংশ লয়।
- গাভৰুৱে প্ৰথমে মুকলি বিহুত অংশ গ্ৰহণ কৰাৰ নমুনা যোৰানামৰ দ্বাৰাও আমি বুজিব পাৰো। যেনে—

    প্ৰথমতে গাভৰুৱে গাব—

******বিহুকৰ্মী, প্ৰৱন্ধকাৰ।*

ঠিকনা— শিৱসাগৰ। যোগাযোগ নং- ৯৪৩৫৭-৪৪৭৯৩।

"আমাৰ বিহু চাবলৈ/আহিছা ককাইটি/আমালৈ আনিছা কি?;
আমালৈ আনিছা/লঙে ডালেচেনি/পোৰাত চাৰি অনা দি।"

উত্তৰত ডেকা বিহুৱাই গাব—

"কেলৈ লাগিছে/লঙে ডালেচেনি/কেলৈ নো লাগিছে জাঁই;
গুটি মেজাংকৰী/আছে যে অগণন/হাবিতে এনেয়ে পায়।"

পুনৰ পেপুৱাক লৈ গাভৰুৱে গোৱাৰ (জোঙলা নামৰ) উদাহৰণঃ—

"ৰংপুৰলৈ যোৱাগৈ/লংগুটি আনাগৈ/দুয়োনো একেলগে খাম;
ম'হৰ শিঙৰ পেঁপাটি/বনকিয়াই আনাগৈ/বিহুনো মাৰিবলৈ যাম।"

ডেকা বিহুৱাৰ নামৰ উদাহৰণ—

"বৰঘৰৰ মুধতে/ভঁৰালৰ টুপতে/চৰাই ফুটুকলা যায়;
মোৰ জানো মনতে/পৰে ঘনে ঘনে/তোৰ জানোমনতে নাই'।

গাভৰুৱে উত্তৰত গাব এনেদৰে—

"শালে ভুমুকিয়াই/শ'লে ভূমুকিয়াই/চেঙাই ভূমুকিয়াই খালত;
দেহাৰে ভিতৰত/তুমি নো ভুমুক মাৰা ঐ/সদায় নো পৰি থাকে মনত।" (ইত্যাদি)

♦ মুকলি বিহুত গাভৰুৰ আগস্থান পূৰ্ব্বতেও আছিল। তাৰ উদাহৰণ—

"মোৰ ধন কলিয়া/আলাসৰ দেৱতা/নিলসত আছিলা বৈ;
কলিমতিক লগ পাই/ৰঙালীৰ লগে হৈ/কলিয়াবৰতে ৰলি না ঐ।"

হাত চাপৰি বাই কলিমতিয়েহে প্ৰথমে বিহু গাই আহিছিল। সু-ধন কলিয়াই নিলগৰ পৰা চাই আছিল আৰু কলিমতিৰ নাচ দেখি লগত আহি কলিয়াবৰত বৈছিলহি। মুকলি বিহুত ইও এক উদাহৰণ যে কলিমতীয়েহে আগভাগ লৈছিল।

♦ পৃথিৱীত ভগৱানৰ সৃষ্টি কীট-পতঙ্গ, পশু-পক্ষী, জীৱ-জন্তু আদি সকলোৱেই প্ৰকৃতিকহে প্ৰথমে অনুসৰণ কৰা দেখা যায়। ই নতুন কথা নহয়।

ৰাজ্যিক পৰ্য্যায়ত মুকলি বিহুৰ পৰিবেশন শৈলীৰ ওপৰত আলোচনা চক্ৰৰ আয়োজন এক গৌৰৱৰ নিদৰ্শন। আজিকালি মুকলি বিহুৰ ওপৰত বহুজনে বিভিন্ন ধৰণে মতপোষণ কৰা দেখা যায়।

মুকলি বিহুত প্ৰথমে গাভৰু প্ৰৱেশ কৰিব নে ডেকা বিহুৱা প্ৰৱেশ কৰিব ? সেইটো আচৰিত কথা নহয়। মুকলি বিহুৰ ওপৰত সম্যক ধাৰণা যাতে বিকৃত নহয় সেইটোহে মূল কথা। অসমৰ বিভিন্ন জিলাত বিহু মঞ্চ সমূহত বা বিহুতলীত যাৰ যি মন যায় তাকেই প্ৰদৰ্শন কৰা দেখা গৈছে আৰু এটা বিশেষভাৱে মন কৰিব লাগে যে 'মুকলি বিহু' আৰু 'হুঁচৰি'ৰ মাজত এটি বৃহৎ ব্যৱধান আছে। হুঁচৰি গৃহস্থৰ চোতালত গোৱা এক মাংগলিক অনুষ্ঠান। মুকলি বিহু যৌৱনাপ্ৰাপ্ত ডেকা-গাভৰুৰ অনুষ্ঠান। এই দুয়োটা অনুষ্ঠান সুকীয়া সুকীয়াকৈ অনুষ্ঠিত কৰিব লাগে। দুয়োটা কেতিয়াও একাকাৰ হ'বলৈ দিব নালাগে।

★★★

# মুকলি বিহুঃ এক অনুভৱ

## ৰোহিণী বৰগোঁহাই*

অসমীয়া বাৰ মাহৰ ভিতৰত তিনিটা মাহত অনুষ্ঠিত কৰা অসমীয়া জাতীয় উৎসৱ কাতি মাহত কাতি বিহু, মাঘ মাহত মাঘ বিহু আৰু ব'হাগ মাহত ৰঙালী বিহু উৎসৱ হিচাপে পালন কৰা হয়। এই তিনিটা মাহৰ তিনিটা উৎসৱৰ ভিতৰত অসমীয়া জাতিৰ বাপতিসাহোন ব'হাগ বিহু অসমীয়া জাতিৰ হিয়াৰ আমঠু স্বৰূপ আৰু ইয়াক বহুলোকে বহাগী উৎসৱ হিচাপে স্থানীয় বৈশিষ্ট্যৰ ভিত্তিত বেলেগ বেলেগ ধৰণেৰে উদ্‌যাপন কৰি আহিছে। সচা অৰ্থত ক'বলৈ গ'লে, ৰঙালী বিহুৰ মাধুৰ্য্যতাই বৰ্ণনাতীত। এই উৎসৱতে গৰুক গা-ধুওৱা, কণী যুজোওৱা, জেষ্ঠ্যজনক সন্মান জনোৱা, নতুন বস্ত্ৰ পৰিধান কৰা, এশ এবিধ শাকেৰে আঞ্জা খোৱা, গৰুক নতুন পঘা পিন্ধাই পিঠা-পনা খুউওৱা, পদুলি মুখত বেতপাত, জুতুলি পকা, টিকনি বৰুৱা, তুঁহ গুৰি আদিৰ লগত পদুলি মুখত জাক দিয়া আদি অসংখ্য ৰীতি-নীতি পালন কৰা হয়। ইয়াৰ ওপৰিও হুঁচৰি গোৱা, মুকলি ঠাইত গছৰ তলত গাভৰুসকলে বিহু গোৱাৰ যি পৰম্পৰা যি সংস্কৃতি তাৰ মাধুৰ্য্যতা অনন্য। এই বিহু গোৱাৰ যি মাধুৰ্য্যতা তাৰ ভিতৰত সবাতোকৈ আনন্দৰ আৰু মনোমোহাৰ লগতে ডেকা-গাভৰুৰ মনৰ ভাৱবোৰ ইজনে সিজনক মুক্তভাৱে বিহু নামেৰে প্ৰকাশ কৰাৰ যি মাদকতা ভৰা 'ডেকা-গাভৰুৰ মুকলি বিহু'ৰ বৈশিষ্ট্য সেয়া পৃথিৱীৰ ভিতৰতে বিৰল।

'মুকলি বিহু' বুলি ক'লে বহুলোকে এখন মুকলি পথাৰ অথবা মুকলি ঠাইত বহু বিহুদল একেলগ হৈ গোৱা বিহুকে 'মুকলি বিহু' বুলি ভাবি আহিছে আৰু ভাৱে। প্ৰকৃততে গছৰ তলত এটা অঞ্চলৰ গাভৰুসকলে একত্ৰিত হৈ বিহু কৰি থকা অৱস্থাত অন্য এটা অঞ্চলৰ ডেকাসকলে সেই গাভৰুসকলৰ বিহুৰ আনন্দ উপভোগ কৰিবলৈ যায়। সেই সময়তে গাভৰুসকলে বিহুৰ নামেৰে ডেকাসকলক জোঁকাবলৈ আৰম্ভ কৰে ডেকাসকলৰ মাজতো বিহু নামৰ ওজা থাকে। সেই ডেকাসকলে গাভৰুসকলক বিহু নামেৰে প্ৰত্যুত্তৰ

---

* *শিক্ষাবিদ, লোককৃষ্টিৰ সাধক, বিহু বিশেষজ্ঞ।*
ঠিকনা— বৰুৱা নগৰ, চৰাইদেউ। যোগাযোগ নং-৯৪০১০-৯৩৩৬৯

দিবলৈ আৰম্ভ কৰে। তেনে মুহূৰ্তৰ পৰাই দুয়োপক্ষৰ মাজত দেহা উজাৰি অন্তৰত ক্ষোভিত হৈ থকা মনৰ ভাৱবোৰ বিহু নামেৰে প্ৰকাশ কৰে। সেই ডেকা-গাভৰুসকলৰ মাজত বিহু নামৰ আদান প্ৰদানৰ জৰিয়তে সৃষ্টি হোৱা যি মনৰ আনন্দ সেই আনন্দই এক বুজাব নোৱাৰা পৰিৱেশৰ সৃষ্টি কৰে। সেই পৰিৱেশৰ মাজত থাকোতে কেতিয়া কিমান সময় পাৰ হৈ যায় ক'ব নোৱাৰা হৈ পৰে। নিৰ্দিষ্ট এটা দূৰত্বত থাকি ডেকা গাভৰুসকলে ভালপোৱাজনক বিহু নামৰ জৰিয়তে মনৰ ভাৱ আদান প্ৰদান কৰাই হৈছে 'মুকলি বিহু'। এইয়াই হৈছে মুকলি বিহুৰ অতীতৰ পৰা চলি অহা এক বাস্তৱ পৰম্পৰা। এই মুকলি বিহুৰ পৰম্পৰা উজনি অসমৰ এক অনন্য সৃষ্টি।

ইয়াৰ পৰাই বুজা যায় যে মুকলি বিহুৰ প্ৰকৃত বৈশিষ্ট্য হৈছে যে গাভৰুসকলে প্ৰথমে পৰিৱেশন কৰে। পিছতহে ডেকাসকলে লগ লাগি বিহু গাব। এই মুকলি বিহুত গৃহস্থ নাথাকে, শৰাই নাথাকে, আশীৰ্বাদ নাথাকে। মুকলি বিহুত গোৱা বিহু নাম আৰু হুঁচৰিত গোৱা বিহু নামৰ মাজত পাৰ্থক্য আছে। ঠিক তেনেদৰে বিহু নাচৰো মুকলি বিহু আৰু হুঁচৰিৰ মাজত পাৰ্থক্য আছে। মুকলি বিহুত কেৱল ডেকা-গাভৰু সকলেহে অংশ গ্ৰহণ কৰে, কিন্তু হুঁচৰিত ল'ৰা-ডেকা-বুঢ়া সকলোৱে মিলি মানুহৰ ঘৰে ঘৰে গৈ গৃহস্থক আশীৰ্বাদ প্ৰদান কৰে। ঠিক তেনেদৰে বিহুৰ বাদ্য পৰিৱেশনৰ বেলিকা কিছু পাৰ্থক্য আছে। এই পাৰ্থক্য সমূহৰ ক্ষেত্ৰত গুৰুত্ব দিয়া প্ৰয়োজন। তেতিয়াহে অসমীয়া জাতিৰ কঁকাল থাকিব। বহু ঠাইত বহু বিজ্ঞলোকে বাস্তৱ পৰিৱেশন শৈলী নিৰীক্ষণ নকৰাকৈয়ে মুকলি বিহুৰ প্ৰকৃত ৰূপৰ বিপৰীতে মন্তব্য আগবঢ়াই আমাৰ বিহুৱা-বিহুৱতীসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। তেনেক্ষেত্ৰত বিহুৰ পৰিৱেশনৰ ক্ষেত্ৰত বহু বিশৃংখল পৰিৱেশ সৃষ্টি হোৱাৰ পৰিলক্ষিত হৈছে। সেয়েহে এতিয়াও উদ্জ্জীৱিত হৈ থকা মুকলি বিহুৰ ঐতিহ্য তথা পৰম্পৰা উজনি অসমৰ বহু ঠাইত ৰূপায়িত হৈ আছে। যি যি অঞ্চলত এতিয়াও অতীতৰ মুকলি বিহুৰ পৰম্পৰা ধৰি ৰাখিছে সেই অঞ্চলৰ ৰাইজলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। আমি আশা ৰাখিছো, বাস্তৱ অভিজ্ঞতাৰ পৰা যি তথ্য সমাজলৈ আগবঢ়াইছো ইয়াৰ পৰা নিশ্চয় মুকলি বিহুৰ সন্দৰ্ভত বিভ্ৰান্তিত পৰা বিহুৱাসকল নিশ্চয় উপকৃত হ'ব।

***

# মুকলি বিহুৰ পৰিৱেশন শৈলী

**বিহুৰাম কলিতা***

লোক সংগীতৰ গৱেষক হেমাংগ বিশ্বাসে উল্লেখ কৰিছে যে বিহু অসমীয়াৰ জাতীয় সম্পদ। তেখেতে কৈছে যে যি নাই অসমত সি নাই বিহুনামত। বিহুনামৰ সাহিত্যিক আৰু সাংগীতিক ভেঁটিৰ ওপৰতেই থিয় হৈ আছে অসমীয়া সংস্কৃতিৰ উপৰি সৌধ।

৭৫ খন নৈ, উপনৈ ৪৫ খন নদী-উপনদীৰ সংগমত সৃষ্টি হৈছে বিশাল ব্ৰহ্মপুত্ৰ। ঠিক তেনেকৈ মিচিমি, চুতীয়া, খামতি, চিংফৌ, ফাকিয়াল, সোনোৱাল, মৰান, মটক, ৰাভা, কোচ, গাৰো, খাচিয়া, নাথ, কৈৰ্বৰ্ত্ত, কলিতা, ব্ৰাহ্মণ, কায়স্থ, অঁকা, আবৰ, কুকি, চাঁওতাল, বড়ো, দেউৰী, বৰাহী, লালুং, লুচাই, হাজং, কাৰ্ব্বি আদি ৫৫ টাতকৈ অধিক জন-জাতি, জনগোষ্ঠীৰ আগমন হৈ তেওঁলোকৰ অৱদানেৰে সৃষ্টি হৈ উঠিছে বৃহৎ অসমীয়া জাতি। এই জাতি-জনজাতি সমূহৰ মাজত গঢ়ি উঠিছে সংহতি-সমন্বয়ৰ সুদৃঢ় ভেঁটি। সকলো জনজাতি আৰু জনগোষ্ঠীক একেখন মঞ্চতে সামৰি সম্প্ৰীতিৰ এনাজৰি দাল কটকটীয়া কৰি তুলিছে কৃষি উৎসৱ বিহুৱে। বিহুনামতো এই কথা সুন্দৰ ৰূপত প্ৰকাশ পাইছে "ঐ নাচনী বড়ো মিচিং কছাৰী, নানা জাতি লগ লাগি হ'লেনো অসমীয়া মহাজাতি"।

চ'ত মাহৰ পৰাই অসমীয়াৰ মনত বিহুৰ ৰং স্ফুৰ্তি উদ্ভাসিত হয়। তেতিয়া পথাৰৰ মাজৰ বৰগছ বা আহত গছৰ তলত ডেকা-গাভৰুৱে নিজকে পাহৰি বিহু গায়, বিহু নাচে, আউলী-বাউলী-আনন্দত আত্মহাৰা হৈ পৰে। চৰাইদেউৰ অৰ্ন্তগত "চণ্টকত বৰগছ আহত গছ ৰোপন কৰি বিহুৰ পাতনি মেলিছিল। এই গছ ৰোপন কাৰ্য হ'ল বিহুৰ বেদী প্ৰতিষ্ঠা কৰা। চণ্টকত বিহুৰ বেদী প্ৰতিষ্ঠা কৰাৰ বাবে ঠাই ডোখৰ "বিহুবৰ" নামে প্ৰসিদ্ধ হয়। চটাই পৰ্ব্বত আৰু চিৰি লুইতেই ইয়াৰ সাক্ষী। ইয়াৰ বিষয়ে— বিহুনামযাৰ আজিও সাক্ষী হৈ আছে— "চটাই পৰেবতত/পহু জাল পাতিলো/চটাইতে

---

**বিশিষ্ট শিক্ষাবিদ, নিৱন্ধকাৰ, লোক-কৃষ্টিৰ সাধক।*
ঠিকনা— দিপিলা, ছিপাঝাৰ। যোগাযোগ নং- ৯৬৭৮৪-০২৩৮০।

গধুলি হ'ল; সমনীয়াই সুধিলে/ক'মে কি বুলি/জাল ফালি হৰিণা গ'ল"। জাল ফালি যোৱা মানে বুকু ফালি কোনোবা গুচি যোৱাৰ চিত্ৰৰূপ। অতীতৰ বিহুক পণ্ডিত সকলে দুই ভাগত ভাগ কৰা দেখা যায়। (১) মানুহৰ চোতাল গৰকি নতুন বছৰত নতুন আশীৰ্বাদ দিয়া হয়। ইয়াক হুঁচৰি বোলে। (২) আনহাতে, মুকলি ঠাইৰ বৰগছ অথবা আহত গছৰ তলত বিহু নাম গাই যি বিহু মাৰে তাক মুকলি বিহু বোলে। মুকলি বিহু পৰিৱেশনৰ কোনো লিখিত ইতিহাস নাই যদিও মানুহৰ মুখে মুখে পৰম্পৰাগত ভাৱে চলি অহা দুৰ্ল্লভ সম্পদ বিহুনাম সমূহৰ মাজতে ইয়াৰ ৰীতি-নীতি, পৰিবেশন পদ্ধতিৰ স্পষ্ট আৰু সুন্দৰ আভাস পোৱা যায়।

বিহুৰ পৰম্পৰাগত বাদ্য সমূহৰ কথাও বিহুনামত উল্লেখ আছে। বিহুনাচত পৰম্পৰাগত ভাৱে সংগত কৰা বাদ্য হ'ল ঢোল। ঢোল কেনেকৈ বজাব লাগে, কি গছৰ ঢোল ভাল হয় ইত্যাদি কথাও বিহুনামত পোৱা যায়— "ঢোলৰ চাপৰ মাৰি/ঢুলীয়া ওলালে/কাৰ ঘৰৰ নাচনী নাচে ?; ওচৰ চাপি চাপি/নাহিবি নাচনী/হাতত ঢোলৰ মাৰি আছে।"

ঢোলৰ পিছতে ম'হৰ শিঙৰ পেঁপা বিহুনাচৰ সৈতে সংগত বাদ্য। পেঁপা কেনেকৈ তৈয়াৰ কৰা হয়, পেপাঁত কেনেকৈ লহৰ তুলিব লাগে ইয়াৰ ইংগিত বিহুনাম সমূহে দিয়ে— "পেঁপাটি পেঁপাটি/ৰহে দৈ পেঁপাটি/কলি দৈ ম'হৰে শিং; বিহুৱা চেঙেলী/ বোলায় দিয়া আঙুলি/ৰৈ য'ক বিহুৰে চিন।"

বিহুৰ পঞ্চবাদ্যৰ ভিতৰত গগনা হৈছে সুক্ষ্ম বাদ্য। মুকলি বিহুত গগনা অত্যন্ত প্ৰয়োজনীয় বাদ্য। ইয়াক কেনেকৈ, ক'ৰ পৰা তৈয়াৰ কৰা হয় এই সম্পৰ্কেও বিহুনামত উল্লেখ আছে— "ধনে সাজি দিয়া/লাহৰি গগনা/বহি বৰ তলত বাওঁ (তাঁতৰ পাতত); ধনো নাহিলে/গগনা ফাটিলে/খৰিকা মঙ্গলত চাও।"

বিহুবাদ্যৰ অন্যতম মনোকৰ্ষক বাদ্য হ'ল— 'টকা'। টকাৰ বিষয়েও বিহুনাম এইদৰে পোৱা যায়— "ঔৰে গছতে/মৌৰে বাহ ল'লে/ককাই পাৰি দিয়া খাওঁ; বাহৰে টকাটি/সাজি দিয়া কঁকাইটি/বিহু মাৰিবলৈ যাওঁ।"

মাটিৰে তৈয়াৰী আনবিধ বিহুবাদ্য হ'ল সুতুলি। সুতুলি সম্পৰ্কে বিহুনামত এইদৰে উল্লেখ পোৱা যায়—সুতুলি সুতুলি/মাটিৰে সুতুলি/সুতুলিৰ সুৰীয়া মাত;

সুতুলিৰ মাত শুনি/ৰবকে নোৱাৰো/এৰি যাও পেটৰে ভাত।”

বাঁহীৰ অভিধানিক শব্দ ‘কিচক বেনু’। তিৰ্ব্বত ধৰ্মী লোকে বাঁহী নিজে তৈয়াৰ কৰি বজাইছিল। বাঁহী আচলতে পঞ্চবাদ্যত নপৰে কাৰণে বিহুত বহুতে নবজায়। বাঁহী কিন্তু লোকবাদ্য। কোনো দলে মুকলি বিহুত বাঁহীও পৰিৱেশন কৰা দেখা যায়।

বিহুনাচৰ মূল বস্তু হ’ল হাত চাপৰি। হাত চাপৰি সম্পৰ্কে বিহুনামত এইদৰে উল্লেখ পোৱা যায়— “বিহুৱাই বিহু গায়/সমনীয়াই চাপৰি বজায়/ঢুলীয়াই ৰগৰ দিলে ঢোলত; পেপুৱাই মিহিকৈ/পেঁপাত লহৰ তোলে/থাকিব নোৱাৰো ঘৰত।”

এই বাদ্য সমূহৰ শব্দ আৰু বিহু নামৰ সুৰে সুৰে ভূ-মণ্ডলৰ পৰিৱেশত কম্পনৰ সৃষ্টি কৰি তাত থকা শুষ্ক বায়ু ভাগ আতৰাই পঠিয়াব। লগে লগে সেই ঠাই পূৰাবলৈ অহা জলীয় বাষ্পই বৰষুণ ধৰালৈ নমাই আনে। চীনৰ য়ুনানবাসীয়েও মুক্ত আকাশৰ তলত এই কাৰ্য্য কৰিলে বৰষুণ হয় বুলি বিশ্বাস কৰে।

মুকলি বিহু পৰিবেশনত ডেকা-গাভৰু সকলৰ পোছাক কেনেকুৱা হ’ব, আ-অলংকাৰ কি ব্যৱহাৰ কৰা উচিত এই বিষয়েও বিহুনাম সমূহত উল্লেখ আছে।

**মেখেলাঃ** “আয়ে বৈয়ে দিয়া/ফুলামকৈ মেখেলা/থুকুচি থুকুচি ধুওঁ; বোপাই বিয়া দিলে/দুখীয়া ঘৰলৈ/পীৰা জোৰা দি শোওঁ।”

**বুকুচোলাঃ** “ঐ ৰঙা চোলা/বুকুত বুটাম লগা/কোনে চিলাই দিলে/যাউতী যুগীয়া।”

**ৰিহাঃ** ৰিহাখনৰ বিষয়ে এইদৰে উল্লেখ আছে— “ৰিহাতে বাচিলো/ফুটুকী ডবুৱা/হাচতীত বান্ধিলো কেচ; নতুন বছৰ সোমায়/কুলি-কেতেকীয়ে/কান্দে ইনাই বিনাই।”

**চাদৰঃ** “আইতী লচপচী/চাদৰ ললি মনে বাচি/আক’ বিহু নাচিবৰ মন।”

বিহু নাচত নাচনীয়ে যে খাৰু পিন্ধিছিল সেই কথাও বিহু নামত স্পষ্টকৈ উল্লেখ পোৱা যায়— “গাম খাৰু পিন্ধিলো/মুগা ৰিহা পিন্ধিলো/মূৰতে নেঘেৰি খোপা; শদিয়া ধুবুৰী/ঢোলৰ গুম গুমনি/কিয় মনে মাৰি থাকা।”

জেতুকা আৰু বৰহমথুৰিও যে গাভৰু সকলে ব্যৱহাৰ কৰি বিহুনাচ নাচিছিল এই বিষয়েও বিহুনামত উল্লেখ আছে— "জেতুকাৰ বোলেৰে/দুই হাত বোলালো/বৰহমথুৰি বোলালো ওঁঠত; মুগা ৰিহাৰে/গাত মেৰিয়ালো/বিহুলৈ পৰিলে মনত।"

ইয়াৰ উপৰিও নাচনী সকলে হাচতি লৈছিল— "তুমি ভাতে খোৱা/ৰূপৰ পানে ধোৱা/হাউলী বুটলা চুৰা; হাচতী এখনি/গুজিব খুজিছো/দিবানে নিদিয়া কোৰা।"

নাচনী সকলৰ শোভাবৰ্দ্ধন হ'বলৈ খোপাত কপৌফুল, নাহৰ ফুল গুজি লৈছিল এই কথাও বিহুনামত উল্লেখ আছে। আনহাতে আ-অলংকাৰ নাচনীয়ে কি ব্যৱহাৰ কৰা উচিত— সেই বিষয়েও বিহুনামত উল্লেখ পোৱা যায়— "হাতে গামে খাৰু/বান্ধৈ কোনে দিলে বাৰু/ডিঙিত জোন বিৰি/লৰিলে জুনুকা বাজে/কি বকুলফুল/খোপাতে তগৰ ফুল/হাততে জেতুকাৰ বোল।"

কাণৰ গহনা পৰম্পৰাগতভাৱে কি ব্যৱহাৰ হৈছিল তাৰ কথাও বিহুনামত এনেদৰে পোৱা যায়— "চেঙেলী পৰিলে তল;তোমালৈ এ বুলি/কানফুলি গঢ়ালো/দিবলৈ নাপালো চল।"

বিহুৱতী গৰাকীৰ সৌন্দৰ্য্যৰ বিষয়েও বিহু নামত উল্লেখ পোৱা যায় এনেদৰে— "আগবাৰীৰ শুৱনি/কাকিনী তামোল ঐ/পিছ বাৰীৰ শুৱণি পাণ; বৰঘৰৰ শুৱনি/গাভৰু ছোৱালী/উলিয়াই দিবলৈ টান।।"

আনহাতে ডেকাৰ পোছাক কেনে ধৰণৰ হোৱা উচিত সেই কথাও স্পষ্ট আৰু নিখুত ৰূপত বৰ্ণিত হৈছে—

**চুৰীয়াঃ** "আমি অসমীয়া/আঠুমূৰত চুৰীয়া/মুৰতে মথুৰা পাগ ..."

**কুৰতাঃ** "ক'লা চোলা কুৰতা/বুটাম আছে চাৰিটা/চাৰিও চাৰিকে চৰে। নাচনীৰ মুখলৈ/চাবকে নোৱাৰি/জালুক-জলকীয়াই পোৰে।"

**গামোছাঃ** "নৈৰ পাৰে পাৰে/নলৰে গজালি/তাতে ক'লা গৰু চৰে; ঢুলীয়াৰ মুৰতে/গুটি ফুলৰ গামোছা/পখিলা উৰাদি উৰে।"

বিহুৱা ডেকাৰ টঙালীখন যে অতি প্ৰয়োজনীয় এই কথাও বিহু নামত পোৱা যায়।

মুকলি বিহুত প্ৰথমতে  গাভৰু ওলাব নে ডেকা ওলাব এই লৈ এক বিতৰ্কৰ সুচনা হৈছে। কিন্তু বিহুনামত পোৱা যায় যে প্ৰথম বিহু বাদ্যৰ গৰাকী ধন কলিয়া, আনহাতে কলিমতী হৈছে প্ৰথম নাচনী বা নামতি। মঙ্গোলীয় লোক সকলৰ মতে, ব্ৰহ্মাৰ কন্যা কলিমতী অতি চঞ্চলা। কলিমতীৰ ভগ্নী সেউতী মালতী আটায়ে মিলি মনুষ্যৰ তেজ খাবলৈ শিৱৰ পৰা অনুমতি বিচাৰিছিল। কিন্তু শিৱই সেই কাৰ্য্যত বাধা দি তিনিওকে নামনি ৰাজ্যলৈ যাব দিলে। শিৱৰ আদেশ মৰ্মে তিনিওকে সোণৰ নাও ৰূপৰ বঠা মাৰি ব্ৰহ্মপুত্ৰইদি আহিছিল বুলি এক কিম্বদন্তি আছে। কলিমতী নাৱেৰে ভটিয়াই আহোতে নগ্ন হৈ নাচি বাগি হাত চাপৰি বাই, নাম গাই আহি থাকোতে পুনৰ ন-ভনী আৰু বাৰ ভনী লগ লাগিছিল। কলিমতীৰ নাচোন চাবলৈ মুখ্য দেৱতা ধন কলিয়াই ঢোল-তাল লৈ উপস্থিত হৈছিল।

উল্লেখ কৰা বিতৰ্কৰ অন্ত পেলাবলৈ আমি কিছু এৰা ধৰাৰ মনোভাৱ গ্ৰহণ কৰিব লাগিব। আমাৰ বাপতি সাহোন বিহুটি সকলোৰে হৈ থকাৰ কাৰণে বৈজ্ঞানিক দৃষ্টিভংগীৰে চোৱা চিতা কৰিব লাগিব। আনহাতে বিহুনাম সমূহ (অপ্ৰচলিত/প্ৰচলিত) সংৰক্ষণৰ ওপৰত আমি গুৰুত্ব দি সম্ভৱঃস্থলত স্বৰলিপি তৈয়াৰ কৰাৰ চেষ্টা কৰিব লাগিব। অসমৰ বিহুনাচ, বিহুনাম, বিহুবাদ্য সম্পৰ্কীয় সকলো তথ্য বিভিন্ন ভাষালৈ অনুদৃত কৰিব পাৰিলে ইয়াৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণ ব্যৱস্থা সুন্দৰ হৈ উঠিব।

★★★

# অসমীয়া লোক কৃষ্টিত মুকলি বিহু

**ড° কনকলতা কোঁৱৰ***

বিহু অসমীয়াৰ প্ৰাণস্পন্দন। অসমত বাস কৰা প্ৰতিটো সৰু বৰ জাতি-জনগোষ্ঠী ভাষা-ধৰ্ম নিৰ্বিশেষে বিহুৰ জৰিয়তে একেডালি এনাজৰীৰে বান্ধ খাই আছে। কুলি কেতেকীৰ মাত, ঢোল-পেপা, গগণাৰ শব্দত মন-প্ৰাণ উতলা হয় ডেকা-গাভৰুৰ। অসমৰ জাতীয় উৎসৱ হ'ল বিহু। এই জাতীয় উৎসৱ বিহু সংস্কৃতিৰে সমৃদ্ধ, অসম মুলুকত সংস্কৃতিৰ অসমীয়া জাতীয় ভঁৰালটো সঠিক আৰু শুদ্ধ ৰূপত বিকশিত আৰু সংৰক্ষিত হৈ আছে। প্ৰচলিত সংজ্ঞামতে বিহু মুলতঃ অসমীয়া লোক কৃষ্টি। প্ৰকৃতি নিৰ্ভৰ, কৃষিজীৱি, শ্ৰমজীৱি মানুহৰ জীৱন-যাপনৰ সৈতে বিহু কৃষ্টিৰ ওতঃপ্ৰোত আৰু স্বতঃস্ফুৰ্ত সম্পৰ্ক আছে। অসমৰ মৌখিক সাহিত্য-সংস্কৃতিৰ গীত-মাত, বিহুনাম, লয়-তাল, বিহু নাচ, ভংগীমা, ছন্দ, লহৰ, লোকবাদ্য, ঢোল, গগণা, বাঁহী, বাৰেবৰণীয়া সাজপাৰ, খাদ্য-সামগ্ৰী আদিৰ সংযোজনত লোক-কৃষ্টি বিহুৰ সামগ্ৰিক স্বৰূপটো সৃষ্টি হয়।

উদাহৰণস্বৰূপে— আহোম স্বৰ্গদেউ সকলৰ দিনৰে পৰা ৰংঘৰৰ বাকৰিত উদ্‌যাপিত অসম মুলুকৰ সাৰ্ব্বজনীন ক্ৰীড়া সাংস্কৃতিক সমাৰোহে মুকলিকৈ বিহু উৎসৱ পাতিছিল। ঠিক কুৰি শতিকাৰ পঞ্চম দশকমানৰ পৰা ক্ৰমে নাৰীৰ সাজেৰে পুৰুষে নাচনিৰ সাজোন-কাচোনৰ ভংগীত মুকলি বিহুত অনুপ্ৰৱেশ ঘটে। বিহুৰ নাম, নাচ, বাদ্য-আহিলা, ৰূপসজ্জা-সাজসজ্জা সকলো আংগিক উপাদানৰ সংমিশ্ৰণ সমন্বিতে সমুহীয়াভাৱে দলগত হৈ মুকলি বিহু জনসাধাৰণৰ দ্বাৰা আজিকালি স্বাভাৱিক ভাৱেই স্বীকৃতি পাইছে।

আহোম স্বৰ্গদেউ সকলৰ দিনত এই বিহুতেই ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আয়োজিত ৰং-ধেমালিবোৰৰ ঘাই ঠাই আছিল শিৱসাগৰৰ ৰংঘৰ বাকৰি। তাহানিৰ ৰংঘৰৰ বাকৰিত বিহুৰ দিনত যি ৰং-ধেমালি হৈছিল, সি প্ৰাচীন গ্ৰীচৰ অলিম্পিয়া পৰ্বতত হোৱা অলিম্পিকৰ দৰে জাতীয় উৎসৱত পৰিণত হৈছিল। সেৰেঙাকৈ হ'লেও

---

**ভাৰপ্ৰাপ্ত অধ্যক্ষ, সাপেখাতী মহাবিদ্যালয়, চৰাইদেউ*

অসমৰ কোনো কোনো ঠাইত এইবোৰ খেল-ধেমালিৰ প্ৰচলন আজিও আছে। সেয়েহে বিহুনামত গায়— "বিহুতি আপোন ঐ/বাপতি সাহোন ঐ/অহা নাই বিদেশৰ পৰা; বিহুৰে কঠিয়া/ইয়াত ঐ গজিলে/জনম লভিবৰে পৰা।"

অতীজত তাই-আহোমসকলে ৰাতি গছৰ তলত বিহু মৰাৰ প্ৰথা আছিল। বুৰঞ্জীয়ে গৰকা মৰাণৰ কাষৰ গজপুৰৰ বিহুৰেই তাৰ স্বাক্ষৰ বহন কৰি আহিছে। উল্লেখযোগ্য যে গাভৰু বৰাৰ নেতৃত্বত গাভৰুসকলে আৰু ডেকা বৰাৰ নেতৃত্বত ডেকাসকলে ৰাতি বিহু মৰাৰ নিয়ম আছিল। এই বিষয়া দুগৰাকীক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন কৰিছিল। ব'হাগ মাহৰ প্ৰথম দিনৰে পৰা বিহু মৰা আৰম্ভ হয় আৰু মাহৰ শেষত বিহুৰ সামৰণি মাৰে। অৱশ্যে ঠাইভেদে যুৰীয়া বাৰতহে বিহুৰ যৱনিকা পেলোৱাৰ নিয়ম। বিহুৰ শেষৰ দিনা গাঁৱৰ নামনিত গুৱা-পাণ এযোৰ আৰু বিহুৱান এখন দি বিহু উৰুৱায়। ডেকাসকলে বিহুৱানখনি গছৰ আগত আঁৰে আৰু পাছলৈ নোচোৱাকৈ ঘৰলৈ উভতি আহে।

চ'তৰ বিহু আৰু ব'হাগৰ ৰঙালী বিহু ঠাই আৰু জনগোষ্ঠীভেদে ভিন ভিন নামেৰে পৰিচিত। যেনে— ৰাতি বিহু, জেং বিহু, টকা বিহু, মহিলা বিহু, গাভৰু বিহু, জীয়ৰী বিহু, গছতলৰ বিহু, চেনেহী বিহু, জুম বিহু, ডেকা বিহু, লগ বিহু, নৰছিগা বিহু, ঘৰ বিহু, নিশা বিহু, থেকেৰাফুলীয়া বিহু, ফাট বিহু, বৰপুখুৰীপাৰৰ বিহু, গজপুৰীয়া বিহু, কুকুৰা বিহু, বকতাৰ বিহু আদি। বহাগ বিহুত জেতুকা গাভৰু, বোৱাৰী, ছোৱালীবিলাকে ব্যৱহাৰ কৰে। জেতুকা গছৰ পাত পটাত পিহি বাটি লৈ হাত, ভৰিৰ আঙুলি জিলিকাই তোলে। মূৰৰ চুলিটো ব্যৱহাৰ কৰে। জেতুকাই চুলিৰ যিকোনো ব্যাধি নাশ কৰে।

ডেকা-গাভৰুৰ মুকলি বিহুত বিহুনাম বিলাকৰ বেলিকা চালে দেখা যায় ডেকা-গাভৰুৰ প্ৰেম ভাবসূচক যোৱানামৰ পয়োভৰেই মুকলি বিহুৰ মূল প্ৰতিপাদ্য বিষয়। তাৰোপৰি মূল বিহু নামৰ সৈতে জাতবিলাকো ভিন ভিন সুৰত জুতি লগাই গোৱা হয়। উদাহৰণ— "অ ভনী ৰহেদৈ/জাকৈ খালৈ আনাগৈ/মাছ মাৰো ব'লাগৈ/দলনিৰ পথাৰৰ/মাজত বনৰ বগৰী/হ'বা জানো লগৰী/দিবা জানো মৰমৰ মাত।"

এই জাত নামটি বিহুনামৰ সৈতে গোৱাৰ কৌশল—"বোকাৰে গৰৈ মাছ— অ ভনী ৰহেদৈ/বোকাতে ঘুৰিলে— অ ভনী ৰহেদৈ/মলয়াত উৰিলে— বগে ভনী

ৰহেদৈ/মাছে মাৰো ব'লাগৈ— দলনিৰে পথাৰত/মাজৰ বনৰ বগৰী— হ'বা জানো লগৰী/দিবা জানো মৰমৰ— দিবা জানো মৰমৰ মাত।”

মুকলি বিহুত ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰক উদ্দেশ্যি ধেমেলীয়া নামো গোৱা দেখা যায়—

**ডেকা**— “বেলি গলে নালাগে/ভাত ঐ লাহৰী/বেলি গলে নালাগে ভাত; যৌৱন ভাটি দিলে/তোকে ঐ নালাগে/মৰম-চেনেহ নাথাকে গাত।”

**গাভৰুৱে উত্তৰ এনেদৰে গাব** — “বেলি গলে নালাগে/ভাতে হেৰা চেনাইধন/ পেটতো নালাগে ভোক; মোৰে কেঁচা যৌৱনটি/তোলৈ সাঁচি ৰাখিছো/কেলেই বুঢ়ী বুলিছ মোক।”

এই বিহুনাম বিলাকেই মুকলি বিহুতলীত গাই ডেকা গাভৰুৱে আমোদ কৰে। সেয়ে ৰঙালী বিহু উৎসৱৰ বিহুনাম বোৰতো বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সমন্বয় চিন্তা আৰু জাত-পাতহীন সমাজ গঢ়াৰ চিন্তাই অসমীয়া সমাজত অগ্ৰাধিকাৰ পাইছে। এই বিহুত অসমীয়াৰ নিজস্বতা প্ৰকাশ পায়। সকলো জাতি-জনগোষ্ঠী মিলিয়েই অসমীয়া জাতি গঠন হৈছে আৰু বিহুৱেই তাৰ প্ৰমাণ। সেয়ে এই বিহুক অসমীয়া জাতিৰ একতাৰ উৎসৱ বুলিও ক'ব পাৰি। এমাহ পৰ্যন্ত উদযাপিত হোৱা ৰঙালী বিহুৰ শেষৰ দিনটোৰ নাম চেৰা বিহু। চেৰা বিহুৰ দিনটোকে বিহুৰ সামৰণি বুলিব পাৰি।

অসমীয়া সংস্কৃতিত বিহুৱে বিভিন্ন জনগোষ্ঠীৰ ঐতিহ্যক তুলি ধৰিবলৈ সক্ষম হৈছে। সেয়ে বিহুনামবোৰত মিচিং(মিৰি), দেউৰী, আহোম, নেপালী, নগা, মৰাণ, ডফলা, বড়ো, ৰাভা, হাজং, কছাৰী, মৈমনচিঙিয়া আদি জনগোষ্ঠীৰ উল্লেখ পোৱা যায়। মুঠতে, অসমীয়া সংস্কৃতিত বিহুৰ অৱস্থানে আমাৰ জাতীয় ঐতিহ্য গাথাক অভাৱনীয়ভাৱে চহকী কৰিছে। সেয়ে বিহু আমাৰ জীৱনৰ এক এৰাব নোৱাৰা অংগ, বিহুৰ মাজতেই আছে আমাৰ উশাহ-নিশাহৰ স্থিতি, বিস্তৃতি আৰু ব্যক্তি তথা সামাজিক জীৱনৰ পৰিচয়।

★★★

# হুঁচৰি আৰু মুকলি বিহুত বিহুনামৰ ধাৰা

**ব্ৰজেন দাস***

সাম্প্ৰতিক সময়ৰ বিহু নামবোৰত বনঘোষা, মালিতা, নাহৰৰ গীত, চিকণ-সৰিয়হৰ গীত, মণিৰাম দেৱানৰ গীত, বৰফুকনৰ গীত, জনা গাভৰুৰ গীত, মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীত, জুনা, যোজনা বা জোঙলাৰ ব্যৱহাৰ খুব কম সংখ্যক বিহু দলেহে মঞ্চত পৰিৱেশন কৰা দেখা যায়।

সাম্প্ৰতিক সময়ত অসমীয়াৰ বাপতি সাহোন জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎস অতি চেনেহৰ ব'হাগৰ বিহুটোৰ লগত ৰজিতা খুৱাই হুঁচৰি আৰু ডেকা-গাভৰুৰ বিহুত পৰিৱেশন কৰা বিহুনামবোৰে বিজ্ঞজনৰ চৰ্চাৰ বিষয়ৰূপে থিয় দিছে। ইয়াৰ অন্তৰালত বহুতো কাৰণ আছে। বিহু বুলিলে গা সাতখন-আঠখন নকৰা অসমীয়া নাই বুলিবই পাৰি। তাহানিতে গোটেই চ'ত মাহটোতেই ডেকা-গাভৰুৱে ৰাতি বিহু মাৰি অহা উদাহৰণ বিৰল। অৱশ্যে তাহানিৰ 'চ'তৰ বিহু' আৰু 'ব'হাগৰ বিহু' বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল। গোটেই চ'তৰ মাহটো ৰাতি ডেকা-গাভৰুৱে বিহু মাৰিছিল। এই বিহুত যৌনগন্ধী গীত গাই ডেকা-গাভৰুৱে বিহু মাৰিছিল আৰু গীতৰ মাজেৰে নিজৰ মনৰ ভাৱবোৰ প্ৰকাশ কৰিছিল।তেতিয়া ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰুৰ ভাগে সুকীয়াকৈ বিহু মাৰি বিহু নামবোৰ গাইছিল; ডেকাৰ বিহুৰ সমল আছিল ঢোল, পেঁপা, গগনা, তাল। আনহাতে, গাভৰুৰ বাদ্য আছিল 'টকা' আৰু 'গগনা'। এনেকুৱা ৰাতি বিহুত গোৱা নামবোৰত কোনো আঁৰ-বেৰ নাছিল। চৰম আনন্দ প্ৰকাশেই আছিল মুখ্য উদ্দেশ্য। ঠিক সেইদৰে 'বহাগৰ বিহু' বুলিলে চ'তৰ সংক্ৰান্তিৰ দিনৰ পৰা ব'হাগৰ ছদিনলৈকে সাতবিহুৰ মাদকতাও সুকীয়া। এই সাতবিহুৰ সাতোটা নাম আছে। সেইকেইটা ক্ৰমে গৰু বিহু, মানুহৰ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, মেলা বিহু, সাতবিহু। গৰু বিহুৰ দিনৰে পৰাই অসমীয়া সমাজৰ হুঁচৰি গোৱা পৰম্পৰা আছে। এনে ধৰণৰ পৰম্পৰা অৱশ্যে ব্ৰহ্মদেশতো দেখিবলৈ পোৱা যায়। এই হুঁচৰি গোৱাৰ নিয়মো নথকা নহয়। পুৰুষ প্ৰধান তাহানিৰ এই হুঁচৰি

---

**শিক্ষাবিদ, এজন কবি, যশস্বী নিবন্ধকাৰ।*

ঠিকনা— শিৱসাগৰ

ৰাজআলিয়েদি গাই আহি থাকোতে কোনোবা ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি, শৰাই দি আশীৰ্বাদ লোৱাৰ নিয়ম আজি দেখিবলৈ পোৱা নাযায়। হুঁচৰিত গোৱা বিহুনামত অশ্লীলতা বা যৌনগন্ধ নেথাকে। এই বিহুনামবোৰত বিহুৰ প্ৰতি মৰম, শ্ৰদ্ধা, হেঁপাহ, আনন্দ প্ৰকাশৰ উদ্‌গ্ৰীৱতা আৰু গৃহস্থক কৰ্ত্তব্যৰ সকিয়নি দিয়াৰ ভাৱহে প্ৰস্ফূটিত হয়। কোনো গৃহস্থৰ চোতালত থিয় হৈয়েই হুঁচৰি দলে ঢোলত চাপৰ দি 'গৃহস্থৰ কুশলৰ অৰ্থে, বোলা জয়' বুলি এষাৰি আশীৰ্বাদ বৰিষণ কৰে আৰু তাৰ পাচত এঘোষা নামেৰে হুঁচৰি আৰম্ভ কৰে। হুঁচৰি নামবোৰত পদ হিচাপে পগলা পাৰ্বতিৰ গীত, ফুল কোঁৱৰৰ গীত, মণি কোঁৱৰৰ গীত, মালিতা আদি গায়। হুঁচৰি নাম আৰু হুঁচৰি কীৰ্ত্তনো ঠাই বিশেষে পৰিৱেশন কৰা দেখা যায়। হুঁচৰি নাম যেনে— "মোৰ ধন ক'লীয়া/আলসৰ দেৱতা/নিলগত আছিলা বৈ; ক'লীমতীক লগ পাই/ৰঙালীৰ লগে হৈ/ক'লীয়াবৰতে ৰলি না ঐ।"

**হুঁচৰি কীৰ্ত্তনৰ উদাহৰণঃ**

(ঘোষা) "কৃষ্ণাই মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম।"

(পদ) জানিলো তোমাক এহি ৰঘুনাথে
যিটো ইষ্ট দেৱ মোৰ ঐ গোবিন্দাই ৰাম।
সীতাৰ সন্তাপে জগতৰ বাপ
কৰিলা প্ৰয়াণ ঘোৰ ঐ গোবিন্দাই ৰাম।

পদৰ শেষত হুঁচৰি গাঁওতে বিহুৱাসকলে ঠাই বিশেষে ঘূৰণীয়াকৈ মেৰ পাতি কঁকালত ধৰাধৰিকৈ লহৰী খেলা দেখা যায়। লহৰী খেলোতে গোৱা গীতৰ এটা কলি— "হাতৰে চাপৰি আহক টানে কৰি
ভৰিৰ গিৰিপনি ল্ ঐ লহৰীয়া"

হুঁচৰিত লহৰী এটা বিশেষ অংশ। লহৰী খেলা শেষ হ'লে বিহুৱাসকলে গৃহস্থক এজাউৰি আশীৰ্বাদ দিয়ে আৰু তাৰ পিচত গীতৰ জোৰণি, বিহুৰ বৰ্ণনা, দেউতা স্বৰ্গদেৱৰ

নাম গুণ বৰ্ণনা আদিৰে বিহু পকাবলৈ বিহুৱাসকলে যত্ন কৰে। হুঁচৰিৰ শেষত এযোৰ তামোল-পাণ, দুটিমান অৰিহণা, এখনি বস্ত্ৰৰে হুঁচৰিযোৰাক মাননি শৰাই দিয়ে। শৰাইখন বা মাননিটো পোৱাৰ পিচতো গৃহস্থৰ লগত ধেমালি কৰিবলৈ বিহুৱাসকলে এনেকৈ আকৌ এফাঁকি জোৰে— "ৰূপৰ চকলা নেপালে নেৰোঁ

এখনি হাঁচটি উলিয়াই নিদিলে

শৰাইলৈ নেমেলো হাতে ঐ লগৰীয়া

এইঘৰ মানুহক কোনে সৰজিলে

মৰম নাইকিয়া কৰি।"

সেইদৰে— আৰু কিছুমান যোৰা নাম গোৱা হয়—

"চ'ততে চকৰী/ব'হাগত বগৰী/ জেঠতে আমনা ধান; গৰু বিহু দিনাখন/বস্ত্ৰদান কৰিবা/ তেহে পাবা বৈকুণ্ঠত থান।" "বিহু পাই বলিয়া/হলি ঐ কলীয়া/বিহু পাই বলিয়া হলি; এন্ধাৰে মুন্ধাৰে চিনিব নোৱাৰো/আগতকৈ কলীয়া হ'লি।" "পাতো কাটিলো/পচলা কটিলো/কলডিল মৰহি গ'ল; আমাৰ দুখৰ বাতৰি/কি ক'ম দেউতা/কুলাই পাচি নধৰা হ'ল।"

সেইদৰে হুঁচৰিৰ প্ৰথম পদতেই মালিতা হিচাপে বৰফুকনৰ গীত, মণিকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, মণিৰাম দেৱানৰ গীত, ফুলকোঁৱৰৰ গীত আদি পৰিৱেশন কৰা দেখা যায়। লোকগীত স্বভাৱ আৰু ৰীতি সমৃদ্ধ এই মালিতাসমূহৰ এটি আভাস দাঙি ধৰা হ'ল—

**মালিতা ঃ**

"হাবিতে কান্দিলে/হয়কলী চৰায়ে/চিটিকাৰ মুখলৈ চাই; জেৰেঙা পথাৰত/কান্দে জয়মতী/চাওদাঙৰ মুখলৈ চাই।" "চিউ বুলি চিলনী/লণী সুৰে মাৰিলে/কাউ বুলি উৰিলে কোৱা; জয়মতী কুঁৱৰীৰ/অৱস্থা শুনিলে/ নেদেখা ৰাজ্যলৈ যোৱা।।"

মণিকোঁৱৰ আৰু ফুলকোঁৱৰ মালিতা দুটি অসমীয়া মালিতাসমূহৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় আৰু আকৰ্ষণীয়। শঙ্খদেউ ৰজাৰ পুতেক মণিকোঁৱৰ। খেলত খতিয়ন নাই। এবেলা দোলাত, এবেলা ঘোঁৰাত, এবেলা খেনক ৰং চায়—

"গায়নে বায়নে/সেন্দুৰী আলিয়ে/কেকুৰী দোলাতে উঠি;
হীৰা মুকুতাৰে/মণিধৰ কোঁৱৰে/কাচনক আনিলে তুলি।"

"গৰু লৰে মাৰি/ভাঙিলে শলেমাৰি/গাহৰিয়ে ভাঙিলে গৰাল;
শনিবাৰৰ দিনা/কালক্ষণ লাগিলে/কোঁৱৰ পানীত পৰি হে'ৰাল।"

সেইদৰে জয়মতী কুঁৱৰীৰ বেদনাবিধুৰ কাহিনীত এটি মালিতা কৃপানাথ ফুকনৰ ৰচনাৱলীত পোৱা যায় এনেধৰণে—

"মাদুৰি চহৰত/ডাঙৰ হৈ আছিলোঁ/বৰগোহাঁইৰ আছিলোঁ জী;
গদাপাণি কোঁৱৰে/নিলে তুংখঙলৈ/চকলং বিয়াকৈ দি।"

"ছ অঁৰা ককাইঃভাই/আহঙত খাইছিলো/ৰাজমন্ত্ৰীৰ আছিলো জী;
ছ অঁৰা চাওডাঙে/নানা শাস্তি কৰে/মাৰিব যাতনা দি।"

"লাই লেচাই কোঁৱৰক/তোমাতে অৰ্পিলো/সততে পালিবা আই;
বেলা চাই খুৱাবা/খেলা চাই ধূৱাবা/খেমিবা সকলো দায়।"

★★★

# মুকলি বিহুৰ বাদ্য 'গগণা'

**ড° দীপেন দাস***

এই প্ৰবন্ধটোৰ প্ৰথম অংশত 'ডেকা-গাভৰুৰ মুকলি বিহু' এক থুলমূল আভাষ দিয়া হৈছে আৰু দ্বিতীয় অংশত ডেকা-গাভৰুৰ মুকলি বিহুত ব্যৱহৃত অন্যতম লোকবাদ্য 'গগণা'ৰ ওপৰত এক বিস্তৃত আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

সাম্প্ৰতিক সময়ত ব'হাগ বিহুৰ মূল তিনিটা অনুষ্ঠান 'হুঁচৰি', 'ডেকা-গাভৰুৰ মুকলি বিহু' আৰু 'গাভৰু বিহু'ৰ ভিতৰত অধিকভাৱে সমাদৃত ৰূপটোৱেই হৈছে 'ডেকা-গাভৰুৰ মুকলি বিহু'। 'মুকলি বিহু' এই অভিযোজনাটোৰ নামকৰণ সন্দৰ্ভত এক সৰ্বগ্ৰহণযোগ্য মতামতৰ অভাৱ দেখিবলৈ পোৱা যায়। কোনো কোনোৰ মতে, ডেকা আৰু গাভৰু একেলগ হৈ মুকলি মুৰীয়াকৈ মৰা বিহুৱেই হৈছে 'মুকলি বিহু'। বহুতৰ মতে, তাহানিৰ চ'তৰ বিহু বা ৰাতি বিহুৰ পৰম্পৰাই ৰূপ সলনি কৰি বৰ্তমানৰ মুকলি বিহুৰ ৰূপ পৰিগ্ৰহ কৰিছে। কিন্তু কোনো কোনোৱে ৰাতি বিহুৰ পৰম্পৰাৰ পৰা বৰ্তমান সময়ত মুকলি বিহু সৃষ্টি হৈছে বুলি কোৱাটোত একমত প্ৰকাশ কৰা দেখা নাযায়। তেওঁলোকৰ মতে, মুকলি বিহু ৰাতি বিহুৰ পৰা পৃথক। মুকলি বিহুৰ এক সুকীয়া ৰূপ আছে।

যি কি নহওঁক, আমাৰ এই নিৱন্ধত মুকলি বিহু বুলি কওঁতে ডেকা-গাভৰুৱে মুকলিমুৰীয়াকৈ জনচক্ষুৰ আগত মনৰ ভাব অনুভূতি প্ৰেম-বিৰহৰ ভাব প্ৰাকৃতিক চিত্ৰৰাজিৰ জৰিয়তে প্ৰকাশ কৰিব পৰাকৈ গোৱা প্ৰকৃতিমূলক কম যৌনগন্ধি (সমাজে গ্ৰহণ কৰিব পৰা বিধৰ) গীত-মাত নাচৰ সমাহাৰেৰে কৰা বিহুখনৰ কথাকে বুজাব বিচাৰিছো।

ডেকা-গাভৰুৰ মুকলি বিহুত ব্যৱহৃত বাদ্যযন্ত্ৰ বুলিলে ঢোল, পেঁপা, গগণা, সুতুলি, টকা আৰু বাঁহীৰ কথাকেই সূচায়। আমাৰ এই নিৱন্ধটিত বিহুৰ অন্যতম লোকবাদ্য 'গগণা'ৰ বিষয়ে কিছু আলোকপাত কৰাৰ চেষ্টা কৰিছোঁহক।

---

**অধ্যাপক, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়, নিৱন্ধকাৰ, বিহুকৰ্মী।*
ঠিকনা— গুৱাহাটী। যোগাযোগ নং- ৯৭০৭৫-৯১৫৭০ ।

## গগণা

'গগণা' ভাৰতীয় নাট্যশাস্ত্ৰত বৰ্ণিত বাদ্যযন্ত্ৰৰ চাৰিটা প্ৰকাৰৰ ভিতৰত অন্যতম 'সুষিৰ বাদ্য' শ্ৰেণীৰ অন্তৰ্ভুক্ত। অৱশ্যে বাঁহেৰে নিৰ্মিত এই সুষিৰ বাদ্যবিধক বহুলোকে 'ঘন বাদ্য' শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব বিচাৰে যদিও ই প্ৰকৃততে সুষিৰ বাদ্যহে।

গগণাৰ উৎপত্তিৰ স্থান চীনৰ য়ুনান প্ৰদেশ বুলি তথ্য পোৱা যায়। খ্ৰীষ্টীয় যোড় শতিকাতে গগণা পাশ্চাত্য দেশত প্ৰচলন হয়। পশ্চিমীয়া দেশ বিলাকত গগণা লোহাৰে সজা হয়।[১]

গগণা শব্দটো আহিছে 'গগণ' শব্দৰ পৰা যাৰ অৰ্থ আকাশ। গগণ আহ— গগণা। অৰ্থাৎ আকাশ (মেঘ বা ডাৱৰ) নামি আহ আৰু বৰষুণ দে। 'কা কা কা কা কাৰৈ তিলিকা মি মি মি মি মিতিৰ চেলেকা ... বুলি গগণাত বজোৱা বোলনিটোৰে পথাৰত কাৰৈ মাছ উজোৱাকৈ বৰষুণ মাতে। চুতীয়াসকলৰ মতে গগণা বৰুণ দেৱতাৰ বাদ্য।[২]

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতীয় সমাজ বিলাকৰ লগতে পূব এছিয়াৰ ৰাষ্ট্ৰ ক্ৰমে চীন, থাইলেণ্ড, ভিয়েটনাম, ব্ৰহ্মদেশ (বৰ্তমানৰ ম্যানমাৰ) আদিত এইবিধ বাদ্যৰ জনপ্ৰিয়তা অধিক। অৱশ্যে জনগোষ্ঠী ভেদে এইবিধ বাদ্যৰ নামকৰণ বেলেগ বেলেগ। এই প্ৰসংগতে অসমৰ কেইটামান জনগোষ্ঠীৰ মাজত গগণাৰ নামকৰণ তলত উল্লেখ কৰা হ'ল—

| জনগোষ্ঠীৰ নাম | গগণাৰ নাম |
|---|---|
| মিচিং | গুংগাং |
| বড়ো | গংগণা/ লেপটাং |
| ৰাভা | গমেনা |
| জেমী নগা | ইনটু |
| ভাইফে | গৰচেম |
| টাই বৌদ্ধ | কংকং |
| দেউৰী | গুবোৱা |
| কুকি | গ-চুমকণ |

বেং বা ভেকুলীৰ মাতত বৰষুণ অহাৰ দৰে বসন্তকালত বেং বা ভেকুলীৰ মাতৰ আৰ্হিত গগণাৰ মাতত ধৰিত্ৰীলৈ বৰষুণ নামি আহি প্ৰকৃতিৰ শস্যসম্ভৰা গুণ তথা সৌন্দৰ্য অতি মনোমোহা কৰি তোলা সম্ভৱ বুলি লোকবিশ্বাস প্ৰচলন আছে। গাভৰু বিহুৰ প্ৰধান আহিলা ৰূপে পৰিচিত গগণা বিজুলী বাঁহ বা জাতি বাঁহৰ আগলি অংশৰ প্ৰায় ১৮ ছেণ্টিমিটাৰৰ পৰা ২০ ছেণ্টিমিটাৰৰ দৈৰ্ঘ্য আৰু ২/৩ ছেণ্টিমিটাৰ বহল অংশৰ প্ৰয়োজন হয়। আগলি অংশটো দুই তিনি বছৰলৈ ধোৱা চাঙত তুলি ৰখা হয়। ধোৱা চাঙত ৰখা সেই আগলি অংশটো গগণাৰ জোখত কাটি ঘুনে নধৰিবলৈ উতলি থকা পানীত সিদ্ধ কৰা হয়। তাৰ পিছত সেই টুকুৰাটো নলোৱা কটাৰীৰে চুচি মিহি কৰি মাজ অংশত তিনিখন জিভা বা শুং কাটি উলিওৱা হয়। দুফালে দুটুকুৰা মেখেলা বা পাট। জিভাখন বা শুং মিহি হ'বৰ বাবে মুগা সূতা বা আন গুলীসূতাৰে ঘঁহি ঘঁহি জিভাখনত থকা বাঁহৰ হষ্টাবিলাক সমান কৰা হয়। (গগণাৰ জিভাখন যিমানেই মিহি হয় আৰু পাতল হয়, ইয়াৰ মাতৰ ব্যঞ্জনাও সিমানেই অধিক হয়। শুৱলা মিহি আৰু ললিতাময় ধ্বনিৰ কাৰণে গগণাৰ জিভাখন গুৰি অংশৰ পৰা গা অংশলৈ ক্ৰমান্বয়ে মিহি আৰু পাতল হৈ যোৱা ধৰণৰ হ'ব লাগে)[৩]। এই শুংৰ জৰিয়তেই গগণাখনৰ মাত উলিওৱা হয়। গগণাখনৰ বাওঁহাতে ধৰা ফালে ক্ৰমান্বয়ে সৰু আৰু সোঁহাতে ধৰা ফালে এটি খোপ থাকে। এই খোপটোতে মুগা সূতা নুৰিয়াই থোৱা হয়। অৱশ্যে গগণা সজাৰ ক্ষেত্ৰত এক লোকবিশ্বাসৰ প্ৰচলন আছে। এই লোকবিশ্বাস অনুসৰি তাঁতশালত মুখচোকা শিপিনীৰ ব-তোলা চুঙা চুৰ কৰি আনি তাৰে প্ৰস্তুত কৰা গগণাৰ মাত অতিকৈ উত্তম হয় আৰু চুঙাটো চুৰ কৰি অনাৰ বাবে উক্ত শিপিনী গৰাকীয়ে যিমানেই তীব্ৰ ভাষাৰে গুৱাল গালি দিয়ে সিমানেই গগণাৰ মাত অধিক শুৱলা হয়।[৪] এনে এক ব-তোলা চুঙাৰ পৰা কমেও চাৰি, পাঁচটামান গগণা প্ৰস্তুত কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা গগণাৰ প্ৰধান অংশ দুটা বুলি ক'ব পাৰি— জিভা বা শুং আৰু পাট বা মেখেলা।

## গগণাৰ বাদন শৈলী

বিহুনাম আৰু বিহুনাচত বজোৱা এইবিধ লোকবাদ্য দুই ওঁঠৰ মাজত ৰাখি জিভা কাটি থোৱা ফালটোত সোঁহাতৰ বুঢ়া বা তৰ্জনী আঙুলিৰে টুকুৰিয়াই আৰু বাওঁহাতেৰে তাৰ সম্পূৰ্ণ বিপৰীত ফালটোত মুখৰ ভিতৰত বাদ্যটি সোমাই থকাকৈ ধৰি ৰাখি

অন্যান্য অন্যান্য বাদ্যবিলাকৰ চেৰে চেৰে সুৰ দিয়া হয়। গগণা বজাওঁতে বাদকজনে জিভাখন লৰচৰ কৰে আৰু মুখৰ ভিতৰত বায়ুৰ গতিবেগ নিয়ন্ত্ৰণ কৰি সুৰ নিগৰায়।

এই লোকবাদ্যবিধৰ বাদনশৈলীৰ ক্ষেত্ৰত "অসমৰ লোককলা" শীৰ্ষক গ্ৰন্থখনত লেখক যুগল দাসদেৱে বৰ্ণনা কৰিছে এনেদৰে— *"ইয়াক দাঁতেৰে ধৰি আঙুলিৰে ঝংকাৰ দি বজোৱা হয়। গগণা বজাওতে নিপুন বাদকে জিভা আৰু মুখৰ ভিতৰত বতাহেৰেও কাম কৰে। ই এক জটিল কাম। গগনাৰ মাত বৰ মিহি, কিন্তু বৰ মিঠা। ভালদৰে গগণা বজালে কথা কোৱা যেন শুনি। গাভৰু মেলত গগণাত বিহুনাম তুলি আনে নুশুনাকৈ ৰসৰ ৰসঘৰা মেলে।"*[৫]

## গগণাৰ প্ৰকাৰ

বিহুত বজোৱা বাদ্য 'গগণা' আকাৰভেদে দুভাগত ভাগ কৰিব পাৰি— 'লাহৰী গগণা' বা 'ৰূপহী গগণা' আৰু 'ৰামধন গগণা' বা 'জয়ধন গগণা'। বিহুৱতীয়ে বজোৱা গগণা লাহৰী গগণা আৰু বিহুৱাসকলে বজোৱা গগণা হৈছে 'ৰামধন গগণা'। পিছে গগণা দুখনৰ নামো ঠাই ভেদে বেলেগ বেলেগ। শিৱসাগৰ, তিনিচুকীয়া ডিব্ৰুগড়ৰ ফালে বিহুত সততে বজোৱা গগণাখনক 'লাহৰী গগণা' আৰু মুগাসূতা লগাই বজোৱা গগণাখনক 'ৰামধন গগণা' বোলে। কিন্তু লোক সংস্কৃতিৰ গৱেষক ডং নৰেন্দ্ৰ নাথ বৰদলৈৰ 'ঢোলত চাপৰ মাৰি' শীৰ্ষক গ্ৰন্থত বৰ্ণিত মতে, তিতাবৰ গোলাঘাটৰ ফালে মুগা সুতাৰে বজোৱা গগণাখনক 'লাহৰী' গগণা আৰু আনখন গগণাক 'মানধন গগণা (ৰামধন নহয়) বা 'পাতি গগণা' বুলিহে কয়।[৬] ডং লীলা গগৈৰ 'অসমৰ সংস্কৃতি' শীৰ্ষক গ্ৰন্থখনৰ শেষৰ ফালে সংযোজিত অসমীয়া সাংস্কৃতিক উপাদানৰ ছবিসমূহতো দুয়োখন গগণাৰ সলনি কেৱল এখন গগণাৰ ৰেখাচিত্ৰহে (মুগাসূতা লগোৱা নহয়) দেখিবলৈ পোৱা যায়। ডং বিৰিঞ্চি কুমাৰ বৰুৱাৰ "অসমৰ লোক সংস্কৃতি" গ্ৰন্থত মুগা সূতাৰে বজোৱা গগণাৰ দৰে এবিধ বাদ্যৰ ৰেখাচিত্ৰ আছে যদিও স্পষ্ট নহয়। ডং দেৱজিৎ শইকীয়াৰ 'বাদ্য অভিজ্ঞান' শীৰ্ষক গ্ৰন্থখনতো গগণাৰ দুখন ৰেখা চিত্ৰ (মুগা সুতা লগোৱা নহয়) আছে। ইয়াৰে এখনত সোঁহাতে ধৰা ফালে এটা খোপ আছে আৰু আনখনত খোপ নাই। ইয়াৰ বিপৰীতে ইছমাইল হোছেইনৰ 'ৰঙালী বিহুৰ প্ৰসংগ কোষ' গ্ৰন্থখনত 'লাহৰী গগণা' আৰু 'ৰামধন গগণা' দুয়োখন গগণাতে মুগা সূতা আৰু ফৰিঙাসহ ৰেখাচিত্ৰ সংযোজিত কৰা হৈছে।

গতিকে এই দুয়োখন গগণাক প্ৰকৃততে কোনখনক কি নামেৰে নামাকৰণ কৰিলে সৰ্বজন গ্ৰহণযোগ্য হ'ব সেই কথাষাৰ চিন্তা কৰাৰ নিশ্চয় থল আছে। আমাৰ সীমিত জ্ঞানৰ ভিত্তিত মুগা সূতাৰে বোৱা গগণাখনৰ বজোৱাৰ কিটিপটো কিছু জটিল হোৱাৰ বাবে এইখন গগণাৰ ব্যৱহাৰ কিছু কম হোৱা যেন বোধ হয়। আমাৰ এই আলোচনাত আঙুলি বোলাই বোৱা গগণাখনক 'লাহৰী গগণা' আৰু মুগাসূতা লগাই বোৱা গগণাখনক 'ৰামধন গগণা' বুলিছোঁহক।

উল্লেখযোগ্য যে লাহৰী গগণাখনক ৰূপহী গাভৰুৱে বজাই কাৰণেই হয়তো কোনো কোনো অঞ্চলত এইবিধ গগণাক 'ৰূপহী গগণা' বুলিও কয়।

তিতাবৰৰ ত্ৰৈলোক্য শইকীয়াৰ 'বিহুৰ অন্বেষণত' গ্ৰন্থখনত গগণা দুবিধ 'লাহৰী গগণা' আৰু 'পাতি গগণা' বা ৰামধন গগণা বুলি অভিহিত কৰাৰ লগতে দুয়োখন গগণা পুৰুষ আৰু মহিলা উভয়েই ব্যৱহাৰ কৰে বুলি উল্লেখ কৰিছে। প্ৰসঙ্গক্ৰমে লাহৰী গগণা মুগা সূতা লগাই আৰু ৰামধন গগণাত হাতৰ আঙুলিৰে আঘাত কৰি স্বৰ নিৰূপণ কৰা হয় বুলি মন্তব্য দিছে।[৭]

দুয়োবিধ গগণাৰ প্ৰস্তুত কৰা পদ্ধতি সুকীয়া সুকীয়া। লাহৰী গগণাৰ বেলিকা চুঙাৰ এটা কামি দুফালে মাজৰ এক সামান্য অংশ ৰাখি এৰুৱাই দিয়া হয়। সৰু শলিটোৰ এটা মূৰ কামিছটাৰ পৰা সামান্য অংশ এৰুৱাই দিয়া হয়। মাজৰ অংশ লাগি থকাৰ মুৰটোত খাজ কাটি মুগাৰ ৰচী লগাই মুখৰ দুই ওঠৰ মাজত অৱস্থান কৰা হয়। উক্ত ৰচীডাল টানি টানি বিহুৱতীসকলে সুৰ নিগৰায়। উল্লেখযোগ্য যে, মুগাৰচীডালে গগণাৰ মাতটি অধিক মসৃণ কৰি তোলে। ইয়াৰ বিপৰীতে ৰামধন গগণাৰ ক্ষেত্ৰত পদ্ধতি প্ৰায় একে। মাত্ৰ কামিচটাৰ দুটা পাতি গগণাৰ চেচু থকাৰ ফালে পাতলকৈ ফালি মাজত দুয়োফালৰ পৰা সমপৰিমানে পৃথক কৰি ৰখা সৰু শলিটোৰ ওচৰ চপোৱা হয়। দুয়োটা পাতি সমপৰিমানে ওচৰ চপাই সুৰ নিয়ন্ত্ৰণ কৰা হয়। মাজৰ সৰু কামি লাগি থকা অংশত এক আঙুলমান খাজ কাটি পাতল কৰা হয় যাতে সুৰ নিয়ন্ত্ৰণ কৰাত সহায়ক হয়। ৰামধন গগণা বাদনৰ পদ্ধতিৰ বেলিকা মাত্ৰ হাতৰ আঙুলিৰে আঘাত কৰি সুৰ নিৰূপন কৰা হয়। ৰামধন গগণাতকৈ লাহৰী গগণা সৰু।[৮]

থোৰতে ক'বলৈ হ'লে লাহৰী গগণা আৰু ৰামধন গগণাৰ মাজত প্ৰভেদ মূলতঃ এয়ে যে প্ৰতিটো গগণাৰ সুৰ নিয়ন্ত্ৰণৰ হকে গগণাটিৰ মূৰৰ ফালে এটা ঘাপ কটা হয়।

যেতিয়া ঘাপটো কামিছটাৰ বুকুৰফালে থাকে তেনে গগণাক লাহৰী গগণা আৰু যেতিয়া কামিছটাৰ পিঠিফালে থাকে তাক ৰামধন গগণা বোলা হয়।[৯] দীনেশ গগৈৰ মতে, গগণা সাধাৰণতে তিনিবিধ— লাহৰী বা লিহিৰি বা বৰপাহী গগণা (গাভৰুৱে বজায়), ৰামনি বা ৰামধন গগণা (পুৰুষে বজায়) আৰু চেঙা গগণা (পুৰুষ-মহিলা উভয়ে বজায়)। অতীজত তাঁতশালত ব্যৱহৃত ব-চুঙাৰে এই চেঙা গগণা সজা হৈছিল। এই গগণাৰ মাত অতিশয় তীব্ৰ।

বিহুনামত আছে—

টোকালি কাটিলো/পবালি ফালিলো/বাহৰে লেকেচি থৈ;
কেইবিধ গগণা/মাতটি শুৱলা/আহিছা খোপাতে লৈ।

ৰামধন লাহৰী/আৰু চেঙা গগণা/সাজি দিয়া বুকুৰে ধন;
মোৰেনো ঐ বহনা/বিহুলৈ আহিলা/ যোৰপাতি বজাবৰ মন।

## মুকলি বিহুত গগণাৰ বাদন শৈলী

বিহুৰ পঞ্চবাদ্যৰ ভিতৰত অন্যতম সূক্ষ্ম বাদ্য হৈছে গগনা। ডেকা গাভৰুৰ মুকলি বিহুত গগণাৰ বাদন শৈলী সম্পৰ্কত ক'ব পাৰি যে গাভৰু বিহুত গাভৰু সকলৰ যিদৰে প্ৰধান বাদ্য টকা আৰু গগণা অনুৰূপ ধৰণে ডেকা-গাভৰুৰ মুকলি বিহুতো (যিহেতু ডেকা-গাভৰু উভয়ে সমানে অংশগ্ৰহণ কৰে সেয়ে) ঢোল, পেঁপাৰ দৰে গগণাকো অন্যতম মূল বাদ্য হিচাপে পৰিৱেশন কৰিব লাগে। মুকলি বিহুত উভয়ে গগনা বজাব পাৰে। পৰাপক্ষত গাভৰুসকলে লাহৰি গগনা, ডেকাসকলে ৰামধন গগণা বজাব পাৰিলে ভালে। এই বাদ্য পৰিৱেশন কৰি থকাৰ সময়ত ঢুলীয়াসকলে সূক্ষ্মভাৱে ঢোলৰ খোলাত টিক্ টিক্কৈ তাল ৰাখিব লাগে। অন্যথা গগণাখনৰ মাত স্পষ্টকৈ শুনিবলৈ পোৱা নাযায়। সেয়ে প্ৰতিযোগিতাৰ মঞ্চত গগণা, পেঁপা, বাঁহী এই বাদ্যসমূহ মাইক্ৰ'ফোনৰ সন্মুখত বজোৱাৰ প্ৰয়োজনীয়তা একেষাৰতে নুই কৰিব নোৱাৰি। অৱশ্যে বিহুতলীত ভাওনাৰ মঞ্চৰ মাইক্ৰ'ফোনৰ ব্যৱস্থাপনাৰ দৰে (ওলোমাই ৰখাৰ দৰে) হ'লে মাইক্ৰ'ফোনৰ সন্মুখত বজাব লগা নহয়। গগনা বাদকে গগনা পৰিবেশন কৰি থাকোতে বাকী বিহুৱা-বিহুৱতীসকলে তালে তালে নাচি থাকিলে ভাল। কিছু কিছু দলে আকৌ গগণা বজোৱাৰ সমান্তৰালভাৱে 'গগণা আৰণি, গগণা পুৰণি' বুলি নাম গায়। প্ৰকৃততে সেইটো হ'ব নালাগে। কাৰণ সেইসময়ত গগণাবাদনত প্ৰাধান্য দিয়াহে

উচিত। গগণা বজোৱাৰ লগে লগে নাম পৰিৱেশন কৰিলে বিচাৰকসকল অসুবিধাত পৰাৰ সম্ভাৱনা। আকৌ গগণাত জোঙলা নামষাৰ গাওঁতে বিহুযোৱাই উশাহৰ টিপতে বাওঁ বুলি গায়। আচলতে আঙুলি বোলাইহে বা 'মুগা সূতা লগায়ে' বুলি গাব লাগে। এনে শব্দবোৰৰ ব্যৱহাৰৰ প্ৰতি বিহুৱা বিহুৱতী সকলে মন দিয়া প্ৰয়োজন। প্ৰতিযোগিতাৰ মঞ্চত বহু সময়ত বিহুদল বিলাকৰ কোনো কোনো সদস্যই গগণা বুলি খোপাত গগণা সদৃশ এটুকুৰা বাঁহৰ টুকুৰা গুজি অনা দেখা যায়। এনে কাৰ্য্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। দলৰ সকলো সদস্যই যে গগণাখন খোপাত গুজি ল'ব লাগিব এনে কোনো বাধ্য বাধকতা নাথাকে কিন্তু গগণাখন লৈ অহা দেখুৱাবলৈ গৈ কৃত্ৰিম ৰূপত তাক উপস্থাপন কৰাটোৱেই দলটোৰ নেতিবাচক দিশহে উনুকিয়াই দিয়া পৰিলক্ষিত হয়।

প্ৰসঙ্গক্ৰমে ডেকা-গাভৰুৰ মুকলি বিহুত এই গগণাখনক কেন্দ্ৰ কৰি গাব পৰা কেইটিমান বিহু নামৰ নমুনা তলত উল্লেখ কৰা হ'ল—

"ধনে সাজি দিয়া/লাহৰী গগণা/বহি বড়ৰ তলত বাওঁ;
ধনো নাহিলে/গগণা ফাটিলে/খৰিকা মঙলত চাও।" (গাভৰুৱে গাব)

"আগলি বাঁহৰে/লাহৰী গগণা/বহি তাঁতৰ পাতত বাওঁ;
আহে কিনাহে ঐ/মোৰে ধন চেনাই ঐ/চিৰিপাতি মঙলখন চাওঁ।"
(গাভৰুৱে গাব)

"আগলি বাহৰে/লাহৰী গগণা/গগণাতো বিন্ধিলে ঘুণে;
অহা ব'হাগতে তোমাক বিয়া দিলে/গগণা বজাব কোনে।" (ডেকাই গাব)

"গগণাৰ আৰণি/গগণাৰ পোৰণি/গগণা কিহেৰে বাও;
দুফালে দুছাটি/মাজতে এছাটি/ মূগা সূতা লগায়ে বাও।"

ত'তে শুনিলো/সুৰতে বুজিলো/মোৰধনে গগণা বায়;
কিনো তোমাৰে/মাত ঐ বুকুৰ ধন/বুকুয়েদি সৰকি যায়।

কোনেনো বজালে/লাহৰী গগণা/বহি তাঁতৰ পাতত বাওঁ;
উলটি উভতি/মাৰো দৌড়পতি/জানোচা বাতৰি পাওঁ।

যোৱাটো বিহুতে/গগণা খুজিলো/এইবেলিও নিদিলা সাজি;
তোমাৰে গগণা/আমাকে নেলাগে/দিয়াগৈ সিজনীক সাজি।

## উপসংহাৰ

অসমৰ লোক সংস্কৃতিৰ অন্যতম পৰিচায়ক লোকবাদ্যবিলাকৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ লোকবাদ্য বিধ গগনা। এই বাদ্য বিধৰ উৎপত্তি, নিৰ্মাণ প্ৰণালী, বাদন শৈলী সম্পৰ্কীয় উপৰোক্ত বিস্তৃত আলোচনাৰ অন্তত ইয়াকে ক'ব পাৰি যে অসমীয়া লোকসংস্কৃতিৰ ধ্বজ্জাবাহক স্বৰূপ এই লোকবাদ্য বিধৰ সম্পৰ্কত অধিক গৱেষণা চলোৱাৰ স্থল আছে। কিয়নো ইয়াৰ উৎপত্তিৰ ইতিহাস তথা নামকৰণ সম্পৰ্কে এতিয়াও এক সঠিক তথ্যৰ অভাৱ।

যিহেতু 'গগণা' লোকসংস্কৃতিৰ অন্যতম পৰিচায়ক স্বৰূপ বাদ্য; গতিকে চৰকাৰী ভাৱেই হওঁক কিম্বা বেচৰকাৰী ভাৱেই হওঁক এই বাদ্য বিধ নিৰ্মাণ কৰাৰ যি শিল্প বিদ্যা তাৰ উত্তৰণৰ বাবে সঠিক প্ৰয়াস চলোৱাৰ প্ৰাসংগিকতা কোনোপ্ৰকাৰে নুই কৰিব নোৱাৰি। চৰকাৰেও এই শিল্পৰ লগত জড়িত কলা-কুশলী সকলক সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰয়োজনীয়তা আছে। যিহেতু এই শিল্প গ্ৰাম্যভিত্তিক গতিকে চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰামোদ্যোগ প্ৰতিষ্ঠানৰ জৰিয়তে গ্ৰাম্য যুৱক-যুৱতীসকলক এই ক্ষেত্ৰত প্ৰসিদ্ধ বিজ্ঞানসন্মতভাৱে প্ৰযুক্তিগত প্ৰশিক্ষণ প্ৰদান কৰি ইয়াক বিশ্ব দৰবাৰত পৰিচয় কৰোৱাৰ প্ৰচেষ্টা হাতত ল'ব লাগে। সময় থাকোতেই এই বিষয়ত সচেতন হোৱাৰ আৱশ্যক। অন্যথা বিশ্বায়নৰ প্ৰেক্ষাপটত পশ্চিমীয়াকৰণৰ ধামখুমীয়াত এই অসমীয়া লোক বাদ্যবিধৰ অৱলুপ্তি হ'বলৈ আৰু বেছি দিন নালাগিব।

## টোকা আৰু প্ৰসংগ পুথিঃ

(১) "গগণা কেৱল অসমতেই নহয়, চীনদেশৰ পৰা চাইবেৰিয়ালৈকে মংগোলীয় সকলৰ সমস্ত দীঘলীয়া ভূমি ভাগৰ দেশবোৰত ইয়াৰ ৰাজত্ব। সেই দেশত তাৰ নামো 'গগণা'ৰ দৰে গংগিণা আদি ধ্বনাত্মক শব্দবোৰ। এই সকলোবোৰ গগনাৰ

লগত কিন্তু অসমৰ গগণাৰ পাৰ্থক্য হ'ল— অসমৰ গগণা বাঁহৰ, সেইবোৰ দেশত কাঠৰ"— ড° মহেশ্বৰ নেওঁগ, *অসমৰ সাংস্কৃতিক ঐতিহ্য, নৃত্য-গীত-অভিনয়,* সম্পাঃ নগেন শইকীয়া, পৃঃ ২৪২।

(২) দীনেশ গগৈ; *বিহু; ম্যুং কঙৰ পৰা ম্যুং বৈশালীলৈ;* ব্ৰজেন কুমাৰ সন্দিকৈ, গুৱাহাটী, ২০১৩, পৃঃ ১৩২।

(৩) নৰেন্দ্ৰ নাথ বৰদলৈ; *ঢোলত চাপৰ মাৰি;* পৃঃ ৯৬।

(৪) তুলিকা চেতিয়া য়েইন; *অসমীয়া সংস্কৃতিত বিহুৰ বাদ্যযন্ত্ৰ;* নিৰ্ব্বাচিত প্ৰবন্ধ বিষয়ঃ বিহু (১) সম্পাঃ মৃদুল ফুকন; বৰ্ণবিন্যাস, শিৱসাগৰ, পৃঃ ৪৩০।

(৫) যুগল দাস; *অসমৰ লোককলা;* অসম প্ৰকাশন পৰিষদ; ১৯৬৮, পৃঃ ৪৬।

(৫) দিতুল চেতিয়া; *ৰঙালী বিহুৰ কেতবোৰ আহুকলীয়া চিন্তা,* নিবৰ্বাচিত প্ৰবন্ধ বিষয়; বিহু (৩), সম্পাঃ মৃদুল ফুকন, ৰেইনচফট, গুৱাহাটী, ২০১৫ পৃঃ ১৯৪।

(৬) ত্ৰৈলোক্য শইকীয়া; *বিহুৰ অন্বেষণত,* অজিত কম্পিউতাৰ পইণ্ট, বৰহোলা, ২০১২, পৃঃ ৪৭।

(৭) ত্ৰৈলোক্য শইকীয়া; উক্ত গ্ৰন্থ; পৃঃ ৪৭।

(৮) ইছমাইল হোছেইন; *ৰঙালী বিহুৰ প্ৰসংগ কোষ;* জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০১৩, পৃঃ ৩৫।

★★★

# তাহানিৰ চ'তৰ ৰাতি বিহু, মুকলি বিহুৰ ব্যৱহাৰিক দিশ

**দুৰ্ল্লভ বুঢ়াগোঁহাঞি***

চ'তৰ ৰাতি বিহুৰ উকমুকনি আঘোনৰ পকা ধাননী দৰাৰ পৰাই আৰম্ভনী। যৌৱনা গাভৰুৰ কাচিৰ চিকমিকনিত দূৰৈৰ দলনিৰ ম'হগোৱালৰ দেহাত প্ৰেমৰ বিজুলীৰ চমক উঠিছিল। গোৱালৰ পেঁপাৰ বিননীত দাৱনীৰ হাতৰ লাৱনী কাচি সৰি পৰিছিল। মাঘত শস্যৰ ভড়ালটি ভৰাই থৈ এসাজ ভালকৈ খাই বৈ ব'হাগৰ ৰঙালী বিহুৰ বাবে লাগতিয়াল খৰি-খেৰ যোগাবৰ বেলিকা ফাগুণৰ উখত পথাৰৰ পচোৱাই যৌৱনা ডেকাৰ দেহত প্ৰেমৰ বাউলীয়ে আমনি কৰিছিল। ঘৰৰ চাৰিসীমাৰ লাগতিয়াল আৰু প্ৰয়োজনীয় বাহি বন সামৰি গাভৰুসকলৰ বিনন্দিয়া মনত ক'লৈ যাওঁ, কি কৰো লাগিছিল। দূৰৈৰ ধূসৰ পথাৰত গোৱালৰ উকিয়ে চ'তৰ ৰাতি বিহুৰ জাননী আজিও দিয়ে। মুক্ত পৰিবেশত ডেকা-গাভৰুৰ উন্মাদ যৌৱনৰ অভিব্যক্তি বিনিময়ে পৰস্পৰে পৰস্পৰৰ মন আকৰ্ষণৰ কেন্দ্ৰস্থলী হৈ পৰে। যুৰীয়া আঁহতৰ তল। প্ৰকৃতিৰ সৈতে দৈনন্দিন গা-খাতি জীৱন নিৰ্বাহ কৰা ডেকা-গাভৰুসকলে কৰ্ম্মব্যস্ততাৰ অন্তত দেহাৰ ভাগৰ জুৰাবৰ বাবে ৰাতি সমনীয়াৰ সঙ্গে এষাৰি কথাৰ বিনিময় বিচাৰে। ডেকা-গাভৰুসকলে পৃথকে জুম বান্ধিছিল। সমাজৰ দায় লগাৰ ভয়ত প্ৰয়োজন হৈছিল সমজুৱা অনুমতি। গাঁৱৰ গাঁওবুঢ়া বা জেষ্ঠ সন্মানীজন আৰু সমাজসেবি ৰসিক আইতাসকলৰ পৰা সামাজিক সন্মান ৰক্ষাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দ্দেশনাৰ বিনিময়ত ৰাতি বিহুখোলা পাতিবলৈ অনুমতি পাইছিল। সৃষ্টি হৈছিল বন্য কাব্য "বনঘোষা"। মাধৱদেৱৰ "নামঘোষা"ৰ অন্তলিখিত তত্ত্বৰ দৰেই বনৰ কাব্য, বনঘোষা। প্ৰতিটো ক্ষণ-অনুক্ষণত যৌৱনৰ কামনা বাসনাৰ আমনি বোৰেই আছিল বনঘোষাৰ কেন্দ্ৰবিন্দু। বিনন্দিয়া বসন্তত যৌৱন জুইয়ে আমনি কৰা ডেকা-গাভৰুৰ কণ্ঠত স্বতঃস্ফুতভাবে নিগৰিছিল হিয়া উতলা কৰা মধুৰ সুৰ। গোৱালৰ পেঁপাৰ চাৰিটি ফুটাই দি 'সা', কোমল 'গা' আৰু 'মা', 'পা', 'নি' সুৰৰ বিননীয়ে যৌৱনা গাভৰুৱে উজুটিত যতৰ ভাঙিছিল। পেঁপাৰ চাৰিটি ফুটাৰ

---

* *লোককৃষ্টিৰ সাধক, বিহু বিশেষজ্ঞ।*

ঠিকনা— বাণীপুৰ, ডিব্ৰুগড়। যোগাযোগ নং- ৮৮৭৬২-৩৮২৫৫।

লহৰত জিনজিননী উঠা গাভৰুৰ লাৱনী দেহাত তুলিছিল লাবন্যতা, শৃঙ্গাৰ, কলা আৰু সুগন্ধি, এই চাৰি ৰসৰ লহৰ। সেৱা, নাম, ফল আৰু কৃপাৰে পেঁপাৰ চাৰিটি ফুটাই বিননী তুলি উৰ্ব্বৰা শক্তিৰ বাবে বসুমতীক জনোৱা কাকুতিত উতলা যৌৱনৰ ধেমালীৰ মাজত এখনি সুখৰ সংসাৰ তৰাৰ বাস্তৱ ব্যৱস্থা পৰম্পৰা বিহুৰ বুৰঞ্জীত অলেখ।

গোৱালৰ পেঁপাৰ বিননি সুৰটি ব্যক্তিগত। মুকলি বিহু ঢোল + তাল বাদ্য আৰু সঙ্গী নাচনীক নাচোন স্থলীলৈ আমন্ত্ৰণৰ বেলিকা বনৰ সেই জুনা বা যোজনাৰ বিননি সুৰেৰে আহি বিহুতলীত প্ৰথম প্ৰবেশ কৰিছিল। কৌশলী ঢুলীয়াৰ চেঁৱে বিহুৰ দুচপীয়া নাচোন তালত বান্ধি পেপুৱৈক মনৰ বাতৰি পেঁপাৰ সুৰেৰে চেনেহীক বিলাব পৰা সুবিধা কৰি দিছিল। কালক্ৰমত গোৱালৰ গুটিয়া পেঁপাটিয়ে মুকলি বিহুত যুৰীয়া পেঁপা হৈ বিহু অতি বিনন্দিয়া কৰি তোলাত উদ্‌গনি জনালে। যুৰীয়া পেঁপাত বিননীতোলা পৰম্পৰাত নাই। বৰ্ত্তমানৰ পেপুৱৈয়ে তেনে কৰা কৌশলটি বিবৰ্ত্তনৰ চিন। অতীতত মুকলি বিহুৰ প্ৰধান বাদ্য আছিল পেঁপা। ঢোল নবজোৱাকৈ গোৱালে সহজে খুচনিত লৈ ফুৰা পেঁপা বাদ্যৰ লগত সঙ্গতি ৰাখি বিহু মৰা কেইজনৰ দ্বাৰাই চ'তৰ ৰাতি বিহু সৃষ্টিৰ আদিকাল।

ধ্ৰুপদী সঙ্গীতৰ 'বাঁহী' বাদ্যটি বিহুৰ সৈতে প্ৰত্যক্ষ জড়িতৰ বিষয়ে অন্বেষনত আমি হাত মেলি নাপালো। কিন্তু তথাপি মুখেৰে ফুঁ দি থিয়কৈ বজোৱা মুৰুলি আৰু পথালিকৈ ফুঁমাৰি বজোৱা বাঁহী দুয়োটি বাদ্যই হৈছে আদিম বাসিৰ ৰং আনন্দৰ প্ৰথম লোক আহিলা। বাঁহ কাটোতে চুঙা হৈছিল। চুঙাত বতাহ লাগি শব্দ হৈছিল। কৌশলী বাঢ়ৈয়ে পাই বাঁহী সৃষ্টি কৰিছিল বাবেই বাঁহী-মুৰুলী গন্ধৰ্ব হ'লেও প্ৰকৃততে লোক-হস্তত প্ৰাণ পোৱা বাবেই লোকবাদ্যৰ শাৰীত থলে কাৰো আপত্তি থাকিব নালাগে। কাৰণ বাঁহ হ'ল মানুহৰ জীৱন সঙ্গী। বিহুত এই বাদ্যটিৰ একক কৌশল নাথাকে। বিহু নামৰ সঙ্গী হৈ ই সুৰৰ মাধুৰ্য্যতা বঢ়োৱাত সহায় কৰে। কৃষ্টি -কৃষক-বাঁহ আৰু প্ৰকৃতি হ'ল অৱতাৰি ভগৱান কৃষ্ণৰ হাতোৰাত। ঘোষাত কৈছে ঃ

"কৃষ হেন শব্দ ইটো পৃথিৱী বাচক ভৈলা
ন'-অনন্দত প্ৰৱৰ্ত্তয়,
দুয়ো এক পদভৈলা পৰম ব্ৰহ্ম ৰূপ 'কৃষ্ণ'

নাম আনন্দৰ মাত্ৰ কয়।।”

কৃষ্ণ গোপালে বাঁহী বজাইছিল। কৃষ্ণ-কৃষক একেযুতিৰ জীৱ। গগনা আৰু সুতুলি বাদ্য কেইটিও গোৱালৰে সৃষ্টি। এককভাৱে নিৰিবিলি স্থানত বজাবৰ উপযোগি বাদ্য। ইয়াৰ গঠনৰ আকাৰ স্ত্ৰীয়মূলক। সেয়ে কোনোবা প্ৰেমীক গোৱালে বিহুৰ সময়ত মনে বিচৰা প্ৰেয়সীলৈ সুন্দৰকৈ সজাই বিহুৰ উপহাৰে প্ৰেমৰ নিবিড়তা বঢ়াইছিল। কালক্ৰমত গাভৰুসকলে বিহুৰ আনন্দৰ মাজত চেনাইৰ স্নেহত পোৱা উপহাৰৰ বাদ্য গগনা আৰু সুতুলি বাদ্য কেইটি বজাই নিজা বাদ্য কৰি লৈ প্ৰেমীক বিহুৱাক সন্মান জনাইছিল।

তাহানিৰ চ'তৰ ৰাতি বিহুত ডেকা-গাভৰু সকলে পৃথকে পৃথকে বিহুৰ খোলা পাতিছিল। তেজৰ সম্বন্ধ থকা বাই ভনী, ভাই ককাই আদিৰ পৰা নিলগে থাকি সমনীয়াৰ সৈতে বিহুৰ খোলাত অংশ লৈছিল।

প্ৰকৃতিৰ পৰা সমল আহৰণৰ সময়ত পথাৰ, নদী, চমনি, জাৰনি আদিৰ মাজত কৰ্ম্মৰত অৱস্থাত যৌৱন মতলীয়া ডেকাৰ উন্মাদনা প্ৰদৰ্শনবোৰ আছিল একক বক্তিগত। অন্যহাতেদি প্ৰকৃতিৰ সৈতে খেলি থাকিলেও গাভৰুৰ দেহৰ উন্মাদনা বোৰ আছিল অপ্ৰদৰ্শিত গোপন। জুম বান্ধি কৰা কৃষি কাৰ্য্যৰ সময়তে দেহৰ গোপন উন্মাদনাই পাৰ ভাঙি দলীয় উল্লাহলৈ উত্তৰণ ঘটিছিল। বিহুৰ উন্মাদনাই মন চঞ্চল কৰিলেও অকলশৰে চিঞৰি চিঞৰি গাভৰুৱে গীত নাচ কৰা নাছিল। নাৰীৰ লাজুকী ভূষণে মনৰ চঞ্চলতাক সংযমে ৰাখিছিল। নাৰী বা গাভৰুসকল জুম বান্ধিলেই এটি সংস্কৃতিৰ ৰূপ দেখা পোৱা যায়। ভূইতলীৰ ৰোৱনী, ধাননিৰ দাৱনী, তাঁতশালৰ শিপিনী, জাকৈয়া দলত, নোৱাই তুলনী বিয়া, বৰ বিয়াত, কঠিয়ানীত, আখল-মাৰল ঘৰত বন্ধা জুমত, নদীৰ ঘাটত ইত্যাদি ইত্যাদিত গাভৰুসকলে জুম বান্ধি কৰা ৰং ৰহস্য বোৰেই কালক্ৰমত লোক সংস্কৃতিলৈ উত্তৰণ ঘটিছিল।

আদিম কৃষিজীৱি সকলে কৰা আনন্দ উল্লাহবোৰ জুম বান্ধি বৃত্তাকাৰে মৰনা মৰাৰ দৰে ঘূৰি ঘূৰি নাম গাই নাচি নাচি কৰাটোৱেই ঐতিহাসিক পৰম্পৰা। গাভৰুসকলে ঘূৰণীয়াকৈ নিজকে আবুৰ কৰি আনন্দ কৰিছিল। অন্য কাৰোবাক সন্তুষ্ট কৰাৰ বাবে নহয়। সংস্কাৰেই সংস্কৃতি। তাহানি কালৰ আদিম কৃষিজীৱি সমাজৰ বনৰ বিহুটি সংস্কাৰ

হৈ আজি উৎসৱত পৰিণত হ'ল। তাহানি পৃথকে পৃথকে লিঙ্গ ভিত্তিত কৰা চ'তৰ ৰাতি বিহু বৰ্ত্তমান মুকলি বিহুৰ ৰূপত মঞ্চত উঠিলেহি। পথাৰৰ মুক্ত আচৰণবোৰ সীমাবদ্ধতাৰ জোলোঙাত সোমালেহি নাম-নাচ-বাদ্যবোৰে দক্ষতাৰ কাৰাগাৰত ফেঁকুৰিবলৈ ধৰিলে।

যেইকি নহঁওক, গছতলৰ গাভৰুবিহু (জেংবিহু) টি গাভৰুসকলৰ অধিকাৰতে থৈ, তাহানি চ'তৰ ৰাতি বিহুৰ ৰূপান্তৰ বৰ্ত্তমান মুকলি বিহুটিৰ বিষয়ে আলোচনাৰ পাতনি মেলিছো।

তাহানি চ'তৰ ৰাতি বিহু, ডেকা-গাভৰুৰ দুয়ো পক্ষৰ আকৰ্ষণৰ চেলুতে 'লগবিহু' পতাৰ বাবে উমৈহতীয়া সন্মতিত বিহুৰ আনন্দই বিশালতা লাভ কৰিছিল। ঢুলীয়া নাচনীৰ মাজত গোপনে প্ৰতিযোগিতাৰ ভাৱ এটিয়ে আমনি কৰিছিল। পেঁপুৱৈ আৰু নাচনী গাভৰুৰ মাজত থকা গোপন প্ৰেমৰ ঈঙ্গিত বুজি সঙ্গী সকলে পৰস্পৰৰ মাজত প্ৰতিযোগিতাৰে মন জয় কৰা উল্লাহত, উদ্‌গনি দিছিল। তেনেক্ষণতে অচিন দুখনি হৃদয়ৰ পৱিত্ৰ মিলন ঘটিছিল। সমাজে বিৰতীত স্বীকৃতি দিছিল। নিবোধ, অকৃত্ৰিম প্ৰৱঞ্চনাহীন, আন্তৰিকতাৰে ভৰা কলাত্মক দিশৰ প্ৰতি গুৰুত্ব দি স্বৰ্গদেউ সকলে চহা কবিৰ বনৰ উন্মাদনাক সমজুৱা, উল্লাহলৈ স্বীকৃতি জনাই জাতীয় উৎসৱৰ মৰ্য্যাদা দিছিল।

মুকলি বিহু বুলিলে তাহানিৰ ডেকাই পৃথকে মৰা বিহু আৰু গাভৰুৱে পৃথকে মৰা বিহু খোলাক বুজাইছিল। তাত প্ৰতিযোগিতা নাছিল। কালক্ৰমত ওচৰ চাপি পৰস্পৰে প্ৰেমবিনিময় কৰাৰ অচিলাতে প্ৰতিযোগিতাৰ বীজ এটি সিচৰিত হৈ পৰিল। সেয়ে 'মুকলি বিহু'তকৈ ডেকা-গাভৰুৰ মিশ্ৰিত দলগত প্ৰতিযোগিতাত 'লগবিহু' নামটো খাপ খাই পৰে।

তাহানি ৰজাই দুয়োপক্ষৰে পৰস্পৰৰ ব্যক্তিগত বুৎপত্তিৰ শ্ৰেষ্ঠতাৰ পৰীক্ষাৰ আনন্দত ভাগ ল'বলৈ দুয়োপক্ষক একে লগ হৈ 'লগবিহু' পাতিবলৈ অনুমতি দিয়া পৰম্পৰাৰ নিয়মেই আজিৰ মুকলি বিহু প্ৰতিযোগিতা। এনে ক্ষণত বিহুৰ আৰম্ভনি অথবা মঞ্চলৈ (বিহুৰতলী কেন্দ্ৰস্থলী) লৈ প্ৰথম কোনে ইঙ্গিতেৰে কেনেকৈ প্ৰবেশ কৰিব বা অতীতত কোনে প্ৰথমে বিহুৰ পাতনি মেলিছিল। এনে এটি ধাৰণাই দুয়োপক্ষকে হতাশাত ভোগাব। কাৰ পথ্য আগ হোৱা উচিত বুলি বহুতৰ মনত প্ৰশ্ন উদয় হ'ব।

তেনে স্তলত আমাৰ অন্বেষণত বুৰঞ্জীৰ এটি শলাগনিত কৈছে ঃ “শিৱৰ ভনীয়েক কলীমতীকে ধৰি পাচজনী বাই-ভনী মিলি জলপথেৰে নাৱৰ টিঙত বহি বিহুনাম গাই নাচি বাগি ভটিয়াই যোৱাৰ পথত দেৱতা সকলে পৰ্ব্বতৰ টিঙৰ পৰা কিৰিলি পাৰি চাপৰি বজাই উদ্‌গনি দিছিল। দৈয়াংবনৰ সীমাত দেৱ-দেৱী লগহৈ বিহু আখৰাত ভাগ লৈছিল।' (হেম বুঢ়াগোহাঞি)। ব্ৰহ্মাই বিহু স্ৰজিছিল। লক্ষী, সৰস্বতী, পাৰ্ব্বতী আদি দেৱীসকলে বিহুমাৰি নাচিছিল—

“আই সৰেস্বতী/দেৱী পাৰেৱতী/তোমালৈ জনাই যাওঁ সেৱা;
তোমাৰে চৰণত/বিহুখন তৰিছো/আমাক কৰি যাব দয়া।”

অন্যহাতেদি গাভৰু সকলৰ উল্লাসৰ সঙ্গী আছিল মাত্ৰ হাত চাপৰি আৰু বাঁহৰ হাত টকা। সেয়ে উল্লাহত উন্মাদনা বিচাৰি প্ৰথমতে ঢুলীয়াক আমন্ত্ৰণ জনাই গাইছিলঃ—

“এচাৰি কটাতো/কছাৰী লৰাটো/বাটত পেলাই গলি চেচু;
মাৰৰ মুৰখোৱা/বিজুলী চকুৱা/পেপাটি বজাই দে নাচো।”

পেপুৱৈক গাভৰুৱে প্ৰথমতে দললৈ সম্ভাষণ জনোৱা ইত্যাদি তাৎপৰ্য্যপূৰ্ণ দিশ কেইটিক আদৰণি জনাই প্ৰথমতে গাভৰুৰ প্ৰৱেশৰ নিয়মত আপত্তি নকৰিলেই মঙ্গল যেন অনুভৱ কৰো। অন্যহাতেদি বিহুতলীৰ মঙ্গলাচৰণৰ আনুস্থানিকতা খিনি গাভৰুসকলে প্ৰথমতে সমাধা কৰি লৈছিল।

গাভৰু বিহুৱতীসকলৰ প্ৰধান বাদ্য হৈছে ‘হাত টকা’। বিহুত সন্নিৱিষ্ট থকা স্নেহ-প্ৰীতি, আদৰ সম্ভাষণ আৰু আন্তৰিকতাৰ ফলস্বৰূপে বিহুৰ বতৰত কোনোবা চেনাইয়ে কোনোবা চেনেহীক প্ৰেমৰ চিন স্বৰূপে গগণা আৰু হুতুলি নিজ হাতেৰে সাজি বিহুৰ উপহাৰ দিছিল। কালক্ৰমত উপহাৰৰ দুটি বাদ্যই গাভৰুসকলৰ বিহুত সোমাই পৰিলহি।

মঞ্চৰ মুকলি বিহু প্ৰতিযোগিতাত বা “লগ বিহু” প্ৰতিযোগিতাত প্ৰথমতে গাভৰু পক্ষই পাতনি মেলা আদৰণীয়। গাভৰু সৌন্দৰ্য্যৰ প্ৰতীক। অতীতৰ স্বতঃস্ফুত বিহুৰ মুক্ত আচৰণৰ উন্মনা ভাৱৰ ধৰণ, কৰণ, নিয়ম, আচাৰ, আচৰণ, কথন মথন, চলন ফুৰণ ইত্যাদিক অনুকৰণীয়ভাৱে মঞ্চত প্ৰদৰ্শন কৰিবলৈ যাওঁতে কোনোধৰণৰ নাটকীয়

অঙ্গীভঙ্গী অ-গ্ৰহণীয়।

গাঁৱৰ বিহুৱতী সকলে নিজ নিজ ঘৰৰ পৰা বিহুতলীলৈ বিভিন্ন চুক, চুবুৰিৰ পৰা ঢপলীয়াইছিল। সেইদৰে ডেকাসকলেও বিভিন্ন দিশৰ পৰা অকলশৰে বিহুতলীলৈ আহিছিল। এই ক্ষেত্ৰত ঐতিহাসিক-বাস্তৱ স্বতঃস্ফূৰ্ত বিহু এখনিৰ ছবি অংকন আমাৰ স্মৃতিৰ পট এনেধৰণৰ—

প্ৰকৃতিৰ বড়গছ জুপি এটি মন্দিৰ, বিহু এভাগি পূজা, বিহুৱা বিহুৱতীসকল ভক্ত বুলি প্ৰকৃতি দেৱীৰ সৃষ্টিৰ চাঞ্চল্যক সন্মান জনাই প্ৰথমতে এগৰাকী গাভৰুৱে পয়োভৰা বসন্তৰ অপৰূপ ৰূপত উন্মনা হোৱা ভাৱ প্ৰকাশি এফাঁকি বিহুনাম যোজনা (জুনা) সুৰেৰে গাই প্ৰৱেশ কৰি উল্লাহত বাউলী হোৱা কথা ভবা হৈছে।

যোজনা ঃ "কিনো বিনন্দিয়া/সৰজিলে ঈশ্বৰ ঐ/প্ৰকৃতি ধুনীয়া কৰি;
গছে পাত সলালে/কুলিয়ে বিনালে ঐ/বিহুটি পালেহি বুলি।"

লগে লগে হাতত গোৱা-পাণৰ টোপোলাৰ সৈতে এখনি বিহুৱান লৈ দ্বিতীয় গৰাকীয়ে আই বসুমতীলৈ প্ৰণাম জনোৱা ভাৱৰ বিহুনাম এফাঁকি যোজনা (জুনা) সুৰেৰে গাই গাই গছৰ তলত গোৱাপাণ আগবঢ়াই, সম্ভৱ অনুসৰি বিহুৱান বান্ধি (পৰিবেশে নকলে বিহুৱান নিদিলেও দায় ধৰা উচিত নহব) উন্মনা হোৱা ছবি এখনি কামনা কৰা হৈছে।

আই সৰস্বতী ঐ/দেৱী পাৰস্বতী/তোমালৈ জনাই যাওঁ সেৱা;
তোমাৰে চৰণত/বিহুখন কৰিছো ঐ/আমাক কৰি যাব দয়া।"

বনৰ মাজত প্ৰেম পীৰিতিৰ উন্মাদনাৰ স্থলীত আধ্যাত্মিক তত্ত্বৰ বন্তি গচি অতীতত ব্যৱহাৰ হোৱাৰ বিষয়ত আমাৰ অন্বেষণত কাৰো মত স্পষ্ট নহয়। (উল্লেখযোগ্য যে অসমৰ নৃগোষ্ঠী অনাৰ্য্য কৈৰাতজ সকলে বিহুৰ সময়ত প্ৰকৃতিৰ বড়গছ জুপিক দেৱ-দেৱীৰ শপত জ্ঞান কৰিছিল। জনগোষ্ঠীয় সকলৰ অতিথি আদৰাৰ প্ৰথম আৰু প্ৰধান পথ্য তামোল-পাণ। যোৰ পাতি আগলি কলপাতত টোপোলা বান্ধি অদৃশ্য শক্তিক কৰা উপাসনাৰ তাৎপৰ্য্য অতি গুৰুত্বপূৰ্ণ)। প্ৰণাম মূলক যোজনা ফাঁকি শেষত বাকী লগৰী বিহুৱতী সকলে যোজনাৰ উল্লাহত কুৰুলীয়াই বাউলী হৈ প্ৰৱেশ কৰিব পাৰে।

নতুবা বিহু এফাঁকি সকলোৰে আওঁৰাই গাই গাই নাচি নাচি প্ৰৱেশ কৰিলেও অনিয়ম কৰা বুলি ধৰিব নেলাগে। দলীয় প্ৰৱেশৰ বিহুনাম নমুনা। যেনে—

**জাতঃ** "অ' কি অ'চেনাই/নতুন বছৰ সোমায়,
কুলি কেতেকীয়ে/কান্দে ইনাই বিনায়
কেতেকীৰ বিননীত/থাকিব নোৱাৰো
বিহুৰ বা লাগিছে/মন উৰু উৰু।।"

লগে লগে অন্য এগৰাকী নামতীয় নাতি দূৰৈত থকা ডেকা বিহু খোলাৰ পেপুৱৈক আমন্ত্ৰণ জনাই যোজনা দি গাব ঃ— বিহু নামৰ এটি নমুনা। যেনে—

**যোজনা—** "মহৰ শিঙৰ পেঁপাটি/নবজাবি চেনাইটি/মন মোৰ কেনেবা কৰে;
পেঁপাৰ মাত শুনি/ৰব মই নোৱাৰো/হাতৰ বন সৰি পৰে।"

পেপুৱৈয়ে পেঁপাত বিননি জুৰি প্ৰৱেশ কৰাৰ লগতে সংগ দি ঢুলীয়া দুজনে ৰগৰ দি প্ৰৱেশ কৰিব পাৰে। পেঁপাৰ বিননিৰ শেষত বাকী ঢুলীয়াৰ সৈতে অন্য সদস্য সকলে পেঁপা আৰু ঢোলৰ যুগ্ম খৰ তালত নাচি-বজাই প্ৰৱেশ কৰিব পাৰে। পেঁপাৰ খৰ্ চেওঁৰ শেষত ঢুলীয়াই এটি সুন্দৰ ঐতিহাসিক খৰা চেঁৰত নাচনী নচোৱাব পাৰে। গাভৰু দলৰ সকলোৰে একেলগে নানাচি দুগৰাকী কৈ নাচিলে ভাল হ'ব যেন লাগে নতুবা ঢুলীয়াৰ আকৰ্ষণৰ চুকত থকা গৰাকী নাচিলেও সৌন্দৰ্য্য হানি হোৱা বুলি ভাবিব নেলাগে। ঢুলীয়াৰ প্ৰতি দৃষ্টি দিয়া গৰাকীয়ে ঢোলক সন্মান জনাই ঢুলীয়ালৈ ঈঙ্গিত কৰি ঢুলীয়া আকৰ্ষন নাম গাব। যেনে এটি নমুনা—

**যোজনা ঃ** "ঢোলত চাপৰ মাৰি/ঢুলীয়া ওলালে/বহিবৈ আছিলো তাত;
টোপোলাৰ সেন্দুৰ/ টোপোলাতে থাকিলে/খাবলৈও নহ'লে ভাত।"

যোজনা ফাঁকি সামৰাৰ লগে লগে ঢুলীয়াই ঢোলৰ প্ৰকৃত চেওঁ বজাবৰ বাবে ঢোলৰ আগলিবোলনি ঢিমা লয়ত আৰম্ভ কৰি নাচনীক নাচৰ কেন্দ্ৰ স্থলীলৈ টানি আনি নাচনী নচোৱাৰ ঐতিহাসিক দিশটোৰ প্ৰদৰ্শন কৰা কৌশলটি হ'ব আদৰণীয়। এই নাচত কোন নাচনী নাচিব বা আতাই কেই গৰাকীয়েই নাচিব সেই দিশত ধৰা বন্ধা নিয়ম নাথাকিলেও দলে আখৰাৰে বিবেচনা কৰা অতি গুৰুত্ব পূৰ্ণ বুলি ভবা হৈছে।

সেই দৰেই নাচনীৰ সন্মান কোনো গুণেই কম নহয়। বিহুৱা নামতিয়ে লগে লগে নাচনীক সম্ভাষণ জনাই এফাঁকি যোজনা নামেৰে পুনৰ বৃত্তৰ মাজলৈ আহ্বান জনাই নাচনীক সন্মান জনোৱা এটি পৰম্পৰা আছিল।

**যোজনা—**

নামতিয়ে গাব ঃ "ঔ ফুল ফুলিলে/জগতে জানিলে/থেকেৰা ফুলিলে ৰাতি;
আমাৰে নাচনী/ওলাই আহিছে/যেন হালধিৰে গাঁঠি।"

ঢুলীয়াই নাচনী চেঁও বজাই নচুৱাব। বাদ্য, নাম আৰু নাচ এটা সমষ্টি। আৰম্ভণি কৰি ঢিমৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে খৰ লয়লৈ আৰোহনী গতি কৰি আৰম্ভ কৰা খণ্ডটি ঢোলৰ চেওঁ চাপৰে সামৰা বিষয়টি ঐতিহাসিক। প্ৰত্যেকটি নতুনকৈ আৰম্ভ কৰা খৰা চেও সমূহত সলনা-সলনিকৈ দুগৰাকীকৈ নাচনী অথবা যুৰীয়াকৈ ঢোলৰ চেঁৰত নচাৰ কৌশলটি মনোমোহা হ'ব যেন মনত ধৰে।

অলপ আনুস্থানিকতাৰে বিহুতলীখন সজাই পৰাই লোৱাৰ পাচত ডেকা-গাভৰুৰ চঞ্চলতা যোৰা নামৰ বকলা মেলিব পাৰে। অথবা খণ্ডচিঙা চাৰি-পংক্তি যুক্ত নামেৰে যোৰা নামৰ পাতনি মেলিব পাৰে। জাতনামৰ নমুনা যেনে ঃ

**জাত ঃ ডেকা ঃ** "মুগা পাত তোমাৰ গাত
অ' নাচনী দেহা আঁতি পিন্ধিছা,
মিহিপাত দুটি হাত
অ' নাচনী বোলাই লৈ জেতুকা
নাচ নাচ নাচাচোন সেউতী নাচনী ঐ
নাচা কঁকাল ভাঙি মোৰ মন বিনন্দিয়া
আহ আহ আহাচোন সৰুটি নাচনী ঐ
আহা কাষ চাপি মোৰ মন হ'ল বলিয়া
তোমাৰ খোপাতে দিম... দিম যেন গুজি ফুল
মৰমৰ জড়িৰে বান্ধিম ডিঙিত মণিৰ দোল।।"
ঢোলৰ চিঙা চেওঁৰে মুখনি মাৰিব। নাচ গতানুগতিক হ'ব—

... ... ...

**জাত ঃ গাভৰু ঃ** "ডিঙিতে চামৰ কাঠ
অ' চেনাইটি আঁৰি লৈ  বজাইছা
পেঁপাটিৰ মিহি মাত
অ' চেনাইটি ভাঙে মোৰ কলিজা
বা-বা বজোৱা ঢুলীয়া ককাইটি ঐ
বাহু ডাঙি ডাঙি আঠু ভাঙি ভাঙি যেন ধন কলীয়া,
আহ আহ আহাচোন সৰুটি ককাইটি ঐ
আহা কাষে চাপি বজাই দে  পেঁপাটি-মন ধেমেলীয়া
তোমাৰে অন্তৰত মৰম-মৰম যেন এপাহ ফুল
আশাৰে আছো ৰৈ ... পাবলৈ অকণ মান গোন্ধ।"
...          ...          ...

যৌথ আনন্দৰ শেষত ঢোলৰ ছুটি চেওঁত নাচনী নাচি মুখনি মাৰিব। লগে লগে পুনৰ বৈশিষ্টপূৰ্ণ সুৰ সংযোজনাৰে খৰা বিহুৰ পাতনি মেলিব। মূখ্যতে বিহু হ'ল প্ৰেম আবেদন নিবেদনৰ এটি মাধ্যম। বিশেষকৈ চহা কৃষকৰ যৌৱন জুই নিৰাময়ৰ বাবেই এষাৰি বিহুনামৰ প্ৰয়োজন হয়। খঁৰা বিহুৰ বিভিন্ন সুৰত চহা কবিয়ে বান্ধি ৰাখিছে। প্ৰকৃতিৰ সমলক উপমাৰে মনৰ বাতৰি বিলোৱা বিহুনাম অলেখ। তাহানি চহা কবিৰ ভাৱৰ ঢৌত পৰিৱেশ, পৰিস্থিতি মনৰ স্থিৰতা, আৱেগ, আশা, আকাংখ্যা, আকৰ্ষণ, অনুৰাগ, সামাজিকতা, বিৰহ, ব্যৰ্থতা, পূৰ্ণতা, সন্তুষ্টি, কুশল কামনা, ইত্যাদি ইত্যাদি ভাৱত, অতি কম কথাৰে জীৱন যৌৱনৰ সাৰ্থকতাৰ বাতৰি বিলাই স্বতঃস্ফুতভাবে নিগৰাই গ্ৰাম্য কবিতাৰ ভড়াল টনকিয়াল কৰি থৈ গৈছে।

প্ৰতিযোগিতাবোৰ মা-দেউতা, বাই ভনী, জেষ্ঠ-কনিষ্ঠ সকলৰ সাক্ষাতত অনুস্থিত হয়। গতিকে প্ৰতিযোগিতাত প্ৰেমৰ আদান-প্ৰদান ভাৱৰ নাম সমূহৰ ভিতৰত আৰঁবেৰ থকা বা প্ৰত্যক্ষ লজ্জাবোধক নামবোৰ নিৰ্ব্বাচন কৰি আঁতৰাই ৰাখি সমাজে গ্ৰহণ কৰিব পৰা নামবোৰ গোৱা উচিত। তেতিয়াহে 'সংস্কৃতি' শব্দটিৰ মৰ্য্যদা ৰক্ষা হ'ব। তেনে ধৰণৰ যোৰা নামৰ এটি আৰ্হি। যেনে—

যোৰানাম—

**গাভৰু ঃ** "হেন্দুলি হেন্দুলি/জাকৈ বাই আছিলো/বিহুতনো কি কথা হ'ল;
দেখা পাওঁ বুলি/ চিন্তাকৈ আছিলো/বাটত ভেটা ভেটি হ'ল।।"

**ডেকাঃ** মাছে মাৰিবৰে/ অনেকটি এবুদ্ধি/দীঘলী কাটিবৰ লো;
বাটত লগ পাবৰ/অনেকটি এবুদ্ধি/জোপাৰ তলে তলে খোৰ।।"

... ... ...

বিহুনামৰ অৰণ্যৰ পৰা বৈশিষ্টৰ মাজত বিচিত্ৰতাখিনি বুটলি সমাজে গ্ৰহণ কৰিব পৰা নামৰ জোৰাৰ তুলি গাই-নাচি-বজাই কৰা আনন্দত যেন অন্য কাৰোবাৰ সংস্কৃতিৰ সুৰ, বাদনৰ বোল আৰু নাচৰ ভেঙুচালিৰ আচোৰ নপৰে তালৈ লক্ষ্য কৰাই হ'ল প্ৰতিযোগিতাৰ প্ৰধান উদ্দেশ্য। আৰ্হি সমূহ আমাৰ নিজা কল্পনাৰ হাতোৰাৰে অতীত ধুকি পোৱা স্থানৰ লোক সকলৰ আৱেগ সন্নিবিষ্ট এটি ক্ষুদ্ৰ বিৱৰণহে মাথো।

প্ৰতিযোগিতা সামৰণিত কৃষক বিহুৱাই বিহুতলীৰ পৰাই মনে মিলা সঙ্গীৰ সৈতে যুগ্মজীৱনৰ পাতনি মেলা তাহানি চ'তৰ বিহুৰ আৰ্হিৰে সামৰণি মৰা প্ৰদৰ্শন কৰিলেও কাৰো আপত্তি থাকিব নোলাগে।

উল্লেখিত কৰণীয় খিনিৰ সামগ্ৰিক ভাৱে মানদণ্ড উচ্চ কৰি ৰখাৰ ক্ষেত্ৰত ঢুলীয়াৰ কৰণীয় আৰু দায়িত্ব বেছি। কোনো এটা ঢোলৰ চেওঁ-চাপৰ দুবাৰ ব্যৱহাৰ নকৰাকৈ বৈশিষ্টপূৰ্ণ অতীত ঢুলীয়াৰ ছেওঁ-চাপৰ বজাবলৈ চেষ্টা কৰি নিজ নিজ দলৰ মানদণ্ডৰ গণ্ডিত ৰাখি প্ৰশংসিত হোৱা কাৰ্য্যটি সকলোৱে আশীৰ্বাদ দিব।

★★★